

Karl Marx, Friedrich Engels, Vladimir Lenin, Joseph Stalin, Enver Hoxha

# 5 Classics of Marxism

Comintern (Stalinist-Hoxhaists)
**http://ciml.250x.com**





Georgian Section
**www.joseph-stalin.net**

**SHMG Press** – 2012
Karl Marx Press of the Georgian section of
Comintern (SH) – Stalinist-Hoxhaists Movement of Georgia

# মাৰ্ক্স এঙ্গেলছ

## কমিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ



সকলো দেশৰ শ্ৰমিক এক হওক!

# কাৰ্ল মাৰ্ক্স
# ফ্ৰিডৰিখ এঙ্গেলছ

# কমিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ

ইয়াৰ লগত সংযোজিত হৈছে

এফ. এঙ্গেলছৰ 'সাম্যবাদৰ সূত্ৰ'

প্ৰগতি প্ৰকাশন · মস্কো

সম্পাদনা: হেম শৰ্মা


প্ৰথম সংস্কৰণ: ১৯৭৮ চন

দ্বিতীয় সংস্কৰণ: ১৯৮৬ চন

© অসমীয়া অনুবাদ · প্ৰগতি প্ৰকাশন · মস্কো · ১৯৭৮

ছোভিয়েত ইউনিয়নত মুদ্ৰিত

МЭ $\frac{0101010000-425}{014(01)-86}$ 271—86



Karl Marx



F Engels

'স্পষ্টতা আৰু অত্যুজ্জ্বল প্ৰতিভাসম্পন্ন এই ৰচনাত প্ৰকাশ পাইছে নতুন বিশ্বদৃষ্টি, সমাজ জীৱনৰ শেষ সীমালৈকে বিস্তৃত সুসঙ্গত বস্তুবাদ, বিকাশৰ সৰ্বাঙ্গীন আৰু সুগভীৰ মতবাদস্বৰূপ দ্বন্দ্ববাদ, শ্ৰেণী-সংগ্ৰাম আৰু নতুন সাম্যবাদী সমাজৰ স্ৰষ্টা সৰ্বহাৰাসকলৰ বিশ্ব ঐতিহাসিক বৈপ্লৱিক ভূমিকাৰ তত্ত্ব।'

ভি. আই. লেনিন

## সূচী


১৮৭২ চনৰ জাৰ্মান সংস্কৰণৰ ভূমিকা ৭

১৮৮২ চনৰ ৰুছ সংস্কৰণৰ ভূমিকা . ৯

১৮৮৩ চনৰ জাৰ্মান সংস্কৰণৰ ভূমিকা . ১১

১৮৮৮ চনৰ ইংৰাজী সংস্কৰণৰ ভূমিকা . ১৩

১৮৯০ চনৰ জাৰ্মান সংস্কৰণৰ ভূমিকা . ২০

১৮৯২ চনৰ পোলিছ সংস্কৰণৰ ভূমিকা ২৭

১৮৯৩ চনৰ ইটালিয় সংস্কবণব ভূমিকা ২৯


### কমিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ


১। বুৰ্জোৱা আৰু সৰ্বহাৰা ৩২

২। সৰ্বহাৰা আৰু কমিউনিষ্টসকল ৪৯

৩। সমাজতন্ত্ৰী আৰু সাম্যবাদী সাহিত্য . . . . . . . . ৬১

(১) প্ৰতিক্ৰিয়াশীল সমাজতন্ত্ৰ . . ৬১

ক। সামন্ত সমাজতন্ত্ৰ . . . . . . ৬১

খ। পেটি-বুৰ্জোৱা সমাজতন্ত্ৰ . . . . . . . . . ৬৩

গ। জাৰ্মান বা 'নিভাঁজ' সমাজতন্ত্ৰ . . . . . . . . ৬৫

(২) ৰক্ষণশীল বা বুৰ্জোৱা সমাজতন্ত্ৰ ৬৮

(৩) সমালোচনামূলক-কাল্পনিক সমাজতন্ত্ৰ আৰু সাম্যবাদ ৭০

৪। বৰ্তমানৰ বিভিন্ন চৰকাৰ-বিৰোধী দলসমূহৰ লগত কমিউনিষ্টসকলৰ সম্পৰ্ক ৭৪

ফ্ৰিডৰিখ এঙ্গেলছ। সাম্যবাদৰ সূত্ৰ ৭৭

টীকা ৯৯

## ১৮৭২ চনৰ জাৰ্মান সংস্কৰণৰ ভূমিকা

১৮৪৭ চনৰ নৱেম্বৰ মাহত লণ্ডনত বহা শ্ৰমিকসকলৰ আন্তৰ্জাতিক প্ৰতিষ্ঠান — কমিউনিষ্ট লীগৰ কংগ্ৰেছে নিম্ন স্বাক্ষৰকাৰী দুজনক পাৰ্টিৰ মূলনীতি আৰু বাস্তৱ কৰ্মপন্থাৰ এটা বিশদ বিৱৰণ প্ৰকাশ কৰিবৰ কাৰণে লিখিবলৈ ভাৰ দিয়ে ; তেতিয়াৰ চলিত অৱস্থাত অৱশ্যে কমিউনিষ্ট লীগে গুপ্ত সমিতি হিচাপেহে কাম কৰিব পাৰিছিল। এই 'ইস্তাহাৰ'ৰ এইদৰেই উৎপত্তি হয়। ফেব্ৰুৱাৰী বিপ্লৱৰ [১] কেইসপ্তাহমানৰ আগতে পাণ্ডুলিপিটো লণ্ডন চহৰলৈ ছপা কৰিবৰ কাৰণে পঠোৱা হয়। পোন প্ৰথমতে এই 'ইস্তাহাৰ' জাৰ্মান ভাষাত প্ৰকাশ কৰা হৈছিল আৰু সেই ভাষাতে জাৰ্মানী, ইংলণ্ড আৰু আমেৰিকাত ইয়াৰ বাৰটা বেলেগ বেলেগ সংস্কৰণ ওলাইছিল। ১৮৫০ চনত লণ্ডন চহৰৰ 'Red Republican' পত্ৰিকাত এই 'ইস্তাহাৰ'ৰ প্ৰথম ইংৰাজী অনুবাদ প্ৰকাশ হয়। ইংৰাজীলৈ অনুবাদ কৰিছিল কুমাৰী হেলেন মেকফাৰ্লেনে, আৰু ১৮৭১ চনত আমেৰিকাত কমেও তিনিটা স্বতন্ত্ৰ অনুবাদ প্ৰকাশ হৈছিল। পেৰিছত ১৮৪৮ চনৰ জুন বিদ্ৰোহৰ [২] কিছু দিন আগে আগে প্ৰথমে এটা ফৰাচী সংস্কৰণ প্ৰকাশ হৈছিল, আৰু অলপতে নিউ ইয়ৰ্কৰ 'Le Socialiste' পত্ৰিকাতো ই প্ৰকাশ হৈছে। এটা নতুন অনুবাদ উলিয়াবলৈ যো-জা চলিয়েই আছে। জাৰ্মান ভাষাত প্ৰথম 'ইস্তাহাৰ' ওলোৱাৰ কিছু দিন পাছতে লণ্ডনত পোলিছ ভাষাত ইয়াৰ এটা সংস্কৰণ ওলায়। সপ্তম দশকত এটা ৰুছ সংস্কৰণো প্ৰকাশ হৈছিল জেনেভাত। 'ইস্তাহাৰ' পোন প্ৰথমে প্ৰকাশ হোৱাৰ কিছু দিনৰ পাছতেই ডেনিছ ভাষাত ইয়াৰ এটা সংস্কৰণো উলিওৱা হৈছিল।

যোৱা পঁচিছ বছৰত অৱস্থাৰ যিমানেই পৰিৱৰ্তন নহওক লাগে, এই 'ইস্তাহাৰ'ত যিবিলাক মূলনীতি নিৰ্ধাৰণ কৰা হৈছিল, মুঠৰ ওপৰত সেইবিলাক আগৰ দৰেই আজিও শুদ্ধ হৈ আছে। অ'ত ত'ত দুই-এটা

কথাৰ উন্নতিসাধন কৰিব পাৰি। 'ইস্তাহাৰ'ত কোৱাৰ দৰেই এই মূলনীতিসমূহৰ ব্যৱহাৰিক প্ৰয়োগ সকলো ঠাইতে সকলো সময়তে নিৰ্ভৰ কৰিব সেই সময়ৰ চলিত ঐতিহাসিক অৱস্থাৰ ওপৰত, আৰু সেই কাৰণেই দ্বিতীয় পৰিচ্ছেদৰ শেষৰ পিনে থকা বৈপ্লৱিক উদ্দেশ্য সাধনৰ উপায়ৰ ওপৰত সিমান জোৰ দিয়া নাই; সেইছোৱা আজি লিখিবলৈ যোৱা হ'লে বহুতো ক্ষেত্ৰতে ইয়াৰ শব্দৰ গাঁথনি সলনি হৈ গ'লহেঁতেন। যোৱা পঁচিছ বছৰত আধুনিক শিল্প দ্ৰুত গতিৰে আগ বাঢ়িছে, লগে লগে শ্ৰমিক শ্ৰেণীৰ পাৰ্টি সংগঠনো উন্নত আৰু বিস্তৃত হৈছে, আৰু এই সময়ছোৱাত বাস্তৱ অভিজ্ঞতাও বহুতো লাভ কৰা হৈছে; প্ৰথমে ফেব্ৰুৱাৰী বিপ্লৱত, তাতোকৈ বেছি পেৰিছ কমিউনত [৩], য'ত সৰ্বহাৰা শ্ৰেণীয়ে পোন প্ৰথমে দু'মাহলৈ ক্ষমতা হস্তগত কৰিছিল সেই কথালৈ মন কৰিলে কিছুমান ক্ষেত্ৰত এই কাৰ্য্যসূচী পুৰণি হৈ গ'ল যেনেই লাগে। বিশেষকৈ কমিউনে এটা কথা প্ৰমাণ কৰি দিলে যে, 'শ্ৰমিক শ্ৰেণীয়ে পূৰ্বপ্ৰতিষ্ঠিত ৰাষ্ট্ৰযন্ত্ৰ কেৱল দখল কৰিয়েই বহি থাকিব নোৱাৰে, আৰু ইয়াক নিজৰ উদ্দেশ্য সিদ্ধিৰ কামত লগাব নোৱাৰে' ('ফ্ৰান্সত গৃহযুদ্ধ, আন্তৰ্জাতিক শ্ৰমিক সমিতিৰ সাধাৰণ পৰিষদৰ ভাষণ', পুস্তিকা, লণ্ডন, ট্ৰুলাভ, ১৮৭১, ১৫ পৃষ্ঠা চাওক; তাত এই কথাৰ বিশদ ব্যাখ্যা আছে)। ইয়াৰ উপৰিও আজিকালিৰ হিচাপত সমাজতন্ত্ৰী সাহিত্যৰ সমালোচনা 'ইস্তাহাৰ'ত যথেষ্ট নথকাটো ওলাই থকা কথা, কিয়নো ১৮৪৭ চনলৈকে পোৱা কথাখিনিহে 'ইস্তাহাৰ'ত আছে; চতুৰ্থ পৰিচ্ছেদত থকা কমিউনিষ্ট পাৰ্টিৰ লগত অন্যান্য বিৰোধী দলৰ সম্পৰ্কৰ ওপৰত কৰা মন্তব্যবোৰ নীতিৰ ফালৰপৰা শুদ্ধ হ'লেও, আজিকালি এইবোৰ বাস্তৱিক ব্যৱহাৰৰ কাৰণে পুৰণি হৈ গ'ল, কিয়নো ৰাজনৈতিক অৱস্থা একেবাৰে সলনি হৈ গৈছে, আৰু ঐতিহাসিক বিকাশৰ ফলত পৃথিৱীৰ বুকুৰপৰা এই ৰাজনৈতিক দলবিলাকৰ সৰহ ভাগেই নিঃচিহ্ন হৈ গৈছে।

কিন্তু এই 'ইস্তাহাৰ' ঐতিহাসিক দলিলত পৰিণত হ'ল, ইয়াক সলনি কৰিবলৈ আমাৰ সাধ্য নাই। ইয়াৰ পাছত হয়তো ১৮৪৭ চনৰপৰা আজিলৈকে ঘটা কথাবোৰৰ পাতনি এটিৰে সৈতে কোনো সংস্কৰণ প্ৰকাশ হ'ব পাৰে, কিন্তু এই পুনৰ্মুদ্ৰণত আমি তাকে কৰিবলৈ সমূলি সময় নাপালোঁ।

**কাৰ্ল মাৰ্ক্স, ফ্ৰিড্ৰিখ এঙ্গেলছ**

লণ্ডন, ২৪ জুন, ১৮৭২ চন

## ১৮৮২ চনৰ ৰুছ সংস্কৰণৰ ভূমিকা

বাকুনিনৰ অনূদিত 'কমিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ'ৰ প্ৰথম ৰুছ সংস্কৰণ উনৈশ শতিকাৰ সপ্তম দশকৰ [৪] আগ ভাগত 'কলোকোল' [৫] প্ৰকাশনী কাৰ্য্যালয়ে প্ৰকাশ কৰে। তেতিয়া পশ্চিমৰ জগৎখনে এই ৰুছ সংস্কৰণক সাহিত্যিক কৌতূহলেৰে চাবলৈ লৈছিল। এনে ধৰণৰ দৃষ্টিভঙ্গী লোৱা আজিৰ দিনত কিন্তু সম্পূৰ্ণে অসম্ভৱ।

১৮৪৭ চনৰ ডিচেম্বৰ মাহ পৰ্য্যন্ত সৰ্বহাৰা শ্ৰেণীৰ আন্দোলনৰ পৰিসৰ কিমান সীমাবদ্ধ আছিল তাক পৰিষ্কাৰকৈ 'ইস্তাহাৰ'খনৰ শেষৰ পিনে দেখুওৱা হৈছে: বেলেগ বেলেগ দেশৰ 'কমিউনিষ্ট পাৰ্টিৰ লগত অন্যান্য বিৰোধী দলবিলাকৰ সম্পৰ্ক'। ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ইয়াৰপৰা বাদ পৰি গৈছে। যেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰই ইউৰোপৰপৰা যোৱা সৰ্বহাৰা শক্তিৰ সকলো বাহি থকা অংশক সামৰি লৈছিল, সেই সময়ত ৰাছিয়াই আছিল ইউৰোপৰ প্ৰতিক্ৰিয়াৰ শেষ সংৰক্ষিত অঞ্চল। দুয়োখন দেশেই ইউৰোপক কেঁচা মালৰ যোগান ধৰিছিল আৰু লগে লগে ইউৰোপৰ শিল্পজাত বস্তুৰ বজাৰো আছিল। সেই সময়ত দুয়োখন দেশেই, ইউৰোপৰ বৰ্তমান সমাজব্যৱস্থাৰ ধৰণী আছিল।

আজি কিন্তু অৱস্থা বহুতো সলনি হৈ গ'ল। ইউৰোপৰপৰা অহা পমুৱাবিলাকে উত্তৰ আমেৰিকাক বিৰাট কৃষি উৎপাদনৰ কেন্দ্ৰ কৰি তুলিলে, ইয়াৰ প্ৰতিযোগিতাই ইউৰোপৰ সৰু-বৰ সকলো ভূমি সম্পত্তিৰ ভেটি কঁপাই দিলে। ইয়াৰ উপৰিও আমেৰিকা যুক্তৰাষ্ট্ৰই শিল্পৰ বিৰাট উপাদানবিলাক ইমান উলাহেৰে কামত লগাইছে যে অলপ দিনৰ ভিতৰতেই শিল্পৰ ক্ষেত্ৰত থকা পশ্চিম ইউৰোপৰ একচেটিয়া অধিকাৰ অতি সোনকালেই আঁতৰি যাব — বিশেষকৈ ইংলণ্ডৰ এতিয়ালৈকে থকা একনায়ক ৰাজত্ব নাইকিয়া হ'ব। এই দুয়োটা ঘটনাই আমেৰিকাৰ ওপৰতো বৈপ্লৱিক ধৰণেৰে প্ৰভাৱৰ

সৃষ্টি কৰিছে। ক্ষুদ্ৰ আৰু মধ্যবিত্ত মাটিগিৰীসকল, যিসকল আছিল ৰাজনৈতিক গাঁথনিৰ ভিত্তি সেইসকল লাহে লাহে ডাঙৰ ডাঙৰ পামৰ প্ৰতিযোগিতাৰ কৱলত পৰি বিলুপ্ত হ'বলৈ ধৰিছে; আৰু একে সময়তে শিল্পবিলাকত সৰ্বহাৰাৰ সংখ্যা বৃদ্ধি পাইছে আৰু লগে লগে অসম্ভৱ ধৰণেৰে পুঁজিৰ একত্ৰীকৰণ বৃদ্ধি হৈছে।

ইয়াৰ পিছতে ৰুছ দেশ। ১৮৪৮-১৮৪৯ চনৰ বিপ্লৱৰ সময়ত অকল ইউৰোপৰ ৰজাবিলাকেই কিয়, ইউৰোপৰ বুৰ্জোৱা শ্ৰেণীয়েও নৱ জাগৰণমুখী সৰ্বহাৰা শ্ৰেণীৰ হাতৰপৰা নিজক উদ্ধাৰ কৰিবলৈ একমাত্ৰ উপায় পাইছিল ৰাছিয়াৰ হস্তক্ষেপৰ মাজেদি। জাৰক ইউৰোপৰ প্ৰতিক্ৰিয়াৰ নেতা বুলি ঘোষণা কৰা হৈছিল। আজি — সেই জাৰ গাৎচিনাত (Gatchina) বিপ্লৱৰ যুদ্ধবন্দীৰ দৰে [৬], আৰু সেই ৰাছিয়াই ইউৰোপত বৈপ্লৱিক কাৰ্য্যকলাপত আগ ভাগ লৈছে।

আধুনিক বুৰ্জোৱা সম্পত্তিৰ আগন্তুক বিলোপকৰণেই 'কমিউনিষ্ট ইস্তাহাৰ'ৰ ঘোষণাৰ এটা মুখ্য বিষয় আছিল। কিন্তু ৰাছিয়াত দ্ৰুত বিকাশমান পুঁজিবাদী প্ৰতাৰণা আৰু বিকশিত হ'বলৈ ধৰা বুৰ্জোৱা ভূমি-সম্পত্তিৰ লগে লগে দেখা যায় দেশৰ ভূসম্পত্তিৰ প্ৰায় আধাতকৈও বেছি মাটি ৰুছ খেতিয়কে উমৈহতীয়াকৈ অধিকাৰ কৰি আছে। এতিয়া প্ৰশ্ন হৈছে: নিচেই নিশকতীয়া হৈ আহিলেও এই ভূসম্পত্তিৰ আদিম যৌথ মালিকীস্বত্ব, এই গাঁৱলীয়া সম্প্ৰদায়টো পোনে পোনে উচ্চ ধৰণৰ সাম্যবাদী সামাজিক সম্পত্তিৰ অধিকাৰী হ'ব পাৰিব নে? নতুবা ইয়াৰ বিপৰীতে, পশ্চিমত ঘটা ঐতিহাসিক বিৱৰ্তনৰ ধাৰা হিচাপে ভাঙনৰ একে প্ৰক্ৰিয়াৰ মাজেদিয়েই আগ বাঢ়িব?

এতিয়া ইয়াৰ একমাত্ৰ এইটোৱেই উত্তৰ হ'ব পাৰে: যদি ৰুছ বিপ্লৱ পশ্চিমীয়া দেশৰ সৰ্বহাৰা বিপ্লৱৰ আগ জাননী হয়, যাতে দুয়োটাই পৰস্পৰ পৰিপূৰক হয়, তেন্তে বৰ্তমান ৰাছিয়াত থকা মাটিৰ সামূহিক অধিকাৰৰপৰাই সাম্যবাদী সম্পৰ্কৰ বিকাশত সহায়ক হ'ব পাৰে।

**কাৰ্ল মাৰ্ক্স, ফ্ৰিডৰিখ এঙ্গেলছ**

লণ্ডন, ২১ জানুৱাৰী, ১৮৮২

## ১৮৮৩ চনৰ জাৰ্মান সংস্কৰণৰ ভূমিকা

দুখৰ কথা, বৰ্তমান সংস্কৰণৰ ভূমিকাত মই অকলেই চহী কৰিব লাগিব। ইউৰোপ আৰু আমেৰিকাৰ সকলো শ্ৰমিক যাৰ ওচৰত অতিকৈ ঋণী সেই মাৰ্ক্সে এতিয়া হাইগেট কবৰত শান্তি লাভ কৰিছে, তেওঁৰ কবৰৰ ওপৰত ইতিমধ্যেই ঘাঁহ বন গজিছে। তেওঁৰ মৃত্যুৰ পিছত এই ‘ইস্তাহাৰ’ সংশোধন কৰা বা নতুন কিবা যোগ দিয়া কথাটো ভাবিবই নোৱৰা হৈছে। সেই কাৰণেই তলৰ কথাখিনি আকৌ স্পষ্টকৈ কোৱাৰ আৱশ্যক বুলি ভাবিছোঁ:

‘ইস্তাহাৰ’ত আদিৰপৰা অন্তলৈকে এটা মূল কথা দাঙি ধৰা হৈছে, সেইটো হ’ল এই: ইতিহাসৰ একো একোটা যুগৰ অৰ্থনৈতিক উৎপাদন আৰু যি সমাজ-গাঁথনিয়েই ইয়াৰপৰা অৱশ্যেই গঢ়ি উঠে সেই অৰ্থনৈতিক উৎপাদন পদ্ধতি আৰু আৰ্থিক গাঁথনিৰ ওপৰত নিৰ্ভৰ কৰি ৰাজনৈতিক আৰু মানসিক ইতিহাসৰ উদ্ভৱ হয়; আদিম সমূহীয়া সমাজখনৰ যৌথ ভূমি স্বত্ব বিলোপ হোৱাৰ পাছৰপৰা সকলো ইতিহাস হৈছে শ্ৰেণী-সংগ্ৰামৰ ইতিহাস; এই সংগ্ৰাম শোষক আৰু শোষিতৰ সংগ্ৰাম, সামাজিক উন্নতিৰ বেলেগ বেলেগ স্তৰত শাসক শ্ৰেণীৰ বিৰুদ্ধে শাসিত শ্ৰেণীৰ সংগ্ৰাম; এই সংগ্ৰাম এতিয়া এটি গুৰুত্বপূৰ্ণ স্তৰত উপনীত হৈছে, এতিয়াব শোষিত আৰু নিপীড়িত শ্ৰেণীয়ে (সৰ্বহাৰা) তেওঁলোকক শোষণ আৰু উৎপীড়ন কৰা বুৰ্জোৱা শ্ৰেণীৰ কৱলৰপৰা মুক্তি লাভ কৰিবলৈ হ’লে গোটেই সমাজকেই শোষণ, উৎপীড়ন আৰু শ্ৰেণী-সংগ্ৰামৰপৰা চিৰদিনৰ কাৰণে মুক্ত কৰিব লাগিব — এই মূল কথাটি সম্পূৰ্ণে মাৰ্ক্সৰেই চিন্তা।*

---

* ইংৰাজী অনুবাদৰ পাতনিত মই লিখিছিলোঁ, ‘যেনেকৈ ডাৰউইনৰ [৭] তত্ত্বই জীৱবিজ্ঞান আগ বঢ়াই নিছিল, সেইদৰে এই তত্ত্বই ইতিহাসকো আগ বঢ়াই লৈ যাব। ১৮৪৫ চনৰ কেইবছৰমানৰ আগৰপৰাই আমি দুয়ো ধীৰে এই সিদ্ধান্তৰ পিনে আগ

মই আগতেও বাৰে বাৰে এই কথা কৈ আহিছোঁ, কিন্তু আজি এই বক্তব্য 'ইস্তাহাৰ'ৰ সম্মুখত দাঙি ধৰাৰ বাবে পুনৰ কোৱাৰ আৱশ্যক।

**ফ্ৰিডৰিখ এঙ্গেলছ**

লণ্ডন, ২৮ জুন, ১৮৮৩

---

বাঢ়িছিলোঁ। স্বতন্ত্ৰভাৱে মই যিমান দূৰ আগ বাঢ়িছিলোঁ, মোৰ 'ইংলণ্ডত শ্ৰমিক শ্ৰেণীৰ অৱস্থা' নামৰ কিতাপখনেই তাৰ বঢ়িয়া পৰিচয় দিব। কিন্তু ১৮৪৫ চনৰ বসন্তকালত যেতিয়া মই মাৰ্ক্সক ব্ৰাছেল্ছ্ চহৰত লগ পাওঁ তেতিয়াই মাৰ্ক্সে এই সিদ্ধান্তত উপনীত হৈছিল। মই ইয়াত দাঙি ধৰাৰ নিচিনাকৈ পৰিষ্কাৰ ভাষাত মাৰ্ক্সে এই সিদ্ধান্ত মোৰ আগত দাঙি ধৰিছিল।' [১৮৯০ চনৰ জাৰ্মান সংস্কৰণত এঙ্গেলছৰ টীকা।]

## ১৮৮৮ চনৰ ইংৰাজী সংস্কৰণৰ ভূমিকা

এই 'ইস্তাহাৰ'খন শ্ৰমিক সংগঠন 'কমিউনিষ্ট লীগ'ৰ কাৰ্য্যসূচী হিচাপে প্ৰকাশ কৰা হৈছিল; 'কমিউনিষ্ট লীগ' প্ৰথমে জাৰ্মান শ্ৰমিকসকলৰ সংগঠন আছিল, তাৰ পাছত ই আন্তৰ্জাতিক সংগঠন হৈ পৰে আৰু ১৮৪৮ চনৰ আগৰ ইউৰোপত চলি থকা ৰাজনৈতিক অৱস্থাত ই গুপ্ত সমিতি হৈ থাকিব লগা হৈছিল। ১৮৪৭ চনৰ নৱেম্বৰ মাহত লণ্ডন চহৰত এই লীগৰ কংগ্ৰেছে মাৰ্ক্স আৰু এঙ্গেলছক পাৰ্টিৰ তত্ত্ব আৰু বাস্তৱ কৰ্মপন্থাৰ এখন সম্পূৰ্ণ কাৰ্য্যসূচী ৰচনা কৰিবলৈ ভাৰ দিয়ে। ১৮৪৮ চনৰ জানুৱাৰী মাহত এই কামটো সম্পন্ন হয়; ২৪ ফেব্ৰুৱাৰীৰ ফৰাচী বিপ্লৱৰ [৮] কেইসপ্তাহমান আগতে লণ্ডনৰ এটা ছপাখানালৈ জাৰ্মান ভাষাত প্ৰস্তুত কৰা এই 'ইস্তাহাৰ'খনৰ পাণ্ডুলিপিটো পঠোৱা হয়। ১৮৪৮ চনৰ জুন বিদ্ৰোহৰ কিছুদিন আগতে ইয়াৰ এটা ফৰাচী অনুবাদ পেৰিচ চহৰৰপৰা প্ৰকাশ কৰা হয়। কুমাৰী হেলেন মেকফাৰ্লেনে অনুবাদ কৰা প্ৰথম ইংৰাজী অনুবাদটো ১৮৫০ চনত লণ্ডনৰ জৰ্জ জুলিয়ান হাৰ্নিৰ 'Red Republican' পত্ৰিকাত প্ৰকাশ হয়। ডেনিছ আৰু পোলিছ সংস্কৰণো প্ৰকাশ হৈছিল।

১৮৪৮ চনত পেৰিচৰ জুন বিদ্ৰোহত সৰ্বহাৰা আৰু বুৰ্জোৱা শ্ৰেণীৰ প্ৰথম বৃহৎ সঙ্ঘৰ্ষ হয়। এই বিদ্ৰোহ বিফল হোৱাৰ পাছত ইউৰোপৰ শ্ৰমিক শ্ৰেণীৰ সামাজিক আৰু ৰাজনৈতিক আশা-ভৰসা কিছু দিনৰ বাবে ব্যাহত হয়। তাৰ পাছত সম্পত্তিৱান শ্ৰেণীৰ নানান অংশৰ মাজত ক্ষমতা অধিকাৰৰ সংগ্ৰাম আকৌ চলিবলৈ ধৰিলে, যেনেকৈ ফেব্ৰুৱাৰী বিপ্লৱৰ আগতে এনে ধৰণৰ সঙ্ঘৰ্ষ ঘটিছিল, সেই দৰেই; শ্ৰমিক শ্ৰেণীয়ে ৰাজনৈতিক কাৰ্য্যকলাপৰ স্বাধীনতাৰ বাবে মধ্যবিত্ত শ্ৰেণীৰ ৰেডিকেলসকলৰ পৰ্য্যায়লৈ আহিবৰ বাবেই সংগ্ৰাম চলাই থাকিব লগা হয়। য'তেই স্বতন্ত্ৰ শ্ৰমিক আন্দোলন সজীৱ হোৱাৰ স্বৰূপ দেখা গৈছিল তাতেই এই আন্দোলন

নিষ্ঠুৰভাৱে দমন কৰা হৈছিল। প্ৰাচিয়াৰ পুলিচে তেতিয়া কলোন চহৰত থকা 'কমিউনিষ্ট লীগ'ৰ কেন্দ্ৰীয় কমিটিৰ সভ্যসকলৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। সভ্যসকলক গ্ৰেপ্তাৰ কৰি ১৮ মাহৰ বাবে হাজোতত ৰখাৰ পাছত ১৮৫২ চনৰ অক্টোবৰ মাহত বিচাৰ আৰম্ভ হৈছিল। এই বিখ্যাত 'কলোনৰ কমিউনিষ্ট বন্দীৰ বিচাৰ' ৪ অক্টোবৰৰপৰা ১২ নৱেম্বৰলৈকে চলিছিল; বন্দীসকলৰ সাতজনক তিনি বছৰৰপৰা ছয় বছৰলৈকে কাৰাদণ্ড বিহা হৈছিল। এই বন্দীসকলক দুৰ্গত ৰাখিবৰ বাবে নিৰ্দেশ দিয়া হৈছিল। এই বিচাৰৰ লগে লগেই অৱশিষ্ট সভ্যসকলে আনুষ্ঠানিকভাৱে কমিউনিষ্ট লীগ ভাঙি দিয়ে। তেতিয়া এই 'ইস্তাহাৰ'ৰ কথা পাহৰণিৰ বুকুত লয় পাব বুলিহে মনত ভাব হৈছিল।

যেতিয়া ইউৰোপৰ শ্ৰমিক শ্ৰেণীয়ে শাসক শ্ৰেণীৰ ওপৰত আন এটা আক্ৰমণ কৰিবলৈ গাত শক্তি পালে, তেতিয়া আন্তৰ্জাতিক শ্ৰমিক সংঘৰ আবিৰ্ভাব হয়। কিন্তু এই সংঘৰ ঘোষিত উদ্দেশ্য আছিল ইউৰোপ আৰু আমেৰিকাৰ সংগ্ৰামশীল শ্ৰমিকসকলক ঐক্যবদ্ধ কৰা। গতিকে 'ইস্তাহাৰ'ত নিৰ্দেশ দিয়া মূলনীতিবোৰ তেতিয়া ঘোষণা কৰা নহ'ল। ইংলণ্ডৰ ট্ৰেড ইউনিয়নবিলাক, স্পেন, ইটালি, বেলজিয়াম আৰু ফ্ৰান্সৰ প্ৰুধোঁৰ [৯] অনুগামীসকল আৰু জাৰ্মানীৰ লাছাল-পন্থীসকল* [১০], এই সকলোৰে গ্ৰহণ কৰিব পৰাকৈ এই আন্তৰ্জাতিক সংগঠনৰ কাৰ্য্যসূচী বহল ভিত্তিত ৰচনা কৰা হৈছিল। মাৰ্ক্সে ইয়াক এই দৰে নিৰ্ধাৰণ কৰি দিলে, যাতে আন সকলোবিলাক পাৰ্টিয়েই সন্তুষ্ট হব পাৰে; ঐক্যবদ্ধ হৈ কৰা কাম আৰু পৰস্পৰ আলোচনাৰ অনিবাৰ্য্য পৰিণাম হ'ব শ্ৰমিক শ্ৰেণীৰ বুদ্ধিৰ বিকাশ; এই কথাত মাৰ্ক্সৰ সম্পূৰ্ণ বিশ্বাস আছিল। পুঁজিৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ ঘাত-প্ৰতিঘাতত — জয়লাভতকৈও পৰাজয়ৰপৰা পোৱা অভিজ্ঞতাৰ ফলত মানুহে বাধ্য হৈ ধাৰণা কৰিব যে তেওঁলোকৰ প্ৰিয় বেজালি-উপশমৰ বিশ্বাসবোৰ যথেষ্ট কাৰ্য্যকৰী নহয়, এইদৰেই শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ আচল উপায় সম্বন্ধে পৰিষ্কাৰ দৃষ্টিভঙ্গী লোৱাৰ পথ মুকলি হ'ব। মাৰ্ক্সে কথাটো ঠিকেই ধৰিছিল। ১৮৬৪ চনত আন্তৰ্জাতিক প্ৰতিষ্ঠা কৰাৰ সময়ত শ্ৰমিকসকল যেনে আছিল, ১৮৭৪ চনত আন্তৰ্জাতিক ভাগি যোৱাৰ পিছত

---

* আমাৰ আগত লাছালে নিজকে মাৰ্ক্সৰ অনুগামী বুলি স্বীকাৰ কৰিছিল আৰু সেই হিচাপে তেওঁ 'ইস্তাহাৰ'খনৰ ভিত্তিতে থিয় দিয়ে। কিন্তু তেওঁ ১৮৬২-১৮৬৪ চনৰ ভিতৰত প্ৰকাশ কৰা ৰাজহুৱা মতামতবিলাক চৰকাৰী সাহায্য পোৱা উৎপাদক সমবায়ৰ দাবীতকৈ বেছি আগলৈ যোৱা নাছিল। [এঙ্গেলছৰ টীকা]

শ্ৰমিক শ্ৰেণীক সম্পূৰ্ণ বেলেগ দেখা গৈছিল। ফ্ৰান্সত প্ৰুধোঁৰ আৰু জাৰ্মানীত লাছালৰ মতবাদ তেতিয়া প্ৰায় লোপ পাইছিল। এনেকি ৰক্ষণশীল ইংৰাজ ট্ৰেড ইউনিয়নবিলাক পৰ্য্যন্ত লাহে লাহে এনে অৱস্থাৰ পিনে আগ বাঢ়িছিল যে যোৱা বছৰত চোৱন্‌ছিত হোৱা কংগ্ৰেছত তেওঁলোকৰ পক্ষৰপৰা সভাপতিয়ে* কৈছিল: 'ইউৰোপীয় সমাজতন্ত্ৰৰ বিভীষিকা এতিয়া আমাৰ মূৰত নাই,' যদিওবা এওঁলোকৰ সৰহ ভাগেই আন্তৰ্জাতিকৰ লগত ইতিপূৰ্বে সম্পৰ্ক ছেদ কৰিছিল। বাস্তৱিকতে, 'ইস্তাহাৰ'ৰ মূলনীতিসমূহে সকলো দেশৰে শ্ৰমিকসকলৰ মাজত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে।

সেই কাৰণেই, 'ইস্তাহাৰ' পুনৰ সম্মুখলৈ আহিছে। ১৮৫০ চনৰপৰাই মূল জাৰ্মান গ্ৰন্থখনৰ কেইবাটাও সংস্কৰণ চুইজাৰলেণ্ড, ইংলণ্ড আৰু আমেৰিকাৰপৰা ওলাইছে। ১৮৭২ চনত এই 'ইস্তাহাৰ' নিউ ইয়ৰ্ক চহৰত ইংৰাজীলৈ অনুবাদ কৰা হয়, আৰু 'Woodhull and Claflin's Weekly' পত্ৰিকাত প্ৰকাশ হয়। এই ইংৰাজী ভাষাৰ সংস্কৰণৰপৰাই নিউ ইয়ৰ্কৰ 'Le Socialiste' পত্ৰিকাত এটা ফৰাচী অনুবাদ প্ৰকাশ হয়। তেতিয়াৰপৰাই 'ইস্তাহাৰ'ৰ কিছু কাট-কুট কৰি আৰু দুটা ইংৰাজী অনুবাদ আমেৰিকাত ছপোৱা হয়, ইয়াৰ এটা অনুবাদ ইংলণ্ডতো পুনৰ্মুদ্ৰণ কৰা হৈছিল। বাকুনিনে অনুবাদ কৰা প্ৰথম ৰুছ অনুবাদটো জেনেভাত থকা গেৰ্ৎছেনৰ 'কলোকোল' কাৰ্য্যালয়ৰপৰা ১৮৬৩ চনত প্ৰকাশ কৰা হৈছিল; ১৮৮২ চনত সাহসী নাৰী ভেৰা জাচুলিচে কৰা আন এটা অনুবাদ জেনেভাৰপৰাই প্ৰকাশ হৈছিল**। ১৮৮৫ চনত কোপেনহাগেনৰ 'Social-demokratisk Bibliothek' পত্ৰিকাত এটা নতুন ডেনিছ অনুবাদ ওলাইছিল। সেই একে বছৰতে পেৰিচৰ 'Le Socialiste' পত্ৰিকাতো এটা নতুন ফৰাচী অনুবাদ প্ৰকাশ হৈছিল। এই ফৰাচী অনুবাদৰপৰাই ১৮৮৬ চনত মাদ্ৰিদৰপৰা এটা নতুন অনুবাদ স্পেনীয় ভাষাত প্ৰস্তুত কৰি প্ৰকাশ কৰা হৈছিল। জাৰ্মান ভাষাত হোৱা পুনৰ্মুদ্ৰণৰ লেখ নল'লেও হয়, কমেও ১২টা পুনৰ্মুদ্ৰণ হৈছিল। কনষ্টাণ্টিনোপলৰপৰা এটা আৰ্মেনিয়ান অনুবাদ কেইমাহমানৰ আগতে ওলোৱাৰ কথা আছিল, কিন্তু এই অনুবাদ প্ৰকাশ নহ'ল। মই জানিব পাৰিছোঁ যে মাৰ্ক্সৰ নামত কিতাপখন প্ৰকাশ কৰি উলিয়াবলৈ প্ৰকাশকে

---

* উ. বীৰেন। — সম্পাঃ

** অনুবাদ কৰে জি. ভি. প্লেখানভে; ১৮৯৪ চনত প্ৰকাশিত 'ৰাছিয়াত সামাজিক সম্পৰ্কৰ বিষয়ে' প্ৰবন্ধৰ পুনশ্চ অংশত এই কথাটো স্বয়ং এঙ্গেলছে লিখিছে। — সম্পাঃ

ভয় কৰিছে। আনহাতেদি অনুবাদকে কিতাপখন তেওঁৰ নিজৰ বুলিও ক'বলৈ অস্বীকাৰ কৰিলে। এতিয়ালৈকে আৰু আন কেইবাটাও ভাষাত 'ইস্তাহাৰ' প্ৰকাশ হৈছে বুলি মই শুনিছোঁ, কিন্তু চকুৰে হ'লে দেখা নাই। এইদৰেই 'কমিউনিষ্ট ইস্তাহাৰ'ৰ ইতিহাসে অনেকখিনি আধুনিক শ্ৰমিক আন্দোলনৰ ইতিহাসকেই প্ৰতিফলিত কৰিছে; বৰ্তমান প্ৰচলিত সমাজতন্ত্ৰী সাহিত্যৰ ভিতৰত এই 'ইস্তাহাৰ'কেই পৃথিৱীৰ বহুতো ঠাইৰ মানুহে পঢ়িছে আৰু নিঃসন্দেহে এই 'ইস্তাহাৰ' আন্তৰ্জাতিক দলিল হৈ পৰিছে; ছাইবেৰিয়াৰপৰা কেলিফোৰ্নিয়ালৈকে লাখ লাখ শ্ৰমজীৱীয়ে এই 'ইস্তাহাৰ'ক তেওঁলোকৰ সাধাৰণ কাৰ্য্যসূচী বুলি স্বীকৃতি দিছে।

তথাপি আমি যেতিয়া কিতাপখন ৰচনা কৰিছিলোঁ, তেতিয়া ইয়াক **সমাজতন্ত্ৰী** ইস্তাহাৰ বুলি ক'ব পৰা নাছিলোঁ। ১৮৪৭ চনত সমাজতন্ত্ৰী বুলি ক'লে দুই ধৰণৰ লোকক বুজাইছিল: এটি আছিল কল্পনাবিলাসী সমাজতন্ত্ৰৰ পক্ষধাৰী, যেনে ইংলণ্ডৰ ওৱেন-পন্থীবিলাক [১১] আৰু ফ্ৰান্সৰ ফুৰিয়ে-পন্থীবিলাক [১২], এই দুয়োটা পন্থাৰ অনুগামীসকল এটা সৰু সম্প্ৰদায়তহে পৰিণত হৈছে, আৰু লাহে লাহে তেওঁলোক নিঃচিহ্ন হৈ যাবলৈ ধৰিছে; আনবিধ হ'ল নানা ধৰণৰ সমাজ-সংস্কাৰক; এওঁলোকে পুঁজি আৰু লাভৰ কোনো অনিষ্টসাধন নকৰাকৈ সমাজৰ সকলো অভাৱ-অভিযোগ পূৰণ কৰিব খোজে। এই দুয়োবিধৰ সমাজতন্ত্ৰীয়েই আছিল শ্ৰমিক আন্দোলনৰ বাহিৰৰ মানুহ, তেওঁলোকে 'শিক্ষিত' শ্ৰেণীৰ মানুহৰহে সমৰ্থন বিচাৰিছিল। শ্ৰমিক শ্ৰেণীৰ যিটো অংশই বিশ্বাস কৰিছিল যে অকল ৰাজনৈতিক বিপ্লৱেই যথেষ্ট নহয়, সমাজৰ সম্পূৰ্ণ পৰিৱৰ্তনৰ দাবী তেওঁলোকে তুলিছিল, আৰু এইখিনি শ্ৰমিকেই নিজক কমিউনিষ্ট বুলি অভিহিত কৰিছিল। এই সাম্যবাদ অপৈণত আছিল, এই সাম্যবাদ প্ৰবৃত্তিগত আছিল; তথাপি আচল কথাটো বাদ পৰি যোৱা নাছিল, আৰু শ্ৰমিক শ্ৰেণীৰ মাজত এই সাম্যবাদৰ প্ৰভাৱ অটুট থকাৰ বাবে অন্ততঃ কল্পনাপ্ৰসূত দুই ধৰণৰ সাম্যবাদৰ উদ্ভৱ হৈছিল, যেনে ফ্ৰান্সত কাবে'ৰ সাম্যবাদ, জাৰ্মানীত ভাইটলিঙৰ [১৩] সাম্যবাদ। গতিকেই ১৮৪৭ চনত সমাজতন্ত্ৰ আছিল বুৰ্জোৱা শ্ৰেণীৰ আন্দোলন আৰু সাম্যবাদ আছিল শ্ৰমিক শ্ৰেণীৰ আন্দোলন। ইউৰোপত সমাজতন্ত্ৰ কিছু দূৰ 'সম্মানযোগ্য' আছিল, সাম্যবাদ কিন্তু ইয়াৰ সম্পূৰ্ণ বিপৰীতহে আছিল। আৰু যিহেতু পোন প্ৰথমৰপৰাই আমাৰ মত আছিল যে 'শ্ৰমিকক মুক্ত কৰা কামটো শ্ৰমিক শ্ৰেণীয়ে নিজেই কৰিব লাগিব', সেই কাৰণে এই দুটা নামৰ কোনটো

আমি ল'ব লাগিব সেই সম্পর্কে ভিন্ন মত আমাৰ মাজত নাছিল, তদুপৰি তেতিয়াৰপৰা এই নাম আমি অস্বীকাৰ কৰিব লগা হোৱাও নাই।

'ইস্তাহাৰ' আমাৰ দুয়োৰে ৰচনা, মই ক'বলৈ বাধ্য যে এই ৰচনাৰ ভেটি — যিটো মূল প্ৰতিপাদ্য বিষয়, সেইটো মাৰ্ক্সৰহে। প্ৰতিপাদ্যৰ বিষয়টো এই: প্ৰতিটো ঐতিহাসিক যুগতে প্ৰচলিত অৰ্থনৈতিক উৎপাদন আৰু বিনিময় ব্যৱস্থাই আৰু ইয়াৰপৰা উদ্ভৱ হোৱা সামাজিক সংগঠনবোৰে ৰাজনৈতিক আৰু মানসিক উন্নতিৰ ইতিহাসৰ ভেটি ৰচনা কৰে, এই অৰ্থনৈতিক উৎপাদন পদ্ধতি আৰু বিনিময় ব্যৱস্থাৰ সহায়তহে কোনো এটা ঐতিহাসিক যুগৰ সামাজিক উন্নতিৰ কথা ব্যাখ্যা কৰিব পাৰি; আদিম সাম্যবাদী গোষ্ঠী সমাজৰ ভূস্বত্ব বিলোপসাধনৰ পিছৰ সমগ্ৰ মানৱ জাতিৰ ইতিহাস হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস, শোষক আৰু শোষিতৰ, শাসক আৰু উৎপীড়িত শ্ৰেণীৰ সঙ্ঘৰ্ষৰ ইতিহাস; শ্ৰেণী-সংগ্ৰামৰ এই ইতিহাসৰ ধাৰাবাহিক বিৱৰ্তন ঘটিছে; এই বিৱৰ্তনৰ ফলত আজি এনে এটা অৱস্থাত উপনীত হোৱা গৈছে, য'ত শোষিত আৰু উৎপীড়িত শ্ৰেণী অৰ্থাৎ সৰ্বহাৰা শ্ৰেণীয়ে শোষক আৰু শাসক শ্ৰেণী অৰ্থাৎ বুৰ্জোৱা শ্ৰেণীৰ কবলৰপৰা নিজকে মুক্ত কৰিব নোৱাৰে, যেতিয়ালৈকে শ্ৰমিক শ্ৰেণীয়ে একে সময়তে সমাজৰ সকলো অংশকে শোষণ, উৎপীড়ন, শ্ৰেণীবিভেদ আৰু শ্ৰেণী সঙ্ঘৰ্ষৰপৰা চিৰদিনলৈ মুক্ত কৰিব নোৱাৰে।

মোৰ বোধেৰে এই সূত্ৰটোৱে ইতিহাসৰ ক্ষেত্ৰত বিপুল অগ্ৰগতিৰ সূচনা কৰিব; যেনেকৈ ডাৰউইনৰ [১৪] তত্ত্বই জীৱবিজ্ঞানৰ বিপুল অগ্ৰগতি সাধন কৰিছে, সেইদৰে। ১৮৪৫ চনত আগতে আমি দুয়ো এই সিদ্ধান্তৰ পিনেই অগ্ৰসৰ হৈছিলোঁ। মই এই পিনে যিমান দূৰ আগ বাঢ়িছিলোঁ, তাৰ পৰিচয় মোৰ 'ইংলণ্ডত শ্ৰমিক শ্ৰেণীৰ অৱস্থা'* নামৰ কিতাপখনেই দিব। কিন্তু যেতিয়া ১৮৪৫ চনৰ মাৰ্চ মাহত মই ব্ৰাছেল্‌ছ্ চহৰত মাৰ্ক্সক লগ পাওঁ, তেওঁ ইতিমধ্যেই এই সিদ্ধান্তত উপনীত হৈছিল, আৰু পৰিষ্কাৰ ভাষাত এই সিদ্ধান্তটো মোৰ আগত দাঙি ধৰিছিল; তাকে মই ইয়াত দাঙি ধৰিছোঁ।

---

* 'The Condition of the Working Class in England in 1844.' By Frederick Engels. Translated by Florence K. Wishnewetzky, New York, Lovell-London. W. Reeves, 1888. [এঙ্গেলছৰ টীকা]

১৮৭২ চনৰ জাৰ্মান সংস্করণত আমি দুয়ো যুটীয়াকৈ লিখা পাতনিটো মই তলত উদ্ধৃত কৰিছোঁ:

'যোৱা পঁচিছ বছৰত অৱস্থাৰ যিমানেই পৰিৱৰ্তন নহওক কিয়, এই 'ইস্তাহাৰ'ত যিবিলাক মূলনীতি নিৰ্ধাৰণ কৰা হৈছিল, মুঠৰ ওপৰত সেইবিলাক আগৰ দৰেই আজিও শুদ্ধ হৈ আছে। অ'ত ত'ত দুই-এটা কথাৰ উন্নতিসাধন কৰিব পাৰি। 'ইস্তাহাৰ'ত কোৱাৰ দৰেই এই মূলনীতিসমূহৰ ব্যৱহাৰিক প্ৰয়োগ সকলো ঠাইতে সকলো সময়তে নিৰ্ভৰ কৰিব সেই সময়ৰ চলিত ঐতিহাসিক অৱস্থাৰ ওপৰত আৰু সেই কাৰণেই দ্বিতীয় পৰিচ্ছেদৰ শেষৰ পিনে থকা বৈপ্লৱিক উদ্দেশ্যসাধনৰ উপায়ৰ ওপৰত সিমান জোৰ দিয়া নাই, সেইছোৱা আজি লিখিবলৈ যোৱা হ'লে বহুতো ক্ষেত্ৰতে ইয়াৰ শব্দৰ গাঁথনি সলনি হৈ গ'লহেঁতেন। যোৱা পঁচিছ বছৰত আধুনিক শিল্প দ্ৰুত গতিৰে আগ বাঢ়িছে, লগে লগে শ্ৰমিক শ্ৰেণীৰ সংগঠনো উন্নত আৰু বিস্তৃত হৈছে, আৰু এই সময়ছোৱাত বাস্তৱ অভিজ্ঞতাও বহুতো লাভ কৰা হৈছে; প্ৰথমে ফেব্ৰুৱাৰী বিপ্লৱলৈ, তাতোকৈ বেছি পেৰিছ কমিউনলৈ [১৫] য'ত সৰ্বহাৰা শ্ৰেণীয়ে পোন প্ৰথমে দুমাহলৈ ৰাজনৈতিক ক্ষমতা হস্তগত কৰিছিল, মন কৰিলে কিছুমান ক্ষেত্ৰত এই কাৰ্য্যসূচী পুৰণি হৈ গ'ল যেনেই লাগে। বিশেষকৈ কমিউনে এটা কথা প্ৰমাণ কৰি দিলে যে, 'শ্ৰমিক শ্ৰেণীয়ে পূৰ্বপ্ৰতিষ্ঠিত ৰাষ্ট্ৰযন্ত্ৰ কেৱল দখল কৰিয়েই বহি থাকিব নোৱাৰে, আৰু ইয়াক নিজৰ উদ্দেশ্য সিদ্ধিৰ কামত লগাব নোৱাৰে।' ('ফ্ৰান্সত গৃহযুদ্ধ; আন্তৰ্জাতিক শ্ৰমিক সমিতিৰ সাধাৰণ পৰিষদৰ ভাষণ', পুস্তিকা, লণ্ডন, ট্ৰুলাভ, ১৮৭১, ১৫ পৃষ্ঠা চাওক; তাত এই কথাৰ বিশদ ব্যাখ্যা আছে)। ইয়াৰ উপৰিও আজিকালিৰ তুলনাত সমাজতন্ত্ৰী সাহিত্যৰ সমালোচনা 'ইস্তাহাৰ'ত যথেষ্ট নথকাটো ওলাই থকা কথা, কিয়নো ১৮৪৭ চনলৈকে পোৱা কথাখিনিহে 'ইস্তাহাৰ'ত আছে; চতুৰ্থ পৰিচ্ছেদত থকা কমিউনিষ্ট পাৰ্টিৰ লগত অন্যান্য বিৰোধী দলৰ সম্পৰ্কৰ ওপৰত কৰা মন্তব্যবোৰ নীতিৰ ফালৰপৰা শুদ্ধ হ'লেও, আজিকালি এইবোৰ বাস্তৱিক ব্যৱহাৰৰ কাৰণে পুৰণি হৈ গৈছে, কিয়নো ৰাজনৈতিক অৱস্থা একেবাৰে সলনি হৈছে, আৰু ঐতিহাসিক বিকাশৰ ফলত পৃথিৱীৰ বুকুৰপৰা এই ৰাজনৈতিক দলবিলাকৰ সৰহ ভাগেই নিঃচিহ্ন হৈ গ'ল।

'কিন্তু এই 'ইস্তাহাৰ' ঐতিহাসিক দলিলত পৰিণত হ'ল, ইয়াক সলনি কৰিবলৈ আমাৰ সাধ্য নাই।'

মার্ক্সৰ 'পুঁজি' গ্রন্থৰ সৰহ অংশৰ অনুবাদক মিঃ চেমুৱেল মুৰেই এই অনুবাদ কৰিছে। আমি দুয়ো উমৈহতীয়াকৈ ইয়াক পুনৰ পৰীক্ষা কৰি চাইছোঁ, আৰু মই ঐতিহাসিক কিছু উল্লেখৰ ব্যাখ্যা দি দুই-এটা টীকা ইয়াত লগাই দিছোঁ।

**ফ্রিডৰিখ এঙ্গেলছ**

লণ্ডন, ৩০ জানুৱাৰী, ১৮৮৮

## ১৮৯০ চনৰ জাৰ্মান সংস্কৰণৰ ভূমিকা

আগৰটো পাতনি লিখাৰ পাছত এটা নতুন জাৰ্মান সংস্কৰণ প্ৰকাশ কৰা দৰকাৰ হৈছে, 'ইস্তাহাৰ'ৰ ক্ষেত্ৰত বহুতো ঘটনা ঘটিছে আৰু সেইবিলাক কথা ইয়াত লিখি ৰখাৰো প্ৰয়োজন হৈছে।

ভেৰা জাচুলিচে কৰা দ্বিতীয় ৰুছ অনুবাদটো ১৮৮২ চনত জেনেভাৰপৰা ওলাইছিল; সেই সংস্কৰণৰ পাতনিটো মাৰ্ক্স আৰু মই দুয়ো লিখিছিলোঁ। দুৰ্ভাগ্যক্ৰমে আচল জাৰ্মান ভাষাৰ পাণ্ডুলিপিটো হেৰাল, সেই কাৰণে মই ৰুছ ভাষাৰপৰা সেইটো পুনৰ অনুবাদ কৰিব লগা হ'ল, এনে ধৰণৰ অনুবাদৰপৰা অৱশ্যে মূল পাঠৰ* বিশেষ সলনি নহয়। পাতনিটো এনে ধৰণৰ আছিল:

'বাকুনিনৰ অনূদিত 'কমিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ'ৰ প্ৰথম ৰুছ সংস্কৰণ উনৈশ শতিকাৰ সপ্তম দশকৰ আগ ভাগত 'কলোকোল' প্ৰকাশনী কাৰ্য্যালয়ে প্ৰকাশ কৰে। তেতিয়া পশ্চিমৰ জগতখনে এই ৰুছ সংস্কৰণক সাহিত্যিক কৌতূহলেৰেহে চাবলৈ লৈছিল। এনে ধৰণৰ দৃষ্টিভঙ্গী লোৱা আজিৰ দিনত কিন্তু সম্পূৰ্ণ অসম্ভৱ। 'ইস্তাহাৰ'খনৰ শেষৰ পিনে ১৮৪৭ চনৰ ডিচেম্বৰ মাহ পৰ্য্যন্ত সৰ্বহাৰা শ্ৰেণীৰ আন্দোলনৰ পৰিসৰ কিমান সীমাবদ্ধ আছিল তাক 'বেলেগ বেলেগ দেশৰ কমিউনিষ্ট পাৰ্টিৰ লগত অন্যান্য বিৰোধী দলবিলাকৰ সম্পৰ্ক' পৰিচ্ছেদত পৰিষ্কাৰকৈ দেখুওৱা হৈছে। ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ইয়াৰপৰা বাদ পৰি গৈছে। যেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰই ইউৰোপৰপৰা যোৱা সৰ্বহাৰা শক্তিৰ সকলো বাহি থকা অংশক সামৰি লৈছিল, সেইসময়ত ৰাছিয়াই আছিল ইউৰোপৰ প্ৰতিক্ৰিয়াৰ শেষ সংৰক্ষিত অঞ্চল। দুয়োখন দেশেই ইউৰোপক কেঁচা মালৰ যোগান ধৰিছিল আৰু লগে লগে ইউৰোপৰ শিল্পজাত বস্তুৰ বজাৰো আছিল।

---

* ৰুছ সংস্কৰণৰ কাৰণে মাৰ্ক্স আৰু এঙ্গেলছে লিখা হেৰোৱা জাৰ্মান ভূমিকাটো উদ্ধাৰ কৰা হৈছে; এতিয়া ইয়াক মাৰ্ক্সবাদ-লেনিনবাদৰ ইনষ্টিটিউটৰ ৰক্ষণালয়ত ৰখা হৈছে। — সম্পাঃ

সেই সময়ত দুয়োখন দেশেই ইউৰোপৰ বৰ্তমান সমাজব্যৱস্থাৰ স্তম্ভ আছিল।

'আজি কিন্তু অৱস্থা বহুতো সলনি হৈ গ'ল। ইউৰোপৰপৰা অহা পমুৱাবিলাকে উত্তৰ আমেৰিকাক বিৰাট কৃষি উৎপাদনৰ কেন্দ্ৰ কৰি তুলিলে, ইয়াৰ প্ৰতিযোগিতাই ইউৰোপৰ সৰু-বৰ সকলো ভূমি সম্পত্তিৰ ভেটি কঁপাই দিলে। ইয়াৰ উপৰিও আমেৰিকা যুক্তৰাষ্ট্ৰই শিল্পৰ বিৰাট উপাদানবিলাক ইমান উলাহেৰে কামত লগাইছে যে অলপ দিনৰ ভিতৰতেই শিল্পৰ ক্ষেত্ৰত থকা পশ্চিম ইউৰোপৰ একচেটিয়া অধিকাৰ অতি সোনকালেই আঁতৰি যাব — বিশেষকৈ ইংলণ্ডৰ এতিয়ালৈকে থকা এদনীয়া ৰাজত্ব নাইকিয়া হ'ব। এই দুয়োটা ঘটনাই আমেৰিকাৰ ওপৰতো বৈপ্লৱিক ধৰণেৰে প্ৰভাৱ বিস্তাৰ কৰিছে। ক্ষুদ্ৰ আৰু মধ্যবিত্ত মাটিগিৰীসকল, যিসকল আছিল ৰাজনৈতিক গাঁথনিৰ ভিত্তি, সেইসকল লাহে লাহে ডাঙৰ ডাঙৰ পামৰ প্ৰতিযোগিতাৰ কৰলত পৰি বিলুপ্ত হ'বলৈ ধৰিছে; আৰু একে সময়তে শিল্পবিলাকত সৰ্বহাৰাৰ সংখ্যা বৃদ্ধি পাইছে আৰু লগে লগে অসম্ভৱ ধৰণেৰে পুঁজিৰ একত্ৰীকৰণ বৃদ্ধি হৈছে।

'ইয়াৰ পিছতে ৰুছ দেশ। ১৮৪৮-১৮৪৯ চনৰ বিপ্লৱৰ সময়ত অকল ইউৰোপৰ ৰজাবিলাকেই কিয়, ইউৰোপৰ বুৰ্জোৱা শ্ৰেণীয়েও নৱ জাগৰণমুখী সৰ্বহাৰাৰ হাতৰপৰা নিজক উদ্ধাৰ কৰিবলৈ একমাত্ৰ উপায় পাইছিল ৰাছিয়াৰ হস্তক্ষেপৰ মাজেদি। জাৰক ইউৰোপৰ প্ৰতিক্ৰিয়াৰ নেতা বুলি ঘোষণা কৰা হৈছিল। আজি — সেই জাৰ গাৎচিনাত বিপ্লৱৰ যুদ্ধবন্দীৰ দৰে, আৰু সেই ৰাছিয়াই ইউৰোপত বৈপ্লৱিক কাৰ্য্যকলাপৰ আগ ভাগ লৈছে।

'আধুনিক বুৰ্জোৱা সম্পত্তিৰ আগন্তুক বিলোপকৰণ 'কমিউনিষ্ট ইস্তাহাৰ'ৰ ঘোষণাৰ এটা মুখ্য বিষয় আছিল। কিন্তু ৰাছিয়াত দ্ৰুত বিকাশমান পুঁজিবাদী প্ৰতাৰণা আৰু বিকশিত বুৰ্জোৱা ভূমি-সম্পত্তিৰ লগে লগে দেশৰ ভূসম্পত্তিৰ প্ৰায় আধাতকৈও বেছি মাটি ৰুছ খেতিয়কে উমৈহতীয়াকৈ অধিকাৰ কৰি আছে।

'এতিয়া প্ৰশ্ন হৈছে: নিচেই দুৰ্বল হৈ আহিলেও এই ভূসম্পত্তিৰ আদিম যৌথ মালিকীস্বত্ব, এই গাঁৱলীয়া সম্প্ৰদায়টো পোনে পোনে উচ্চ ধৰণৰ সাম্যবাদী সামাজিক সম্পত্তিৰ অধিকাৰী হব পাৰিব নে? নতুবা ইয়াৰ বিপৰীতে, পশ্চিমত ঘটা ঐতিহাসিক বিৱৰ্তনৰ ধাৰা হিচাপে ভাঙনৰ একে প্ৰক্ৰিয়াৰ মাজেৰেই আগ বাঢ়িব?

'এতিয়া ইয়াৰ একমাত্ৰ এইটোৱেই উত্তৰ হ'ব পাৰে: যদি ৰুছ বিপ্লৱ পশ্চিমীয়া দেশৰ সৰ্বহাৰা বিপ্লৱৰ আগ জাননী হয়, যাতে দুয়োটাই

পৰস্পৰ পৰিপূৰক হয়, তেন্তে বৰ্তমান ৰাছিয়াত থকা মাটিৰ সামূহিক অধিকাৰৰপৰাই সাম্যবাদী সম্পৰ্কৰ বিকাশত সহায়ক হ'ব পাৰে।

লণ্ডন, ২১ জানুৱাৰী, ১৮৮২' **কাৰ্ল মাৰ্ক্স, ফ্ৰিডৰিখ এঙ্গেলছ**

ঠিক একে সময়তে জেনেভাৰপৰা 'কমিউনিষ্ট ইস্তাহাৰ'ৰ এটা নতুন পোলিছ অনুবাদ প্ৰকাশ কৰা হয়: 'Manifest Komunistyczny.'

ইয়াৰ উপৰিও ১৮৮৫ চনত কোপেনহাগেনৰ 'Social-demokratisk Bibliothek' পত্ৰিকাত এটা নতুন ডেনিছ ভাষাৰ অনুবাদ প্ৰকাশ হয়। দুৰ্ভাগ্যক্ৰমে, এই অনুবাদ সম্পূৰ্ণ নহ'ল; কিছুমান আৱশ্যকীয় অংশও অনুবাদকে টান পাই এৰি থৈ গ'ল। ইয়াৰ উপৰিও অ'ত-ত'ত অযত্ন দেখা গৈছিল, এইবোৰ অশোভনীয় ত্ৰুটী সহজেই ধৰিব পাৰিলেও, অনুবাদটোৰপৰা দেখা গৈছে যে, অনুবাদকে অলপমান কষ্ট স্বীকাৰ কৰা হ'লেই তেওঁৰ অনুবাদ চমৎকাৰ হ'লহেঁতেন।

১৮৮৬ চনত পেৰিছৰ 'Le Socialiste' পত্ৰিকাত এটা নতুন ফৰাচী অনুবাদ প্ৰকাশ হয়; এতিয়ালৈকে প্ৰকাশ হোৱাৰ ভিতৰত এইটোৱেই আটাইতকৈ ভাল অনুবাদ।

এই ফৰাচী অনুবাদৰপৰাই একে বছৰতে মাদ্ৰিদৰ 'El Socialista' পত্ৰিকাত ইয়াৰ এটা স্পেনীয় অনুবাদ প্ৰকাশ হয়; পিছত পুস্তিকা আকাৰতো প্ৰকাশ কৰা হয়: 'Manifesto del Partido Comunista' por Carlos Marx y F. Engels, Madrid, Administracion de El Socialista, Hernán Cortés, 8.

কৌতূহলবশতঃ মই এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছোঁ। ১৮৮৭ চনত কনষ্টাণ্টিনোপলৰ এজন প্ৰকাশকক 'ইস্তাহাৰ'ৰ আৰ্মেনিয়ান ভাষাৰ এটা অনুবাদ প্ৰকাশ কৰিবলৈ দিয়া হৈছিল। কিন্তু এই ভদ্ৰলোকজনে মাৰ্ক্সৰ নাম থকাৰ বাবে কিতাপখন প্ৰকাশ কৰিবলৈ সাহস নকৰিলে; আৰু অনুবাদকজনক নিজকে লিখক বুলি কবলৈ পৰামৰ্শ দিলে, অনুবাদকজন ইয়াত অমান্তি হ'ল।

ইংলণ্ডত এটাৰ পিছত এটাকৈ কম-বেছি নিখুঁত নোহোৱা কেইবাটাও ইংৰাজী অনুবাদ প্ৰকাশ কৰা হৈছিল। অৱশেষত ১৮৮৮ চনত এটি প্ৰামাণ্যযোগ্য অনুবাদ প্ৰকাশ হৈ ওলায়। এই অনুবাদ মোৰ বন্ধু চেমুৱেল মূৰে কৰিছিল, আৰু প্ৰেছলৈ পঠোৱাৰ আগতে আমি দুয়ো একেলগে

ইয়াক চকু ফুৰাই দিছিলোঁ। নাম দিয়া হয়: 'Manifesto of the Communist Party' by Karl Marx and Frederick Engels. Authorised English Translation, edited and annotated by Frederick Engels, 1888. London, William Reeves, 185. Fleet st., E.C. মই এই সংস্কৰণত সেই ইংৰাজী সংস্কৰণৰ গোটাদিয়েক টীকা সন্নিবিষ্ট কৰিছোঁ।

এই 'ইস্তাহাৰ'ৰো নিজা ইতিহাস আছে। বৈজ্ঞানিক সমাজতন্ত্ৰৰ অনুগামীসকলে এই 'ইস্তাহাৰ'ক উৎসাহেৰেই অভিনন্দন জনাইছিল (প্ৰথম ভূমিকাত উল্লেখ কৰা অনুবাদসমূহেই ইয়াৰ প্ৰমাণ)। কিন্তু ১৮৪৮ চনৰ জুন বিদ্ৰোহত পেৰিছৰ শ্ৰমিক শ্ৰেণী পৰাস্ত হোৱাৰ প্ৰতিক্ৰিয়া স্বৰূপে এই 'ইস্তাহাৰ' কিছুদিন আন্ধাৰত থাকিব লগীয়া হয় [১৬], অৱশেষত, ১৮৫২ চনৰ নৱেম্বৰ মাহত [১৭] কলোনত হোৱা কমিউনিষ্ট বন্দীৰ বিচাৰৰ পাছত 'ইস্তাহাৰ'ক 'আইনসঙ্গতভাৱে' সমাজচ্যুত কৰে। ফেব্ৰুৱাৰী বিপ্লৱৰ লগে লগে অন্তৰ্ধান হোৱা শ্ৰমিক আন্দোলনেৰে সৈতে, এই 'ইস্তাহাৰো' কিছুদিনলৈ অন্তৰ্ধান হ'ব লগা হৈছিল।

ইউৰোপৰ শ্ৰমিক শ্ৰেণীয়ে যেতিয়া শাসক শ্ৰেণীৰ ক্ষমতাক পুনৰ আঘাত কৰিবলৈ যথেষ্ট শক্তি সঞ্চয় কৰিলে, তেতিয়া আন্তৰ্জাতিক শ্ৰমিক সঙ্ঘৰ আবিৰ্ভাৱ হ'ল। এই সঙ্ঘৰ লক্ষ্য আছিল ইউৰোপ আৰু আমেৰিকাৰ সংগ্ৰামশীল শ্ৰমিক শ্ৰেণীক এটা যুঁজাৰু বিৰাট বাহিনীত সংগঠিত কৰা। সেই কাৰণে এই সঙ্ঘই 'ইস্তাহাৰ'ত ঘোষণা কৰা মূলনীতিসমূহ **দাঙি ধৰিব** নোৱাৰিছিল। এই সঙ্ঘই ইংলণ্ডৰ ট্ৰেড ইউনিয়নবিলাক, ফ্ৰান্স, বেলজিয়াম আৰু স্পেনৰ প্ৰুধোঁ-পন্থীসকল আৰু জাৰ্মানীৰ লাছাল-পন্থীসকললৈকো* দুৱাৰ মুকলি কৰি ৰাখিবৰ বাবে এখন সুকীয়া কাৰ্য্যসূচী গ্ৰহণ কৰিব লগা হৈছিল। আন্তৰ্জাতিকৰ গঠনতন্ত্ৰৰ ভূমিকা [১৮] হিচাপে এই কাৰ্য্যসূচী মাৰ্ক্সৰ নিপুণ হাতৰ লিখনীৰে ৰচিত হৈছিল। এনেকি এই কাৰ্য্যসূচী বাকুনিন আৰু নৈৰাজ্যবাদীবিলাকেও নিখুঁত বুলি স্বীকাৰ কৰিছিল। 'ইস্তাহাৰ'ত দাঙি ধৰা শ্ৰমিক শ্ৰেণীৰ শেষ বিজয়ৰ ধাৰণাটো

---

* ব্যক্তিগতভাৱে লাছালে আমাৰ ওচৰত নিজক মাৰ্ক্সৰ অনুগামী বুলিয়েই স্বীকাৰ কৰিছিল; আৰু সেইবাবে 'ইস্তাহাৰ'ৰ প্ৰতিপাদ্য বিষয়সমূহ সমৰ্থন কৰিছিল। তেওঁৰ অনুগামীসকলৰ বাবে কিন্তু কথাটো সম্পূৰ্ণ বেলেগ আছিল। কিয়নো তেওঁবিলাকে চৰকাৰী সাহায্যত উৎপাদক সমবায় খোলাৰ বাহিৰে আইন কথালৈ নগৈছিল। তেওঁলোকে এনেদৰেই সমগ্ৰ শ্ৰমিক শ্ৰেণীক ৰাষ্ট্ৰীয় সাহায্যৰ সমৰ্থক আৰু আত্মসাহায্যৰ সমৰ্থক — এই দুটা অংশত ভাগ কৰিছিল। [এঙ্গেলছৰ টীকা]

দৃঢ় কৰিবৰ বাবে মাৰ্ক্সে শ্ৰমিক শ্ৰেণীৰ বুদ্ধিগত উন্নতিৰ ওপৰত বেছি জোৰ দিছিল। আৰু সেই কাৰণে তেওঁ যুটীয়া কাৰ্য্যকলাপ আৰু আলোচনাৰ আৱশ্যকতা অনুভৱ কৰিছিল। পুঁজিৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ ঘাত-প্ৰতিঘাতত জয়তকৈ পৰাজয়ৰ অভিজ্ঞতাই শ্ৰমিক শ্ৰেণীৰ নিজৰ আগৰ সৰ্বৰোগনাশক ধ্যান-ধাৰণাৰ অসাৰতা দেখুৱাই দিছিল; আৰু নিজৰ মুক্তিৰ বাবে প্ৰকৃত অৱস্থা উপলব্ধি কৰিবলৈ শ্ৰমিক শ্ৰেণীৰ মনৰ দুৱাৰ খুলি ৰাখিবলৈ এই অভিজ্ঞতাই শিকাইছিল। আৰু মাৰ্ক্স এই বিষয়ত নিৰ্ভুল আছিল। ১৮৬৪ চনত আন্তৰ্জাতিক প্ৰতিষ্ঠা কৰাৰ সময়ত শ্ৰমিকসকল যেনে আছিল, ১৮৭৪ চনত আন্তৰ্জাতিক ভাগি যোৱাৰ পিছত শ্ৰমিক শ্ৰেণীক সম্পূৰ্ণ বেলেগ দেখা গৈছিল। লেটিন দেশসমূহত প্ৰুধোঁৰ আৰু জাৰ্মানীত লাছালৰ মতবাদ তেতিয়া লোপ পাইছিল। এনেকি ৰক্ষণশীল ইংৰাজ ট্ৰেড ইউনিয়নবিলাক পৰ্য্যন্ত লাহে লাহে এনে অৱস্থাৰ পিনে আগ বাঢ়িছিল যে ১৮৮৭ চনত চোৱানছিৰ কংগ্ৰেছত তেওঁলোকৰ পক্ষৰপৰা সভাপতিয়ে কৈছিল: 'ইউৰোপীয় সমাজতন্ত্ৰৰ বিভীষিকা এতিয়া আমাৰ মুৰত নাই,' কিন্তু ১৮৮৭ চনত প্ৰায় একমাত্ৰ 'ইস্তাহাৰ'ত সূত্ৰবদ্ধ তত্ত্বই ইউৰোপীয় সমাজতন্ত্ৰ আছিল। এইদৰেই 'কমিউনিষ্ট ইস্তাহাৰ'ৰ ইতিহাসে ১৮৪৮ চনৰপৰা আৰম্ভ কৰি অনেকখিনি আধুনিক শ্ৰমিক আন্দোলনৰ ইতিহাসকেই প্ৰতিফলিত কৰিছে; বৰ্তমান প্ৰচলিত সমাজতন্ত্ৰী সাহিত্যৰ ভিতৰত এই 'ইস্তাহাৰ'কেই পৃথিৱীৰ বহুতো ঠাইৰ মানুহে পঢ়িছে আৰু নিঃসন্দেহে এই 'ইস্তাহাৰ' আন্তৰ্জাতিক দলিল হৈ পৰিছে; ছাইবেৰিয়াৰপৰা কেলিফোৰ্নিয়ালৈকে অৱস্থিত সকলো দেশত লাখ লাখ শ্ৰমিকে এই 'ইস্তাহাৰ'ক তেওঁলোকৰ সাধাৰণ কাৰ্য্যসূচী বুলি স্বীকৃতি দিছে।

তথাপি আমি যেতিয়া এই কিতাপখন প্ৰথম ৰচনা কৰিছিলোঁ, তেতিয়া ইয়াক **সমাজতন্ত্ৰী** ইস্তাহাৰ বুলি ক'ব পৰা নাছিলোঁ। ১৮৪৭ চনত সমাজতন্ত্ৰী বুলি ক'লে দুই ধৰণৰ লোকক বুজাইছিল: এটি আছিল কল্পনাবিলাসী সমাজতন্ত্ৰবাদৰ পক্ষধাৰী, যেনে ইংলণ্ডৰ ওৱেন-পন্থীবিলাক আৰু ফ্ৰান্সৰ ফুৰিয়ে-পন্থীবিলাক, এই দুয়োটা পন্থাৰ অনুগামীসকল এটা সৰু সম্প্ৰদায়তহে পৰিণত হৈছে, আৰু লাহে লাহে তেওঁলোক নিঃচিহ্ন হৈ যাবলৈ ধৰিছে; আনবিধ হ'ল নানা ধৰণৰ সমাজ-সংস্কাৰক, এওঁলোকে পুঁজি আৰু লাভৰ কোনো অনিষ্টসাধন নকৰাকৈ সমাজৰ সকলো অভাৱ-অভিযোগ পূৰণ কৰিব খোজে। এই দুয়োবিধৰ সমাজতন্ত্ৰীয়েই আছিল শ্ৰমিক আন্দোলনৰ বাহিৰৰ মানুহ, তেওঁলোকে 'শিক্ষিত' শ্ৰেণীৰ মানুহৰহে

সমৰ্থন বিচাৰিছিল। শ্ৰমিক শ্ৰেণীৰ যিটো অংশই বিশ্বাস কৰিছিল যে অকল ৰাজনৈতিক বিপ্লৱেই যথেষ্ট নহয়, আৰু সমাজৰ সম্পূৰ্ণ পৰিৱৰ্তনৰ দাবী তুলিছিল, এইখিনি শ্ৰমিকেই নিজক **কমিউনিষ্ট** বুলি অভিহিত কৰিছিল। এই সাম্যবাদ অপৰিণত আছিল, এই কমিউনিজম স্থূল, প্ৰবৃত্তিগত ধৰণৰ আছিল; তথাপি আচল কথাটো বাদ পৰি যোৱা নাছিল, আৰু শ্ৰমিক শ্ৰেণীৰ মাজত এই সাম্যবাদৰ প্ৰভাৱ অটুট থকাৰ বাবে অন্ততঃ কল্পনাপ্ৰসূত দুই ধৰণৰ সাম্যবাদৰ উদ্ভৱ হৈছিল, যেনে ফ্ৰান্সত কাবে'ৰ 'আইকেৰীয়' সাম্যবাদ, জাৰ্মানীত ভাইটলিঙৰ সাম্যবাদ [১৯]। গতিকেই ১৮৪৭ চনত সমাজতন্ত্ৰ আছিল বুৰ্জোৱা শ্ৰেণীৰ আন্দোলন আৰু সাম্যবাদ আছিল শ্ৰমিক শ্ৰেণীৰ আন্দোলন। ইউৰোপত তেতিয়া সমাজতন্ত্ৰ কিছুদূৰ সম্মানযোগ্য আছিল, সাম্যবাদ কিন্তু ইয়াৰ সম্পূৰ্ণ বিপৰীতহে আছিল। আৰু পোন প্ৰথমৰপৰাই আমাৰ মত আছিল যে 'শ্ৰমিক শ্ৰেণীক মুক্ত কৰাৰ কামটো শ্ৰমিক শ্ৰেণীয়ে নিজেই কৰিব লাগিব', সেই কাৰণে এই দুটা নামৰ কোনটো আমি ল'ব লাগিব সেই সম্পৰ্কে ভিন্ন মত আমাৰ মাজত নাছিল। তদুপৰি তেতিয়াৰপৰা এই নাম আমি অস্বীকাৰ কৰিব লগা হোৱাও নাই।

'সকলো দেশৰ এক হওক!' — ৪২ বছৰ আগেয়ে আমি যেতিয়া এই বাণী গোটেই পৃথিৱীৰ আগত ঘোষণা কৰিছিলোঁ, তেতিয়া মাত্ৰ অতি তাকৰ কণ্ঠৰপৰাহে প্ৰতিধ্বনি শুনিবলৈ পাইছিলোঁ। সেই দিন আছিল প্ৰথম পেৰিছ বিদ্ৰোহৰ ঠিক আগৰ দিন; এই পেৰিছ বিদ্ৰোহতেই শ্ৰমিক শ্ৰেণীয়ে নিজৰ দাবীসমূহ দাঙি ধৰি ওলাই আহিছিল। ১৮৬৪ চনৰ ২৮ চেপ্তেম্বৰৰ দিনা পশ্চিম ইউৰোপৰ সৰহ ভাগ দেশৰে শ্ৰমিক শ্ৰেণীয়ে গৌৰৱ উজ্জ্বল আন্তৰ্জাতিক শ্ৰমিক সংঘৰ লগত হাত মিলাইছিল। সঁচা কথা, এই আন্তৰ্জাতিক মাত্ৰ ৯ বছৰ টিকি আছিল। কিন্তু সকলো দেশৰ শ্ৰমিক শ্ৰেণীৰ যি চিৰন্তন ঐক্য এই আন্তৰ্জাতিকৰ যোগেদি সৃষ্টি হৈছিল, সেই ঐক্য এতিয়াও টিকি আছে, আগতকৈও ক্ৰমে সেই ঐক্য শক্তিশালী হৈছে, আজিৰ দিনেই তাৰ উৎকৃষ্ট সাক্ষ্য দিয়ে। আজি যেতিয়া মই এই কথাবোৰ লিখিছোঁ তেতিয়া ইউৰোপ আৰু আমেৰিকাৰ শ্ৰমিক শ্ৰেণীয়ে **এক** পতাকাৰ তলত **এটা** আশু লক্ষ্যত উপনীত হ'বৰ বাবে, **এটা** বাহিনীত সংগঠিত হৈ যুঁজাৰু বাহিনীটো প্ৰস্তুত কৰিছে, সেই লক্ষ্যটো হ'ল আইনৰ জৰিয়তে দৈনিক শ্ৰমৰ পৰিমাণ আঠ ঘণ্টা কৰিব লাগে; আন্তৰ্জাতিকৰ ১৮৬৬ চনত জেনেভাত বহা কংগ্ৰেছে এই দাবী তুলিছিল, ১৮৮৯ চনত পেৰিছত বহা শ্ৰমিক কংগ্ৰেছেও এই

দাবীকে দোহাৰিছিল। আজিৰ দিনৰ শ্ৰমিকসকলে সঁচাকৈয়ে এক হ'বলৈ বিচাৰে — এই সত্য ঘটনাটোৱে সকলো দেশৰ পুঁজিপতি আৰু জমিদাৰসকলৰ চকু মুকলি কৰি দিব।

নিজৰ চকুৰে এই দৃশ্য দেখি যাবলৈ যদি মোৰ কাষত আজি মাৰ্ক্স জীয়াই থাকিলহেঁতেন!

লণ্ডন, ১ মে, ১৮৯০ **ফ্ৰিডৰিখ এঙ্গেলছ**

## ১৮৯২ চনৰ পোলিছ সংস্কৰণৰ ভূমিকা

এই নতুন পোলিছ সংস্কৰণটো উলিওৱাৰ আৱশ্যক হ'ল; ইয়াৰ লগত আৰু বহু কথাই জড়িত হৈছে।

প্ৰথমতে, এইটো মন কৰিব লগা কথা যে, সাম্প্ৰতিক কালত ইউৰোপৰ বিভিন্ন দেশবোৰত বৃহৎ আকাৰৰ শিল্পৰ বিস্তাৰৰ ক্ষেত্ৰত 'ইস্তাহাৰ' নিৰ্দেশক হৈছে। কোনো এখন দেশত যেতিয়া বৃহৎ শিল্পৰ সম্প্ৰসাৰণ হয়, তেতিয়াই সেই দেশৰ শ্ৰমিক শ্ৰেণীয়ে সম্পত্তিবান শ্ৰেণীৰ তুলনাত নিজৰ আচল অৱস্থাৰ সম্পৰ্কে জানিবলৈ বেছি আগ্ৰহ কৰে; শ্ৰমিকসকলৰ মাজত সমাজতান্ত্ৰিক আন্দোলন বিয়পি পৰে আৰু লগে লগে 'ইস্তাহাৰ'ৰ প্ৰয়োজনো বাঢ়ি যায়। প্ৰত্যেক দেশত, সেই দেশৰ ভাষাত কিমান সংখ্যক 'ইস্তাহাৰ' প্ৰচাৰ হৈছে সেই সংখ্যাৰপৰা অকল যে শ্ৰমিক আন্দোলনৰ অৱস্থাকে নিৰ্ণয় কৰিব পাৰি এনে নহয়, সেই দেশত বৃহৎ আয়তনৰ শিল্প কি পৰিমাণে গঢ়ি উঠিছে সেই কথাটোও কিছু দূৰ নিৰ্ভুলভাৱে অনুভৱ কৰিব পাৰি।

গতিকে এই নতুন পোলিছ সংস্কৰণৰপৰাই পোলেণ্ডত শিল্পৰ চূড়ান্ত উন্নতিৰ কথাটোৰ গম ধৰিব পাৰি। দহ বছৰৰ আগতে 'ইস্তাহাৰ'ৰ পোলিছ সংস্কৰণ প্ৰকাশ কৰাৰ পিছৰপৰা নিঃসন্দেহে পোলেণ্ডত শিল্পই উন্নতি কৰা দেখা গৈছে। ৰুছ অধিকৃত পোলেণ্ড আৰু কংগ্ৰেছী পোলেণ্ড [২০] ৰুছ সাম্ৰাজ্যৰ ভিতৰতে বিৰাট শিল্প অঞ্চলত পৰিণত হৈছে। আনহাতেদি ৰাছিয়াৰ বৃহৎ আয়তনৰ শিল্প অ'ত-ত'ত সিঁচৰিত হৈ আছে; এটা অংশ আছে ফিনলেণ্ড উপসাগৰৰ পাৰত, আন এটা অংশ আছে কেন্দ্ৰস্থলত (মস্কো আৰু ভ্লাদিমিৰ), তৃতীয় অংশটো আছে কৃষ্ণ সাগৰ আৰু আজভ সাগৰৰ উপকূলত, অন্যান্যবোৰ অ'ত-ত'ত আছে — পোলিছ শিল্প কিন্তু তুলনামূলকভাৱে নিচেই কম অঞ্চলত আবদ্ধ হৈ আছে আৰু এনে ধৰণৰ কেন্দ্ৰীভূত হোৱাৰ কাৰণে সুবিধা আৰু অসুবিধা দুয়োটাকে ভোগ কৰিছে। ৰুছ দেশৰ প্ৰতিদ্বন্দ্বী শিল্পপতিসকলে পোলেণ্ডৰ শিল্পজাত

দ্রুত প্ৰসাৰে, ৰুছ পুঁজিপতিসকলৰ মাজত [illegible] পোলেণ্ডৰ [illegible] উদ্যোগৰ [illegible] বৃহৎ [illegible] প্ৰমাণ [illegible] পোলেণ্ডৰ [illegible] জাতীয় পুনৰ্প্ৰতিষ্ঠাৰ [illegible]। পোলিছ [illegible] — [illegible] পোলিছ শ্ৰমিকসকলৰ [illegible] ভৱিষ্যতৰ [illegible] ইয়াৰ [illegible] হৈছে।

কিন্তু এটা শক্তিশালী স্বাধীন পোলেণ্ডৰ পুনৰ্প্ৰতিষ্ঠা [illegible] পোলেণ্ডৰ জনসাধাৰণৰ [illegible] নহয়, ই আমাৰ সকলোৰে [illegible]। ইউৰোপীয় জাতিসমূহৰ [illegible] প্ৰতিটো জাতি নিজৰ ঘৰত পূৰ্ণ স্বায়ত্ত [illegible] আন্তৰ্জাতিক সহযোগ সম্ভৱ হয়। ১৮৪৮ চনৰ বিপ্লৱ [illegible] সৰ্বহাৰা শ্ৰেণীৰ [illegible] বুৰ্জোৱাৰ কাম কৰিব লগা হৈছিল [illegible] হকুমতে সম্পন্ন কৰিলে: আৰু এই বিপ্লৱৰ [illegible] লুই বোনাপাৰ্ট আৰু বিছমাৰ্কৰ দ্বাৰা ইটালী, জাৰ্মানী আৰু হাংগেৰীয়ে স্বাধীনতা লাভ কৰিলে কিন্তু যি পোলেণ্ডে ১৭৯২ চনৰ পৰাই এই বিপ্লৱৰ বাবে এই তিনিটাতকৈ বেছি কাম কৰিছিল, সেইখন দেশ নিজৰ শক্তিৰ অভাৱত নিঃশেষ হৈ থাকিব লগা হ'ল আৰু ১৮৬৩ চনত বাহিৰৰ দহ গুণ বেছি শক্তিৰ সন্মুখত এই প্ৰথম পতন হ'ল [২২]। পোলেণ্ডৰ অভিজাত শ্ৰেণী স্বাধীনতা ৰক্ষা কৰিবও পৰা নাই আৰু ইয়াক আকৌ ঘূৰাই আনিবও নোৱাৰে: বৰ্তমানে কমেও গতিকে এই বুৰ্জোৱা শ্ৰেণীৰ বাবে স্বাধীনতাৰ কোনো অৰ্থ নাই। অথচ ইউৰোপৰ জাতিসমূহৰ সুসমঞ্জস সহযোগিতাৰ বাবে এই স্বাধীনতাৰ প্ৰয়োজন আছে। এই জাতীয় স্বাধীনতা পোলেণ্ডৰ একমাত্ৰ তৰুণ শ্ৰমিক শ্ৰেণীয়েহে অৰ্জন কৰিব পাৰে; আৰু একমাত্ৰ শ্ৰমিক শ্ৰেণীৰ হাতততহে এই স্বাধীনতা সম্পূৰ্ণ নিৰাপদ। সেই কাৰণে পোলেণ্ডৰ শ্ৰমিক শ্ৰেণীৰ বাবে জাতীয় স্বাধীনতাৰ যিমান প্ৰয়োজন, ইউৰোপৰ বাকী আটাই শ্ৰমিকসকলৰ কাৰণেও পোলেণ্ডৰ স্বাধীনতাৰ প্ৰয়োজন সিমানখিনিয়েই।

লণ্ডন, ১০ ফেব্ৰুৱাৰী, ১৮৯২ ফ্ৰেডৰিক এংগেলছ

## ১৮৯৩ চনৰ ইটালীয় সংস্কৰণৰ ভূমিকা

### ইটালিৰ পাঠকসকলৰ উদ্দেশ্যে

১৮৪৮ চনৰ ১৮ মাৰ্চত 'কমিউনিষ্ট ইস্তাহাৰ' প্ৰকাশ হৈছিল। এই দিনটোৰ লগত সেই একেদিনাই ঘটা মিলান আৰু বাৰ্লিনৰ বিপ্লৱৰ সামঞ্জস্য আছে — ইউৰোপৰ দুটা জাতিয়ে একেদিনাই সশস্ত্ৰ বিদ্ৰোহ কৰিছিল — ইউৰোপৰ কেন্দ্ৰত থকা জাৰ্মান জাতি আৰু ভূমধ্য সাগৰৰ পাৰৰ ইটালি জাতি; উভয়ে নিজৰ অন্তৰ্দ্বন্দ্ব আৰু বিভেদৰ ফলত দুৰ্বল হৈ গৈছিল, আৰু শেষত দুয়োটা জাতিয়ে বিদেশী শাসন বৰণ কৰিব লগীয়া হ'ল। ইটালিয় জাতি অষ্ট্ৰিয়ান সাম্ৰাজ্যৰ প্ৰজা হ'ব লগা হ'ল আৰু জাৰ্মান জাতিয়ে ৰুছ দেশৰ জাৰতকৈও কম কাৰ্য্যক্ষম নোহোৱা কিন্তু পৰোক্ষ শাসনৰ যুঁৱলি কান্ধত ল'ব লগা হ'ল। ১৮৪৮ চনৰ ১৮ মাৰ্চৰ পৰিণতি হিচাপেই ইটালি আৰু জাৰ্মানী এই দুয়োটা জাতিয়েই লাজৰপৰা নিষ্কৃতি পায়; যদি, কাৰ্ল মাৰ্ক্সে কোৱাৰ দৰেই, ১৮৪৮ চনৰপৰা ১৮৭১ চনলৈকে এই কালছোৱাত দুয়োটা মহান জাতিয়ে নিজৰ ভৰিত থিয় হব পাৰিছিল, তেন্তে ইয়াৰ কাৰণ যিখিনি মানুহে ১৮৪৮ চনৰ বিপ্লৱটো দমন কৰিছিল, সিহঁতেই আছিল নিজ অনিচ্ছা সত্ত্বেও উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা এই বিপ্লৱৰ ব্যৱস্থাপক।

সকলো দেশতে এই বিপ্লৱৰ স্ৰষ্টা আছিল শ্ৰমিক শ্ৰেণী। এই শ্ৰমিক শ্ৰেণীয়েই নিজৰ তেজ দি বেৰিকেড তৈয়াৰ কৰিছিল। একমাত্ৰ পেৰিছৰ শ্ৰমিকসকলেহে চৰকাৰক উচ্ছেদ কৰিবলৈ লওঁতে বুৰ্জোৱা ব্যৱস্থাক সমূলঞে উচ্ছেদ কৰাৰ প্ৰবল ইচ্ছা পোষণ কৰিছিল। কিন্তু তেওঁলোকৰ নিজৰ শ্ৰেণীৰ লগত বুৰ্জোৱা শ্ৰেণীৰ ৰক্তাক্ত শত্ৰুতাৰ সম্পৰ্কে তেওঁলোক যিমানেই সচেতন নেথাকক কিয়, তথাপি দেশৰ অৰ্থনৈতিক উন্নতি আৰু ফৰাচী শ্ৰমিকসকলৰ বুদ্ধিগত উন্নতিয়ে সামাজিক পুনৰ্গঠনৰ দায়িত্ব ল'ব পৰা অৱস্থা তেতিয়াও পোৱাগৈ নাই। সেই কাৰণে চূড়ান্ত বিশ্লেষণত দেখা যায় যে, এই বিপ্লৱৰ ফলত পুঁজিপতি শ্ৰেণীয়েই লাভৱান হ'ল। আনবিলাক দেশত যেনে, ইটালি, জাৰ্মানী আৰু অষ্ট্ৰিয়াত শ্ৰমিক শ্ৰেণীয়ে পুঁজিপতি

শ্ৰেণীৰ হাতত ক্ষমতা তুলি দিলে। কিন্তু কোনো দেশতেই জাতীয় স্বাধীনতাৰ অবিহনে বুৰ্জোৱাৰ শাসন সম্ভৱ নহয়। সেই কাৰণে, ১৮৪৮ চনৰ বিপ্লৱে কালক্ৰমত এখনৰ পিছত সিখন দেশৰ স্বাধীনতা আনি দিলে; এইদৰেই ইটালি, জাৰ্মানী আৰু হাঙ্গেৰীয়ে স্বাধীনতা পালে। এতিয়া পোলেণ্ডৰ পাল পৰিছে।

এইদৰে যদিও ১৮৪৮ চনৰ বিপ্লৱটো সমাজতান্ত্ৰিক বিপ্লৱ নাছিল, তথাপি ই সমাজতান্ত্ৰিক বিপ্লৱৰ পিনে গতি কৰি ইয়াৰ বাবে পথ মুকলি কৰিলে। বৃহৎ আকাৰৰ শিল্পৰ সম্প্ৰসাৰণৰ ফলত সকলো দেশৰ বুৰ্জোৱা শাসনে যোৱা ৪৫ বছৰত এটা বিৰাট কেন্দ্ৰীভূত শক্তিশালী সৰ্বহাৰা শ্ৰেণীৰ সৃষ্টি কৰিলে; 'ইস্তাহাৰ'ৰ ভাষাত ক'বলৈ গ'লে বুৰ্জোৱা শাসনে এইদৰেই নিজৰ কবৰ খান্দোতাৰ দলটো প্ৰস্তুত কৰিলে। প্ৰতিটো জাতিৰ কাৰণে জাতীয় স্বাধীনতা আৰু ঐক্য পুনৰ উদ্ধাৰ নকৰাকৈ শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিক ঐক্য বা সাধাৰণ লক্ষ্যত উপনীত হ'বৰ বাবে এই জাতিবিলাকৰ শান্তিপূৰ্ণ আৰু বুদ্ধিমান সহযোগিতা লাভ কৰাও অসম্ভৱ। এবাৰ অনুমান কৰি চাওক, ১৮৪৮ চনৰ আগৰ ৰাজনৈতিক অৱস্থাত ইটালি, হাঙ্গেৰী, জাৰ্মানী, পোলেণ্ড, ৰাছিয়া আদি দেশৰ শ্ৰমিকসকলে যুটীয়াকৈ এটা আন্তৰ্জাতিক সংগ্ৰাম সমাধান কৰিব পাৰিলেহেঁতেন জানো?

১৮৪৮ চনৰ যুদ্ধবোৰ অথলে নগ'ল। নতুবা সেই বিপ্লৱৰপৰা আজিলৈকে অতিবাহিত হোৱা ৪৫ বছৰ কালো এনেয়ে অতিবাহিত হোৱা নাই। ফল পকিবলৈ ধৰিছে, মই ভাবোঁ যে এই 'ইস্তাহাৰ' প্ৰথমে প্ৰকাশ হওঁতে যেনেকৈ আন্তৰ্জাতিক বিপ্লৱৰ সূচনা কৰিছিল, ঠিক সেইদৰে ইটালি ভাষাত প্ৰকাশ হোৱা এই অনুবাদেও ইটালিৰ সৰ্বহাৰা শ্ৰেণীৰ বিজয়ৰ আগজাননী দিব।

এই 'ইস্তাহাৰে' অতীতত পুঁজিবাদে লোৱা বৈপ্লৱিক ভূমিকাৰ পূৰ্ণ সমাদৰ কৰিছে। প্ৰথম পুঁজিবাদী জাতি হৈছে ইটালি। সামন্তবাদী মধ্য যুগৰ সামৰণি আৰু আধুনিক পুঁজিবাদী যুগৰ আৰম্ভণি এই দুয়োটাকে এজন মহান ইটালীয় ব্যক্তিয়ে চিহ্নিত কৰিছে। তেওঁ হ'ল ডাণ্টে — যি-জন মধ্যযুগৰ শেষ আৰু নতুন যুগৰ প্ৰথম কবি। ১৩০০ চনৰ দৰেই আজিও এটা নতুন ঐতিহাসিক যুগ আগ বাঢ়ি আহিছে। এই নতুন সৰ্বহাৰা শ্ৰেণীৰ যুগটো চিহ্নিত কৰিবলৈ ইটালিয়ে বাৰু আমাক আৰু এজন নতুন ডাণ্টেৰ সৃষ্টি কৰি দিব নে?

লণ্ডন, ১ ফেব্ৰুৱাৰী, ১৮৯৩ **ফ্ৰিডৰিখ এঙ্গেলছ**

# কমিউনিষ্ট পার্টিৰ ইস্তাহাৰ

ইউৰোপে ভূত দেখিছে — কমিউনিজমৰ ভূত। সাম্যবাদৰ এই ভূত খেদিবৰ কাৰণে পোপ আৰু জাৰ, মেটেৰ্নিখ আৰু গিজো [২৩], ফৰাচী উগ্ৰপন্থী আৰু জাৰ্মানীৰ পুলিচ চোৰাংচোৰা এই সকলোবিলাক, অৰ্থাৎ পুৰণি ইউৰোপৰ সকলো শক্তি এক পৱিত্ৰ মিত্ৰতা সূত্ৰত আবদ্ধ হৈছে।

ক্ষমতাৰ গাদীত থকা দলে কমিউনিষ্টভাৱাপন্ন বুলি নিন্দা নকৰা কোনোবা বিৰোধী দল আজি আছে জানো? চৰকাৰ-বিৰোধী দলবিলাকৰ ভিতৰতো তেনে কোনো দল জানো আছে যি নিজৰ দলতকৈ আগ বঢ়া প্ৰতিনিধি বা নিজৰ দলক বিৰোধিতা কৰা প্ৰতিক্ৰিয়াশীল দলকো কমিউনিষ্ট বুলি ওলোটা অভিযোগ অনা নাই?

ইয়াৰপৰা দুটা কথা ওলাই পৰে:

১। সাম্যবাদ নিজেই এটা সুকীয়া শক্তি বুলি ইউৰোপৰ সকলো শক্তিয়ে ইতিমধ্যেই মানি লৈছে।

২। আজি কমিউনিষ্টসকলে জগতৰ আগত খোলাখুলিভাৱে নিজৰ মতামত, নিজৰ উদ্দেশ্য, নিজৰ আন্দোলনৰ ধাৰা জনাই, সাম্যবাদী ইস্তাহাৰ প্ৰকাশ কৰি ল'ৰা নিচুকোৱা সাম্যবাদৰ ভূত সম্পৰ্কীয় সাধু কথাৰ যথাযথ উত্তৰ দিয়াৰ সময় আহি পৰিছে।

এই উদ্দেশ্যে বিভিন্ন জাতিৰ কমিউনিষ্টসকলে লণ্ডন চহৰত লগ লাগি তলত দিয়া 'ইস্তাহাৰ' প্ৰস্তুত কৰিছে; ইংৰাজী, ফৰাচী, জাৰ্মান, ইটালিয়, ফ্লেমিছ আৰু ডেনিছ ভাষাত প্ৰকাশৰ সিদ্ধান্ত লৈছে।

১

## বুর্জোৱা আৰু সৰ্বহাৰা*

এতিয়ালৈকে দেখা পোৱা সকলো সমাজৰে ইতিহাস** হ'ল শ্ৰেণী সংগ্ৰামৰ ইতিহাস।

স্বাধীন মানুহ আৰু ক্ৰীতদাস, অভিজাত মানুহ আৰু সাধাৰণ মানুহ, জমিদাৰ আৰু ভূমিদাস, মধ্য যুগৰ গিল্ড মাষ্টাৰবিলাক*** আৰু তেওঁলোকৰ

---

* বুৰ্জোৱা — আজিৰ পুঁজিপতি শ্ৰেণীকে বুৰ্জোৱা বোলা হয়। এই বুৰ্জোৱা শ্ৰেণী হ'ল উৎপাদনৰ সামাজিক আহিলাসমূহৰ গৰাকী আৰু মজুৰিৰ কাৰণে খটা বনুৱাসকলক এই ধনিক শ্ৰেণীয়ে কামত খটুৱায়। প্ৰলেতাৰিয়েত — সামাজিক উৎপাদনৰ কোনো আহিলা নিজৰ হিচাপে নথকাত একমাত্ৰ নিজৰ কাম কৰিব পৰা শক্তিকে বিক্ৰী কৰি যিসকল জীয়াই থাকিব লগা হৈছে, আজিৰ সেই বনুৱা বা শ্ৰমিক শ্ৰেণীকে প্ৰলেতাৰিয়েত অৰ্থাৎ সৰ্বহাৰা বোলা হয়। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা।]

** সমাজৰ ইতিহাস অৰ্থাৎ **লিখিতভাৱে** থকা সকলো ইতিহাস। ১৮৪৭ চনত সমাজৰ প্ৰাগিতিহাস, লিখিত ইতিহাসৰ পূৰ্বৱৰ্তী কালৰ সামাজিক সংগঠনৰ বিৱৰণ প্ৰায় অজ্ঞাতই আছিল। তাৰ পাছত হাক্‌ষ্টহাউজেনে [২৪] আৱিষ্কাৰ কৰে যে ৰাছিয়াত মাটিৰ ওপৰত সৰ্বসাধাৰণৰ অধিকাৰ আছিল। মাউৰেৰে [২৫] প্ৰমাণ কৰে যে এই সামাজিক ভিত্তিৰপৰাই সকলোবিলাক টিউটনিক জাতিৰ ইতিহাস আৰম্ভ। ক্ৰমে দেখা গ'ল ভাৰতৰপৰা আৰম্ভ কৰি আয়ৰলেণ্ড পৰ্যন্ত সকলোতে এই গাঁৱলীয়া গোষ্ঠী আছিল সমাজৰ আদিম চেহেৰা। মৰ্গানৰ [২৬] যুগান্তকাৰী আৱিষ্কাৰে **গোত্ৰসমূহৰ** মূল চৰিত্ৰ আৰু **উপজাতিসমূহৰ** লগত ইয়াৰ সম্পৰ্ক ব্যাখ্যা কৰাৰ মাজেদি সেই সময়ৰ আদিম সাম্যবাদী সমাজৰ ভিতৰুৱা সংগঠনৰ কথা যথাযথভাৱে প্ৰকাশ কৰিছে। আদিম মানৱ গোষ্ঠীসমূহ ভাগি যায় আৰু সমাজ বিভিন্ন শ্ৰেণীত ভাগ হ'বলৈ ধৰে। সেয়ে, শেষত বিৰোধী শ্ৰেণীত পৰিণত হয়। আদিম সমাজৰ এই ভাঙনৰ ধৰণটো মই মোৰ 'পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি' নামৰ কিতাপত ব্যাখ্যা কৰাৰ চেষ্টা কৰিছোঁ। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা]

*** গিল্ড মাষ্টাৰ — মধ্য যুগৰ কাৰিকৰবিলাকৰ সংগঠনক গিল্ড বোলা হৈছিল। গিল্ড মাষ্টাৰবিলাক গিল্ডৰ পূৰ্ণ সভ্য, ইয়াৰ অন্তৰ্ভুক্ত কৰ্তা — কিন্তু তাৰ গৰাকী নহয়। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা]

অধীনত থকা কৰ্মীসকল, এক কথাত, সকলো অত্যাচাৰী আৰু অত্যাচাৰিত, নিষ্পেষিত হোৱাসকলৰ ভিতৰত সদায়ে পৰস্পৰ-বিৰোধী শক্তি হিচাপে অবিৰাম সংগ্ৰাম চলি আহিছে; এই সংগ্ৰাম হয়তো চলিছে কেতিয়াবা গোপনে, কেতিয়াবা দেখাদেখিভাৱে, প্ৰত্যেক সংগ্ৰামেই শেষ হৈছে হয় সমাজলৈ বৈপ্লৱিক পুনৰ্গঠন আনি নাইবা যুঁজ কৰা শ্ৰেণীবিলাকৰ উমৈহতীয়া ধ্বংসৰ মাজেদি।

ইতিহাসৰ প্ৰথম অৱস্থাত প্ৰায় সকলো ঠাইতে সমাজত বিভিন্ন শ্ৰেণী আৰু উচ্চ-নীচ ভাগ থকা সামাজিক অৱস্থাৰ জটিল সমাবেশ দেখা যায়। পুৰণি কালৰ ৰোম ৰাজ্যত আছিল অভিজাত (ডাঙৰীয়া) শ্ৰেণী, যুঁজাৰু বীৰসকল, সাধাৰণ তৰপৰ মানুহ আৰু ক্ৰীতদাস। মধ্য যুগত আছিল সামন্ত-প্ৰভুৰ দল, তলতীয়া ৰায়ত, গিল্ডমাষ্টাৰ, শিক্ষানবিছ আৰু ভূমিদাস। ইয়াৰো প্ৰায় সকলোবিলাক শ্ৰেণীৰে তলতীয়া হৈ থকা সৰু স্তৰবিলাক দেখা যায়।

সামন্ত সমাজ ভাগি পৰাৰ ভেটিতে আজিৰ বুৰ্জোৱা সমাজ গঢ়ি উঠিছে, এই বুৰ্জোৱা সমাজেও শ্ৰেণী-সংগ্ৰাম শেষ কৰিব পৰা নাই। বৰং এই ব্যৱস্থাই মাথোন পুৰণিৰ ঠাইত নতুন নতুন শ্ৰেণীৰ সৃষ্টি কৰিছে, উৎপীড়নৰ নতুন নতুন ধৰণ আৰু পুৰণিৰ ঠাইত সংগ্ৰামৰ নতুন নতুন কৌশল।

আমাৰ যুগটোৰ অৰ্থাৎ বুৰ্জোৱা শ্ৰেণীৰ যুগটোৰ এটা বিশেষত্ব আছে: ই শ্ৰেণী সংগ্ৰামক আগতকৈ পোনপটীয়া কৰি তুলিছে: সমগ্ৰ সমাজ ক্ৰমে বেছি পৰিমাণে আজি দুই বিৰাট বিৰোধী শিবিৰত, পোনপটীয়াভাৱে মুখা-মুখি হোৱা দুই বিৰাট শ্ৰেণীত দুভাগ হৈ যাবলৈ ধৰিছে। সেই দুই শ্ৰেণী হ'ল বুৰ্জোৱা আৰু সৰ্বহাৰা।

মধ্য যুগৰ ভূমিদাসসকলৰপৰাই প্ৰথমে স্থাপিত হোৱা নগৰসমূহৰ অধিকাৰ-প্ৰাপ্ত নাগৰিকৰ উদ্ভৱ হৈছে। এই নাগৰিকসকলৰপৰাই বুৰ্জোৱা শ্ৰেণীৰ প্ৰথম উপাদানবোৰ বিকশিত হয়।

আমেৰিকা আৰু আফ্ৰিকা মহাদেশৰ দক্ষিণ সীমাইদি ঘূৰি আহিব পৰাকৈ হোৱা সমুদ্ৰপথৰ আৱিষ্কাৰে বাঢ়ি অহা বুৰ্জোৱা শ্ৰেণীৰ সম্মুখত নতুন নতুন কৰ্মক্ষেত্ৰ ৰচনা কৰিলে। পূৰ্ব ভাৰত আৰু চীনৰ বজাৰ, আমেৰিকাত উপনিবেশ স্থাপন, উপনিবেশসমূহৰ লগত বাণিজ্য, সাধাৰণভাৱে হোৱা বিনিময় ব্যৱস্থা আৰু উৎপন্ন বস্তুৰ বৃদ্ধিয়ে বাণিজ্য, সাগৰেদি যাতায়াত আৰু শিল্পৰ ক্ষেত্ৰলৈ আগতে কোনো দিনে নোহোৱা ধৰণৰ প্ৰেৰণা আনি দিয়ে

আৰু থৰক-বৰক হৈ পৰা সামন্ত সমাজত জন্ম পোৱা বৈপ্লৱিক শক্তিক বেগেৰে আগ বাঢ়ি অহাৰ সমল যোগায়।

সামন্ত যুগত শিল্প আৰু শিল্পৰ উৎপাদন ব্যৱস্থাৰ ওপৰত আছিল সীমাবদ্ধ শিল্প সঙ্ঘবোৰৰ (গিল্ড) একচেটিয়া অধিকাৰ। নতুন নতুন বজাৰৰ বাঢ়ি অহা প্ৰয়োজন সেই ব্যৱস্থাৰ উৎপাদনে পূৰণ কৰিব নোৱৰাত পৰিল। গতিকেই তাৰ ঠাইত আহি পৰিল কাৰখানাৰ যোগে উৎপাদনৰ ব্যৱস্থা। শিল্প সঙ্ঘৰ গৰাকীক নতুন কাৰখানাৰ মালিক মধ্যবিত্ত শ্ৰেণীয়ে একাষলৈ ঠেলি পঠালে; আগৰ শিল্প সঙ্ঘবোৰৰ ইটো সিটোৰ মাজত শ্ৰমৰ যি বিভাগ আছিল সি নোহোৱা হ'ল আৰু একেটা কাৰখানাৰ ভিতৰতে শ্ৰমবিভাগ হ'বলৈ ধৰিলে।

ইতিমধ্যে বজাৰ আৰু বাঢ়ি গ'ল আৰু লগে লগেই বস্তুৰ চাহিদা বাঢ়ি যাবলৈ ধৰিলে। এই অৱস্থাত আনকি কাৰখানাৰ উৎপাদনেৰেও প্ৰয়োজন পূৰাব নোৱৰা হ'ল। এই অৱস্থাত ভাপ আৰু যন্ত্ৰৰ আৱিষ্কাৰে শিল্পৰ ক্ষেত্ৰলৈ বৈপ্লৱিক পৰিৱৰ্তন আনে। আগৰ সৰু কাৰখানাৰ ঠাইত বৃহৎ আকাৰৰ আধুনিক শিল্পপ্ৰতিষ্ঠান গঢ়ি উঠিল, আগৰ ব্যবসায়ীৰ মধ্য শ্ৰেণীৰ ঠাই দখল কৰিলে শিল্পৰ কোটিপতিয়ে, সমুদায় শিল্প বাহিনীৰ মালিক, আধুনিক বুৰ্জোৱাই।

আধুনিক শিল্পই পৃথিৱী জুৰি বজাৰ বহলালে, আমেৰিকাৰ আৱিষ্কাৰে ইয়াৰ কাৰণে আগতেই বাট মুকলি কৰি ৰাখিছিল। এই বাঢ়ি যোৱা বিশ্ববজাৰে বাণিজ্যজ, জল আৰু স্থল পথেদি যাতায়াতৰ সুবিধা বহুদূৰ আগ বঢ়াই আনিলে। এই উন্নতিয়ে শিল্পৰ আৰু বেছি অগ্ৰগতি সাধন কৰে, এনেকৈয়ে যি পৰিমাণে শিল্প, বাণিজ্য, জলপথ, ৰেলপথ বাঢ়ি গ'ল, ঠিক সেই পৰিমাণে বুৰ্জোৱা শ্ৰেণী শক্তিশালী হৈ আহিল, ই মূলধন বঢ়ালে আৰু মধ্য যুগৰপৰা থাকি অহা সকলো শ্ৰেণীকে পিছ পেলাই নিজে আগ বাঢ়ি গ'ল।

গতিকে দেখা যায়, আধুনিক বুৰ্জোৱা শ্ৰেণীটোৰ নিজৰে বিকাশ ঘটাৰ পিছতে আছে ক্ৰমোন্নতিৰ এক দীঘলীয়া ইতিহাস, উৎপাদন প্ৰণালী আৰু বিনিময়ৰ ব্যৱস্থাত লেথাৰি-নিছিগাকৈ ঘটি অহা ৰূপান্তৰসমূহৰ অৱদান।

বুৰ্জোৱা শ্ৰেণী আগ বাঢ়ি যোৱাৰ প্ৰতি খোজৰ লগত খোজ মিলাই এই শ্ৰেণীটোৰ ৰাজনৈতিক অগ্ৰগতিও সাধিত হৈছে। সামন্ত প্ৰভুৰ তলত নিষ্পেষিত শ্ৰেণী হৈ থকা, মধ্য যুগত কমিউন-ব্যৱস্থাত সশস্ত্ৰ আৰু

স্বশাসিত গোষ্ঠী হিচাপে* বাস কৰা, কোনো ঠাইত স্বাধীন নগৰ প্ৰজাতন্ত্ৰ (যেনে ইটালি আৰু জাৰ্মানীত), কোনো ঠাইত সম্ৰাটক কৰ-কাটল শোধাই 'তৃতীয় মণ্ডলী' হৈ থাকিব লগা হোৱা (যেনে ফ্ৰান্স), তাৰ পাছত কাৰখানা শিল্প গঠিত হোৱাৰ আচল সময়ত অভিজাত সম্প্ৰদায়ৰ বিৰুদ্ধে ফেৰিয়াফেৰিত একচ্ছত্ৰী ৰাজতন্ত্ৰ বা অৰ্দ্ধ-সামন্তবিলাকৰ সহায়ক আৰু কাৰ্য্যতঃ সাধাৰণভাৱে বৃহৎ ৰাজতন্ত্ৰৰ লাই-খুঁটা স্বৰূপ হোৱা সেই বুৰ্জোৱা শ্ৰেণীটোৱে অৱশেষত, আধুনিক বৃহৎ শিল্প আৰু বিশ্ববজাৰ প্ৰতিষ্ঠাৰ পাছত আধুনিক যুগৰ প্ৰতিনিধিত্বমূলক ৰাষ্ট্ৰব্যৱস্থাৰ মাজত পৰিপূৰ্ণ ৰাজনৈতিক ক্ষমতা নিজৰ হাতলৈ আনিবলৈ সক্ষম হৈ উঠিল। আধুনিক ৰাষ্ট্ৰৰ শাসকগোষ্ঠী সমগ্ৰ বুৰ্জোৱা শ্ৰেণীৰ সাধাৰণ কামবিলাক চলোৱাৰ এখন সমিতিৰ বাহিৰে আন একো নহয়।

ঐতিহাসিকভাৱে বুৰ্জোৱা শ্ৰেণীৰ এক বিৰাট বৈপ্লৱিক ভূমিকা আছে।

বুৰ্জোৱা শ্ৰেণীয়ে য'তে প্ৰাধান্য লাভ কৰিছে ত'তে সমস্ত সামন্ততান্ত্ৰিক, পৰিয়ালৰ বৰমুৰীয়াৰ শাসন মানি চলা পিতৃতান্ত্ৰিক আৰু নৈসৰ্গিক ভাববাদী সম্বন্ধৰ ওৰ পেলাইছিল। বুৰ্জোৱা শ্ৰেণীয়ে 'চলি অহা নিয়ম অনুসৰি সমাজৰ শ্ৰেষ্ঠসকলৰ নিৰ্দেশ মানি চলা' বিচিত্ৰ সামন্ত বান্ধোনবোৰ নিৰ্দয়ভাৱে ছিঙি টুকুৰা-টুকুৰ কৰে। মানুহ আৰু মানুহৰ মাজত উলঙ্গ আপোন-পেটীয়া স্বাৰ্থৰ খাটিৰত আবেগ অনুভূতিহীন 'নগদ দেনা-পাওনাৰ' বাহিৰে আন কোনো সম্বন্ধ নোহোৱা অৱস্থা কৰিলে। বুৰ্জোৱা শ্ৰেণীৰ অগ্ৰগতিয়ে ধৰ্মীয় উন্মাদনাৰ স্বৰ্গীয় ধাৰণাসমূহ, দুঃসাহসিক বীৰত্বপূৰ্ণ উদ্যম আৰু কূপমণ্ডুক সাধাৰণ আৱেগ — এই সকলোবোৰকে স্বাৰ্থপৰ হিচাব-নিকাচৰ বৰফ-চেঁচা পানীৰ তলত ডুবাই দিলে। মানুহৰ ব্যক্তিগত যোগ্যতাক ই বিনিময় মূল্যত পৰিণত কৰি পেলালে, আগৰ দিনত সকলোৱে মানি লোৱা অসংখ্য স্বাধীন অধিকাৰৰ ঠাইত বুৰ্জোৱা শ্ৰেণীয়ে

---

* ফ্ৰান্সত নৱোদ্ভুত চহৰবোৰে সামন্ত-মনিব আৰু প্ৰভুসকলৰপৰা স্থানীয় স্বশাসন আৰু ৰাজনৈতিক অধিকাৰ আদায় কৰি 'তৃতীয় মণ্ডলী' হিচাপে প্ৰতিষ্ঠিত হোৱাৰ আগেই 'কমিউন' নাম গ্ৰহণ কৰে। মুঠতে কব পাৰি যে বুৰ্জোৱা শ্ৰেণীৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ইয়াত ইংলণ্ডকেই আদৰ্শ দেশ বুলি ধৰা হৈছে আৰু ৰাজনৈতিক বিকাশৰ ক্ষেত্ৰত ফ্ৰান্সক। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা]

ইটালি আৰু ফ্ৰান্সৰ চহৰবাসীসকলে তেওঁলোকৰ সামন্ত প্ৰভুসকলৰপৰা আত্মশাসনৰ প্ৰাথমিক অধিকাৰ কিনি বা কাঢ়ি নিয়াৰ পিছত নিজৰ নগৰ-সমাজৰ এই নাম দিছিল। [১৮৯০ চনৰ জাৰ্মান সংস্কৰণত এঙ্গেলছৰ টীকা]

**একেটা** যুক্তিহীন স্বাধীনতা প্ৰতিষ্ঠা কৰিছে — সি হৈছে অবাধ বাণিজ্যৰ অধিকাৰ। এক কথাত, ধৰ্ম বা ৰাজনৈতিক মোহ-জাল সৃষ্টি কৰি আগতে ঢাকি ৰখা শোষণৰ ঠাইত বৰ্তমান বুৰ্জোৱা শ্ৰেণীৰ নগ্ন, নিৰ্লজ্জ, স্পষ্ট আৰু বৰ্বৰ শোষণ আহি পৰিল।

আগতে যিবিলাক ব্যৱসায়-বৃত্তিক সমাজে আদৰ কৰিছিল, শ্ৰদ্ধা সহকাৰে ভয়ৰ চকুৰে চাইছিল, বুৰ্জোৱা শ্ৰেণীয়ে সেই সকলোবিলাক বৃত্তিৰে আগৰ মৰ্য্যাদা নোহোৱা কৰি দিলে। চিকিৎসক, আইনজীৱী, পুৰোহিত, কবি, বৈজ্ঞানিক, এই সকলোকে বুৰ্জোৱা শ্ৰেণীয়ে হাজিৰা খটা মজুৰত পৰিণত কৰিছে।

পৰিয়ালৰ মাজত থকা স্নেহ-মমতাৰ ঢাকনিখন গুচাই বুৰ্জোৱা শ্ৰেণীয়ে পৰিয়ালৰ মাজৰ সম্বন্ধক নিতান্ত টকা-পইচাৰ সম্বন্ধত পৰিণত কৰিছে।

বুৰ্জোৱা শ্ৰেণীয়ে দেখুৱাই দিলে, কেনেদৰে মধ্য যুগত চলা আৰু প্ৰতিক্ৰিয়াপন্থীবিলাকে ইমান প্ৰশংসা কৰা শক্তিৰ পাশৱিক প্ৰকাশৰ যোগ্য পৰিপূৰক হিচাপে চূড়ান্ত অলসপূৰ্ণ নিষ্ক্ৰিয়তা আহি পৰিছিল। মানুহে শ্ৰমৰ দ্বাৰা কিমান ডাঙৰ কাম কৰিব পাৰে তাকো বুৰ্জোৱা শ্ৰেণীয়েই প্ৰথম বাৰৰ কাৰণে প্ৰমাণ কৰি দেখুৱালে। বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা সাধিত হোৱা কামবিলাকে মিছৰৰ পিৰামিড, ৰোমৰ পানী যোগানৰ ব্যৱস্থা আৰু গথিক গিৰ্জাৰ আশ্চৰ্য্যজনক সফলতাকো চেৰ পেলাইছে; বুৰ্জোৱা শ্ৰেণীয়ে এনে ধৰণৰ বিৰাট অভিযানসমূহ পৰিচালনা কৰিছে যাৰ তুলনাত আগৰ দিনৰ সকলো জাতিৰ দেশান্তৰ যাত্ৰা আৰু ধৰ্মযুদ্ধৰ জয়যাত্ৰাবিলাক [২৭] যেন একোৱেই নহয়।

উৎপাদনৰ আহিলাসমূহত বৈপ্লৱিক পৰিৱৰ্তন নঘটোৱাকৈ, সেই একে কাৰণতে উৎপাদনী সম্বন্ধতো বৈপ্লৱিক পৰিৱৰ্তন ননাকৈ আৰু লগে লগে সকলো সামাজিক সম্বন্ধত বৈপ্লৱিক পৰিৱৰ্তন সাধন নকৰাকৈ বুৰ্জোৱা শ্ৰেণী তিষ্ঠি থাকিব নোৱাৰে। আনহাতে কোনো সালসলনি নকৰাকৈ আগৰ উৎপাদন-পদ্ধতিকে ৰক্ষা কৰাটোৱেই আছিল প্ৰথম অৱস্থাৰ সকলো শিল্পজীৱী শ্ৰেণীৰ তিষ্ঠি থকাৰ প্ৰথম চৰ্ত। উৎপাদনৰ ক্ষেত্ৰত অনৱৰত বৈপ্লৱিক পৰিৱৰ্তন, সকলো সামাজিক অৱস্থাত অবিৰাম গতিত শান্তি ভঙ্গ, চিৰস্থায়ী অনিশ্চয়তা আৰু উত্তেজনা — এইবিলাকেই হ'ল বুৰ্জোৱা যুগক আগৰ সকলো যুগৰপৰা বেলেগ কৰি দেখুৱাৰ বিশেষত্ব। খোপনি পুতি থাকি যোৱা আগৰ কালৰ চিৰদিনীয়া সম্বন্ধবোৰ আৰু তাৰেই লগৰীয়া পুৰণি গভীৰ বিশ্বাসৰ কুসংস্কাৰ আৰু মতামতবিলাক উটুৱাই

দিয়া হৈছে আৰু নতুনকৈ উদ্ভৱ হোৱা সামাজিক সম্বন্ধবোৰো থিতাপি ল'বলৈ নোপাওঁতেই পুৰণি হৈ যাবলৈ ধৰিছে। আগতে ধ্ৰুৱ সত্য বুলি ভবা কথাবিলাক বতাহৰ লগত মিহলি হৈ যাবলৈ ধৰিছে, পৱিত্ৰ বুলি ভবা কথাবিলাকৰো পৱিত্ৰতা নোহোৱা হৈছে আৰু মানুহে অৱশেষত নিজৰ জীৱনৰ বাস্তৱ অৱস্থা আৰু সমাজৰ আন মানুহৰ লগত নিজৰ সম্বন্ধৰ সম্পৰ্কে গভীৰভাৱে চিন্তা কৰিব লগা অৱস্থা আহি পৰিছেহি।

পুঁজিবাদী ব্যৱস্থাত উৎপন্ন হোৱা বস্তুৰ কাৰণে অনৱৰতে বাঢ়ি যোৱা বজাৰৰ প্ৰয়োজনেই বুৰ্জোৱা শ্ৰেণীক পৃথিৱীৰ সকলো ঠাইলৈকে গৈ ঘূৰি ফুৰিব লগা কৰিছে। বুৰ্জোৱা শ্ৰেণীয়ে সকলো ঠাইতে সোমাব লাগিব, থিতাপি ল'ব লাগিব আৰু সকলো ঠাইৰ লগত যোগাযোগ স্থাপন কৰিব লাগিব।

জগৎ জোৰা বজাৰ বিস্তাৰৰ মাজেদি বুৰ্জোৱা শ্ৰেণীয়ে উৎপাদন আৰু উৎপাদনৰ বস্তু ভোগ কৰাৰ ক্ষেত্ৰত প্ৰত্যেক দেশতে এটা সাৰ্বজনীন ৰূপ আনি দিছে। প্ৰতিক্ৰিয়াপন্থীবিলাকৰ ভীষণ ক্ষোভৰ কাৰণ হ'লেও পুঁজিবাদে জাতীয়তাৰ ওপৰত থিয় দি থকা শিল্পক জাতীয়তাৰ ভেটিৰপৰা খহাই পেলাইছে। আগতে প্ৰতিষ্ঠা হোৱা সকলো জাতীয় শিল্প ধ্বংস কৰা হৈছে বা প্ৰতিদিনে ধ্বংস কৰি নিয়া হৈছে। পুৰণি শিল্পৰ ঠাই দখল কৰিছে নতুন শিল্পই; এই নতুন শিল্পৰ প্ৰতিষ্ঠা সকলো সুসভ্য জাতিৰ কাৰণে জীৱন-মৰণ সমস্যা স্বৰূপ হৈ পৰিছে। এই নতুন শিল্পত আৰু আগৰ দৰে নিজৰ দেশৰে কেঁচা মাল ব্যৱহাৰ কৰা নহয়; বহু দূৰৰ দেশ-দেশান্তৰৰপৰা এইবিলাক শিল্পলৈ কেঁচা মাল আনি ব্যৱহাৰ কৰা হয়। এনে শিল্পত উৎপন্ন হোৱা বস্তুবিলাকো কেৱল নিজৰ দেশতে নহয়, পৃথিৱীৰ সকলো দেশলৈ বিক্ৰিৰ কাৰণে যায়। আগতে নিজৰ ঠাইৰ উৎপন্ন বস্তুৰেই অভাৱ পূৰণ কৰিব পৰা হৈছিল। এতিয়া তাৰ ঠাইত নতুন নতুন চাহিদা বাঢ়িছে আৰু সেই অভাৱ পূৰণৰ কাৰণে দূৰ-দূৰণিৰ দেশৰ আৰু জলবায়ুৰ উৎপন্ন হোৱা বস্তুৰ প্ৰয়োজন আহি পৰিছে। আগৰ দৰে স্থানীয় আৰু জাতীয়ভাৱে আত্মনিৰ্ভৰশীল হৈ থাকিব পৰা অৱস্থা আজি নাই। আজি পৃথিৱীৰ সকলো ঠাইৰ লগত যোগাযোগ ঘটিছে আৰু আন্তৰ্জাতিকভাৱে জাতিসমূহৰ মাজত পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। বস্তুৰ উৎপাদনৰ দৰেই মানসিক উৎপাদনৰ ক্ষেত্ৰলৈকো একে দৰেই পৰিৱৰ্তন আহিছে। বিভিন্ন জাতিৰ মানসিক বুদ্ধি বিকাশৰ ৰচনাসমূহ আজি সকলোৰে উমৈহতীয়া সম্পত্তিত পৰিণত হৈছে। কথাৰ কেৱল এটা ফালহে

দেখা বা ঠেক মনোভাৱৰ জাতীয় চিন্তা ধাৰাতে আৱদ্ধ থকা অসম্ভৱ হৈ পৰিছে আৰু অসংখ্য স্থানীয় বা জাতীয় সাহিত্যৰপৰাই এক বিশ্ব-সাহিত্যৰ সৃষ্টি হৈছে।

বুর্জোৱা শ্রেণীয়ে অতি দ্রুত গতিত উৎপাদনৰ আহিলাসমূহৰ উন্নতিসাধন কৰাৰ মাজেদি, যোগাযোগ ব্যৱস্থাৰ সা-সুবিধা বহুদূৰ আগ বঢ়াই নিয়াৰ মাজেদি সকলো জাতিকেই, আনকি অতি অসভ্য বর্বৰ জাতিবিলাককো সভ্যতাৰ পথলৈ আনিছে। পুঁজিবাদী ব্যৱস্থাত উৎপন্ন হোৱা বস্তুৰ সস্তা দামকে প্রধান অস্ত্র হিচাপে ব্যৱহাৰ কৰিয়েই বুর্জোৱা শ্রেণীয়ে সকলো দেশতে বিদেশীৰ বাট ভেটি ৰখা চীনৰ প্রাচীৰ স্বৰূপ পাৰ হ'ব নোৱৰা বাধাবিলাক মষিমূৰ কৰি দিছিল আৰু বিদেশীৰ প্রতি তীব্র ঘৃণাৰ মনোভাৱেৰে পৰ হৈ থকা অতি গোঁৱাৰ অসভ্য জাতিবিলাককো বুর্জোৱা শ্রেণীৰ ওচৰত সেও মানিবলৈ বাধ্য কৰিছিল। বুর্জোৱা শ্রেণীয়ে সকলো জাতিকে প্রতিযোগিতাৰ দ্বাৰা অস্তিত্ব নোহোৱা কৰাৰ ভাবুকি দি উৎপাদনত বুর্জোৱা প্রণালী লোৱাৰ কাৰণে বাধ্য কৰিছিল; বুর্জোৱা শ্রেণীৰ মতে যিটো সভ্যতা সেই সভ্যতা গ্রহণ কৰাৰ কাৰণে বাধ্য কৰিছিল— অর্থাৎ অন্যান্য জাতিকো বুর্জোৱা হ'বলৈ বাধ্য কৰা। এক কথাত বুর্জোৱা শ্রেণীয়ে নিজৰ প্রকৃতি অনুসৰি এখন নতুন জগৎ গঢ়ি তুলিছে।

বুর্জোৱা শ্রেণীয়ে গাঁওবিলাকক নগৰৰ শাসনৰ তলতীয়া কৰিলে। এই ব্যৱস্থাত মহানগৰসমূহ গঢ়ি উঠিছে, গাঁৱৰ তুলনাত নগৰৰ জনসংখ্যা বহু গুণে বঢ়াই নিছে আৰু ইয়াৰ মাজেদিয়ে এক অংশ মানুহক একো নজনা হোজা হৈ গাঁৱত থাকিব লগা অৱস্থাৰপৰা উদ্ধাৰ কৰিছে। বুর্জোৱা শ্রেণীয়ে যেনেদৰে গাঁৱক নগৰৰ ওপৰত নির্ভৰশীল কৰি তুলিলে, ঠিক তেনেদৰেই সম্পূর্ণ অসভ্য বা কিছু পৰিমাণে সভ্য জাতিবিলাককো সভ্য জাতিসমূহৰ ওপৰত, কৃষি-প্রধান জাতিসমূহক বুর্জোৱা-প্রধান জাতিসমূহৰ ওপৰত, পূবক পশ্চিমৰ ওপৰত নির্ভৰশীল কৰি তুলিছে।

বুর্জোৱা শ্রেণীয়ে মানুহৰ বসতি, উৎপাদনৰ আহিলাবিলাক আৰু সম্পত্তিৰ বহু দূৰে দূৰে সিঁচৰিত হৈ থকা অৱস্থাৰ ওৰ পেলালে। এই অৱস্থাত অসংখ্য মানুহ আহি একেখন ঠাইতে বাস কৰিছে, উৎপাদনৰ আহিলাসমূহ কেন্দ্রীভূত হৈছে আৰু ধন-সম্পত্তিও গোট খাইছে মাত্র এমুঠি লোকৰ হাতত। ইয়াৰেই অনিবার্য্য পৰিণতি হ'ল ৰাজনৈতিক শক্তিৰ কেন্দ্রীকৰণ। বেলেগ স্বার্থ, বেলেগ আইন-কানুন, বেলেগ চৰকাৰ আৰু কৰ-কাটল লগোৱাৰ বেলেগ ব্যৱস্থাৰে আগতে সম্পূর্ণ স্বাধীন বা পৰস্পৰৰ

মাজত অত্যন্ত শিথিল সম্পৰ্ক থকা প্ৰদেশসমূহক বৰ্তমানে **একোটা** জাতিৰ ভিতৰতে সামৰি লৈ **এক** শাসনব্যৱস্থা, **এক** আইনৰ বিধি, **এক** জাতীয় শ্ৰেণীগত স্বাৰ্থ, **এক** সীমান্ত আৰু বৈদেশিক বাণিজ্যৰ **একেই** কৰ-কাটল লগোৱাৰ নিয়মৰ তললৈ অনা হ'ল।

বুৰ্জোৱা শ্ৰেণীয়ে ক্ষমতা দখল কৰা কথমপি এশ বছৰ হৈছেহে। ইয়াৰ ভিতৰতে এই ব্যৱস্থাত এনে বিপুল পৰিমাণ উৎপাদিকা শক্তি প্ৰস্তুত হৈছে যে ইয়াৰ আগৰ সকলো যুগৰ উৎপাদিকা শক্তি লগ লগালেও ইয়াৰ সমান হ'ব নোৱাৰে। প্ৰকৃতিৰ শক্তিক মানুহৰ বশলৈ অনা, যন্ত্ৰৰ উদ্ভাৱনা, শিল্প আৰু কৃষিৰ ক্ষেত্ৰত ৰসায়নৰ প্ৰয়োগ, ভাপ-চালিত নৌপথ, ৰেলপথ নিৰ্মাণ, বিজুলী শক্তিৰ দ্বাৰা চালিত তাঁৰ বাৰ্তাৰ ব্যৱস্থা, একোখন বিৰাট মহাদেশৰ হাবি-বন ভাঙি খেতিবাতিৰ উপযোগী কৰা, খাল কাটি নদীৰ পানী ভিতৰুৱা ঠাইলৈ বোৱাই নিয়াৰ ব্যৱস্থা কৰা, যাদুমন্ত্ৰৰ দৰে যেন নতুন মানৱ সমাজ হঠাৎ মাটি ফুটি ওলাই আহিছে — তেনে ধৰণেই আজি যিবিলাক ব্যৱস্থা হ'বলৈ ধৰিছে, সামাজিক শ্ৰমৰ ভিতৰত যে ইমান উৎপাদিকা শক্তি লুকাই আছিল আগৰ কালৰ মানুহে সেই কথা জানো কল্পনাতো চিন্তা কৰিব পাৰিছিল?

ওপৰৰ কথাৰপৰা দেখা গ'ল যে, বুৰ্জোৱা শ্ৰেণীয়ে নিজকে গঢ়ি তোলাৰ প্ৰধান ভিত্তি উৎপাদন আহিলাবিলাক আৰু বিনিময়-ব্যৱস্থাই সামন্ততান্ত্ৰিক সমাজব্যৱস্থাৰ ভিতৰতে জন্ম লাভ কৰিছিল। উৎপাদনৰ আহিলাসমূহত আৰু বিনিময়ৰ ব্যৱস্থাবোৰৰ উন্নতিৰ ক্ষেত্ৰত এনে এটা অৱস্থা আহি পৰিল যে যি অৱস্থাত সামন্ততান্ত্ৰিক সমাজে বস্তু উৎপাদন কৰিছিল বা বিনিময়-ব্যৱস্থা চলাইছিল, সামন্ততান্ত্ৰিক পদ্ধতিৰে কৃষিব্যৱস্থা সংগঠিত আৰু কাৰখানা পৰিচালনা কৰিছিল — এক কথাত সামন্ততান্ত্ৰিক সম্পত্তিৰ ভেটি গঢ়ি তুলিছিল সেই ব্যৱস্থা ইতিমধ্যেই বহুদূৰ আগ বঢ়া উৎপাদিকা শক্তিসমূহৰ লগত খাপ নোখোৱা হ'ল। সেইবিলাক বাধাৰ স্বৰূপহে হ'বলৈ ধৰিলে। সেই বাধা ভাঙি চূৰমাৰ কৰাৰ প্ৰয়োজন আহি পৰিছিল আৰু ভাঙি চূৰমাৰ কৰা হ'ল।

তাৰ ঠাইত আহি পৰিল মুক্ত প্ৰতিযোগিতা, ইয়াৰ লগতে সঙ্গতি থকাকৈ গঢ়ি তোলা হ'ল সামাজিক আৰু ৰাজনৈতিক বিধিব্যৱস্থাক যাৰ অধীনত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা বুৰ্জোৱা শ্ৰেণীৰ হাতলৈ আহে।

ঠিক তেনে ধৰণৰে এটা পৰিৱৰ্তনৰ আন্দোলন আমাৰ চকুৰ আগতেই

চলি আছে। উৎপাদনী সম্বন্ধ, বিনিময় আৰু সম্পত্তিৰ ক্ষেত্ৰত নিজৰ ব্যৱস্থাৰে উৎপাদন আৰু বিনিময়ৰ উপায়সমূহক যাদুমন্ত্ৰৰ দৰে আয়ত্ত কৰোঁতা বুৰ্জোৱা সমাজৰ অৱস্থাও আজি মন্ত্ৰৰ বলেৰে পাতালপুৰীৰপৰা অদ্ভুত শক্তিবোৰ বাহিৰলৈ উলিয়াই আনি অৱশেষত নিজেই চম্ভালিব নোৱৰা হোৱা যাদুকৰৰ নিচিনা হৈ পৰিছে। পাৰ হৈ যোৱা কিছু দশকৰ শিল্প আৰু বাণিজ্যৰ ইতিহাস হ'ল উৎপাদনৰ আধুনিক ব্যৱস্থাৰ বিৰুদ্ধে বুৰ্জোৱা শ্ৰেণীৰ অস্তিত্ব আৰু আধিপত্যৰ কাৰণ স্বৰূপ এই শ্ৰেণীৰ সম্পত্তি সম্বন্ধবোৰৰ বিৰুদ্ধে আধুনিক উৎপাদিকা শক্তিৰ বিদ্ৰোহৰ ইতিহাস। এটা উদাহৰণেই এই কথা প্ৰমাণ কৰিব। সময়ে সময়ে বাণিজ্য সঙ্কটে দেখা দিয়ে। এই সঙ্কটবোৰত বুৰ্জোৱা শ্ৰেণী ভীষণ পৰীক্ষাৰ সন্মুখ হ'ব লগা হয় আৰু প্ৰত্যেক বাৰেই সমুদায় বুৰ্জোৱা সমাজৰ অস্তিত্ব আগৰ বাৰতকৈও বেছি বিপন্ন হৈ পৰে। সময়ে সময়ে আহি পৰা এই বাণিজ্য সংকটবিলাকত চলিত কালৰ উৎপন্ন বস্তুৰে যে বহুখিনি ধ্বংস পায় তেনে নহয়, আগতে উদ্ভাৱন কৰা উৎপাদিকা শক্তিৰো বহুখিনি পৰ্য্যায়ক্ৰমে লোপ পায়। এই সংকটবিলাকত আগৰ দিনত অসম্ভৱ যেন ধাৰণা হোৱা এক ধৰণৰ সামাজিক মহামাৰীয়ে দেখা দিয়ে — সেই মহামাৰী হৈছে অতি-উৎপাদনৰ মহামাৰী। সমাজ যেন হঠাৎ সাময়িকভাৱে বৰ্বৰ যুগলৈ পিছুৱাই যায়, এক মহা আকাল, এক সৰ্বনাশী বিশ্বযুদ্ধই জীয়াই থকাৰ সকলো বাট যেন বন্ধ কৰি দিয়ে, শিল্প আৰু বাণিজ্য ধ্বংস হৈ যোৱাৰ নিচিনা অৱস্থা হয় —ইয়াৰ কাৰণ কি? কাৰণ সভ্যতাৰ পৰিমাণ চৰি গৈছে, জীয়াই থকাৰ উপায় বহু গুণ বাঢ়ি গৈছে, শিল্প প্ৰয়োজনৰ তুলনাত বেছি হৈছে, বাণিজ্য আৱশ্যকতকৈও বাঢ়িছে। সমাজৰ আয়ত্তৰ ভিতৰত যিখিনি উৎপাদিকা শক্তি আছে সেই শক্তি বুৰ্জোৱা শ্ৰেণীৰ সম্পত্তি সম্বন্ধৰ বিকাশৰ ক্ষেত্ৰত কামত নহা হ'ল; আনহাতে এই শক্তিৰ বাট ভেটি থকা বাধাবিলাকতকৈও ই শক্তিশালী হৈ উঠে, অতি সোনকালেই এই শৃঙ্খলৰ বাধাবিলাক অতিক্ৰম কৰা মাত্ৰকে সমগ্ৰ বুৰ্জোৱা সমাজত বেমেজালিৰ সৃষ্টি কৰে আৰু বুৰ্জোৱা সম্পত্তিৰ অস্তিত্বকেই বিপদাপন্ন কৰি তোলে। বুৰ্জোৱা সমাজৰ অৱস্থা অতি সংকীৰ্ণ — তাত পুঁজিবাদে নিজে উৎপন্ন কৰা সম্পদ ৰখাৰ কাৰণেই ঠায়ে নোজোৰে। বুৰ্জোৱা শ্ৰেণীয়ে এনেবিলাক সঙ্কটৰপৰা উদ্ধাৰ পায় কেনেকৈ? উদ্ধাৰৰ পথ হ'ল এহাতে উৎপাদিকা শক্তিৰ বহুখিনি বাধ্যত পৰি ধ্বংস কৰা, আনহাতে নতুন নতুন বজাৰ দখল কৰা আৰু পুৰণি বজাৰবিলাক বেছিকৈ শোষণ কৰা। কবলৈ গলে, বুৰ্জোৱা শ্ৰেণীয়ে সংকট ৰোধ কৰাৰ

কাৰণে লোৱা ব্যৱস্থাৰ ফলত আৰু বেছি ব্যাপক আৰু ধ্বংসকাৰী সংকটৰ বাটেই মুকলি হয় আৰু যিবিলাক ব্যৱস্থাৰ দ্বাৰা সংকট ৰোধ কৰা সম্ভৱ তাৰ উপায়সমূহ কমাই অনা হয়।

বুৰ্জোৱা শ্ৰেণীয়ে যিপাট শৰ মাৰি সামন্ততন্ত্ৰক ধৰাশায়ী কৰিছিল, বৰ্তমান সেইপাট শৰকে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধেও জোৰা হৈছে।

বুৰ্জোৱা শ্ৰেণীয়ে নিজৰ মৃত্যু বাণকে যে নিজে তৈয়াৰ কৰিছে তেনে নহয়; সেই অস্ত্ৰ প্ৰয়োগ কৰা মানুহৰো সৃষ্টি কৰিছে। সেই মানুহ হ'ল-- বৰ্তমানৰ শ্ৰমিক শ্ৰেণী বা **সৰ্বহাৰা**।

যি পৰিমাণে বুৰ্জোৱা শ্ৰেণী, অৰ্থাৎ মূলধন বাঢ়ি যায়, ঠিক সেই একে পৰিমাণতে কাম পোৱালৈকে জীয়াই থকা আৰু তেওঁলোকৰ কামেই বঢ়াই নিয়া পুঁজিৰ কাৰণেই কাম পোৱা সৰ্বহাৰা অৰ্থাৎ বৰ্তমানৰ শ্ৰমিক শ্ৰেণীও বাঢ়ি যায়। নিজকে অলপ অলপকৈ বিক্ৰী কৰি বেপাৰ-বাণিজ্যৰ অন্যান্য বয়-বস্তুৰ দৰেই এওঁলোকো এবিধ বেচা-কিনাৰ বস্তু হৈ পৰে, অৱশেষত প্ৰতিযোগিতা আৰু বজাৰ ভাও উঠা-নমাৰ সকলো অৱস্থাৰ দুৰ্ভোগ এওঁলোকে ভুগিব লগা হয়।

যন্ত্ৰপাতিৰ ব্যাপক ব্যৱহাৰ আৰু শ্ৰমবিভাজনৰ কাৰণে মজুৰৰ কামত আজি ব্যক্তিগত বৈশিষ্ট্য নোহোৱা হৈছে আৰু তাৰেই পৰিণতি হিচাপে কামৰ প্ৰতি বনুৱাৰো কোনো মোহ নোহোৱা হৈ পৰিছে। শ্ৰমিকসকল আজি যন্ত্ৰৰ লগত জুৰি দিয়া এটা অংশৰ দৰে হৈ পৰিছে। তেওঁলোকৰপৰা বিচৰা হয় কেৱল অতি সহজ, একে ধৰণৰ কামকে কৰি তিতা লগা আৰু অনায়াসে শিকি ল'ব পৰা কামৰ যোগ্যতাকণ। গতিকে এজন মজুৰ জীয়াই থকা আৰু তেওঁৰ বংশ-ৰক্ষাৰ কাৰণে যিখিনি খৰচৰ প্ৰয়োজন সেই খিনিকেই মাত্ৰ আজি মজুৰ সংগ্ৰহৰ প্ৰায় সম্পূৰ্ণ খৰচ হিচাপে ধৰা হয়। কিন্তু বস্তুৰ দামৰ দৰেই শ্ৰমৰ দামো [২৮] উৎপাদন খৰচেৰে সৈতে সমান। সেই কাৰণে কামলৈ যিমান বিতৃষ্ণা বাঢ়ি যায় মজুৰিও সেই অনুপাতে কমি আহে। কেৱল সেয়ে নহয়, যন্ত্ৰৰ প্ৰয়োগ আৰু শ্ৰমবিভাজন বঢ়াৰ লগে লগে একে অনুপাতে পৰিশ্ৰমৰ বোজাও বাঢ়ি যায়, এই বোজা বাঢ়ে কাম কৰা ঘণ্টা বঢ়োৱাৰ মাজেদি, বন্ধা সময়ৰ ভিতৰতে বেছি কাম আদায় কৰাৰ মাজেদি নাইবা যন্ত্ৰৰ গতিবেগ বঢ়াই দিয়া আদিৰ মাজেদি।

আধুনিক শিল্পই আগৰ পিতৃ-প্ৰধান যুগৰ সৰু সৰু কাৰখানাক আজিৰ শিল্পপতিবিলাকৰ বিৰাট কাৰখানালৈ ৰূপান্তৰিত কৰিছে। কাৰখানাত কাম কৰা অসংখ্য শ্ৰমিকক সৈন্যবাহিনীৰ দৰে সংগঠিত কৰা হৈছে।

শিল্পবাহিনীৰ সাধাৰণ সৈনিক হিচাপে এই শ্ৰমিকসকলে বহু খাপৰ বিষয়া আৰু সৈন্যবাহিনীৰ শৃংখলা ৰক্ষা কৰা বিষয়াৰ সুসংগঠিত ব্যৱস্থাৰ হুকুম মানি চলিব লগা হয়। শ্ৰমিকসকল যে আজি কেৱল বুৰ্জোৱা শ্ৰেণীৰ আৰু বুৰ্জোৱা ৰাষ্ট্ৰৰে দাস হৈ পৰিছে এনে নহয়; প্ৰতি দিনে, প্ৰতি ঘণ্টাই শ্ৰমিকসকলক যন্ত্ৰ, কাৰখানা পৰিদৰ্শক, সবাতোপৰি কাৰখানাৰ গাইগুটীয়া মালিকে দাস কৰি নিবলৈ ধৰিছে। এই স্বেচ্ছাচাৰিতাই লাভ বঢ়োৱাটোকেই একমাত্ৰ উদ্দেশ্য আৰু লক্ষ্য বুলি যিমানে খোলাখুলিভাৱে ঘোষণা কৰে, তাৰ অৱস্থাও সেই পৰিমাণে শোচনীয়, ঘৃণনীয় আৰু অত্যন্ত বিৰক্তিজনক হৈ উঠে।

শাৰীৰিক শ্ৰমৰ ক্ষেত্ৰত যিমানেই বুদ্ধি আৰু বল-শক্তিৰ প্ৰয়োজন কমি আহিছে, অৰ্থাৎ যিমানেই আধুনিক শিল্পৰ উন্নতি হৈছে, সিমান বেগেৰে পুৰুষৰ পৰিশ্ৰমৰ ঠাই তিৰোতাৰ শ্ৰমে দখল কৰিছে। বৰ্তমান অৱস্থাত মজুৰ শ্ৰেণীৰ কাৰণে বয়স আৰু নাৰী-পুৰুষৰ পাৰ্থক্যৰ বিশেষ সামাজিক তাৎপৰ্য্য প্ৰায় নোহোৱাৰ দৰে হৈছে। সকলোৱেই খাটনিৰ সঁজুলিস্বৰূপ; মাত্ৰ বয়স, পুৰুষ আৰু তিৰোতা ভেদে সঁজুলি ব্যৱহাৰৰ খৰচ কম-বেছি হয়।

কাৰখানাৰ মালিকে শ্ৰমিকক এনেদৰে শোষণ কৰাৰ পাছত মজুৰি হিচাপে যি ধন দিয়া হয়, সেইখিনি পোৱা মাত্ৰকে মালিকৰ শোষণ শেষ হ'বলৈ নৌ পাওঁতেই, ভাড়া দি থাকিব লগীয়া ঘৰৰ মালিক, দোকানদাৰ, মহাজন আদি বুৰ্জোৱা শ্ৰেণীৰ অন্যান্য অংশৰ শোষণ আকৌ মজুৰৰ ওপৰত আহি পৰে।

সাধাৰণ ব্যৱসায়ী, দোকানী, অৱসৰ লোৱা ব্যৱসায়ী, কাৰিকৰ আৰু কৃষক — সাধাৰণভাৱে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ এই লোকসকল ক্ৰমে শ্ৰমিকৰ শাৰীলৈ নামি আহে। ইয়াৰ কাৰণ, কিছু পৰিমাণে আজিৰ আধুনিক শিল্প যেনেদৰে চলে তাৰ লগত ফেৰ মাৰি চলাৰ কাৰণে তেওঁলোকৰ ক্ৰমে কমি যোৱা সামান্য পুঁজিয়ে নোজোৰা হয় আৰু ডাঙৰ পুঁজিপতিৰ লগত প্ৰতিযোগিতাত চিন নোহোৱা হৈ যায়। ইয়াৰ আন এটা কাৰণ হ'ল তেওঁলোকৰ কাম কৰাৰ যি বিশেষ নিপুণতা আগতে আছিল, উৎপাদনৰ নতুন পদ্ধতিয়ে তাৰ মূল্য নোহোৱা কৰিছে। এনেদৰেই প্ৰত্যেক শ্ৰেণীৰপৰাই মানুহ শ্ৰমিক শ্ৰেণীলৈ আহিবলৈ ধৰিছে।

শ্ৰমিক শ্ৰেণী আগ বাঢ়ি যাওঁতে বহুতো ধাপ পাৰ হ'ব লগা হৈছে। জন্মৰ লগে লগেই সংগ্ৰাম হয় বুৰ্জোৱা শ্ৰেণীৰ লগত। প্ৰথমতে, সংগ্ৰাম

আৰম্ভ হয় গাইগুটীয়াভাৱে। তাৰ পিছত একোটা কাৰখানাৰ শ্ৰমিকসকলে একেলগে থিয় দিয়ে। ইয়াৰ পিছতে আৰম্ভ হয় কোনো এখন ঠাইৰ একে ধৰণৰ বস্তু তৈয়াৰ কৰা কাৰখানাসমূহৰ শ্ৰমিকসকলৰ পোনপটীয়াভাৱে শোষণ কৰা মালিকৰ বিৰুদ্ধে সংগ্ৰাম। এই অৱস্থাৰ সংগ্ৰাম কেৱল বুৰ্জোৱা উৎপাদন ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম নহয়, সংগ্ৰাম হয় উৎপাদনৰ আহিলাবোৰৰ বিৰুদ্ধে; যিবিলাক নতুনকৈ আমদানী কৰা সা-সৰঞ্জামে শ্ৰমিকৰ কাম কৰিব পৰা শক্তিৰ লগত প্ৰতিদ্বন্দ্বিতা চলায় শ্ৰমিকসকলে সেই সা-সৰঞ্জামবিলাক ধ্বংস কৰে, যন্ত্ৰপাতি ভাঙি চূৰমাৰ কৰে, কাৰখানাত জুই লগাই দিয়ে; এনে কৰাৰ মাজেদিয়ে তেওঁলোকে মধ্য যুগত কাৰিকৰৰ যি মৰ্য্যাদা, সেই লোপ পোৱা মৰ্য্যাদা বলেৰে ঘূৰাই অনাৰ চেষ্টা কৰে।

এই অৱস্থা পোৱালৈকে শ্ৰমিকসকল সংগঠিত নোহোৱা জনসাধাৰণ হিচাপে দেশৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থাকে আৰু তেওঁলোকৰ মাজত হোৱা অৰিয়া-অৰিৰ কাৰণে থান্ থান্ বান্ বান্ হৈ পৰে। কোনো ঠাইত যদি শ্ৰমিকসকলে কিছু বেছি পৰিমাণে সঙ্ঘবদ্ধ হ'বলৈ লগ লাগে, সেই সঙ্ঘ কিন্তু তেওঁলোকৰ সক্ৰিয় একতাৰ ফল নহয়। এই সঙ্ঘ নিজৰ ৰাজনৈতিক উদ্দেশ্য লাভৰ কাৰণে সমুদায় শ্ৰমিক শ্ৰেণীৰ মাজত আলোড়নৰ সৃষ্টি কৰা বুৰ্জোৱা শ্ৰেণীৰ একতাৰহে ফল। কিছু দিনৰ কাৰণে অৱশ্যে এনে কৰাত পুঁজিপতি শ্ৰেণী সমৰ্থও হয়। সেই কাৰণে এই স্তৰত শ্ৰমিক শ্ৰেণীয়ে তেওঁলোকৰ শত্ৰুৰ বিৰুদ্ধে সংগ্ৰাম নকৰে, বৰঞ্চ কৰে তেওঁলোকৰ শত্ৰুৰেই শত্ৰুৰ বিৰুদ্ধে — অৰ্থাৎ একচ্ছত্ৰী ৰাজতন্ত্ৰৰ অৱশিষ্টাংশ, জমিদাৰ, শিল্প ক্ষেত্ৰৰ বহিৰ্ভূত বুৰ্জোৱা, পেটি বুৰ্জোৱাবিলাকৰ বিৰুদ্ধে। গতিকে এই ক্ষেত্ৰত ইতিহাসৰ সমুদায় গতি বুৰ্জোৱা শ্ৰেণীৰ হাতৰ মুঠিৰ ভিতৰত থাকে; এনে অৱস্থাত লাভ হোৱা প্ৰত্যেকটো জয়লাভেই হৈছে বুৰ্জোৱা শ্ৰেণীৰ কাৰণে জয়লাভ।

কিন্তু শিল্পোদ্যোগ বাঢ়ি যোৱাৰ লগে লগে শ্ৰমিকৰ কেৱল সংখ্যাই যে বাঢ়ি যায় তেনে নহয়; তেওঁলোক বেছি সংখ্যাত সঙ্ঘবদ্ধ হ'বলৈ ধৰে, শক্তি বাঢ়ে আৰু নিজৰ শক্তি বেছি পৰিমাণে অনুভৱ কৰিব পৰা হয়। যন্ত্ৰই যিমানে শ্ৰমৰ সমস্ত পাৰ্থক্য দূৰ কৰি নিয়ে, শ্ৰমিক শ্ৰেণীৰ ভিতৰত বিভিন্ন স্বাৰ্থ আৰু জীৱনধাৰণৰ অৱস্থাও সেই পৰিমাণে ক্ৰমে একে হৈ আহিবলৈ ধৰে, আৰু প্ৰায় সকলো ঠাইতেই মজুৰি একেই অত্যন্ত কম নিৰিখলৈ নমাই আনে। বুৰ্জোৱা শ্ৰেণীৰ মাজত বাঢ়ি অহা প্ৰতিযোগিতা আৰু তাৰেই পৰিণতি হিচাপে আহি পৰা বাণিজ্য সংকটৰ কাৰণে শ্ৰমিকৰ মজুৰি ক্ৰমে

বেছিকৈ উঠা-নমা কৰি থাকে; কলকাৰখানাৰ অনৰৱত আৰু আগতকৈও বেছি বেগেৰে ঘটি যোৱা উন্নতিয়ে শ্ৰমিকসকলৰ জীৱনধাৰণৰ অৱস্থা আৰু বেছি কাহিল কৰি তোলে; গাইগুটীয়া শ্ৰমিক আৰু মালিকৰ মাজত হোৱা সঙ্ঘৰ্ষই ক্ৰমে ক্ৰমে দুটা শ্ৰেণীৰ মাজত হোৱা সঙ্ঘৰ্ষৰ চেহেৰা লয়। এনে অৱস্থাতে শ্ৰমিকসকলে পুঁজিপতিৰ বিৰুদ্ধে মিলিত প্ৰতিষ্ঠান (ট্ৰেড ইউনিয়ন) গঢ়িবলৈ আৰম্ভ কৰে; মজুৰিৰ নিৰিখ ঠিক ৰখাৰ কাৰণে একেলগ হয়। এনেদৰে মাজে সময়ে আহি পৰা সঙ্ঘৰ্ষবিলাকৰ কাৰণে আগৰপৰাই সাজু থকাৰ উদ্দেশ্যে স্থায়ী সংগঠন গঢ়ি তোলে। ঠায়ে ঠায়ে এনে সংগ্ৰাম অনাবৃত বিদ্ৰোহত পৰিণত হয়।

শ্ৰমিকসকলৰ কেতিয়াবা জয়লাভো ঘটে; কিন্তু সেই জয়লাভ কিছু সময়ৰ কাৰণেহে। শ্ৰমিকসকলৰ সংগ্ৰামৰ প্ৰকৃত লাভালাভ হাতে হাতে পোৱা সফলতা নহয়; তেওঁলোকৰ মাজত বাঢ়ি গৈ থকা একতাহে। আধুনিক শিল্পৰ কাৰণেই গঢ়ি উঠা উন্নত ধৰণৰ যোগাযোগৰ ব্যৱস্থাই বিভিন্ন ঠাইত কাম কৰা শ্ৰমিকসকলৰ পৰস্পৰৰ মাজত যোগাযোগ ঘটায় আৰু শ্ৰমিকসকলৰ মাজত একতা গঢ়ি উঠাত সহায় কৰে। একে ধৰণৰ অজস্ৰ স্থানীয় আন্দোলনক কেন্দ্ৰীভূত কৰি শ্ৰেণীসমূহৰ মাজত এক জাতীয় আন্দোলনৰ ৰূপ দিয়াৰ কাৰণে ঠিক এনে ধৰণৰ যোগাযোগ ব্যৱস্থাৰে প্ৰয়োজন আছিল। কিন্তু প্ৰত্যেক শ্ৰেণী-সংগ্ৰামেই হ'ল ৰাজনৈতিক সংগ্ৰাম। আলিবাটৰ অৱস্থা অতি শোচনীয় হৈ থকাত মধ্য যুগৰ নাগৰিকসকলক এই প্ৰয়োজনীয় একতা গঢ়ি তোলাৰ কাৰণে কেইবাশ বছৰো লাগিছিল। আজিৰ শ্ৰমিক শ্ৰেণীয়ে ৰে'লপথৰ অনুগ্ৰহত মাত্ৰ কেইবছৰমানৰ ভিতৰতে সেই একতা গঢ়ি তুলিব পাৰিছে।

শ্ৰমিক শ্ৰেণীৰ নিজৰ মাজতে হোৱা অৰিয়াঅৰিৰ কাৰণেই আকৌ শ্ৰমিকসকলৰ এই সংগঠনটো শ্ৰেণী হিচাপে, অৱশেষত ৰাজনৈতিক দল হিচাপে গঢ়ি উঠাত অনৰৱতে বাধা পাই আহিছে। কিন্তু প্ৰত্যেক বাৰেই আৰু বেছি শক্তিশালী, দৃঢ় আৰু প্ৰবল হৈ শ্ৰমিক সংগঠন আগ বাঢ়ি আহে। ই বুৰ্জোৱা শ্ৰেণীৰ মাজত হোৱা বিভেদৰ সুবিধা গ্ৰহণ কৰি শ্ৰমিকসকলৰ বিশেষ বিশেষ স্বাৰ্থ আইনগতভাৱে স্বীকৃতি দিবলৈ বাধ্য কৰে। এনেদৰেই ইংলণ্ডত কামৰ ১০ ঘণ্টা খাটনিৰ আইন গৃহীত কৰোৱা হৈছিল।

মুঠতে পুৰণি সমাজৰ শ্ৰেণীসমূহৰ মাজত হোৱা সংঘাতে সৰ্বহাৰা শ্ৰেণী আগ বাঢ়ি যোৱাৰ বাটত বহু ধৰণে সহায় কৰে। বুৰ্জোৱা শ্ৰেণী অনৰৱতে চলি থকা এক সংগ্ৰামৰ ভিতৰত আৱদ্ধ থাকিব লগীয়া হয়। এই সংগ্ৰাম প্ৰথমতে চলে অভিজাত শ্ৰেণীৰ বিৰুদ্ধে, পাছত শিল্প বিকাশত

বাধা হৈ পৰা বুৰ্জোৱা শ্ৰেণীৰেই অংশবিশেষৰ বিৰুদ্ধে, আৰু সকলো সময়তে চলে বিদেশী বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে। এই সকলোবিলাক সংগ্ৰামতে বুৰ্জোৱা শ্ৰেণীয়ে শ্ৰমিকসকলৰ ওচৰত আৱেদন কৰিবলৈ আৰু সহায় বিচাৰিবলৈ বাধ্য হয় আৰু এনেদৰেই শ্ৰমিক শ্ৰেণীক ৰাজনৈতিক ক্ষেত্ৰলৈ নমাই আনে। গতিকে বুৰ্জোৱা শ্ৰেণীয়ে নিজৰ ৰাজনৈতিক আৰু সাধাৰণ শিক্ষাৰে কিছু অংশ আকৌ শ্ৰমিকক যোগান ধৰে; আন কথাত, বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে যুঁজাৰ অস্ত্ৰ, বুৰ্জোৱা শ্ৰেণীয়েই শ্ৰমিকসকলৰ হাতত তুলি দিয়ে।

ইয়াৰ উপৰিও এই কথা আমি আগতেই দেখিছোঁ যে, শিল্পৰ উন্নতি হোৱাৰ ফলত শাসক শ্ৰেণীৰ কোনো কোনো গোটেই অংশ সৰ্বহাৰাৰ মাজত নিক্ষিপ্ত হয়, বা তেওঁলোকৰ বাচি থকা অৱস্থাই অন্ততঃ বিপদাপন্ন হৈ পৰে। এইবিলাকেও শ্ৰমিক শ্ৰেণীক নতুন পোহৰ আৰু উন্নতিৰ আহিলা যোগায়।

অৱশেষত শ্ৰেণীসংগ্ৰামৰ চূড়ান্ত পৰ্য্যায় আহি পোৱাৰ সময়ত, শাসক শ্ৰেণীৰ ভিতৰত, আচলতে সমুদায় পুৰণি সমাজৰ ভিতৰতে ভাঙন ধৰা প্ৰক্ৰিয়াটোৱে এনে উগ্ৰ আৰু জ্বলন্ত ৰূপ ধাৰণ কৰে যে, সেই অৱস্থাত শাসক শ্ৰেণীৰপৰাই এটা সামান্য অংশ ফালৰি কাটি আহে আৰু যিটো শ্ৰেণীৰ হাতত সমাজৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে সেই বিপ্লৱী শ্ৰেণীৰ লগত যোগ দিয়ে। পুঁজিবাদৰ প্ৰথম অৱস্থাত অভিজাত শ্ৰেণীৰ এটা অংশ আহি যেনেকৈ বুৰ্জোৱা শ্ৰেণীৰ লগত যোগ দিছিলহি, ঠিক তেনেকৈয়ে বৰ্তমানেও বুৰ্জোৱা শ্ৰেণীৰ এটা অংশ শ্ৰমিক শ্ৰেণীৰ লগলৈ গৈছে — বিশেষকৈ, যিসকলে ঐতিহাসিক আন্দোলনৰ এই সমগ্ৰ ধাৰাটো তত্ত্বগতভাৱে চিন্তা কৰাৰ স্তৰলৈ নিজকে নিব পাৰিছে সেই বুৰ্জোৱা আদৰ্শবাদী অংশটোৱে।

বুৰ্জোৱা শ্ৰেণীটোৰ মুখামুখি হৈ আজি যিবিলাক শ্ৰেণীয়ে থিয় দিছে, তাৰ ভিতৰত সৰ্বহাৰা শ্ৰেণীয়েই হৈছে প্ৰকৃত বিপ্লৱী শ্ৰেণী। আধুনিক যন্ত্ৰশিল্পৰ সমুখত অন্যান্য শ্ৰেণীবিলাক ক্ষয় গৈ থাকি শেষত চিন নোহোৱা হ'ব; শ্ৰমিক শ্ৰেণীয়েই হৈছে যন্ত্ৰশিল্পৰ বিশিষ্ট আৰু অপৰিহাৰ্য্য সৃষ্টি।

নিম্ন মধ্যবিত্ত শ্ৰেণী: সাধাৰণ কাৰখানাৰ মালিক, দোকানী, কাৰিকৰ, খেতিয়ক এই সকলোৱেই মধ্যবিত্ত শ্ৰেণীৰ অংশ হিচাপে নিজৰ অস্তিত্ব বিলোপ হৈ যোৱাৰপৰা ৰক্ষা কৰিবৰ কাৰণেহে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লগাত পৰে। সেই কাৰণে তেওঁলোক বিপ্লৱী নহয়, ৰক্ষণশীলহে। এওঁলোক তাতোকৈ বেছিহে — এওঁলোক প্ৰতিক্ৰিয়াশীল। কাৰণ, এওঁলোকে ইতিহাসৰ চকা পিছলৈ ঘূৰাবলৈ যত্ন কৰে। দৈবাৎ

তেওঁলোক বিপ্লৱী হ'লেও তেওঁলোক শ্ৰমিক শ্ৰেণীৰ শাৰীলৈ নামি যাব লগা অৱস্থা হোৱাটোহে ইয়াৰ কাৰণ। এনে কৰাৰ যোগে তেওঁলোকে নিজৰ বৰ্তমানৰ নহয়, ভৱিষ্যতৰ স্বাৰ্থহে ৰক্ষা কৰে আৰু নিজৰ দৃষ্টিভঙ্গী পৰিত্যাগ কৰি শ্ৰমিক শ্ৰেণীৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰে।

সমাজৰ আটাইতকৈ তল খাপত থকা 'সাঙ্ঘাটিক শ্ৰেণীটো' অৰ্থাৎ পুৰণি সমাজৰ একেবাৰে তল খাপৰপৰা ছিটিকি পৰি নিষ্ক্ৰিয়ভাৱে পচি থকা অংশটোক কোনো কোনো ঠাইত সৰ্বহাৰাৰ বিপ্লৱে হয়তো আন্দোলনৰ মাজলৈ উটুৱাই আনিব পাৰে। কিন্তু এই শ্ৰেণীৰ জীৱনযাত্ৰাৰ ধৰণটোৱেই প্ৰতিক্ৰিয়াশীল ষড়যন্ত্ৰৰ ভেটী খোৱা যন্ত্ৰস্বৰূপ ভূমিকাৰ বাবে বেছিকৈ প্ৰস্তুতি যেন অনুমান হয়।

শ্ৰমিক শ্ৰেণীৰ জীৱনত পুৰণি সমাজৰ ধৰণ-কৰণ ইতিমধ্যেই প্ৰায় লুপ্ত হৈ পৰিছে। শ্ৰমিক শ্ৰেণীৰ কোনো সম্পত্তি নাই; বুৰ্জোৱা শ্ৰেণীৰ সমাজৰ লগত শ্ৰমিক শ্ৰেণীৰ ল'ৰা-তিৰোতাৰ মাজৰ সম্পৰ্কৰ কোনো মিল নাই; আধুনিক কাৰখানাৰ কাম, পুঁজিৰ অধীন হৈ কাম কৰিব লগা বৰ্তমানৰ অৱস্থা ইংলণ্ড, ফ্ৰান্স, আমেৰিকা, জাৰ্মানী সকলোতে একে প্ৰকাৰৰ আৰু ই শ্ৰমিকৰ মাজত জাতীয় চৰিত্ৰৰ কোনো চিন নোহোৱা অৱস্থা কৰিছে। আইন, নৈতিকতা, ধৰ্ম — এইবিলাক হৈছে শ্ৰমিকৰ কাৰণে কিছুমান বুৰ্জোৱা অন্ধবিশ্বাস মাথোন, ইয়াৰ পিছত শত্ৰুৰ দৰে বহু বুৰ্জোৱা স্বাৰ্থ লুকাই চোপ লৈ থাকে।

আগতে ক্ষমতা লাভ কৰা সকলো শ্ৰেণীয়েই তেওঁলোকৰ আত্মসাৎ কৰা অধিকাৰৰ ওচৰত সমগ্ৰ সমাজক বশ কৰি ৰাখি ইতিমধ্যে দখল কৰা ক্ষমতা সুৰক্ষিত কৰিবলৈ চেষ্টা কৰিছিল। শ্ৰমিক শ্ৰেণীয়ে তেওঁলোকৰ নিজৰ আগৰ অৱস্থাৰ আত্মসাৎকৰণ পদ্ধতিক নিৰ্মূল নকৰাকৈ আৰু তাৰ দ্বাৰা আগৰ দখলীকৰণৰ অন্যান্য সকলো পদ্ধতি ওৰ নেপেলোৱাকৈ সমাজৰ উৎপাদিকা শক্তিৰ অধিকাৰী হ'ব নোৱাৰে। সাঁচিবৰ কাৰণে বা সুৰক্ষিত কৰিবৰ কাৰণে শ্ৰমিক শ্ৰেণীৰ একো নাই। ব্যক্তিগত মালিকানাৰ আগৰ সকলো নিৰাপত্তা আৰু ভৱিষ্যতৰ ব্যৱস্থা ধ্বংস কৰাই হ'ল শ্ৰমিক শ্ৰেণীৰ লক্ষ্য।

আগৰ সকলোবিলাক ঐতিহাসিক আন্দোলন আছিল সংখ্যালঘুৰ আন্দোলন বা সংখ্যালঘুৰ স্বাৰ্থৰ কাৰণে আন্দোলন। শ্ৰমিক শ্ৰেণীৰ আন্দোলন হৈছে বিপুল সংখ্যাগৰিষ্ঠ জনতাৰ আত্মসচেতন, স্বাধীন আন্দোলন আৰু এই আন্দোলন বিপুল সংখ্যাগৰিষ্ঠৰ স্বাৰ্থৰ কাৰণে কৰা

আন্দোলন। বৰ্তমান অৱস্থাত আমাৰ সমাজৰ আটাইতকৈ তল খাপত থকা শ্ৰমিক শ্ৰেণীয়ে তেওঁলোকক হেঁচা মাৰি ধৰি থকা ওপৰ খাপৰ চৰকাৰী সমাজখনৰ গোটেই স্তবক ধূলি উৰুৱাদি উৰুৱাব নোৱাৰিলে নিজে লৰচৰ কৰিব নোৱাৰে — আগ বাঢ়িব নোৱাৰে।

বুৰ্জোৱা শ্ৰেণীৰ লগত শ্ৰমিক শ্ৰেণীৰ যি সংগ্ৰাম সেই সংগ্ৰামত অন্তৰ্বস্তুৰ ফালৰপৰা নহ'লেও, ৰূপৰ ফালৰপৰা প্ৰথমতে জাতীয় সংগ্ৰামৰ চেহেৰাই থাকে। প্ৰত্যেক দেশৰ শ্ৰমিক শ্ৰেণীয়ে পোন প্ৰথমে নিজৰ দেশৰ বুৰ্জোৱা শ্ৰেণীৰ লগত সমস্ত নিষ্পত্তি কৰি ল'ব লাগিবই।

শ্ৰমিক শ্ৰেণীৰ অগ্ৰগতিৰ অতি সাধাৰণ স্তৰবিলাক বৰ্ণনা কৰোঁতে আমি দেখিছোঁ বৰ্তমান চলিত সমাজৰ ভিতৰে ভিতৰে চলি থকা কম-বেছি প্ৰচ্ছন্ন গৃহযুদ্ধ, এই গৃহযুদ্ধ কেনেদৰে প্ৰকাশ্য বিপ্লৱৰ পৰ্য্যায়লৈকে যাব পাৰে আৰু তেতিয়া বুৰ্জোৱা শ্ৰেণীক বলপ্ৰয়োগৰ দ্বাৰা ক্ষমতাচ্যুত কৰি শ্ৰমিক শ্ৰেণীৰ আধিপত্যৰ ভিত্তি প্ৰতিষ্ঠা হয় সেই কথা উল্লেখ কৰিছোঁ।

আমি আগতেই আলোচনা কৰি আহিছোঁ কেনেদৰে এতিয়ালৈকে প্ৰত্যেক সমাজৰ যি চেহেৰা তাৰ ভিত্তি হৈ আহিছে অত্যাচাৰী আৰু অত্যাচাৰিত শ্ৰেণীসমূহৰ মাজৰ বিৰোধ। কিন্তু এটা শ্ৰেণীৰ ওপৰত উৎপীড়ন চলাবলৈ হ'লেও এই শ্ৰেণীটোক দাস হিচাপে জীয়াই থকাৰ কাৰণেই অন্ততঃ কিছু সুবিধাৰ নিশ্চিতি দিব লগা হয়। ভূমিদাসত্বৰ যুগত ভূমিদাসবিলাকে নিজকে কমিউনৰ সদস্য হোৱাৰ অৱস্থালৈ তুলিব পাৰিছিল; সেই দৰেই সামন্ততান্ত্ৰিক স্বেচ্ছাচাৰিতাৰ আমোলত পেটি-বুৰ্জোৱা শ্ৰেণীটোৱে বুৰ্জোৱা শ্ৰেণীৰ শাৰীলৈ উঠাৰ ব্যৱস্থা কৰিব পাৰিছিল। আনহাতে আজিৰ শ্ৰমিক শ্ৰেণীৰ অৱস্থা যন্ত্ৰশিল্প বিকাশৰ লগে লগে উন্নতি হোৱাৰ পৰিৱৰ্তে নিজৰ শ্ৰেণীৰ জীৱন-ৰক্ষাৰ অৱস্থাৰো বহু তল খাপলৈ ক্ৰমশঃ নামি যাব লগা হৈছে। আজিৰ শ্ৰমিক সৰ্বস্বহীন। জনসংখ্যা আৰু ধনসম্পত্তি যি অনুপাতে বাঢ়িছে তাতকৈও বেছি বেগেৰে শ্ৰমিকৰ দুৰৱস্থা বেছি বেয়া হৈ যাবলৈ ধৰিছে। ইয়াৰপৰা এই কথাই প্ৰমাণ হয় যে, বুৰ্জোৱা শ্ৰেণীৰ শাসনৰ গাদীত থকাৰ যোগ্যতা নাই, সমাজৰ ওপৰত নিজৰ জীৱনধাৰণৰ প্ৰণালীকে সকলোৰে মানিব লগা নিয়ম হিচাপে জাপি দিয়াৰ অধিকাৰ আৰু নাই। বুৰ্জোৱা শ্ৰেণী শাসন চলোৱাৰ কাৰণে অযোগ্য; কাৰণ ই নিজৰ গোলামী ব্যৱস্থাৰ মাজত ইয়াৰ গোলামৰেই জীয়াই থকাৰ নিশ্চিত ব্যৱস্থা কৰাত অপাৰগ; কাৰণ ই গোলামৰ অৱস্থা তেনে শোচনীয় হোৱাৰ বাট বন্ধ কৰিব নোৱাৰে, যিহেতু গোলামৰ দ্বাৰা পোহ যোৱাৰ সলনি গোলামকহে পুহি

থাকিব লগা অৱস্থাত পৰিছেহি। এই বুৰ্জোৱা শ্ৰেণীৰ তলত আৰু সমাজ বাচি থকাটো সম্ভৱ নহয়। আন কথাত ক'বলৈ গলে, বুৰ্জোৱা শ্ৰেণীৰ অস্তিত্ব সমাজৰ লগত আৰু খাপ নাখায়।

বুৰ্জোৱা শ্ৰেণীৰ অস্তিত্ব আৰু আধিপত্যৰ কাৰণে আৱশ্যকীয় চৰ্ত হ'ল মূলধনৰ সৃষ্টি আৰু বৃদ্ধি। মূলধনৰ অস্তিত্বৰ চৰ্ত হ'ল মজুৰি-শ্ৰম। মজুৰি-শ্ৰম নিৰ্ভৰ কৰে মজুৰসকলৰ ভিতৰত হোৱা প্ৰতিদ্বন্দ্বিতাৰ ওপৰত। বুৰ্জোৱা শ্ৰেণীয়ে নিজে ক'ব নোৱাৰাকৈয়ে সাধন কৰা শিল্পৰ উন্নতিৰ ফলত শ্ৰমিকৰ মাজত পৰস্পৰৰ প্ৰতিযোগিতাৰপৰাই আহি পৰা বিচ্ছিন্ন অৱস্থাৰ ঠাইত সঙ্ঘবদ্ধ ভাবৰ যোগেদি গঢ়ি উঠে বৈপ্লৱিক ঐক্য। সেই কাৰণে আধুনিক শিল্পৰ অগ্ৰগতিয়ে বুৰ্জোৱা শ্ৰেণীৰ উৎপাদন ব্যৱস্থা আৰু ফলভোগ কৰা ব্যৱস্থাৰ ভেটিকেই খহাই পেলাইছে। গতিকে বুৰ্জোৱা শ্ৰেণীৰ সৃষ্টিৰ ভিতৰত সৰ্বপ্ৰধান সৃষ্টি হ'ল তেওঁলোকৰেই মৃত্যু-ৰচনা কৰোঁতাসকল। বুৰ্জোৱা শ্ৰেণীৰ পতন আৰু শ্ৰমিক শ্ৰেণীৰ জয়লাভ দুয়োটা সমানভাৱেই ঘটিবলৈ বাধ্য।

২

## সৰ্বহাৰা আৰু কমিউনিষ্টসকল

সমগ্ৰভাৱে শ্ৰমিক শ্ৰেণীৰ লগত কমিউনিষ্টসকলৰ সম্পৰ্ক কি?

কমিউনিষ্টসকলে শ্ৰমিক শ্ৰেণীৰ আন আন যিবিলাক পাৰ্টি আছে তাৰ কোনো বিৰোধী স্বতন্ত্ৰ পাৰ্টি গঠন নকৰে।

সমগ্ৰ শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ বাহিৰে কমিউনিষ্টসকলৰ কোনো সুকীয়া স্বাৰ্থ নাই।

কমিউনিষ্টসকলে শ্ৰমিক শ্ৰেণীৰ আন্দোলন গঢ়ি তোলা আৰু ৰূপ দিয়াৰ কাৰণে নিজৰ কোনো বিশেষ গোষ্ঠীগত নীতি চলাব নোখোজে।

শ্ৰমিক শ্ৰেণীৰ অন্যান্য পাৰ্টিসমূহৰ লগত কমিউনিষ্টসকলৰ পাৰ্থক্য মাত্ৰ এইকেইটা কথাত: (১) কমিউনিষ্টসকলে বিভিন্ন দেশৰ শ্ৰমিকসকলৰ জাতীয় আন্দোলনৰ ক্ষেত্ৰত যিবোৰ স্বাৰ্থ সকলো জাতিৰ শ্ৰমিকৰ কাৰণেই একে, সেইবিলাকৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি তেনে উমৈহতীয়া স্বাৰ্থক সকলোতকৈ আগত ঠাই দিয়ে। (২) বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামে পাৰ হৈ যাব লগা প্ৰত্যেকটো স্তৰত কমিউনিষ্টসকলে সদায় আৰু সকলো ক্ষেত্ৰতে সমগ্ৰ আন্দোলনৰ মূল স্বৰ্থৰ প্ৰতিনিধিত্ব কৰে।

সেই কাৰণে, এফালেদি কমিউনিষ্টসকল হ'ল বাস্তৱ ক্ষেত্ৰত সকলো দেশৰ শ্ৰমিক শ্ৰেণীৰ পাৰ্টিসমূহৰ আটাইতকৈ আগ বঢ়া আৰু দৃঢ় প্ৰতিজ্ঞা থকা অংশ; বাকী সকলোকে আগ বঢ়াই লৈ যায় এই অংশটোৱেই; আনফালে শ্ৰমিক শ্ৰেণীৰ বিপুল সংখ্যাৰ তুলনাত শ্ৰমিক আন্দোলনৰ অগ্ৰগতিৰ পথ, পৰিস্থিতি আৰু ইয়াৰ চূড়ান্ত সাধাৰণ পৰিণতি সম্পৰ্কেও কমিউনিষ্টসকলৰেই তত্ত্বগভাৱে পৰিষ্কাৰ ধাৰণা থাকে।

কমিউনিষ্টসকলৰো আশু লক্ষ্য শ্ৰমিক শ্ৰেণীৰ অন্যান্য পাৰ্টিৰ লগত একে: সেই লক্ষ্যবিলাক হ'ল শ্ৰমিকসকলক এটা শ্ৰেণী হিচাপে সংগঠিত

কৰা, বুর্জোৱা শ্ৰেণীক ক্ষমতাৰ গাদীৰপৰা নমোৱা আৰু শ্ৰমিক শ্ৰেণীৰ দ্বাৰা ৰাজনৈতিক ক্ষমতা দখল কৰা।

কমিউনিষ্টসকলৰ তত্ত্বগত সিদ্ধান্তসমূহ কোনো ভৱিষ্যৎ বিশ্ব-সংস্কাৰকে আৱিষ্কাৰ কৰা বা বিচাৰি উলিওৱা তেনে কোনো ধাৰণা কিম্বা মূল সূত্ৰৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

বৰ্তমান চলি থকা শ্ৰেণী সংগ্ৰামৰ মাজেদি, আমাৰ চকুৰ আগতে ঘটি থকা ঐতিহাসিক আন্দোলনৰ মাজেদি যিবিলাক প্ৰকৃত সম্পৰ্ক ওলাই আছে, কমিউনিষ্টসকলে সাধাৰণভাৱে তাকেই মাত্ৰ সূত্ৰাকাৰত প্ৰকাশ কৰে। বৰ্তমান সম্পত্তিৰ অধিকাৰ সম্পৰ্কৰ উচ্ছেদ কৰাটো কমিউনিষ্টসকলৰ প্ৰধান উদ্দেশ্যৰ ভিতৰত মুঠেই নপৰে।

ঐতিহাসিক অৱস্থাৰ পৰিৱৰ্তনৰ পৰিণতি হিচাপে আগতেও সমস্ত সম্পত্তি সম্পৰ্কৰ অনৱৰত ঐতিহাসিকভাৱে সলনি ঘটি আহিছে।

উদাহৰণ স্বৰূপে, ফৰাচী বিপ্লৱে বুর্জোৱা শ্ৰেণীৰ সম্পত্তিৰ স্বাৰ্থত সামন্তবাদী সম্পত্তি ব্যৱস্থাৰ উচ্ছেদ ঘটাইছিল।

সাধাৰণভাৱে সম্পত্তিৰ উচ্ছেদসাধন কমিউনিষ্ট মতবাদৰ বিশেষত্ব নহয়। বুর্জোৱা সম্পত্তি ব্যৱস্থাৰ উচ্ছেদ সাধনহে কমিউনিষ্ট মতবাদৰ প্ৰধান বিশেষত্ব। কিন্তু শ্ৰেণী-বিৰোধৰ ওপৰত, এমুঠিয়ে অনেকক শোষণ কৰাৰ ওপৰত ভিত্তি কৰি বৰ্তমান চলি থকা ব্যক্তিগত বুর্জোৱা সম্পত্তিৰ ব্যৱস্থাই হ'ল বস্তু উৎপন্ন আৰু আত্মসাৎ কৰাৰ চৰম আৰু পৰিপূৰ্ণ প্ৰকাশ।

এই অৰ্থত কমিউনিষ্টসকলৰ তত্ত্বক এটা বাক্যতে চমুৰাই ক'ব পাৰি এনেদৰে: ব্যক্তিগত সম্পত্তিৰ মালিকানাৰ উচ্ছেদসাধন।

আমাক, কমিউনিষ্টসকলক, এই বুলি দোষাৰোপ কৰা হয় যে সকলো ব্যক্তিগত স্বতন্ত্ৰতা, সক্ৰিয়তা আৰু স্বাধীনতাৰ মূল ভিত্তি বুলি ভবা যি সম্পত্তি, আৰু ব্যক্তিবিশেষৰ নিজৰ পৰিশ্ৰমৰ ফল হিচাপে ব্যক্তিগতভাৱে উপাৰ্জন কৰা সেই সম্পত্তিৰ অধিকাৰ আমি লোপ কৰিব খোজোঁ।

বহু কষ্টেৰে, নিজ চেষ্টাৰে আৰু নিজেই উপাৰ্জন কৰা সম্পত্তি! বুর্জোৱা ব্যৱস্থাৰ আগতে সাধাৰণ কাৰিকৰ আৰু কৃষকৰ যি সম্পত্তি আছিল তাৰ কথা জানো কোৱা হৈছে? সেই সম্পত্তি উচ্ছেদ কৰাৰ তো কোনো প্ৰয়োজন নাই। শিল্পৰ অগ্ৰগতিয়ে তাক ইতিমধ্যে বহু পৰিমাণে ধ্বংস কৰিলে আৰু এতিয়াও প্ৰতিদিনেই তাৰ ধ্বংসসাধন কৰি আছে।

তেনেহ'লে কি আধুনিক পুঁজিবাদী ব্যক্তিগত সম্পত্তিৰ কথা কোৱা হৈছে?

কিন্তু মজুৰি খটা ব্যৱস্থাই জানো মজুৰব কাৰণে কিবা সম্পত্তিৰ সৃষ্টি কৰে? সমূলি নকৰে। ই সৃষ্টি কৰে মূলধন, অৰ্থাৎ মজুৰি-শ্ৰমক শোষণ কৰা সেই ধৰণৰ সম্পত্তি, আৰু যি সম্পত্তি নতুন শোষণৰ কাৰণে মজুৰি খটাৰ নতুন যোগান ব্যৱস্থাৰ জন্মৰ চৰ্ত নোহোৱাকৈ বাঢ়িব নোৱাৰে। বৰ্তমানৰ সম্পত্তি ব্যৱস্থা পুঁজি আৰু মজুৰি খটাৰ মাজত চলা বিৰোধৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। এই বিৰোধৰ দুয়োটা ফালৰ কথাই আলোচনা কৰি চোৱা যাওক।

পুঁজিপতি হ'বলৈ হ'লে উৎপাদনত কেৱল ব্যক্তিগত মৰ্য্যাদা পালেই নচলিব, সামাজিক মৰ্য্যাদাও পাব লাগিব। মূলধন সামূহিক সৃষ্টি; আৰু সমাজৰ বহু সদস্যৰ মিলিত কামৰ ফলতহে, কেৱল সেয়ে নহয়, শেষ অৱস্থাত সমাজৰ সকলোৰে মিলিত চেষ্টাৰ যোগেহে মাথোন ইয়াক কামত লগোৱা সম্ভৱ।

গতিকে মূলধন ব্যক্তিগত নহয় — এটা সামাজিক শক্তি।

সেই কাৰণে মূলধনক যেতিয়া উমৈহতীয়া সম্পত্তি কৰা হয়, সমাজৰ সকলোৰে সম্পত্তিলৈ পৰিণত কৰা হয় তাৰ দ্বাৰা ব্যক্তিগত সম্পত্তি সামাজিক সম্পদলৈ ৰূপান্তৰিত নহয়। সম্পত্তিৰ কেৱল সামাজিক চৰিত্ৰটোৰহে সলনি ঘটে। ই নিজৰ শ্ৰেণীগত চৰিত্ৰ হেৰুৱায়।

এতিয়া মজুৰি-শ্ৰমৰ কথাটো আলোচনা কৰা যাওক।

মজুৰি-শ্ৰমৰ গড় দাম হ'ল নিম্নতম মজুৰি, অৰ্থাৎ একেবাৰে মজুৰ হিচাপে জীয়াই থাকিবলৈ হ'লেও যিখিনি উপকৰণ একান্ত প্ৰয়োজন, সেইখিনি। গতিকে মজুৰে মজুৰি খাটি যিখিনি নিজৰ ভাগত পায় তাৰে কথমপি একেবাৰে মজুৰ হিচাপে জীয়াই থকা আৰু বংশ ৰক্ষা কৰাটোহে সম্ভৱ। আমি (কমিউনিষ্টসকলে) কোনো প্ৰকাৰেই মানুহ হিচাপে জীয়াই থকা আৰু বংশ বৃদ্ধি কৰাৰ কাৰণে প্ৰয়োজনীয় শ্ৰম-উৎপন্নৰ এই ভোগ-দখল আৰু আনৰ শ্ৰমৰ ওপৰত প্ৰভুত্ব খটোৱাৰ কাৰণে যাৰ কোনো উদ্বৃত্ত অংশই নাথাকে তেনেকুৱা ব্যক্তিগত ভোগ-দখলৰ অধিকাৰ লোপ কৰিবলৈ মুঠেই নিবিচাৰোঁ। যি ব্যৱস্থাৰ তলত মজুৰ কেৱল মূলধন বঢ়াবলৈকে জীয়াই থাকিব লগা হয় আৰু যেতিয়ালৈকে শাসক শ্ৰেণীৰ স্বাৰ্থ পূৰণৰ প্ৰয়োজন হয় তেতিয়ালৈকেহে মজুৰক বাচি থাকিবলৈ দিয়া হয়, সেই আত্মসাৎকৰণৰ শোচনীয় প্ৰকৃতিৰহে আমি বিলোপসাধন কৰিবলৈ বিচাৰোঁ।

সেই কাৰণে বুৰ্জোৱা সমাজত জীৱন্ত মানুহৰ শ্ৰম হ'ল আগৰপৰা সাঁচি অহা শ্ৰম বঢ়োৱাৰ উপায় মাথোন। কিন্তু কমিউনিষ্ট সমাজত সঞ্চিত

শ্ৰম হ'ল শ্ৰমিকৰ জীৱন অধিক উদাৰ, সমৃদ্ধ আৰু উন্নত কৰাৰ উপায় স্বৰূপ।

গতিকে বুৰ্জোৱা সমাজত বৰ্তমানৰ ওপৰত অতীতে আধিপত্য চলায়; কমিউনিষ্ট সমাজত আধিপত্য চলায় বৰ্তমানে অতীতৰ ওপৰত। বুৰ্জোৱা ব্যৱস্থাত মূলধন হ'ল স্বাধীন আৰু মূলধনৰ গাইগুটীয়া সত্তা থাকে; কিন্তু জীৱন্ত মানুহ হ'ল পৰাধীন আৰু ব্যক্তিগত সত্তা নথকা।

অথচ এনে অৱস্থাৰ বিলোপসাধনকে বুৰ্জোৱা শ্ৰেণীয়ে ব্যক্তিত্ব আৰু স্বাধীনতাৰ বিলোপসাধন কৰা বুলি অভিযোগ কৰে! হওঁতে কথাটো ঠিকেই। বুৰ্জোৱা ব্যক্তিত্ব, বুৰ্জোৱা স্বাতন্ত্ৰ্য আৰু বুৰ্জোৱা স্বাধীনতাৰ বিলোপসাধনেই আমাৰ লক্ষ্য। সেই কথাত কোনো সন্দেহ নাই।

বৰ্তমানৰ বুৰ্জোৱা ব্যৱস্থাত স্বাধীনতাৰ অৰ্থ হ'ল অবাধ বাণিজ্য, অবাধে বেচা-কিনাৰ অধিকাৰ।

কিন্তু যদি বেচা-কিনা কথাটোৱেই নোহোৱা হয়, তেন্তে অবাধ বেচা-কিনাও লগতে নোহোৱা হ'ব। আমাৰ বুৰ্জোৱাসকলৰ অবাধ বেচা-কিনা আৰু সাধাৰণভাৱে স্বাধীনতা সম্পৰ্কে অন্যান্য যিবোৰ ডাঙৰ ডাঙৰ কথা তাৰ কিবা অৰ্থ থাকে, যদিহে কেৱল সীমাবদ্ধ বেচা-কিনাৰ লগত, মধ্য যুগৰ বহু বাধাৰ মাজত চলা বেপাৰীৰ লগত তাক ৰিজোৱা হয়। কিন্তু এই বেচা-কিনাৰ, উৎপাদনৰ বুৰ্জোৱা চৰ্তবোৰ আৰু স্বয়ং বুৰ্জোৱা শ্ৰেণীৰেই কমিউনিষ্ট ধৰণৰ উচ্ছেদৰ কথাত বিৰোধিতা কৰিলে সিবোৰৰ কোনো অৰ্থই থাকিব নোৱাৰে।

ব্যক্তিগত সম্পত্তিৰ বিলোপসাধনৰ কথাত আপোনালোক ভয়ত অগ্ৰাহি হৈ উঠিছে। কিন্তু আপোনাসকলৰ বৰ্তমানৰ সমাজখনতে দহজনৰ ভিতৰত নজনৰ ব্যক্তিগত সম্পত্তিৰ বিলোপসাধন কৰা হৈছে। এমুঠিৰ হাতত ব্যক্তিগত সম্পত্তি থকাৰ অৰ্থই হৈছে দহজনৰ ভিতৰত নজনৰ ব্যক্তিগত সম্পত্তি নথকা। সেই কাৰণে আপোনাসকলে আমাক যি ধৰণৰ সম্পত্তি ব্যৱস্থাৰ বিলোপসাধন কৰিব খোজা বুলি দোষাৰোপ কৰে, সেই সম্পত্তি ব্যৱস্থাৰ অস্তিত্বৰ অপৰিহাৰ্য্য চৰ্ত হ'ল সমাজৰ বিপুল সংখ্যাগৰিষ্ঠ লোকৰ হাতত সম্পত্তি বুলিবলৈ একো নথকাটো।

এক কথাত, আপোনাসকলে আমাক দোষাৰোপ কৰে, আমি আপোনাসকলৰ সম্পত্তিৰ উচ্ছেদ কৰিবলৈ বিচাৰোঁ বুলি। কথাটো ঠিকেই। আমিও আচলতে তাকেই কৰিবলৈ বিচাৰোঁ।

যি মুহূৰ্তৰপৰা শ্ৰমক মূলধনলৈ, ধন-মুদ্ৰা, বা খাজনালৈ পৰিৱৰ্তন

কৰিব নোৱৰা অৱস্থা আহি পৰে, একচেটিয়া কর্তৃত্ব কৰি ল'ব পৰা এটা সামাজিক শক্তিলৈ পৰিণত কৰিব নোৱৰা অৱস্থা হয়, অর্থাৎ যি মুহূর্তৰপৰাই ব্যক্তিগত সম্পত্তিক বুর্জোৱা সম্পত্তিলৈ, মূলধনলৈ ৰূপান্তৰিত কৰিব নোৱৰা অৱস্থা আহি পৰে, সেই মুহূর্তৰপৰাই আপোনাসকলৰ মতে ব্যক্তি-সত্তাও লোপ পায়।

গতিকে এই কথা আপোনাসকলে স্বীকাৰ কৰিবলৈ বাধ্য যে, আপোনাসকলৰ মতে বুর্জোৱা শ্ৰেণী আৰু মধ্য শ্ৰেণীৰ সম্পত্তিৰ মালিকেই হ'ল একমাত্ৰ ব্যক্তি। স্বভাৱতেই পথৰ কণ্টকস্বৰূপ এনে ব্যক্তিক দূৰ কৰিবই লাগিব, তেনে ব্যক্তিৰ অস্তিত্ব অসম্ভৱ কৰি তুলিবই লাগিব।

সমাজৰ উৎপাদনৰ ফলভোগৰ অধিকাৰৰপৰা সাম্যবাদে কোনো মানুহকে বঞ্চিত নকৰে। এনে ফল ভোগৰ দ্বাৰা আন মানুহৰ শ্ৰমক নিজৰ তলতীয়া কৰা সেইজনৰ ক্ষমতাকহে সাম্যবাদে বঞ্চিত কৰিব খোজে।

ব্যক্তিগত সম্পত্তিৰ মালিকানা উঠাই দিলে সকলো কাম-কাজ বন্ধ হৈ যাব আৰু এলাহে গোটেই পৃথিৱী বিয়পি পৰিব বুলিও অভিযোগ তোলা হয়।

সেয়ে যদি হয় তেন্তে এলাহৰ কাৰণে বুর্জোৱা সমাজ বহুদিনৰ আগতে ৰসাতললৈ যাব লাগিছিল। কাৰণ এই ব্যৱস্থাত কাম কৰাসকলে একো নাপায় আৰু পোৱাসকলে একো নকৰে। এই গোটেই আপত্তিটো হ'ল — যদি পুঁজি নাথাকে তেন্তে তাত মজুৰি খটাও থাকিব নোৱাৰে বুলি কোৱা কথাকে অন্যভাৱে দোহাৰি কোৱা মাথোন।

সাম্যবাদী প্ৰথাৰে বৈষয়িক সম্পদৰ উৎপাদন আৰু ফলভোগ কৰা পদ্ধতিৰ বিৰুদ্ধে যি আপত্তি তোলা হয়, ঠিক তেনেকৈয়ে সাম্যবাদী পদ্ধতিত বুদ্ধি-বৃত্তিৰ ক্ষেত্ৰত হোৱা উৎপাদন আৰু ফলভোগৰ বিৰুদ্ধেও আপত্তি তোলা হয়। বুর্জোৱাসকলৰ কাৰণে শ্ৰেণীগত সম্পত্তি বিলোপ পোৱাটো যেনেকৈ কোনো উৎপাদন নোহোৱাৰ সমান বুলি ভবা হয়, ঠিক তেনেকৈয়ে, শ্ৰেণীগত সংস্কৃতি লোপ পোৱাটোও তেওঁলোকৰ কাৰণে সকলো সংস্কৃতি লোপ পোৱাৰে সৈতে একে।

যি সংস্কৃতি লোপ পোৱাৰ কাৰণে তেওঁলোকে আক্ষেপ কৰে, বিপুল সংখ্যাগৰিষ্ঠ জনসাধাৰণৰ কাৰণে সেই সংস্কৃতি হ'ল কেৱল যন্ত্ৰৰ দৰে কাম কৰাৰ এক প্ৰশিক্ষণ।

কমিউনিষ্টসকলে বুর্জোৱা সম্পত্তিৰ উচ্ছেদ কৰিবলৈ বিচৰা কথাটো যদি স্বাধীনতা, সংস্কৃতি, আইন আদিৰ সম্পৰ্কে বুর্জোৱা শ্ৰেণীৰ দৃষ্টিভঙ্গী

লৈ বিচাৰ কৰিবলৈ যোৱা হয়, তেন্তে আমাৰ লগত তৰ্ক কৰিবলৈ নোযোৱাটোৱেই উচিত। আপোনাসকলৰ ধাৰণাসমূহ নিজৰ বুৰ্জোৱা উৎপাদন আৰু বুৰ্জোৱা সম্পত্তি ব্যৱস্থাৰ পৰিস্থিতিৰেই ফল মাথোন, ঠিক যেনেকৈ আপোনাসকলৰ আইন হৈছে আপোনাসকলৰ নিজৰ শ্ৰেণীৰ ইচ্ছাক আন সকলোৰে ওপৰত আইন হিচাপে জাপি দিয়াটো। আপোনাসকলৰ এই ইচ্ছাৰ অপৰিহাৰ্য্য চৰিত্ৰ আৰু তাৰ গতি নিৰ্ধাৰণ কৰে আপোনাসকলৰ শ্ৰেণীলেই অৰ্থনৈতিক অৱস্থিতিয়ে।

আপোনাসকলৰ উৎপাদন প্ৰণালী আৰু সম্পত্তি ব্যৱস্থাৰপৰা যি সামাজিক ৰূপবোৰ গঢ়ি উঠিছে, উৎপন্নৰ অগ্ৰগতিৰ লগে লগে ঐতিহাসিক তেনে সম্পৰ্কবিলাকৰো উৎপত্তি আৰু বিলোপ সাধন ঘটে; কিন্তু স্বাৰ্থপৰ ভুল বিশ্বাসৰ কাৰণে আপোনাসকলে এইবিলাকক প্ৰকৃতিৰ আৰু যুক্তিৰ চিৰন্তন আইন বুলি চলাই নিবলৈ বিচাৰে। আপোনাসকলৰ আগৰ শাসক গোষ্ঠীবিলাকেও এনে স্বাৰ্থপৰ ভুল ধাৰণাৰে বশৱৰ্তী আছিল আৰু আপোনাসকলেও তেওঁলোকৰ দৰেই ভাবিছে। প্ৰাচীন সম্পত্তিৰ ক্ষেত্ৰত যিটো কথা আপোনাসকলে স্পষ্টভাৱে দেখিবলৈ পায়, সামন্ততান্ত্ৰিক সম্পত্তি-ব্যৱস্থাৰ ক্ষেত্ৰত আপোনাসকলে যিটো কথা স্বীকাৰ কৰে, নিজৰ বুৰ্জোৱা সম্পত্তিৰ বেলিকা সেই কথাটিকে স্বীকাৰ কৰাত অৱশ্যে আপোনাসকলৰ ক্ষেত্ৰত বাধা।

পৰিয়ালৰ বিলোপসাধন! আনকি উগ্ৰপন্থীসকলো কমিউনিষ্টৰ এই জঘন্য প্ৰস্তাৱত খঙত জ্বলি-পকি উঠে।

বৰ্তমান পৰিয়ালৰ অৰ্থাৎ বুৰ্জোৱা অৱস্থাৰ তলত পৰিয়ালৰ ভিত্তি কি? মূলধনৰ ওপৰত; গাইগুটীয়া লাভৰ ওপৰত। সম্পূৰ্ণ বিকাশপ্ৰাপ্ত অৱস্থাত এই পৰিয়াল সম্ভৱ কেৱল বুৰ্জোৱা শ্ৰেণীৰ ভিতৰতহে। আনহাতে এই ব্যৱস্থাৰ পৰিপূৰক হিচাপেই আছে শ্ৰমিকসকলৰ মাজত প্ৰকৃত পৰিয়াল বান্ধোনৰ অভাৱ আৰু প্ৰকাশ্য বেশ্যাবৃত্তি।

এই পৰিপূৰক অৱস্থাৰ অৱসানৰ লগে লগেই বুৰ্জোৱা পৰিয়ালৰো অস্তিত্ব নোহোৱা হ'ব আৰু মূলধন বিলোপৰ লগে লগে দুয়োটাই লোপ পাব।

এইটোও কি আমাৰ বিৰুদ্ধে অভিযোগ যে আমি মাক-বাপেকে সন্তানক শোষণ কৰাৰ পথ বন্ধ কৰিব খুজিছোঁ? যদি সেয়ে হয় এই দোষ আমি স্বীকাৰ কৰোঁ।

কিন্তু ঘৰুৱাভাৱে শিক্ষা লাভৰ ঠাইত আমি সামাজিক শিক্ষাৰ ব্যৱস্থা কৰিব খোজোঁ। আপোনাসকলৰ মতে তেনে কৰাৰ অৰ্থ হ'ল আমি অতি পৱিত্ৰ সম্পৰ্কক ধ্বংস কৰিব খুজিছোঁ।

আৰু আপোনাসকলৰ শিক্ষাটো! সেই শিক্ষাও জানো সামাজিক নহয়, আৰু আপোনাসকলে যি সামাজিক অৱস্থাত শিক্ষা দিয়ে তাৰ দ্বাৰা, সমাজৰ প্ৰত্যক্ষ বা পৰোক্ষ হস্তক্ষেপৰ দ্বাৰা, স্কুল আদিৰ দ্বাৰা জানো তাৰ অৱস্থা নিৰ্ণয় কৰা নহয়? শিক্ষাৰ ক্ষেত্ৰত সমাজৰ হস্তক্ষেপ কমিউনিষ্টৰ নিজৰ আৱিষ্কাৰ নহয়। তেওঁলোকে মাথোন হস্তক্ষেপৰ চৰিত্ৰ সলনি কৰিব খোজে আৰু শিক্ষাব্যৱস্থাক শাসক শ্ৰেণীৰ প্ৰভাৱৰপৰা মুক্ত কৰিবলৈ বিচাৰে।

আধুনিক শিল্প বিকাশৰ কৃপাত যিমানেই শ্ৰমিক শ্ৰেণীৰ মাজত পৰিয়ালৰ সকলো সম্বন্ধ ছিগি যাবলৈ ধৰিছে, যিমানেই তেওঁলোকৰ ল'ৰা-ছোৱালী কিনা-বেচাৰ সামগ্ৰী আৰু শ্ৰমৰ আহিলাস্বৰূপ মাত্ৰ হ'বলৈ ধৰিছে, সিমানেই পৰিয়াল আৰু শিক্ষাৰ বিষয়ে, পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ পৱিত্ৰ সম্পৰ্কৰ বিষয়ে বুৰ্জোৱা শ্ৰেণীৰ ডাঙৰ ডাঙৰ কথাবিলাক শুনিবলৈ তিতা লগা হৈ পৰিছে।

তোমালোকে তিৰোতাক সমূহীয়া সম্পত্তি কৰিব খোজা — সমুদায় বুৰ্জোৱা শ্ৰেণীয়ে একেমুখে আমাৰ বিৰুদ্ধে এই অভিযোগ তোলে।

বুৰ্জোৱা শ্ৰেণীয়ে নিজৰ তিৰোতাক কেৱল উৎপাদনৰ আহিলা হিচাপেই ভাবে। তেওঁলোকে শুনিছে যে উৎপাদনৰ আহিলাসমূহ উমৈহতীয়াভাৱে ব্যৱহাৰ কৰা হ'ব। গতিকে উৎপাদনৰ সকলো আহিলাৰ যি গতি, তেনেকৈয়ে তিৰোতাৰ ভাগ্যতো সকলোৰে ভোগ্য হ'বলৈ বাধ্য — ইয়াৰ বাহিৰে আন সিদ্ধান্তলৈ যোৱাটো তেওঁলোকৰ পক্ষে সম্ভৱ নহয়।

আনকি এইকণ সন্দেহো তেওঁলোকৰ মনত নহয় যে, আচল লক্ষ্যটো হ'ল তিৰোতাক কেৱল উৎপাদনৰ আহিলা হিচাপে ৰখাৰ অৱস্থাটোৰহে কমিউনিষ্টসকলে ওৰ পেলাব খোজে।

তদুপৰি, কমিউনিষ্টসকলে প্ৰকাশ্যভাৱে, চৰকাৰীভাৱে তিৰোতাক উমৈহতীয়া সম্পত্তি কৰিব খোজে বুলি বুৰ্জোৱা দলে যি পৱিত্ৰ ক্ৰোধ প্ৰকাশৰ ভাও ধৰিব খোজে, তাতোকৈ হাঁহিয়াতৰ কথা আৰু একো হ'ব নোৱাৰে। কমিউনিষ্টসকলে তিৰোতাক উমৈহতীয়া সম্পত্তি কৰাৰ কোনো প্ৰয়োজন নাই, প্ৰায় স্মৰণাতীত কালৰপৰা সেই প্ৰথা চলিয়েই আহিছে।

সাধাৰণ বেশ্যাৰ কথাটো ক'বই নালাগে, বুৰ্জোৱা শ্ৰেণীয়ে তাৰ উপৰিও নিজৰ শ্ৰমিক শ্ৰেণীৰ তিৰোতা আৰু জীয়ৰীসকলক হাতৰ মুঠিত ৰাখে,

তাতো সন্তুষ্ট নাথাকি ইজনে সিজনৰ তিৰোতাক ফুচুলাই নিয়াতহে আনন্দ পায়।

বুৰ্জোৱা বিয়াৰ অৰ্থ হ'ল তিৰোতাক আচলতে উমৈহতীয়া কৰি ৰখাৰ ব্যৱস্থা মাত্ৰ। গতিকে কমিউনিষ্টসকলৰ বিৰুদ্ধে খুব বেছি এই বুলি অভিযোগ অনা হ'ব পাৰে যে তিৰোতাক ভণ্ডামিৰে সৈতে গোপনে উমৈহতীয়া সম্পত্তি কৰি ৰখাৰ ঠাইত কমিউনিষ্টসকলে ইয়াক প্ৰকাশ্যে আৰু আইনসঙ্গতভাৱে ৰূপ দিব খোজে। ইয়াৰ বাহিৰেও এই কথা স্বতঃসিদ্ধ যে, উৎপাদনৰ বৰ্তমান ব্যৱস্থা লোপ পোৱাৰ লগে লগেই, সেই ব্যৱস্থাৰপৰাই উদ্ভৱ হোৱা, তিৰোতাক সাধাৰণ সম্পত্তি হিচাপে ৰখাৰ ব্যৱস্থাটোৰো, অৰ্থাৎ প্ৰকাশ্য আৰু গোপন উভয় বেশ্যাবৃত্তিৰো অৱশ্যেই অৱসান ঘটিব।

স্বদেশ আৰু জাতিসত্তাৰ বিলোপসাধন কৰিবলৈ বিচাৰে বুলিও কমিউনিষ্টসকলৰ বিৰুদ্ধে অভিযোগ তোলা হয়।

শ্ৰমিকসকলৰ নিজৰ কোনো দেশ নাই। তেওঁলোকৰ নিজৰ যিটো বস্তু নাই তাক আমি তেওঁলোকৰপৰা কাঢ়ি নিব নোৱাৰোঁ। প্ৰথমে শ্ৰমিক শ্ৰেণীয়ে ৰাজনৈতিক প্ৰাধান্য লাভ কৰিব লাগিব, জাতিক পৰিচালনা কৰা শ্ৰেণী হিচাপে প্ৰতিষ্ঠিত হ'ব লাগিব আৰু নিজকে জাতি হিচাপে গঠন কৰিব লাগিব; কথাটো বুৰ্জোৱা অৰ্থত নহয় যদিও এই পৰ্য্যন্ত শ্ৰমিক শ্ৰেণী নিজেই জাতীয় চৰিত্ৰৰ।

বুৰ্জোৱা শ্ৰেণীৰ বিকাশৰ কাৰণে, বেহা-বেপাৰৰ স্বাধীনতাৰ কাৰণে, বিশ্ববজাৰ প্ৰতিষ্ঠা হোৱাৰ কাৰণে, উৎপাদনৰ পদ্ধতি আৰু তাৰেই লগত থাপ খোৱা জীৱনধাৰণৰ প্ৰণালী একে হোৱাৰ কাৰণে জাতিসমূহৰ মাজত জাতিগত পাৰ্থক্য আৰু বিৰোধ ক্ৰমে কমি যাবলৈ ধৰিছে।

শ্ৰমিক শ্ৰেণীৰ আধিপত্য প্ৰতিষ্ঠাৰ লগে লগে এই পাৰ্থক্য আৰু বিৰোধ আৰু দ্ৰুতভাৱে কমি যাব। অন্ততঃ নেতৃস্থানীয়, সুসভ্য দেশসমূহৰ মাজত হোৱা মিলিত প্ৰচেষ্টাই হ'ল শ্ৰমিক শ্ৰেণীৰ মুক্তি লাভৰ প্ৰাথমিক চৰ্তসমূহৰ অন্যতম।

মানুহে মানুহক শোষণ কৰাৰ ব্যৱস্থা যি পৰিমাণে লোপ পাই আহিব, এটা জাতিয়ে আন এটা জাতিৰ ওপৰত চলোৱা শোষণৰো সেই অনুপাতেই ওৰ পৰি আহিব। একেটা জাতিৰ ভিতৰতে শ্ৰেণীসমূহৰ মাজৰ বিৰোধ যি পৰিমাণে শেষ হৈ আহিব, সেই অনুপাতেই এটা জাতিৰ লগত আনটো জাতিৰ শত্ৰুতাৰো অৱসান ঘটি আহিব।

ধৰ্ম, দৰ্শন আৰু সাধাৰণভাৱে তত্ত্বগত ভাবাদৰ্শৰ ফালৰপৰা

কমিউনিষ্টসকলৰ বিৰুদ্ধে যিবিলাক অভিযোগ তোলা হয়, সেইবিলাক গুৰুত্ব দি বিবেচনা কৰাৰো যোগ্য নহয়।

মানুহৰ বৈষয়িক অস্তিত্বৰ অৱস্থা, সামাজিক সম্পৰ্ক আৰু সামাজিক জীৱনত ঘটা প্ৰত্যেকটো সাল-সলনিৰ লগে লগেই মানুহৰ ধাৰণা, মতামত আৰু বিশ্বাস অৰ্থাৎ এক কথাত, মানুহৰ চেতনাও সলনি হৈ গৈ থাকে। এই কথাটো বুজিবলৈ জানো কিবা গভীৰ অন্তৰ্দৃষ্টিৰ প্ৰয়োজন আছে?

চিন্তাৰ ইতিহাসে জানো এই কথাই প্ৰমাণ নকৰে যে বৈষয়িক উৎপাদনৰ ধৰণ সলনিৰ লগে লগেই মানুহৰ বুদ্ধিবৃত্তিৰ উৎপাদনৰ প্ৰকৃতিতো একে অনুপাতেই পৰিৱৰ্তন ঘটে? প্ৰতি যুগতে শাসক শ্ৰেণীৰ নিজৰ ভাবধাৰণাই হ'ল সমাজৰ চিন্তা নিয়ন্ত্ৰণ কৰাৰ ভাবধাৰণা।

সমাজলৈ বৈপ্লৱিক পৰিৱৰ্তন অনা ভাবধাৰণাবিলাকৰ কথা যেতিয়া কোৱা হয়, তেতিয়া এই কথাই কোৱা হয় যে পুৰণি সমাজৰ ভিতৰতেই নতুন সমাজৰ ভাবধাৰণাই গজালি মেলি উঠে আৰু জীৱনধাৰণৰ পুৰণি ব্যৱস্থাবোৰ উৱলি যোৱাৰ লগে লগেই পুৰণি ধাৰণাবিলাকো আনকি সমানে জহি-খহি যাবলৈ ধৰে।

প্ৰাচীন জগতৰ শেষৰ ফালে খৃষ্ট ধৰ্মই প্ৰাচীন ধৰ্মসমূহক পৰাজয় কৰে। ওঠৰ শতিকাত যেতিয়া খৃষ্টান ভাবধাৰণাই যুক্তিবাদী ভাবধাৰণাৰ ওচৰত সেও মানিব লগা হয়, তেতিয়া সামন্ত সমাজে সেই সময়ৰ বিপ্লৱী বুৰ্জোৱা শ্ৰেণীৰ লগত জীৱন-মৰণ সংগ্ৰাম চলাব লগীয়া হৈছিল। ধৰ্মীয় উদাৰতা আৰু বিবেকৰ স্বাধীনতাই জ্ঞানৰ ৰাজ্যত অবাধ প্ৰতিযোগিতাৰ দিন আহি পৰাৰ কথাটোকেই মাথোন প্ৰমাণ কৰে।

যুক্তি দিয়া হব যে 'ঐতিহাসিক বিকাশৰ লগে লগেই ধৰ্মৰ ধাৰণা, নৈতিক ধাৰণা, দাৰ্শনিক ধাৰণা আৰু আইনৰ ধাৰণাৰ ক্ষেত্ৰতো নিসন্দেহে পৰিৱৰ্তন আহি পৰে। কিন্তু এই পৰিৱৰ্তনবোৰ সদায় অতিক্ৰম কৰি ধৰ্ম, নৈতিকতা, দৰ্শন, ৰাষ্ট্ৰবিজ্ঞান আৰু আইন বৰ্তি আহিছে।

'স্বাধীনতা, ন্যায়-বিচাৰ আদিৰ দৰে সদায়ে চিৰন্তন সত্য কিছুমানো আছে, সমাজৰ সকলো স্তৰতে এইবিলাক বিদ্যমান। কিন্তু সাম্যবাদে এই চিৰন্তন সত্যবিলাক নিৰ্মূল কৰিব খোজে — নতুন ভিত্তিৰ ওপৰত প্ৰতিষ্ঠা কৰাৰ পৰিৱৰ্তে তেওঁলোকে সকলো ধৰ্ম আৰু সকলো নৈতিকতাৰ উচ্ছেদসাধন কৰিব খোজে। গতিকে সাম্যবাদ অতীতৰ সকলো ঐতিহাসিক অভিজ্ঞতাৰ পৰিপন্থী।'

এই অভিযোগৰ আচল কথা কি? অতীতৰ সকলো সমাজৰেই ইতিহাস

হ'ল বিভিন্ন যুগত বিভিন্ন ৰূপ লৈ বাঢ়ি অহা শ্ৰেণী-বিৰোধৰেই ইতিহাস।

সেই শ্ৰেণী-বিৰোধৰ চেহেৰা যেনেকুৱাই নহওক কিয়, এটা বিষয় কিন্তু আগৰ সকলো যুগতে একে আছিল — সমাজৰ এটা অংশক আন এটাৰ দ্বাৰা শোষণ। সেই কাৰণে এইটো আচৰিত হ'ব লগীয়া কথা নহয় যে অতীত যুগৰ সামাজিক চেতনাই বহুবিধ আৰু বহু প্ৰকাৰৰ মাজেদি নিজক প্ৰকাশ কৰা সত্ত্বেও কিছুমান উমৈহতীয়া ৰূপ বা সাধাৰণ ধ্যানধাৰণাৰ মাজতে ঘূৰি-পাকি থাকিব লগা হয় আৰু শ্ৰেণী-বিৰোধ সম্পূৰ্ণভাৱে শেষ নোহোৱা পৰ্যন্ত এনে ধৰণৰ চিন্তাবিলাকো একেবাৰে লুপ্ত হৈ নাযায়।

চিৰাচৰিত সম্পত্তি ব্যৱস্থাৰ সম্পৰ্কৰ লগত আমূল বিচ্ছেদ ঘটোৱাই হ'ল সাম্যবাদী বিপ্লৱ। সেই কাৰণে কমিউনিষ্ট বিপ্লৱে চলি অহা পুৰণি ধাৰণা-চেতনাৰ ক্ষেত্ৰতো যে আমূল বিচ্ছেদ ঘটাব তাত আচৰিত হ'ব লগা একো নাই।

এতিয়া বুৰ্জোৱা শ্ৰেণীয়ে কমিউনিষ্ট মতবাদৰ বিৰুদ্ধে অনা অভিযোগবিলাক খণ্ডন কৰাৰ চেষ্টা কৰা যাওক।

শ্ৰমিক শ্ৰেণীক শাসক শ্ৰেণীলৈ তোলা আৰু গণতন্ত্ৰৰ সংগ্ৰামত জয়লাভ কৰাটোৱেই যে শ্ৰমিক শ্ৰেণীৰ বিপ্লৱৰ প্ৰথম স্তৰ সেই কথা আমি আগতে পাই আহিছোঁ।

বুৰ্জোৱা শ্ৰেণীৰপৰা সকলো পুঁজি ক্ৰমশঃ কাঢ়ি অনাৰ কাৰণে, উৎপাদনৰ সকলো আহিলা ৰাষ্ট্ৰৰ হাতলৈ অৰ্থাৎ শাসক শ্ৰেণী হিচাপে সংগঠিত হোৱা শ্ৰমিক শ্ৰেণীৰ হাতত কেন্দ্ৰীভূত কৰাৰ কাৰণে আৰু যিমান সোনকালে সম্ভৱ সিমান কম সময়ৰ ভিতৰতে উৎপাদিকা শক্তিৰ যোগফল বৃদ্ধিৰ কাৰণে শ্ৰমিক শ্ৰেণীয়ে নিজৰ ৰাজনৈতিক আধিপত্য কাৰ্য্যক্ষেত্ৰত প্ৰয়োগ কৰিব।

প্ৰথম অৱস্থাত অৱশ্যে সম্পত্তিৰ অধিকাৰ আৰু বুৰ্জোৱা উৎপাদন অৱস্থাৰ ওপৰত স্বেচ্ছাচাৰীভাৱে বল প্ৰয়োগ কৰাৰ বাহিৰে সেই কাম সম্পন্ন কৰিবলৈ আন উপায় নাই। সেই কাৰণে, এনে ক্ষেত্ৰত লোৱা ব্যৱস্থাবিলাক অৰ্থনৈতিকভাৱে অপৰ্য্যাপ্ত আৰু অযৌক্তিক যেন লাগে। কিন্তু আন্দোলনৰ গতি আগ বঢ়াৰ লগে লগেই সেই ব্যৱস্থাবোৰে নিজ সীমা অতিক্ৰম কৰি পুৰণি সমাজ ব্যৱস্থাৰ ওপৰত অধিক আঘাত কৰাটো প্ৰয়োজনীয় কৰি তোলে, আৰু উৎপাদন পদ্ধতিত পৰিপূৰ্ণ বিপ্লৱ অনাৰ কাৰণে ইয়াৰ বাহিৰে আৰু অন্য উপায় নাথাকে।

দেশ-ভেদে এই ব্যৱস্থাবিলাকো অৱশ্যে বেলেগ বেলেগ ধৰণৰ হ'ব।

তথাপিও আটাইতকৈ আগবঢ়া দেশসমূহত সাধাৰণভাৱে তলত উল্লেখ কৰা ধৰণৰ ব্যৱস্থা প্ৰয়োগ কৰিব পৰা যাব:

১। ভূমিৰ ওপৰত ব্যক্তিগত অধিকাৰ লোপ কৰা আৰু ভূমিৰ সমুদায় খাজনা ৰাজহুৱা স্বাৰ্থত ব্যয় কৰা।

২। উচ্চ মাত্ৰাৰ ক্ৰমবৰ্ধমান হাৰত আয়-কৰ।

৩। উত্তৰাধিকাৰ সূত্ৰে সম্পত্তি পোৱাৰ সমস্ত অধিকাৰ লোপ কৰা।

৪। বিপ্লৱৰ বিৰোধিতা কৰা আৰু নিজৰ দেশ এৰি গুচি যোৱা সকলো লোকৰ সম্পত্তি বাজেয়াপ্ত কৰা।

৫। সম্পূৰ্ণ কৰ্তৃত্ব আৰু ৰাষ্ট্ৰীয় মূলধনসহ জাতীয় বেংক প্ৰতিষ্ঠাৰ যোগে দেশৰ লেনদেনৰ ব্যৱস্থা কেন্দ্ৰীয়ভাৱে ৰাষ্ট্ৰৰ হাতলৈ আনিব লাগিব।

৬। যোগাযোগ আৰু পৰিবহণৰ ব্যৱস্থা ৰাষ্ট্ৰৰ হাতত কেন্দ্ৰীভূত হ'ব লাগিব।

৭। ৰাষ্ট্ৰৰ হাতত থকা কলকাৰখানা আৰু উৎপাদনৰ আহিলাবোৰ বঢ়াব লাগিব। পতিত মাটি খেতিৰ উপযোগী কৰিব লাগিব, আৰু সাধাৰণ পৰিকল্পনাৰ যোগে ভূমিৰ উৎকৰ্ষসাধন কৰিব লাগিব।

৮। সকলোৰে ওপৰত কাম কৰাৰ সমানে দায়িত্ব থাকিব। শিল্পবাহিনী গঠন কৰিব লাগিব, বিশেষকৈ কৃষিৰ কাৰণে।

৯। কৃষিৰ লগত যন্ত্ৰশিল্পৰ সংযোগ ঘটাব লাগিব। দেশৰ সকলো ঠাইতে সমানভাৱে লোক বসতিৰ ব্যৱস্থা অধিক পৰিমাণে কৰি নগৰ আৰু গাঁৱৰ পাৰ্থক্য ক্ৰমে কমাই আনিব লাগিব।

১০। চৰকাৰী শিক্ষানুষ্ঠানৰ যোগে সকলো ল'ৰা-ছোৱালীৰ কাৰণে বিনা খৰচে শিক্ষাৰ ব্যৱস্থা হ'ব লাগিব। কলকাৰখানাত বৰ্তমান নাবালকে যি ধৰণে খাটিব লাগে সেই প্ৰথা উঠাই দিব লাগিব। শিক্ষাৰ লগত শিল্প উৎপাদনৰ যোগাযোগ ঘটাব লাগিব, ইত্যাদি।

এইদৰে অগ্ৰগতি সাধিত হৈ গৈ থাকোঁতে, যেতিয়া শ্ৰেণী প্ৰভেদৰ অৱসান ঘটিব, সমগ্ৰ জাতিৰ বিৰাট সংগঠন-শক্তিৰ হাতত যেতিয়া সমস্ত উৎপাদন কেন্দ্ৰীভূত হ'ব, সেই সময়ত ৰাজহুৱা চৰকাৰী শক্তিৰ ৰাজনৈতিক চৰিত্ৰ আৰু নাথাকিব। ৰাজনৈতিক ক্ষমতা হ'ল, ঠিক কথাত ক'বলৈ হ'লে এক শ্ৰেণীয়ে অন্য এক শ্ৰেণীক দমন কৰাৰ কাৰণে তাৰ সংগঠিত শক্তি মাত্ৰ। যদি বুৰ্জোৱা শ্ৰেণীৰ লগত হোৱা সংঘৰ্ষৰ ভিতৰেদি শ্ৰমিক শ্ৰেণীক ঘটনাচক্ৰই নিজকে শ্ৰেণী হিচাপে সংগঠিত কৰিবলৈ বাধ্য কৰে, যদি বিপ্লৱৰ যোগে শ্ৰমিক শ্ৰেণীয়ে নিজকে শাসক শ্ৰেণী হিচাপে প্ৰতিষ্ঠা

কৰিব পাৰে আৰু তাৰ যোগে উৎপাদনৰ পুৰণি ব্যৱস্থাক বল প্ৰয়োগেৰে ভাঙি দিব পাৰে, তেন্তে সেই অৱস্থাবোৰৰ লগে লগেই শ্ৰেণী-বিৰোধ বৰ্তি থকা অৱস্থাৰ আৰু সাধাৰণভাৱে শ্ৰেণীসমূহৰো অস্তিত্ব লোপ পাব, আৰু তাৰ দ্বাৰায়ে শ্ৰমিক শ্ৰেণীয়ে শ্ৰেণী হিচাপে নিজৰ আধিপত্যৰো অৱসান ঘটাব।

ইয়াৰ সকলো শ্ৰেণী আৰু শ্ৰেণী-বিৰোধেৰে সৈতে পুৰণি বুৰ্জোৱা সমাজৰ ঠাইত আমি তেতিয়া এনে এখন সমাজ পাম য'ত প্ৰত্যেকৰ স্বাধীন বিকাশেই হ'ব সকলোৰে কাৰণে স্বাধীন বিকাশৰো চৰ্ত।

# সমাজতন্ত্ৰী আৰু সাম্যবাদী সাহিত্য

## ১। প্ৰতিক্ৰিয়াশীল সমাজতন্ত্ৰ

### ক। সামন্ত সমাজতন্ত্ৰ

আধুনিক বুৰ্জোৱা সমাজৰ বিৰুদ্ধে পুস্তিকা লিখাটো ফ্ৰান্স আৰু ইংলণ্ডৰ অভিজাতসকলৰ এটা অভ্যাসত পৰিণত হৈছে আৰু তেওঁলোকৰ ঐতিহাসিক অৱস্থিতিয়েই ইয়াৰ কাৰণ। ১৮৩০ চনৰ জুলাই মাহত ফৰাচী দেশত হোৱা বিপ্লৱত আৰু ইংলণ্ডত হোৱা সংস্কাৰসাধন আন্দোলনত [২৯] এই অভিজাত সম্প্ৰদায়টোৱে পাবত গজা ঘৃণনীয় বুৰ্জোৱা দলৰ ওচৰত সেও মানিব লগাত পৰিছিল। তাৰ পিছৰপৰাই কোনো গুৰুত্বপূৰ্ণ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা চলোৱাৰ কথা একেবাৰে তল পৰি গ'ল। সম্ভৱপৰ আছিল মাথোন একমাত্ৰ সাহিত্যৰ সংগ্ৰাম। কিন্তু সাহিত্যৰ ক্ষেত্ৰতো ৰেষ্টোৰেশন* যুগৰ পুৰণি কথাবিলাকক দোহাৰি থকা অসম্ভৱ হৈ পৰিছিল।

এই অভিজাত সম্প্ৰদায়ে সহানুভূতি পোৱাৰ আশাত তেওঁলোকৰ নিজৰ স্বাৰ্থৰ প্ৰতিও অৱহেলা কৰা যেন দেখুৱাই শোষিত শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থত বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে তীব্ৰ অভিযোগ আনিবলৈ বাধ্য হয়। এনেদৰেই অভিজাত সম্প্ৰদায়ে তেওঁলোকৰ নতুন প্ৰভুৰ বিৰুদ্ধে চোকা চোকা কথাৰে ব্যঙ্গ-বিদ্ৰূপ কৰি, আগন্তুক ধ্বংসৰ ভয়াবহ ভৱিষ্যৎ বাণী নতুন প্ৰভুৰ কাণৰ ওচৰত ফুচফুচাই তেওঁলোকে ল'ব পৰা প্ৰতিশোধ ল'লে।

সামন্ত সমাজবাদৰ জন্ম এনে দৰেই: ই আধা বিলাপ আৰু আধা তীব্ৰ বিদ্ৰূপ; আধা অতীতৰ প্ৰতিধ্বনি আৰু আধা ভৱিষ্যতৰ বিভীষিকা। কোনো সময়ত ই তিতা লগা কথাৰে, ব্যঙ্গ ভাষাৰে আৰু চোকা সমালোচনাৰে বুৰ্জোৱা শ্ৰেণীৰ অন্তৰত তীব্ৰভাৱে আঘাত কৰিছিল। কিন্তু আজিৰ দিনৰ ইতিহাসৰ গতি বুজাৰ অক্ষমতাৰ কাৰণে এইবিলাকৰ ফলাফল আছিল সদায়ে হাঁহি-উঠা।

---

* ১৬৬০ চনৰপৰা ১৬৮৯ চনলৈ ইংৰাজী ৰেষ্টোৰেশন নহয়, ১৮১৪-পৰা ১৮৩০ চনলৈ ফৰাচী ৰেষ্টোৰেশন। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা।]

জনসাধাৰণৰ সমৰ্থন পোৱাব আশাত অভিজাত শ্ৰেণীয়ে শ্ৰমিক শ্ৰেণীৰ ভিক্ষাৰ থৈলাকে তেওঁলোকৰ পতাকা হিচাপে ধৰি উৰুৱালে। কিন্তু তেওঁলোকব লগত যোগ দিয়াব লগে লগেই তেওঁলোকৰ পিঠিৰ ফালে থকা সামন্ততান্ত্ৰিক সাজ-পোছাক জনসাধাৰণে দেখিবলৈ পালে আৰু তাচ্ছিল্যৰ হাঁহিৰ ৰগব তুলি তেওঁলোকক এৰি গুচি গ'ল।

এনে প্ৰহসনটো দেখুৱাইছিল ফৰাচী লেজিটিমিষ্টসকলৰ একাংশ আৰু 'নবীন ইংলণ্ড' [৩০] নামৰ গোষ্ঠীয়ে।

বুৰ্জোৱা শোষণ ব্যৱস্থাৰ লগত নিজৰ শোষণৰ পাৰ্থক্য দেখুৱাবলৈ গৈ সামন্তপন্থীবিলাকে এই কথাটো পাহৰি গৈছিল যে তেওঁলোকে সম্পূৰ্ণ বেলেগ পৰিৱেশ আৰু অৱস্থাৰ ভিতৰত শোষণ চলাইছিল আৰু বৰ্তমান সেই পৰিবেশ আৰু অৱস্থা অচল হৈ পৰিছে। তেওঁলোকৰ শাসনৰ তলত আজিৰ দৰে শ্ৰমিক শ্ৰেণীৰ অস্তিত্ব নথকাৰ কথাটো দেখুৱাবলৈ গৈ তেওঁলোকে পাহৰি যায় যে আজিৰ বুৰ্জোৱা শ্ৰেণীটো তেওঁলোকৰ নিজৰ সমাজ ব্যৱস্থাৰেই এটা অৱশ্যম্ভাৱী সন্তান।

অন্যান্য বিষয়েও তেওঁলোকৰ সমালোচনাৰ প্ৰতিক্ৰিয়াশীল ৰূপটো তেওঁলোকে ইমান কমকৈ ঢাকি ৰাখিব পাৰিছিল যে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে তেওঁলোকে অনা প্ৰধান অভিযোগৰ আচল অৰ্থ হয়গৈ বুৰ্জোৱা ৰাজত্বত পুৰণি সমাজ ব্যৱস্থাৰ পুলিয়ে পোখাই উভালিবৰ কাৰণেই নিৰ্দিষ্ট বিধানেৰে এটা শ্ৰেণীক গঢ়ি তোলা হৈছে।

বুৰ্জোৱা শ্ৰেণীয়ে শ্ৰমিক শ্ৰেণীৰ সৃষ্টি কৰাৰ কাৰণে এওঁলোকে বৰ বেছি দোষাৰোপ নকৰে, বেছিকৈ কৰে বৰং বিপ্লৱী শ্ৰমিক শ্ৰেণী সৃষ্টি কৰাৰ কাৰণেহে।

সেই কাৰণে ৰাজনৈতিক কাৰ্য্যক্ষেত্ৰত শ্ৰমিক শ্ৰেণীৰ বিৰুদ্ধে লোৱা সকলো দমনমূলক ব্যৱস্থাতে এওঁলোকে যোগ দিয়ে; আৰু সাধাৰণ জীৱনযাত্ৰাত মুখেৰে ডাঙৰ ডাঙৰ কথা কয় যদিও কামৰ বেলিকা তেওঁলোকে যন্ত্ৰশিল্পৰূপী গছ জোপাৰপৰা সোণৰ আপেল ফল বুটলিবলৈ চাপৰে; আৰু উল, বীটৰপৰা তৈয়াৰ কৰা চেনি, আলুৰপৰা তৈয়াৰ কৰা মদৰ ব্যৱসায়ৰ* কাৰণে সত্য, প্ৰেম, আৰু সম্মান বিসৰ্জন দিবলৈকো সঙ্কোচবোধ নকৰে।

---

* কথাটো বিশেষকৈ জাৰ্মানীৰ ক্ষেত্ৰত প্ৰযোজ্য। তাত অভিজাত ভূস্বামী আৰু জমিদাৰসকলে তেওঁলোকৰ জমিদাৰীবোৰৰ ডাঙৰ ডাঙৰ অংশবোৰত নিজেই গোমস্তা ৰাখি খেতি কৰায়, তদুপৰি নিজেই ব্যাপকভাৱে মিঠা বীট আৰু আলুৰ মদ তৈয়াৰ

ধৰ্ম যাজকসকলে যেনেকৈ জমিদাৰৰ লগত সদায়ে হাতত ধৰাধৰিকৈ চলে, ঠিক তেনেকৈয়ে পাদ্ৰিৰ সমাজতন্ত্ৰৰ লগত সামন্ত সমাজতন্ত্ৰ লগ লাগিছে।

খ্ৰীষ্টান সন্ন্যাসবাদৰ গাত অলপ সমাজতন্ত্ৰৰ বোল লগাই দিয়াতকৈ সহজ কথা আৰু একো নাই। ব্যক্তিগত সম্পত্তি, বিবাহ আৰু ৰাষ্ট্ৰৰ বিৰুদ্ধে খ্ৰীষ্টান ধৰ্মই জানো নাটকীয়ভাৱে বিষোদ্‌গাৰ কৰা নাই? এইবিলাকৰ পৰিবৰ্তে খ্ৰীষ্টান ধৰ্মই জানো দান-দক্ষিণা আৰু দাৰিদ্ৰ্য, চিৰকুমাৰ ব্ৰত আৰু নিজৰ শৰীৰৰ ওপৰত নিৰ্য্যাতন, সন্ন্যাসী জীৱন আৰু গিৰ্জাৰ কথা প্ৰচাৰ কৰা নাই? এই খ্ৰীষ্টান সমাজতন্ত্ৰ, পুৰোহিতে অভিজাত শ্ৰেণীৰ বুকুৰ পোৰণি মাৰিবৰ কাৰণে দিয়া পৱিত্ৰ শান্তি পানীৰ বাহিৰে আন একো নহয়।

## খ। পেটি-বুৰ্জোৱা সমাজতন্ত্ৰ

একমাত্ৰ সামন্ত অভিজাত শ্ৰেণীকেই যে বুৰ্জোৱাসকলে ধ্বংস কৰিছে এনে নহয়, কেৱল এই শ্ৰেণীটোৱেই যে তাৰ অস্তিত্ব-চৰ্ত আধুনিক বুৰ্জোৱা সমাজৰ পৰিবেশত খোঁচ খাই দুৰ্বল আৰু মৃত্যুমুখী হৈছে তেনে নহয়। মধ্য যুগৰ নাগৰিক দল আৰু মাটিৰ সৰু সৰু কৃষক মালিকসকলেই আছিল বৰ্তমান বুৰ্জোৱা শ্ৰেণীৰ আগৰণুৱা। শিল্প আৰু বাণিজ্যৰ উন্নতি এতিয়াও যিবিলাক দেশত হোৱা নাই সেইবিলাক দেশত বাঢ়ি অহা বুৰ্জোৱা শ্ৰেণীৰ লগে লগেই এই দুই শ্ৰেণী এতিয়াও নিষ্ক্ৰিয় হৈ বাস কৰিছে।

আধুনিক সভ্যতাৰ পৰিপূৰ্ণ বিকাশ হোৱা দেশসমূহত পেটি-বুৰ্জোৱাৰ এটা নতুন শ্ৰেণী সৃষ্টি হৈছে। বুৰ্জোৱা আৰু শ্ৰমিক শ্ৰেণী এই দুয়োৰে মাজতে এই পেটি-বুৰ্জোৱা শ্ৰেণীটোৱে এবাৰ ইফালে এবাৰ সিফালে লুটি বাগৰ দি থাকে আৰু বুৰ্জোৱা সমাজৰ আনুষঙ্গিক অংশ হিচাপেই নিজকে সদায়ে সজীৱ কৰি ৰাখে। এই শ্ৰেণীৰ বহুতেই অৱশ্যে প্ৰতিযোগিতাত টিকিব নোৱাৰি ব্যক্তিগতভাৱে শ্ৰমিক শ্ৰেণীলৈ ক্ৰমান্বয়ে বাগৰি পৰিব লগা হৈছে, আৰু যিমানেই আধুনিক শিল্পৰ উন্নতি হ'বলৈ

---

কৰে। এওঁলোকতকৈ অধিক অৱস্থাপন্ন ইংৰাজ অভিজাতসকল অন্ততঃ এতিয়াও ইয়াৰ ওপৰত আছে; কিন্তু এওঁলোকেও কম খাজনাৰ ক্ষতিপূৰণৰ বাবে কম-বেছি পৰিমাণে সন্দেহজনক জয়েণ্ট-ষ্টক কোম্পানী প্ৰতিষ্ঠাৰ অনিয়মিত কামত নিজৰ নাম ধাৰে দিবলৈ জানে। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা।]

ধৰিছে সিমানেই এই শ্ৰেণীটোৱে আনকি দেখিবলৈ পাইছে যে আধুনিক সমাজৰ এটা স্বাধীন অংশ হিচাপে তেওঁলোকৰ অস্তিত্ব একেবাৰে চিন নোহোৱা হৈ যোৱাৰ দিন চমু চাপি আহিছে আৰু কাৰখানা, কৃষি আৰু বাণিজ্যত তেওঁলোকৰ ঠাই দখল কৰিব কাম চোৱা বিষয়া, গোমোস্তা আৰু ভৈৰণীয়া চাকৰিয়ালে।

কৃষকৰ জনসংখ্যা আধাতকৈ বেছি থকা ফ্ৰান্সৰ দৰে দেশত এইটো অতি স্বাভাৱিক কথা যে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীৰ লগত থিয় দিয়া লিখকসকলে বুৰ্জোৱা আমোলৰ সমালোচনা কৰোঁতে কৃষক আৰু মধ্যবৰ্তী শ্ৰেণীৰ জোখ কাঠিকেই ব্যৱহাৰ কৰিছিল আৰু এই পেটি-বুৰ্জোৱা শ্ৰেণীসমূহৰ দৃষ্টিভঙ্গীৰপৰাই শ্ৰমিক শ্ৰেণীৰ পক্ষে টাঙোন লৈ থিয় দিছিল। এনে দৰেই পেটি-বুৰ্জোৱা সমাজতন্ত্ৰৰ উদয় হ'ল। কেৱল ফৰাচী দেশতে নহয়, ইংলণ্ডতো; এনে দৰে চিন্তা কৰোঁতাসকলৰ নেতা আছিল চিচ্‌মণ্ডি [৩১]।

আধুনিক উৎপাদন অৱস্থাৰ ভিতৰত থকা বিৰোধবিলাক এনে ধৰণৰ সমাজতন্ত্ৰই বাঢ়িয়াকৈ ফঁহিয়াই দেখুৱাইছে। ই অৰ্থনীতিৰ পণ্ডিতসকলৰ কপটীয়া যুক্তিবোৰৰ মুখা খুলি দিছিল। ই অবিসংবাদিতৰূপে কল-কাৰখানা স্থাপন আৰু শ্ৰম বিভাজনৰ, পুঁজি আৰু ভূসম্পত্তি এমুঠি লোকৰ হাতলৈ আহি পৰাৰ, অতি উৎপাদন আৰু সংকটৰ সৰ্বনাশীয়া ফলাফলৰ কথা প্ৰমাণ কৰিছিল। এই পেটি-বুৰ্জোৱা সমাজতন্ত্ৰই ক্ষুদ্ৰ-বুৰ্জোৱা আৰু কৃষক সম্প্ৰদায়ৰ অনিবাৰ্য্য ধ্বংসৰ কথা, শ্ৰমিক শ্ৰেণীৰ অবৰ্ণনীয় দুখ-দুৰ্দশাৰ কথা, উৎপাদন ব্যৱস্থাৰ বিশৃংখলাৰ কথা, সম্পদ বিতৰণত চলা তীব্ৰ অসমান ব্যৱস্থাৰ কথা, জাতিসমূহৰ মাজত সৰ্বধ্বংসী শিল্প যুদ্ধৰ কথা, পুৰণি নৈতিক বান্ধোন, পুৰণি পাৰিবাৰিক সম্পৰ্ক আৰু পুৰণি জাতিসমূহৰ ভাঙনৰ কথা — এই সকলোবোৰলৈ আঙুলিয়াই দিছিল।

কিন্তু ইতিবাচক উদ্দেশ্যৰ ক্ষেত্ৰত এই ধৰণৰ সমাজতন্ত্ৰই হয় উৎপাদন আৰু বিনিময়ৰ পুৰণি উপায়েৰে পুনৰ প্ৰৱৰ্তন কৰি তাৰ যোগেই সম্পত্তিৰ পুৰণি সম্পৰ্ক আৰু পুৰণি সমাজখনৰ পুনৰ প্ৰৱৰ্তন কৰিব খোজে; নহয়, ইতিমধ্যেই আধুনিক উৎপাদন ব্যৱস্থাৰ হেঁচাত ফাটি চিৰাচিৰ হৈ উফৰি পৰা আৰু পৰিবলৈ বাধ্য হোৱা সম্পত্তিৰ সেই পুৰণি সম্পৰ্কবিলাকৰ গাঁথনিৰ মাজত উৎপাদন আৰু বিনিময়ৰ আধুনিক উপায়বোৰক হেঁচি-ঠেলি সুমুৱাই ৰাখিব খোজে। যিয়েই নহওক, উভয় ক্ষেত্ৰতে এই সমাজতন্ত্ৰ প্ৰতিক্ৰিয়াশীল আৰু ইউটোপীয়।

এই পেটি-বুর্জোৱা সমাজতন্ত্ৰৰ শেষ কথা হ'ল — কাৰখানা শিল্পৰ কাৰণে সংঘবদ্ধ গিল্ড স্থাপন আৰু কৃষিত পিতৃপ্ৰধান সম্পৰ্কৰ প্ৰচলন কৰা।

অৱশেষত ইতিহাসৰ নিষ্ঠুৰ সত্যই যেতিয়া আত্মপ্ৰৱঞ্চনাৰ ৰাগিবোৰ আঁতৰাই দিলে, তেতিয়া অতি শোচনীয় হতাশাত ডুব গৈ এই সমাজতন্ত্ৰৰ ৰূপটোৰ অৱসান ঘটিল।

## গ। জাৰ্মান বা 'নিভাঁজ' সমাজতন্ত্ৰ

ক্ষমতাৰ গাদীত থকা বুৰ্জোৱা শ্ৰেণীৰ হেঁচাত জন্ম পোৱা আৰু ক্ষমতাৰ বিৰুদ্ধে সংগ্ৰাম হিচাপেই আত্মপ্ৰকাশ কৰা ফৰাচী দেশৰ সমাজতন্ত্ৰী আৰু সাম্যবাদী সাহিত্য জাৰ্মানীতো চলিবলৈ ধৰে। সেই সময়ত জাৰ্মানীত স্বেচ্ছাচাৰী সামন্ততন্ত্ৰৰ বিৰুদ্ধে বুৰ্জোৱা শ্ৰেণীৰ সংগ্ৰামৰ আৰম্ভহে মাথোন হৈছিল।

জাৰ্মানীৰ দাৰ্শনিকসকলে, দাৰ্শনিক হ'বলৈ বিচৰাসকলে আৰু চিন্তা কৰোঁতাসকলে এই সাহিত্য আগ্ৰহেৰে সৈতে আদৰি ল'লে। তেওঁলোকে মাথো এই কথাটো পাহৰি গৈছিল যে ফ্ৰান্সৰপৰা এই সাহিত্য জাৰ্মানীলৈ অহাৰ লগে লগে ফৰাচী সামাজিক অৱস্থাটোও উঠি অহা নাছিল। জাৰ্মানীৰ সামাজিক অৱস্থাৰ সংস্পৰ্শলৈ আহি এই ফৰাচী সাহিত্যই তাৰ অবিলম্বে কামত লগাব লগীয়া বিষয়ৰ বাস্তৱ তাৎপৰ্য্য হেৰুৱাই পেলায় আৰু কেৱল মাত্ৰ সাহিত্য বিলাসত পৰিণত হয়। সেই কাৰণেই ওঠৰ শতিকাৰ জাৰ্মান দাৰ্শনিকসকলৰ কাৰণে প্ৰথম ফৰাচী বিপ্লৱৰ দাবীসমূহ সাধাৰণভাৱে 'ব্যৱহাৰিক প্ৰজ্ঞাৰ' দাবীৰ বাহিৰে আন একো নাছিল, আৰু তেওঁলোকৰ দৃষ্টিত ফ্ৰান্সৰ বিপ্লৱী বুৰ্জোৱা শ্ৰেণীৰ ইচ্ছাশক্তিৰ ঘোষণাসমূহৰ তাৎপৰ্য্য আছিল পৱিত্ৰ সংকল্পৰ নীতিবিধান, অপৰিহাৰ্য্য অভিপ্ৰায় আৰু প্ৰকৃত মানৱীয় অভিপ্ৰায়ৰ বিধান।

নিজৰ পুৰণি কলীয়া দাৰ্শনিক বিবেকৰ লগত নতুন ফৰাচী ভাব-ধাৰণাক খাপ খুৱাই লোৱাৰ চেষ্টাই আছিল সেই সময়ৰ জাৰ্মান সাহিত্য-সেৱীসকলৰ একমাত্ৰ কাম অৰ্থাৎ তেওঁলোকে নিজৰ দাৰ্শনিক দৃষ্টিভঙ্গী পৰিত্যাগ নকৰাকৈ ফৰাচী আদৰ্শক সামৰি লোৱাৰ চেষ্টা কৰিছিল।

এটা বিদেশী ভাষাক যেনেদৰে নিজৰ হিচাপে ব্যৱহাৰ কৰা যায় অৰ্থাৎ অনুবাদৰ দ্বাৰা ফৰাচী ভাব-ধাৰণাক জাৰ্মানীত সামৰি লোৱাৰ কথাটোও আছিল ঠিক তেনেকুৱাই।

প্ৰাচীন অ-খ্ৰীষ্টান জগতৰ ধৰ্মগ্ৰন্থসমূহ ৰচিত হোৱা সেই হাতে লিখা পুথিবিলাকৰ ওপৰত ভিত্তি কৰিয়ে খ্ৰীষ্টান পাদুৰিবিলাকে কেনেদৰে কেথলিক সাধুৰ তৰল জীৱনী ৰচনা কৰিছিল সেইটো ভালদৰে জনা কথা। ধৰ্মবিৱৰ্জিত ফৰাচী সাহিত্যৰ সম্পৰ্কে জাৰ্মান সাহিত্য-সেৱীসকলে এই পদ্ধতিকে বিপৰীত ফালবপৰা গ্ৰহণ কৰিলে। মূল ফৰাচী ভাব-ধাৰণাৰ তলত তেওঁলোকে নিজৰ অৰ্থহীন দাৰ্শনিক কথা লিখিলে। উদাহৰণ স্বৰূপে ধন-মুদ্ৰাৰ আৰ্থিক প্ৰয়োগৰ সম্পৰ্কে ফৰাচী সমালোচনাৰ তলত তেওঁলোকে লিখিলে 'মানৱতাৰ বিচ্ছেদ'; বুৰ্জোৱা ৰাষ্ট্ৰৰ সম্পৰ্কে ফৰাচী সমালোচনাৰ তলত তেওঁলোকে লিখিলে 'সাধাৰণ ধাৰণাৰ সিংহাসন বিচ্যুতি' ইত্যাদি।

ফৰাচী ঐতিহাসিক সমালোচনাৰ পিঠিৰ ফালে এনে ধৰণৰ কিছু দাৰ্শনিক খণ্ড বাক্য সাঙুৰি দি তেওঁলোকে ইয়াৰ নাম দিছিল 'কৰ্মৰ দৰ্শন', 'নিভাঁজ সমাজতন্ত্ৰ', 'সমাজতন্ত্ৰৰ জাৰ্মান বিজ্ঞান', 'সমাজতন্ত্ৰৰ দাৰ্শনিক ভিত্তি' আৰু এনে বহুতো।

ফৰাচী সমাজতন্ত্ৰী আৰু সাম্যবাদী সাহিত্যক এনে দৰেই সম্পূৰ্ণভাৱে পঙ্গু কৰি তোলা হ'ল। জাৰ্মান পণ্ডিতৰ হাতত পৰি যেতিয়া এই সাহিত্যই এক শ্ৰেণীৰ বিৰুদ্ধে আন এক শ্ৰেণীৰ সংগ্ৰামৰ কথা প্ৰকাশ কৰিব নোৱৰা হৈ পৰিল, তেতিয়া তেওঁলোকে এই ভাবি গৰ্ববোধ কৰিছিল যে তেওঁলোকে 'ফৰাচী একদিশদৰ্শিতাক' পৰাস্ত কৰিছিল, বাস্তৱ জীৱনত যি লাগে তাৰ পৰিৱৰ্তে সত্যৰ কাৰণে কি প্ৰয়োজন তাৰ তেওঁলোকে প্ৰতিনিধিত্ব কৰিছিল, শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থ নহয়, বৰং মানৱ প্ৰকৃতিৰ স্বাৰ্থ তেওঁলোকে ৰক্ষা কৰিছিল; কিন্তু এই নিৰ্বিশেষ মানৱৰ কোনো শ্ৰেণী নাই, বাস্তৱ অস্তিত্ব নাই আৰু দাৰ্শনিক কল্পনাৰাজ্যৰ অস্পষ্ট কুঁৱলিৰ মাজতেই মাথোন যাৰ অস্তিত্ব তাৰ স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰিছিল।

এই জাৰ্মান সমাজতন্ত্ৰই স্কুলীয়া ছাত্ৰৰ দৰেই অতি গম্ভীৰ আৰু পৱিত্ৰ সংকল্পেৰে কাম আৰম্ভ কৰি আৰু নিজৰ নগণ্য বিদ্যাকে ঢাক-ঢোল কোবাই এনেদৰে জাহিৰ কৰিছিল যে ইতিমধ্যে তেওঁলোকৰ সেই সৰল মদগৰ্বী পাণ্ডিত্যালিও লাহে লাহে নোহোৱা হৈ যাবলৈ ধৰিলে।

সামন্ত আভিজাত্য আৰু একচ্ছত্ৰী ৰাজতন্ত্ৰৰ বিৰুদ্ধে জাৰ্মান, বিশেষকৈ প্ৰাছিয়ান বুৰ্জোৱা শ্ৰেণীৰ সংগ্ৰাম অৰ্থাৎ উদাৰনৈতিক আন্দোলন ক্ৰমে বেছি তীব্ৰ হৈ উঠিল।

এই অৱস্থাই 'নিভাঁজ' সমাজতন্ত্ৰক ৰাজনৈতিক আন্দোলনৰ সমুখত

সমাজতান্ত্ৰিক দাবীবোৰ উত্থাপন কৰিবলৈ বহু দিন আশা পালি থকা সুযোগ আনি দিলে; উদাৰনীতি, প্ৰতিনিধিত্বমূলক শাসনব্যৱস্থা, বুৰ্জোৱা প্ৰতিযোগিতা, বুৰ্জোৱা সংবাদপত্ৰৰ স্বাধীনতা, বুৰ্জোৱা আইন-কানুন, বুৰ্জোৱা স্বাধীনতা আৰু সাম্যভাবৰ বিৰুদ্ধে চিৰাচৰিত অভিশাপ নিক্ষেপ কৰাৰ সুযোগ আনি দিলে; এই বুৰ্জোৱা আন্দোলনবপৰা যে সাধাৰণ মানুহৰ একো লাভ হোৱাৰ সম্ভাৱনা নাই বৰং সকলো হেৰুৱাৰহে সম্ভাৱনা আছে সেই কথা প্ৰচাৰ কৰাৰ সুযোগ আহি পৰিল। কিন্তু ঠিক এই সময়তেই জাৰ্মান সমাজতন্ত্ৰই এই কথাটি পাহৰি গ'ল যে এই কাম ফৰাচী সমালোচনাৰ নিৰ্বোধ প্ৰতিধ্বনি মাথোন, কাৰণ ফৰাচী দেশত এই সমালোচনা যেতিয়া হৈছিল তাৰ বহু আগতেই সেই দেশত আনুসঙ্গিক অৰ্থনৈতিক অৱস্থিতিৰ ব্যৱস্থা আৰু তাৰ উপযোগী ৰাষ্ট্ৰীয় গঠনতন্ত্ৰসহ আধুনিক বুৰ্জোৱা সমাজে থিতাপি লৈছিল, আনহাতে জাৰ্মানীত আসন্ন সংগ্ৰামৰ উদ্দেশ্য আছিল ঠিক এইবিলাকৰে নতুন প্ৰতিষ্ঠা।

পুৰোহিত, অধ্যাপক, গাঁৱৰ বৰমুৰীয়া, চৰকাৰী কৰ্মচাৰী আদি অনুচৰবিলাকেৰে সৈতে জাৰ্মান একচ্ছত্ৰী চৰকাৰবিলাকে অৱশ্যে এই সমাজতন্ত্ৰক যেন আদৰি লৈছিল; কাৰণ সিবোৰৰ পক্ষে আতঙ্কস্বৰূপ হৈ বাঢ়ি অহা বুৰ্জোৱা শ্ৰেণীক ভয় খুৱাবৰ কাৰণে যুঁজৰ সাজ পিন্ধাই থিয় কৰি থোৱা খেৰৰ জুমুঠিৰ দৰে এই সমাজতন্ত্ৰক তেওঁলোকে ব্যৱহাৰ কৰিব পাৰিছিল।

ঠিক একে সময়তে এই একেই চৰকাৰবোৰে জাৰ্মানীৰ শ্ৰমিক শ্ৰেণীৰ আন্দোলনক লাঠি-গুলীৰ তিতা ঔষধ খুউৱাৰ পিছত এই সমাজতন্ত্ৰই অলপ মৌ চেলেকিবলৈ দিয়াৰ কাম কৰিছিল।

এই 'নিভাঁজ' সমাজতন্ত্ৰই এহাতে এনেদৰে জাৰ্মান বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে যুঁজ কৰা অস্ত্ৰ হিচাপে চৰকাৰবোৰৰ স্বাৰ্থ পূৰণ কৰিছিল, আনহাতে ই দেখাদেখিভাৱে প্ৰতিক্ৰিয়াশীল স্বাৰ্থ, জাৰ্মান কূপমণ্ডুকবিলাকৰ স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰিছিল। জাৰ্মানীৰ পেটি-বুৰ্জোৱা শ্ৰেণীটো হ'ল ষোল শতিকাৰ বৈ যোৱা অৱশিষ্ট। তেতিয়াৰেপৰাই অনৱৰত বহু ৰূপত এই শ্ৰেণীয়ে আত্মপ্ৰকাশ কৰি আহিছে। বৰ্তমান অৱস্থাটোৰ আচল সামাজিক ভিত্তি হ'ল এই শ্ৰেণীটোৱেই।

এই শ্ৰেণীটোক ৰক্ষা কৰাৰ অৰ্থ হ'ল জাৰ্মানীৰ বৰ্তমান অৱস্থাটোকেই টিকি থাকিবলৈ দিয়া। ৰাজনীতি আৰু শ্ৰমশিল্পৰ ক্ষেত্ৰত বুৰ্জোৱা শ্ৰেণীৰ আধিপত্যই এই শ্ৰেণীক অনিবাৰ্য্য ধ্বংসৰ ভয়ত অস্থিৰ কৰি তুলিছে।

ইয়াৰ কাৰণ এহাতে পুঁজিৰ কেন্দ্ৰীকৰণ, আনহাতে বিপ্লৱী শ্ৰমিক শ্ৰেণীৰ অগ্ৰগতি। এই 'নিভাঁজ' সমাজতন্ত্ৰই একেটা ফমু'টিৰেই যেন দুটা চৰাই মাৰিব তেনেভাৱে সাজু হ'ল। মহামাৰী বিয়পি পৰাৰ দৰে 'নিভাঁজ' সমাজতন্ত্ৰ বিয়পি পৰিল।

জাৰ্মান সমাজতন্ত্ৰীসকলে তেওঁলোকৰ হাড়-ছাল মাত্ৰ সম্বল থকা 'চিৰন্তন সত্যক' দুৰ্বল আবেগৰ নিয়ৰৰ টোপালেৰে তিয়াই, শুনিবলৈ ভাল লগা ফুল-জাৰি তোলা কথাৰে কল্পনাৰ মকৰা জালৰ পোছাক পিন্ধাইছিল আৰু সেই স্বৰ্গীয় পোছাকৰ কাৰণেই সেই সময়ৰ লোক-সমাজত তেওঁলোকৰ বস্তুৰ বিক্ৰী অসম্ভৱ ধৰণে বাঢ়ি গৈছিল।

জাৰ্মান সমাজতন্ত্ৰই নিজৰ ফালৰপৰাই লাহে লাহে বুজি উঠিল যে, তাৰ আচল কাম হৈছে কূপমণ্ডুক পেটি-বুৰ্জোৱাৰ ডাঙৰকোপ মৰা কথাৰ প্ৰতিনিধিত্ব কৰা।

জাৰ্মান সমাজতন্ত্ৰই ঘোষণা কৰিলে জাৰ্মান জাতিয়েই হৈছে আদৰ্শ জাতি আৰু কূপমণ্ডুক পেটি-বুৰ্জোৱা হৈছে প্ৰকৃত মানুহ। এই আদৰ্শ মানুহৰ প্ৰত্যেকটো জঘন্য, হীন কামকে জাৰ্মান সমাজতন্ত্ৰই তাৰ স্বভাৱৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ এক গোপন, মহান, সমাজতান্ত্ৰিক ব্যাখ্যা দিবলৈ ধৰিলে। আনকি কমিউনিষ্ট মতবাদৰ 'পাশৱিক ধ্বংসকাৰী' প্ৰৱণতাৰ প্ৰত্যক্ষ বিৰোধিতা আৰু সকলো শ্ৰেণী-সংগ্ৰামৰ প্ৰতিয়ে অতি তীব্ৰ আৰু নিৰপেক্ষ ঘৃণাৰ মনোভাৱ ঘোষণা কৰাৰ চৰম পৰ্য্যায় পৰ্য্যন্ত ইয়াক লৈ গৈছিল। অতি কম সংখ্যক কিতাপৰ বাহিৰে আজি জাৰ্মানীত চলি থকা সকলোবিলাক তথাকথিত সমাজতন্ত্ৰী আৰু সাম্যবাদী সাহিত্যই এনে ধৰণৰে দূষিত আৰু ক্ষতিকাৰক সাহিত্যৰ পৰ্য্যায়ত পৰে।*

## ২) ৰক্ষণশীল বা বুৰ্জোৱা সমাজতন্ত্ৰ

বুৰ্জোৱা সমাজৰ অস্তিত্ব যাতে অব্যাহত থাকে তাৰ কাৰণে বুৰ্জোৱা সমাজৰ এটা অংশই সমাজৰ অভাৱ-অভিযোগবিলাক লাঘৱ কৰিবলৈ বিচাৰে।

অৰ্থনীতিবিদ, জনকল্যানকামী, মানৱপ্ৰেমী, শ্ৰমিক শ্ৰেণীৰ অৱস্থাৰ

---

* ১৮৪৮ চনৰ বৈপ্লৱিক ধুমুহাই এই অপৰিচ্ছন্ন প্ৰৱণতাক সাৰি-পুচি লৈ যায় আৰু সমাজতন্ত্ৰ লৈ ইয়াৰ প্ৰবক্তাসকলে জল্পনা-কল্পনা কৰাৰ বাসনাও নোহোৱা কৰে। এই প্ৰৱণতাৰ প্ৰধান প্ৰতিভূ আৰু ক্লাছিকাল প্ৰতিচ্ছবি হৈছে কাৰ্ল গ্ৰুন ডাঙৰীয়া [৩২]। [১৮৯০ চনৰ জাৰ্মান সংস্কৰণত এঙ্গেলছৰ টীকা।]

উন্নতি কৰোঁতা, দুঃস্থ-ত্ৰাণ সমিতিৰ সংগঠক, পশুপক্ষীৰ ওপৰত চলোৱা নিষ্ঠুৰতা ৰোধ কৰা সমিতিৰ সদস্য, মাদকতা নিবাৰণী সমিতিৰ একান্ত প্ৰচাৰক আৰু কল্পনা কৰিব পৰা সকলো ধৰণৰ চুক-কাণ সংস্কাৰসাধকসকলেই এই অংশৰ ভিতৰত পৰে। এই ৰূপৰ সমাজতন্ত্ৰক এক সম্পূৰ্ণ মতবাদ হিচাপে চলোৱাৰ চেষ্টাও কৰা হৈছিল।

প্ৰুধোঁৰ 'দাৰিদ্ৰ্যৰ দৰ্শন' নামৰ কিতাপখন এই মতবাদৰ উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি।

এই বুৰ্জোৱা সমাজতন্ত্ৰীসকলে আধুনিক সমাজ ব্যৱস্থাৰ সকলোবিলাক সা-সুবিধা ভোগ কৰিবলৈ বিচাৰে, কিন্তু তাৰ অপৰিহাৰ্য্য পৰিণতি হিচাপেই অহা সংগ্ৰাম আৰু বিপদৰ সম্মুখ হ'বলৈ নিবিচাৰে। তেওঁলোকে বৈপ্লৱিক আৰু ধ্বংসকাৰী উপাদান নোহোৱাকৈ বৰ্তমান সমাজখনক পাবলৈ বিচাৰে। তেওঁলোকে শ্ৰমিক শ্ৰেণী নোহোৱাকৈ পুঁজিপতি শ্ৰেণীৰ কামনা কৰে। নিজৰ সম্পূৰ্ণ আধিপত্য থকা জগৎখনৰ শ্ৰেষ্ঠতাৰ কথাকে বুৰ্জোৱা শ্ৰেণীয়ে স্বভাৱতে কল্পনা কৰে; আৰু বুৰ্জোৱা সমাজতন্ত্ৰই এই সুবিধাজনক ধাৰণাটিকে বঢ়িয়াকৈ সজাই-পৰাই কম-বেছি পৰিমাণে সম্পূৰ্ণ নানান ব্যৱস্থাৰ ৰূপ দিয়ে। এই সমাজ ব্যৱস্থাক শ্ৰমিক শ্ৰেণীয়ে মানি চলাৰ প্ৰয়োজনত আৰু তাৰ যোগে পোনে পোনে সামাজিক নতুন জেৰুজালেম পাবলৈ হ'লে শ্ৰমিক শ্ৰেণী বৰ্তমান সমাজৰ চাৰি সীমাৰ ভিতৰতে থাকিব লাগিব আৰু বুৰ্জোৱা শ্ৰেণীৰ সম্পৰ্কে সকলোবিলাক ঘৃণনীয় ধাৰণা মনৰপৰা দূৰ কৰিব লাগিব। আচলতে তেওঁলোকে কেৱল ইয়াকেই বিচাৰে।

বেছি কাৰ্য্যকৰী অথচ কম প্ৰণালীবদ্ধ এটা দ্বিতীয় ৰূপ এই সমাজতন্ত্ৰৰ আছে। কেৱল ৰাজনৈতিক কোনো সংস্কাৰে নহয়, বৰঞ্চ জীৱনধাৰণৰ বৈষয়িক অৱস্থাৰ পৰিৱৰ্তন আৰু আৰ্থিক সম্পৰ্কৰ পৰিৱৰ্তনেহে মাথোন শ্ৰমিকসকলৰ কাৰণে উপকাৰ সাধিব পাৰে বুলি প্ৰচাৰ কৰি প্ৰত্যেকটো বৈপ্লৱিক আন্দোলনকে শ্ৰমিক শ্ৰেণীৰ সম্মুখত হেয় প্ৰমাণ কৰিবলৈ ই চেষ্টা কৰিছিল। জীৱনধাৰণৰ বৈষয়িক অৱস্থাৰ পৰিৱৰ্তনৰ অৰ্থ যে বুৰ্জোৱা উৎপাদন সম্পৰ্কৰ উচ্ছেদ — যিটো সম্ভৱ একমাত্ৰ বিপ্লৱৰ যোগে — সেই কথা এই ধৰণৰ সমাজতন্ত্ৰই কিন্তু কোনোপধ্যে বুজি নাপায়। এই সমাজতন্ত্ৰই বুজে মাথোন বৰ্তমান চলি থকা উৎপাদনী সম্পৰ্কবিলাকৰ ওপৰতে ভিত্তি কৰি হোৱা প্ৰশাসনিক সংস্কাৰ, গতিকে এনে যিবোৰ সংস্কাৰে পুঁজি আৰু শ্ৰমৰ মাজৰ সম্পৰ্ক কোনো প্ৰকাৰে ব্যাহত নকৰিব, কিন্তু অন্ততঃ বুৰ্জোৱা চৰকাৰৰ শাসন ব্যৱস্থা সহজ কৰি তুলিব আৰু খৰচ কমাই আনিব।

কেৱল শুনিবলৈ ভাল লগা কথা কোৱাতেই বুর্জোৱা সমাজতন্ত্ৰৰ আচল প্ৰকাশ।

অবাধ বাণিজ্য: সিও শ্ৰমিক শ্ৰেণীৰ উপকাৰৰ কাৰণেই; সংৰক্ষণ শুল্ক: সিও শ্ৰমিক শ্ৰেণীৰ উপকাৰৰ কাৰণেই; জেলৰ সংস্কাৰ: সিও শ্ৰমিক শ্ৰেণীৰ উপকাৰৰ কাৰণেই। বুর্জোৱা সমাজতন্ত্ৰৰ এয়ে হ'ল শেষ আৰু একমাত্ৰ গুৰুত্ব সহকাৰে কোৱা কথা।

বুর্জোৱা সমাজতন্ত্ৰক চমুকৈ ক'ব পাৰি এনেদৰে: বুর্জোৱাসকল শ্ৰমিক শ্ৰেণীৰ মঙ্গলৰ কাৰণেই বুর্জোৱা।

### ৩) সমালোচনামূলক-কাল্পনিক সমাজতন্ত্ৰ আৰু সাম্যবাদ

বৰ্তমান কালৰ প্ৰতিটি ডাঙৰ বিপ্লৱত যি সাহিত্যই শ্ৰমিক শ্ৰেণীৰ দাবীক সদায়ে ভাষা দিছে, উদাহৰণ স্বৰূপে বাবিওফ [৩৩] আৰু অন্যান্যসকলৰ ৰচনা, আমি ইয়াত তাৰ উল্লেখ কৰিব খোজা নাই।

সামন্তবাদী সমাজৰ উচ্ছেদসাধনৰ সময়ত, যি সময়ত উত্তেজনা সকলোতে বিয়পি পৰিছিল, তেতিয়া শ্ৰমিক শ্ৰেণীয়ে নিজৰ উদ্দেশ্য লাভৰ কাৰণে পোনপটীয়াভাৱে প্ৰথমে যিবোৰ চেষ্টা কৰিছিল, স্বভাৱতেই সেই চেষ্টা বিফল হৈছিল, কাৰণ সেই সময়ত শ্ৰমিক শ্ৰেণীৰ অৱস্থা অপৈণত আছিল আৰু শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ কাৰণে আৱশ্যকীয় অৰ্থনৈতিক পৰিবেশৰো অভাৱ আছিল। সেই অৱস্থাৰ তেতিয়াও সৃষ্টি হোৱাই নাছিল আৰু একমাত্ৰ সমাগত বুর্জোৱা সমাজৰ তলতহে সেই অৱস্থা গঢ়ি উঠাটো সম্ভৱ আছিল। শ্ৰমিক শ্ৰেণীৰ এই প্ৰথম পৰ্য্যায়ত বিপ্লৱসমূহৰ লগে লগে যি বৈপ্লৱিক সাহিত্যৰ সৃষ্টি হৈছিল, অনিবাৰ্য্যভাৱেই তাৰ কিছু প্ৰতিক্ৰিয়াশীল চৰিত্ৰও আছিল। সকলো বিষয়ৰে প্ৰতি বৈৰাগ্য আৰু সমাজত সকলোকে অতি স্থূলভাৱে সমান কৰাৰ শিক্ষা মাথোন এই সাহিত্যই দিছিল।

প্ৰকৃতপক্ষে যাক সমাজতান্ত্ৰিক আৰু কমিউনিষ্ট পদ্ধতি বুলি ক'ব পাৰি, অৰ্থাৎ চাঁ-চিমোঁ, ফুৰিয়ে, ওৱেন [৩৪] আদিৰ পদ্ধতিসমূহ, উল্লেখ কৰা বুর্জোৱা আৰু শ্ৰমিক শ্ৰেণীৰ প্ৰাথমিক অপৈণত সংগ্ৰামৰ সময়তেই উদ্ভৱ হৈছিল ('বুর্জোৱা আৰু সৰ্বহাৰা' পৰিচ্ছেদ দ্ৰঃ)।

এই পদ্ধতি উদ্ভাৱন কৰোঁতাসকলে প্ৰকৃত শ্ৰেণী-বিৰোধ দেখা পাইছিল আৰু চলিত সমাজ ব্যৱস্থাৰ পচি যাবলৈ ধৰা উপাদানবোৰৰ ক্ৰিয়াও দেখিবলৈ পাইছিল। কিন্তু তেতিয়াও চালুকীয়া অৱস্থাত থকা শ্ৰমিক

শ্ৰেণীটো তেওঁলোকৰ দৃষ্টিত কোনো ঐতিহাসিক উদ্যম নথকা বা কোনো স্বতন্ত্ৰ ৰাজনৈতিক আন্দোলন নথকা শ্ৰেণী হিচাপেই মাথোন ধৰা দিছিল।

শ্ৰমশিল্প বিকাশৰ লগত সমানে খোজত খোজ মিলাই শ্ৰেণী-বিৰোধ আগ বাঢ়ে। সেই কাৰণে তেওঁলোকে যি ধৰণে তৌতিয়াৰ অৰ্থনৈতিক অৱস্থাটো দেখিছিল সেই অৱস্থাই শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ কাৰণে বাস্তৱ অৱস্থা গঢ়ি তুলিব পৰা নাছিল। গতিকে তেওঁলোকে এনে অৱস্থাৰ সৃষ্টি কৰিব পৰা এক নতুন সমাজবিজ্ঞান আৰু সামাজিক বিধি-বিধানৰ অন্বেষণ কৰিবলৈ ধৰিলে।

এওঁলোকৰ মতেবে, ঐতিহাসিক ক্ৰিয়াই তেওঁলোকৰ ব্যক্তিগত উদ্ভাৱন-ক্ৰিয়াৰ ওচৰত হাৰ মানিব লাগিব, মুক্তিৰ কাৰণে ঐতিহাসিকভাৱে তৈয়াৰ হোৱা অৱস্থাই ঠাই এৰি দিব লাগিব কাল্পনিক অৱস্থাক, আৰু ক্ৰমাগত স্বতঃস্ফূৰ্তভাৱে গঢ় লৈ অহা সৰ্বহাৰাৰ শ্ৰেণী-সংগঠনে বাট এৰি দিব লাগিব এই উদ্ভাৱন কৰোঁতাসকলে বিশেষভাৱে ৰচনা কৰা এক সমাজ-সংগঠনক। তেওঁলোকৰ দৃষ্টিত ভৱিষ্যতৰ ইতিহাস হ'ল তেওঁলোকৰেই সামাজিক পৰিকল্পনাৰ প্ৰচাৰ আৰু কাৰ্য্যক্ষেত্ৰত ৰূপায়ন।

পৰিকল্পনা ৰচনা কৰাৰ সময়ত তেওঁলোক প্ৰধানতঃ শ্ৰমিক শ্ৰেণীটোৰ স্বাৰ্থৰ কাৰণে চিন্তা কৰাৰ বিষয়ত সচেতন আছিল, কাৰণ এই শ্ৰেণীটোৰেই আটাইতকৈ বেছি কষ্ট সহ্য কৰিব লগা হয়। শ্ৰমিক শ্ৰেণীটো সবাতোকৈ বেছি নিষ্পেষিত — একমাত্ৰ এই কাৰণতেহে মাথোন তেওঁলোকৰ দৃষ্টিত শ্ৰমিক শ্ৰেণীৰ অস্তিত্ব আছিল।

শ্ৰেণী-সংগ্ৰামৰ চালুকীয়া অৱস্থাৰ কাৰণে, আৰু তেওঁলোকে নিজে যি পৰিবেশত বাস কৰিছিল তাৰ কাৰণে এনে ধৰণৰ সমাজতন্ত্ৰীসকলে নিজকে সকলো প্ৰকাৰৰ শ্ৰেণী-সংঘাতৰ বহু ওপৰত বুলি ভাবি লৈছিল। তেওঁলোকে সমাজৰ প্ৰত্যেকজন মানুহৰে, আনকি আটাইতকৈ সুবিধাভোগীজনৰো অৱস্থাৰ উন্নতি কৰিবলৈ বিচাৰিছিল। সেই কাৰণে তেওঁলোকৰ আবেদন আছিল সমগ্ৰ সমাজৰ উদ্দেশ্যে, সাধাৰণভাৱে তাত কোনো শ্ৰেণীগত পাৰ্থক্য নাছিল। অকল সেয়ে নহয়, তেওঁলোকে সকলোৰে আগতে শাসক শ্ৰেণীৰ প্ৰতিহে আবেদন জনাইছিল। কিয়নো তেওঁলোকে ভাবিছিল, তেওঁলোকৰ পদ্ধতিৰ কথা যদি এবাৰ জনসাধাৰণে বুজি পায়, তেন্তে তেওঁলোকৰ পৰিকল্পনাই যে সমাজৰ পক্ষে সম্ভৱপৰ আটাইতকৈ ভাল পৰিকল্পনা, সেই কথা জানো নেদেখাকৈ থাকিব পাৰিব।

সেই কাৰণে তেওঁলোকে সকলো প্ৰকাৰৰ ৰাজনৈতিক, বিশেষকৈ সমস্ত

বৈপ্লৱিক আন্দোলন অগ্ৰাহ্য কৰে। শান্তিপূৰ্ণ উপায়েৰেই তেওঁলোকে তেওঁলোকৰ উদ্দেশ্য পূৰণ কৰিবলৈ বিচাৰে। তেওঁলোকৰ চেষ্টা স্বভাৱতে বিফল হ'বলৈ বাধ্য, সৰু সৰু পৰীক্ষাবিলাকৰ মাজেদি আৰু নিজে দেখুৱা দৃষ্টান্তৰ বলেৰেই তেওঁলোকে নতুন সমাজৰ পৰিত্ৰাণৰ পথ ৰচনা কৰিব খোজে।

ভৱিষ্যৎ সমাজৰ সম্পৰ্কে এনে ধৰণৰ মনে-গঢ়া ছবি অঁকা হৈছিল যি সময়ত, সেই সময়ত শ্ৰমিক শ্ৰেণীৰ অৱস্থা আছিল একেবাৰে চালুকীয়া আৰু সাধাৰণভাৱে সমাজৰ সমূহীয়া পুনৰ গঠনৰ কাৰণে সেই শ্ৰেণীৰ প্ৰাথমিক সহজাত আকাঙ্ক্ষাৰ লগত খাপ খোৱাকৈ ইয়াৰ নিজৰ অৱস্থা সম্বন্ধে ধাৰণাও আছিল কেৱল মনে-গঢ়া ধৰণৰ।

এই সমাজতন্ত্ৰী আৰু সাম্যবাদী সাহিত্যৰ ভিতৰত কিন্তু এটা সমালোচনামূলক উপাদানো আছে। বৰ্তমান সমাজৰ প্ৰত্যেকটো নীতিকে তেওঁলোকে আক্ৰমণ কৰিছিল। সেই কাৰণে এই ৰচনাবোৰ শ্ৰমিক শ্ৰেণীৰ জ্ঞান বিকাশৰ পক্ষে মূল্যবান তথ্যপাতিৰে পূৰ্ণ আছিল। কাৰ্য্যকৰী ব্যৱস্থা হিচাপে সেই সাহিত্যত প্ৰস্তাৱ কৰা হৈছিল: নগৰ আৰু গাঁৱৰ মাজত থকা পাৰ্থক্যৰ অৱসান, পৰিয়াল প্ৰথাৰ উচ্ছেদ, ব্যক্তিগত লাভৰ কাৰণে শিল্প পৰিচালনা আৰু মজুৰি-শ্ৰম প্ৰথাৰ অৱসান, সামাজিক স্বাৰ্থসমন্বয়ৰ কথা ঘোষণা, ৰাষ্ট্ৰৰ কামক মাত্ৰ উৎপাদনৰ তত্ত্বাৱধান কৰালৈ পৰিৱৰ্তন কৰা। এই সকলোবিলাক প্ৰস্তাৱেই শ্ৰেণী-বিৰোধ নোহোৱা কৰাৰ কথালৈকে সম্পূৰ্ণে নিৰ্দেশ কৰিছিল। কিন্তু শ্ৰেণী-বিৰোধ তেতিয়া মূৰ দাঙি উঠিবলৈ ধৰিছিলহে মাত্ৰ। তথাপিও এই সাহিত্যত সিবোৰৰ প্ৰাথমিক, অস্পষ্ট আৰু অনিৰ্দিষ্ট ৰূপটো স্বীকাৰ কৰা হৈছিল। সেই কাৰণেই এই প্ৰস্তাৱবিলাক আছিল একেবাৰে মনে-গঢ়া ধৰণৰ।

সমালোচনামূলক-কাল্পনিক সমাজতন্ত্ৰ আৰু সাম্যবাদৰ তাৎপৰ্য্যৰ লগত ঐতিহাসিক অগ্ৰগতিৰ সম্পৰ্কটো বিপৰীতমুখী। যি অনুপাতে আধুনিক শ্ৰেণী সংগ্ৰাম বাঢ়ি যায় আৰু স্পষ্ট ৰূপ ধাৰণ কৰে সেই অনুপাতেই সংগ্ৰামৰপৰা দূৰত থকা এই মনে-গঢ়া দৃষ্টিভঙ্গী আৰু সংগ্ৰামৰ ওপৰত চলোৱা সকলো মনে-গঢ়া আক্ৰমণৰ বাস্তৱ ক্ষেত্ৰত কোনো মূল্য নাথাকে আৰু তত্ত্বগত ক্ষেত্ৰতো সকলো ন্যায্য যুক্তি হেৰুৱাই পেলায়। সেই কাৰণে এই পদ্ধতি প্ৰথমে ৰচনা কৰোঁতাসকল বহু দিশত বিপ্লৱী আছিল যদিও তেওঁলোকৰ অনুগামীসকল কিন্তু প্ৰত্যেক ক্ষেত্ৰত প্ৰতিক্ৰিয়াশীল গোষ্ঠীত মাত্ৰ পৰিণত হৈছিল। শ্ৰমিক শ্ৰেণীৰ প্ৰগতি অভিমুখী ঐতিহাসিক

অগ্ৰগতিৰ বিৰুদ্ধে তেওঁলোকে তেওঁলোকৰ গুৰুসকলৰ মূল কথাবিলাকতে আঁকোৰগোজালি মাৰি ধৰি থাকিছিল। সেই কাৰণে তেওঁলোকে শ্ৰেণী-সংগ্ৰাম নিৰ্জীৱ কৰিবৰ কাৰণে আৰু শ্ৰেণী-বিৰোধ মিট-মাট কৰিবলৈ অনৱৰতে চেষ্টা চলাই গৈছিল। তেওঁলোকে এতিয়াও সপোন দেখে তেওঁলোকৰ সামাজিক কল্পনাবিলাসী ধাৰণাবিলাকে পৰীক্ষামূলক বাস্তৱ ৰূপ পোৱাৰ, অ'ত ত'ত ফালানষ্টেৰ প্ৰতিষ্ঠা কৰাৰ, 'হোম কলোনি' স্থাপন আৰু 'লিটল আইকেৰিয়া'* গঢ়ি তোলাৰ, নৱ জেৰুজালেমৰ ক্ষুদ্ৰ ক্ষুদ্ৰ সংস্কৰণ হিচাপে — আৰু এই কাল্পনিক ভূস্বৰ্গ বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে তেওঁলোক বুৰ্জোৱা শ্ৰেণীৰ অনুকম্পা আৰু ধন ভিক্ষা কৰিবলৈও বাধ্য হৈছিল। ক্ৰমে ক্ৰমে এওঁলোকো ওপৰত উনুকিয়াই অহা প্ৰতিক্ৰিয়াশীল অথবা ৰক্ষণশীল সমাজতন্ত্ৰীৰ শাৰীলৈ নামি যাব লগাত পৰে। তেওঁলোকৰ লগত এওঁলোকৰ পাৰ্থক্য হ'ল এয়ে যে এওঁলোক খাপ খুৱাই পণ্ডিতালি কথা কোৱাত বেছি পটু, আৰু স্বীয় সমাজবিজ্ঞানৰ অলৌকিক শক্তি সম্বন্ধে কুসংস্কাৰেৰে ভৰা আঁকোৰগোজ বিশ্বাসো তেওঁলোকৰ অতি দৃঢ়।

সেই কাৰণে তেওঁলোকে শ্ৰমিক শ্ৰেণীৰ সকলো ৰাজনৈতিক সংগ্ৰামৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁলোকৰ মতে তেনে ধৰণৰ সংগ্ৰাম, নতুন মুক্তিৰ পথত অন্ধ অবিশ্বাসৰ পৰিণতি হিচাপেই মাথোন আহি পৰা সম্ভৱ।

ইংলণ্ডত ওৱেন-পন্থীসকলে, ফ্ৰান্সত ফুৰিয়ে-পন্থীসকলে যথাক্ৰমে চাৰ্টিষ্ট [৩৫] আৰু সংস্কাৰবাদীসকলৰ [৩৬] বিৰোধিতা কৰে।

---

* 'ফালানষ্টেৰ' হৈছে ফুৰিয়েৰ কল্পিত সমাজতন্ত্ৰী উপনিবেশ; কাবেই তেওঁৰ ইউটোপিয়া আৰু পৰৱৰ্তী আমেৰিকাস্থিত কমিউনিষ্ট উপনিবেশক আইকেৰিয়া নাম দিয়ে। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা।]

ওৱেনে তেওঁৰ আদৰ্শ কমিউনিষ্ট গোষ্ঠীবোৰক 'হোম কলোনি' বুলিছিল; ফুৰিয়েৰ কল্পিত সৰ্বভোগ্য প্ৰাসাদৰ নাম 'ফালানষ্টেৰ'। যি ইউটোপীয় কল্পৰাজ্যৰ কমিউনিষ্ট প্ৰতিষ্ঠান কাবেই বৰ্ণনা কৰিছিল, তাৰেই নাম 'আইকেৰিয়া'। [১৮৯০ চনৰ জাৰ্মান সংস্কৰণত এঙ্গেলছৰ টীকা।]

## ৪

## বৰ্তমানৰ বিভিন্ন চৰকাৰ-বিৰোধী দলসমূহৰ লগত কমিউনিষ্টসকলৰ সম্পৰ্ক

ইংলণ্ডৰ চাৰ্টিষ্ট আৰু উত্তৰ আমেৰিকাৰ কৃষি সংস্কাৰক দলৰ দৰে যিবিলাক শ্ৰমিক শ্ৰেণীৰ পাৰ্টি বৰ্তমান অৱস্থাত আছে, সেইবিলাকৰ লগত কমিউনিষ্টসকলৰ সম্পৰ্ক দ্বিতীয় পৰিচ্ছেদত ব্যাখ্যা কৰা হৈছে।

কমিউনিষ্টসকলে শ্ৰমিকসকলৰ আশু লক্ষ্যসাধনৰ কাৰণে সংগ্ৰাম কৰে যাতে তেওঁলোকৰ খণ্তেকীয়া স্বাৰ্থও পূৰণ হয়। কিন্তু বৰ্তমানৰ আন্দোলনৰ মাজতো তেওঁলোকে সেই আন্দোলনৰ ভৱিষ্যতৰ সম্পৰ্কেও যত্ন লয় আৰু তাৰ প্ৰতিনিধিত্ব কৰে। ফৰাচী দেশত কমিউনিষ্টসকলে ৰক্ষণশীল আৰু ৰেডিকাল বুৰ্জোৱা দলৰ বিৰুদ্ধে ছচিয়েল-ডেমোক্ৰেটিক পাৰ্টিৰ* লগত হাত মিলাইছে। অৱশ্যে মহান ফৰাচী বিপ্লৱৰ দিনৰপৰা ঐতিহ্য হিচাপে চলি অহা ৰাজনৈতিক ধ্বনি আৰু ভুল ধাৰণাবিলাকৰ সম্পৰ্কে সমালোচনা কৰাৰ অধিকাৰ কিন্তু এৰি দিয়া নাই।

ছুইজাৰলেণ্ডত কমিউনিষ্টসকলে ৰেডিকাল দলক সমৰ্থন কৰে। কিন্তু পাহৰি নাযায় যে এই দলটো কিছু পৰিমাণে ফৰাচী অৰ্থত ডেমোক্ৰাটিক ছচিয়েলিষ্টসকলক লৈ আৰু কিছু পৰিমাণে ৰেডিকাল বুৰ্জোৱা শ্ৰেণীক লৈ বহু পৰস্পৰ বিৰোধী উপাদানেৰে গঠিত।

---

* পাৰ্লামেণ্টত তেতিয়া এই পাৰ্টিৰ প্ৰতিনিধিত্ব কৰে লেড্ৰু-ৰলাঁই, সাহিত্য ক্ষেত্ৰত লুই ব্লাঁই [৩৭], দৈনিক বাৰ্তাৰ কাকতত 'Réforme' কাকতে। ছচিয়েলিষ্ট-ডেমোক্ৰাট নামৰ উদ্ভাৱকসকলৰ ওচৰত নামটিৰ অৰ্থ আছিল গণতন্ত্ৰী বা প্ৰজাতন্ত্ৰী দলৰ একাংশ, যাৰ মাজত সমাজতন্ত্ৰৰ কম-বেছি ৰং লাগিছে। [১৮৮৮ চনৰ ইংৰাজী সংস্কৰণত এঙ্গেলছৰ টীকা।]

এই সময়ত ফ্ৰান্সত যি পাৰ্টিয়ে নিজক ছচিয়েলিষ্ট-ডেমোক্ৰাট বুলিছিল, সেইবোৰৰ ৰাজনৈতিক জীৱনত প্ৰতিনিধি আছিল লেড্ৰু-ৰলাঁ আৰু সাহিত্য জগতত লুই ব্লাঁ, সেয়ে আজিৰ দিনৰ জাৰ্মান ছচিয়েল-ডেমোক্ৰাটবে সৈতে ইয়াৰ বিৰাট পাৰ্থক্য। [১৮৯০ চনৰ জাৰ্মান সংস্কৰণত এঙ্গেলছৰ টীকা।]

পোলেণ্ডত কমিউনিষ্টসকলে জাতীয় মুক্তিৰ প্ৰথম চৰ্ত হিচাপে কৃষি বিপ্লৱত গুৰুত্ব দিয়া আৰু ১৮৪৬ চনৰ ক্ৰাকোভ বিদ্ৰোহ [৩৮] জগাই তোলা পাৰ্টিটোক সমৰ্থন কৰে।

জাৰ্মানীত একচ্ছত্ৰী ৰাজতন্ত্ৰৰ বিৰুদ্ধে, গাঁৱৰ সামন্ত বৰমুৰীয়াবিলাকৰ বিৰুদ্ধে আৰু পেটি-বুৰ্জোৱাৰ বিৰুদ্ধে বুৰ্জোৱা শ্ৰেণীয়ে যেতিয়াই বৈপ্লৱিক পথ গ্ৰহণ কৰিছে তেতিয়াই কমিউনিষ্টসকলে বুৰ্জোৱা শ্ৰেণীৰ লগতো সহযোগ কৰিছে।

সেই বুলি এক মুহূৰ্তৰ কাৰণেও কিন্তু তেওঁলোকে শ্ৰমিক শ্ৰেণী আৰু বুৰ্জোৱা শ্ৰেণীৰ মাজত থকা বৈৰিতাপূৰ্ণ বিৰোধৰ যথাসম্ভৱ সুস্পষ্ট স্বীকৃতিৰ কথা শ্ৰমিক শ্ৰেণীৰ মনত সুমুৱাই দিবলৈ পাহৰি নাযায়। তেওঁলোকে তেনে কৰাৰ উদ্দেশ্য হ'ল বুৰ্জোৱা শ্ৰেণী নিজৰ আধিপত্যৰ লগে লগে যি সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ সৃষ্টি কৰিবলৈ বাধ্য হয়, সেই সকলোখিনিকে যাতে জাৰ্মানীৰ শ্ৰমিকসকলে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে পোনে পোনে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰে, আৰু জাৰ্মানীত প্ৰতিক্ৰিয়াশীল শ্ৰেণীবিলাকৰ পতন ঘটাৰ লগে লগেই বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে অবিলম্বে সংগ্ৰাম আৰম্ভ কৰিব পৰা যায়।

কমিউনিষ্টসকলৰ মনোযোগৰ বৰ্তমান প্ৰধান লক্ষ্য হৈছে জাৰ্মানিৰ দিশে। কাৰণ জাৰ্মানীত আজি বুৰ্জোৱা বিপ্লৱৰ উৰুকা, ইউৰোপীয় সভ্যতাৰ আগতকৈ আগবঢ়া অৱস্থাৰ মাজেদি, সোতৰ শতিকাৰ ইংলণ্ডৰ আৰু ওঠৰ শতিকাৰ ফ্ৰান্সৰ শ্ৰমিক শ্ৰেণীতকৈ আজি বহু আগবঢ়া শ্ৰমিক শ্ৰেণীক লৈ এই বিপ্লৱ হ'বলৈ বাধ্য; আৰু এই কাৰণেই যে জাৰ্মানীৰ এই বুৰ্জোৱা বিপ্লৱেই হ'ব তাৰ অলপ পিছতে আহিবলৈ ধৰা শ্ৰমিক শ্ৰেণীৰ বিপ্লৱৰ আগজাননী।

মুঠতে কমিউনিষ্টসকলে সকলো ঠাইতে বৰ্তমানৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ বিৰুদ্ধে হোৱা প্ৰত্যেকটো বৈপ্লৱিক আন্দোলনতেই সমৰ্থন জনায়।

সম্পত্তিৰ বিকাশৰ পৰ্য্যায় যি অৱস্থাতেই নাথাকক কিয়, এই সকলো সংগ্ৰামত কমিউনিষ্টসকলে সম্পত্তিৰ প্ৰশ্নকেই মূল প্ৰশ্ন হিচাপে সন্মুখত তুলি ধৰে।

সৰ্বশেষত, কমিউনিষ্টসকলে সকলো দেশৰে গণতান্ত্ৰিক দলসমূহৰ মাজত একতা লাভ আৰু মতৰ মিল যাতে হয় তাৰ কাৰণে সৰ্বত্ৰ কাম কৰে।

নিজৰ মতামত আৰু উদ্দেশ্য গোপন ৰাখিবলৈ কমিউনিষ্টসকলে ঘৃণা

কৰে। তেওঁলোকে এই কথা স্পষ্টভাৱেই ঘোষণা কৰে যে বৰ্তমান প্ৰচলিত সামাজিক ব্যৱস্থাবিলাক বলপূৰ্বক উচ্ছেদ কৰাৰ যোগেদিহে তেওঁলোকৰ লক্ষ্যসাধন সম্ভৱ। কমিউনিষ্ট বিপ্লৱৰ ভয়ত সকলো শাসক শ্ৰেণী কঁপি উঠক। দাসত্বৰ শিকলিৰ বাহিৰে শ্ৰমিকসকলে নিজৰ হেৰুৱাবলৈ একো নাই। জয় কৰিবৰ কাৰণে আছে সম্পূৰ্ণ জগৎ।

**সকলো দেশৰ শ্ৰমিক এক হওক!**

ডিচেম্বৰ, ১৮৪৭ চনৰপৰা জানুৱাৰী, ১৮৪৮ চনলৈ
মাৰ্ক্স আৰু এঙ্গেলছৰ দ্বাৰা লিখিত

ফেব্ৰুৱাৰী, ১৮৪৮ চনত লণ্ডনত প্ৰথম প্ৰকাশিত

## ফ্ৰিডৰিখ এঙ্গেলছ

### সাম্যবাদৰ সূত্ৰ [৩৯]

**১ নং প্ৰশ্ন**: সাম্যবাদ কি?

**উত্তৰ**: সাম্যবাদ হ'ল প্ৰলেতাৰিয়েত অৰ্থাৎ সৰ্বহাৰাৰ মুক্তিৰ কাৰণে অনুকূল পৰিস্থিতি সৃষ্টি কৰাৰ মতবাদ।

**২ নং প্ৰশ্ন**: সৰ্বহাৰা কি?

**উত্তৰ**: সৰ্বহাৰা হ'ল সেই শ্ৰেণীৰ সমাজ, যি কোনো পুঁজিৰপৰা মুনাফা কৰি নহয়, বৰং নিজৰ শ্ৰম বিক্ৰী কৰি একমাত্ৰ আৰু সম্পূৰ্ণৰূপে জীৱন ধাৰণৰ উপায় উলিয়ায়; যাৰ মঙ্গল আৰু দুঃখ-দুৰ্দশা, যাৰ জীৱন-মৃত্যু, যাৰ সম্পূৰ্ণ অস্তিত্ব নিৰ্ভৰ কৰে শ্ৰমৰ চাহিদাৰ ওপৰত, গতিকে ই নিৰ্ভৰ কৰে বেপাৰ-বাণিজ্যৰ ভাল-মন্দ সময়ৰ সালসলনিৰ ওপৰত, লেকামহীন প্ৰতিযোগিতাৰপৰা উদ্ভৱ হোৱা উঠা-নমাৰ ওপৰত। সৰ্বহাৰা বা সৰ্বহাৰা শ্ৰেণী, এষাৰ কথাৰে কবলৈ হলে, উনৈশ শতিকাৰ শ্ৰমিক শ্ৰেণী।

**৩ নং প্ৰশ্ন**: তাৰ মানে, সৰ্বহাৰাসকল সদায় নাছিল নেকি?

**উত্তৰ**: সদায় নাছিল। দুখীয়া-দৰিদ্ৰ আৰু শ্ৰমজীৱী লোক সদায় আছিল আৰু শ্ৰমজীৱী লোক প্ৰায় সকলো সময়তে দৰিদ্ৰ আছিল। কিন্তু এনে দৰিদ্ৰ, পূৰ্ব উল্লেখিত পৰিস্থিতিৰ মাজত বাস কৰা এনে শ্ৰমিকসকল, অৰ্থাৎ সৰ্বহাৰাসকল সদায় নাছিল, কাৰণ প্ৰতিযোগিতাও সদায় মুক্ত আৰু লেকামহীন নাছিল।

**৪ নং প্ৰশ্ন**: সৰ্বহাৰা কেনেকৈ উদ্ভৱ হ'ল?

**উত্তৰ**: যোৱা শতিকাৰ শেষাৰ্দ্ধত ইংলণ্ডত আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱ আৰু তাৰ পাছত পৃথিৱীৰ সকলো সুসভ্য দেশত ইয়াৰ পুনৰাবৃত্তিৰ ফলত উদ্ভৱ হয় এই সৰ্বহাৰাসকলৰ। বাষ্পচালিত ইঞ্জিন, বিভিন্ন বয়ন যন্ত্ৰ, বিদ্যুৎচালিত তাঁতশাল আৰু বহু সংখ্যক অন্যান্য যান্ত্ৰিক পদ্ধতিয়েই ঔদ্যোগিক বিপ্লৱৰ সূচনা কৰে। এইবোৰ যন্ত্ৰৰ দাম বৰ বেছি আছিল,

আৰু গতিকে একমাত্র বৃহৎ পুঁজিপতিসকলেহে ক্রয় কৰিব পাৰিছিল, যাৰ দ্বাৰা তেওঁলোকে পূৰ্বৰ উৎপাদন পদ্ধতি সম্পূৰ্ণৰূপে সলনি কৰি দিলে আৰু পূৰ্বৰ শ্ৰমিকসকলৰ কামৰ স্থান যন্ত্ৰই পূৰণ কৰিলে, কাৰণ অনুন্নত যঁতৰ আৰু তাঁতশালৰ দ্বাৰা শ্ৰমিকৰ হাতেৰে তৈয়াৰ কৰাতকৈ যন্ত্ৰৰ দ্বাৰা সস্তা আৰু অধিক ভাল সামগ্ৰী তৈয়াৰ কৰিব পাৰি। এনেদৰেই এইবোৰ যন্ত্ৰই সমগ্ৰ উদ্যোগ বৃহৎ পুঁজিপতিৰ হাতত তুলি দিলে আৰু তাৰ ফলত শ্ৰমিকসকলৰ সামান্য সম্পত্তি (যেনে, তাঁতশাল, হাতিয়াৰ ইত্যাদি) মূল্যহীন হৈ পৰিল, ফলত পুঁজিপতিসকল শীঘ্ৰে সকলো সামগ্ৰীৰ গৰাকী হ'ল আৰু শ্ৰমিকসকলৰ কাৰণে একো বাকী নৰ'ল। এনে প্ৰকাৰে বস্ত্ৰাদি উৎপাদনৰ ক্ষেত্ৰত কাৰখানাৰ ব্যৱস্থা প্ৰৱৰ্তন হয়। যন্ত্ৰ আৰু কাৰখানা ব্যৱস্থা প্ৰৱৰ্তনৰ ওপৰত এবাৰ প্ৰাধান্য দিয়াৰ ফলত ই দ্ৰুতভাৱে উদ্যোগৰ অন্যান্য শাখাতো বিয়পি পৰিল, ঘাইকৈ, কপাহী বস্ত্ৰ আৰু পুথি ছপা কৰা ব্যৱসায়, মৃৎশিল্প আৰু লোহ-সামগ্ৰীৰ উদ্যোগত। বহু শ্ৰমিকৰ মাজত ক্ৰমশঃ অধিকতৰভাৱে শ্ৰম বিভাজন হ'ল, কাৰণ যি শ্ৰমিকে পূৰ্বে গোটেই পদ বস্তু তৈয়াৰ কৰিছিল, তেওঁ এতিয়া সেই পদ বস্তুৰ মাথো এটি অংশহে তৈয়াৰ কৰে। এই শ্ৰম বিভাজনে অধিক দ্ৰুতভাৱে উৎপাদিত সামগ্ৰীৰ যোগান ধৰাটো সম্ভৱ কৰিলে আৰু গতিকে দামো সস্তা হ'ল। ই প্ৰত্যেক শ্ৰমিকৰ কায়িক শ্ৰম লাঘৱ কৰি অতি সাধাৰণ কৰি তুলিলে, ক্ৰমাগতভাৱে কাৰিকৰী কামকাজৰ পুনৰাবৃত্তি কৰি, যিটো কাম যন্ত্ৰই মাথো সমানে সুন্দৰভাৱেই যে কৰিব পাৰে এনে নহয়, আনকি অধিক উন্নতভাৱে কৰিব পাৰে। এনে প্ৰকাৰে উদ্যোগৰ এই সকলোবোৰ শাখা এটিৰ পিছত এটিকৈ বাষ্প শক্তি, যন্ত্ৰ আৰু কাৰখানা ব্যৱস্থাৰ কবলাধীন হ'ল, ঠিক সূতা আৰু বস্ত্ৰ তৈয়াৰ কৰা উদ্যোগৰ লেখীয়া। কিন্তু ইয়াৰ ফলত, এই সকলোবোৰ সম্পূৰ্ণে বৃহৎ পুঁজিপতিৰ হাতত পৰিল আৰু ইয়াতো শ্ৰমিকসকল সামান্যতম স্বাধীনতাৰপৰাও বঞ্চিত হ'ল। কালক্ৰমে প্ৰকৃত শিল্পজাত সামগ্ৰীৰ উপৰিও অনুৰূপভাৱে হস্তশিল্পও বেগাই কাৰখানা ব্যৱস্থাৰ অধীন হ'ল, কাৰণ এই ক্ষেত্ৰতো বৃহৎ পুঁজিপতিসকলে সৰু কাৰুশিল্প ব্যৱসায়ীসকলক ক্ৰমাগতভাৱে পিছলৈ ঠেলি পঠিয়াই ডাঙৰ কাৰখানা স্থাপন কৰিলে, য'ত বহু ব্যয় ৰাহি হ'ল আৰু শ্ৰমিকসকলৰ মাজত কামো যুক্তিযুক্তভাৱে বিভক্ত কৰিব পৰা গ'ল। এনে প্ৰকাৰে সকলো সুসভ্য দেশত এতিয়া শ্ৰমৰ প্ৰায় সকলো শাখাত কাৰখানাৰ ব্যৱস্থা সাধিত হব ধৰিলে, আৰু প্ৰায় সকলো শাখাতে হস্তশিল্প আৰু কাৰখানা শিল্পক বৃহৎ আকাৰৰ উদ্যোগে নিঃচিহ্ন কৰিলে। ফলস্বৰূপে

পূৰ্বৰ মধ্যবিত্ত শ্ৰেণী, বিশেষকৈ সৰু সৰু কুটিৰ শিল্পৰ গৰাকীসকল প্ৰবলভাৱে ধ্বংসৰ মুখলৈ আগুৱাই গ'ল, কৰ্মীসকলৰ পূৰ্বৰ অৱস্থা সম্পূৰ্ণৰূপে সলনি হ'ল, আৰু দুটি নতুন শ্ৰেণী উদ্ভৱ হ'ল আৰু লাহে লাহে অন্যান্য সকলো শ্ৰেণীক গ্ৰাস কৰিবলৈ ধৰিলে, যেনে:

১। বৃহৎ পুঁজিপতিৰ শ্ৰেণী, যি সকলো সভ্য দেশত ইতিমধ্যে জীৱিকাৰ সকলো উপায়, হাতিয়াৰ (যন্ত্ৰপাতি, কল-কাৰখানা ইত্যাদি) আৰু কেঁচামালৰ একমাত্ৰ গৰাকী হ'ল, যিবোৰ জীৱিকাৰ উপায়ৰ সৃষ্টি কৰাৰ অৰ্থে প্ৰয়োজন। এই শ্ৰেণীয়েই হ'ল বুৰ্জোৱা শ্ৰেণী বা বুৰ্জোৱা।

২। যি শ্ৰেণীৰ নিজৰ সম্পত্তি বুলিবলৈ মুঠেই একো নাই, গতিকে জীৱনধাৰণৰ প্ৰয়োজনীয় উপায় লাভৰ বিনিময়ত বুৰ্জোৱা শ্ৰেণীৰ ওচৰত নিজৰ শ্ৰম বিক্ৰী কৰিবলৈ যি বাধ্য, সেই শ্ৰেণীক বোলা হয় প্ৰলেতাৰিয়েত বা সৰ্বহাৰা শ্ৰেণী।

**৫ নং প্ৰশ্ন:** কি পৰিস্থিতিত সৰ্বহাৰাসকলে বুৰ্জোৱা শ্ৰেণীৰ ওচৰত শ্ৰম বিক্ৰী কৰিব লগীয়া হয়?

**উত্তৰ:** অন্যান্য সামগ্ৰীৰ দৰে শ্ৰমো এবিধ সামগ্ৰী আৰু ইয়াৰ দাম অন্য যিকোনো সামগ্ৰীৰ লেখীয়া একে নিয়মৰে নিৰ্ধাৰিত হয়। বৃহৎ আকাৰৰ উদ্যোগ বা মুক্ত প্ৰতিযোগিতাৰ প্ৰভাৱাধীনত, যাৰ অৰ্থ আমি দেখিবলৈ পোৱা মতে প্ৰকৃততে একে, তাত এটা সামগ্ৰীৰ দাম সাধাৰণভাৱে সদায়ে সেই সামগ্ৰীৰ উৎপাদনৰ খৰচৰ সমান। গতিকে শ্ৰমৰ দাম অনুৰূপভাৱে শ্ৰমৰ উৎপাদন দামৰ সমান। শ্ৰম-উৎপাদনৰ দাম যথাযথভাৱে তেনে এটি পৰিমাণৰ সমান হয়, যিটো জীৱনধাৰণৰ উপায়ৰ কাৰণে প্ৰয়োজন, যাতে শ্ৰমিকক কাম কৰাৰ উপযোগীকৈ ৰাখিব পাৰি আৰু শ্ৰমিক শ্ৰেণী নিঃশেষ হৈ যোৱাত বাধা দিব পাৰি। এনেদৰে শ্ৰমিকে সেই উদ্দেশ্যৰ কাৰণে প্ৰয়োজনতকৈ অধিক তেওঁৰ শ্ৰমৰ বাবে একো নেপায়; শ্ৰমৰ দাম বা মজুৰি নিম্ন পৰিমাণৰ হ'ব, যিটো জীয়াই থকাৰ বাবে সৰ্বনিম্ন প্ৰয়োজন। যিহেতু ব্যৱসায় কেতিয়াবা মন্দ, কেতিয়াবা ভাল, গতিকে শ্ৰমিকেও কেতিয়াবা বেছি, কেতিয়াবা কম পায়, ঠিক যেনেকৈ কাৰখানাৰ মালিকে তেওঁৰ সামগ্ৰীৰ বাবে কেতিয়াবা কম, কেতিয়াবা বেছি পায়। কিন্তু কাৰখানাৰ মালিকে যেনেকৈ ভাল আৰু বেয়া সময়ৰ মাজত তেওঁৰ পণ্যৰ বাবে এটি গড় পৰিমাণ ধন পায়, যিটো তেওঁৰ সামগ্ৰীৰ উৎপাদন দামতকৈ কমো নহয় নতুবা বেছিও নহয়, তেনেকৈয়ে শ্ৰমিকেও গড়ে সেই সৰ্বনিম্নতকৈ কমো নেপায় নতুবা বেছিও নেপায়। মজুৰিৰ এই অৰ্থনৈতিক নিয়ম সিমানে

অধিক কট্‌কটীয়াভাৱে প্ৰযোজ্য হ'ব, যিমানে বেছি শ্ৰমৰ সকলো শাখা বৃহৎ আকাৰৰ উদ্যোগৰ কবলাধীন হয়।

**৬ নং প্ৰশ্ন:** ঔদ্যোগিক বিপ্লৱৰ পূৰ্বে, কেনে ধৰণৰ শ্ৰমজীৱী শ্ৰেণী আছিল?

**উত্তৰ:** সামাজিক বিকাশৰ বিভিন্ন স্তৰৰ ওপৰত নিৰ্ভৰ কৰি, শ্ৰমজীৱী লোকসকল বিভিন্ন স্তৰত বাস কৰিছিল আৰু মালিক আৰু শাসক শ্ৰেণীৰে সৈতে সম্পৰ্ক বিভিন্ন প্ৰকাৰৰ আছিল। প্ৰাচীন কালত শ্ৰমজীৱী লোক তেওঁলোকৰ গৰাকীৰ **দাস** আছিল, ঠিক এতিয়াও বহু অনুন্নত দেশ আৰু আনকি আমেৰিকাৰ দক্ষিণাংশত থকাৰ দৰে। মধ্য যুগত তেওঁলোক আছিল ভূমিৰ গৰাকী ডা-ডাঙৰীয়াসকলৰ **ভূমিদাস,** ঠিক এতিয়াও হাঙ্গেৰী, পোলেণ্ড আৰু ৰাছিয়াত থকাৰ দৰে। তদুপৰি মধ্য যুগত আৰু ঔদ্যোগিক বিপ্লৱৰ কালছোৱালৈকে চহৰসমূহত পেটি-বুৰ্জোৱা কাৰুশিল্পীসকলৰ সেৱাত দিন হাজিৰা কৰা কামলাও আছিল আৰু উৎপাদন পদ্ধতি উন্নত হোৱাৰ লগে লগে কালক্ৰমে যন্ত্ৰশালৰ উৎপাদনকাৰী শ্ৰমিকৰ উদ্ভৱ হয়, যাক এতিয়া ডাঙৰ পুঁজিপতিসকলে কামত লগাইছে।

**৭ নং প্ৰশ্ন:** সৰ্বহাৰাসকল কি প্ৰকাৰে দাসৰপৰা পৃথক?

**উত্তৰ:** দাসবোৰক পোনপটীয়াভাৱে চূড়ান্তৰূপে ক্ৰয়-বিক্ৰয় কৰিব পাৰি, আনহাতে সৰ্বহাৰাসকলে নিজকে দিনে দিনে, ঘণ্টাই ঘণ্টাই বিক্ৰী কৰিব লাগে। প্ৰত্যেকটো দাস **মাথো এজন** গৰাকীৰ সম্পত্তি, যি জীৱনধাৰণৰ নিশ্চয়তা প্ৰদান কৰে, আনকি যদিও ই মাথো তাৰ গৰাকীৰ স্বাৰ্থসাপেক্ষ আৰু অতি নিম্নপৰ্য্যায়ৰ নিশ্চয়তা। প্ৰত্যেকজন সৰ্বহাৰা কবলৈ গলে, **সমগ্ৰ** বুৰ্জোৱা শ্ৰেণীৰ সম্পত্তি, যাৰ শ্ৰম মাথো তেওঁৰপৰা তেতিয়াহে কিনা হয়, যেতিয়া কাৰোবাৰ প্ৰয়োজন হয়, গতিকে নিশ্চিত জীৱনধাৰণৰ উপায় শূন্য। এই জীৱনধাৰণৰ উপায়ৰ নিশ্চয়তা মুঠতে সমগ্ৰ সৰ্বহাৰা **শ্ৰেণীকহে** মাথোন দিয়া হয়। দাসবোৰ প্ৰতিযোগিতাৰ বহিৰ্ভুক্ত, সৰ্বহাৰাসকল ইয়াৰ অন্তৰ্ভুক্ত আৰু ইয়াৰ সমস্ত উঠা-নমা অনুভৱ কৰে। দাসবোৰ বস্তু হিচাপে বিবেচিত আৰু সভ্য সমাজভুক্ত নহয়; সৰ্বহাৰাসকল মানুহ হিচাপে, সভ্য সমাজৰ সদস্যৰূপে গণ্য। এনে প্ৰকাৰে দাসবোৰে হয়তো সৰ্বহাৰাসকলতকৈ এটি ভাল জীৱিকাৰ উপায় পাব পাৰে, কিন্তু সৰ্বহাৰাসকল সমাজ বিকাশৰ এটি উচ্চ স্তৰভুক্ত আৰু নিজে দাসতকৈ উন্নততৰ স্তৰত অৱস্থান কৰে। দাসে নিজকে মুক্ত কৰে ব্যক্তিগত সম্পত্তিৰে সৈতে সকলো সম্পৰ্কৰ ভিতৰত একমাত্ৰ দাসত্বৰ সম্পৰ্ক উচ্ছেদ কৰি, আৰু তেনেদৰে কৰিহে মাথোন নিজে

সৰ্বহাৰাত পৰিণত হয়। সৰ্বহাৰাই নিজকে মুক্ত কৰিব পাৰে মাথো সাধাৰণভাৱে ব্যক্তিগত সম্পত্তিৰ উচ্ছেদ কৰিয়েই।

**৮ নং প্ৰশ্ন:** সৰ্বহাৰা কি প্ৰকাৰে ভূমিদাসতকৈ পৃথক?

**উত্তৰ:** ভূমিদাসৰ উৎপাদনৰ নিজস্ব সা-সঁজুলি থাকে আৰু কামত লগায়; এডোখৰ মাটি থাকে, বিনিময়ত তাৰপৰা উৎপন্ন কৰা শস্যৰ এটি অংশ তেওঁ হস্তান্তৰ কৰে নতুবা কাম কৰি দিয়ে। সৰ্বহাৰাসকলে আনৰ অধিকাৰত থকা উৎপাদনৰ সঁজুলিৰে এই অন্যজনৰ উপকাৰৰ বাবে কাম কৰে, যাৰ বিনিময়ত উৎপাদনৰ এটি অংশ পায়। ভূমিদাসে দিয়ে, সৰ্বহাৰাক দিয়া হয়। ভূমিদাসৰ জীৱনধাৰণৰ নিশ্চয়তা আছে, সৰ্বহাৰাৰ নাই। ভূমিদাস প্ৰতিযোগিতাৰ বহিৰ্ভুক্ত, সৰ্বহাৰা অন্তৰ্ভুক্ত। ভূমিদাসসকলে চহৰলৈ আঁতৰি গৈ নিজকে মুক্ত কৰে আৰু তাত হস্তশিল্পী হয় নতুবা তেওঁৰ জমিদাৰক শ্ৰম আৰু উৎপাদিত সামগ্ৰীৰ পৰিৱৰ্তে ধন দি মুক্ত হয়, অনুৰূপ প্ৰকাৰে মুক্ত মাটিৰ মালিক হয়; নতুবা তেওঁৰ সামন্ত প্ৰভুক খেদি নিজে মালিক হয়; চমুকৈ, যিকোনো প্ৰকাৰে সম্পত্তিবান শ্ৰেণী আৰু প্ৰতিযোগিতাৰ অন্তৰ্ভুক্ত হয়। সৰ্বহাৰাই নিজকে মুক্ত কৰে প্ৰতিযোগিতা, ব্যক্তিগত সম্পত্তি আৰু সকলো শ্ৰেণী বিভাজন নোহোৱা কৰি।

**৯ নং প্ৰশ্ন:** সৰ্বহাৰাসকল কি প্ৰকাৰে হস্তশিল্পীসকলৰপৰা পৃথক?*

**১০ নং প্ৰশ্ন:** সৰ্বহাৰাসকল কি প্ৰকাৰে কুটিৰ শিল্পৰ যন্ত্ৰশালৰ শ্ৰমিকৰপৰা পৃথক?

**উত্তৰ:** ষোলৰপৰা ওঠৰ শতিকালৈ প্ৰায় সৰ্বত্ৰ কুটিৰ শিল্পৰ যন্ত্ৰশালৰ শ্ৰমিকসকল তেতিয়াও উৎপাদনৰ সঁজুলি — তাঁতশাল, পৰিয়ালৰ সূতাকটা যন্ত্ৰ আৰু সামান্য এডৰা মাটিৰ গৰাকী আছিল, য'ত তেওঁ আজৰি সময়ত খেতি কৰিছিল। সৰ্বহাৰাসকলৰ এইবোৰ একো নাই। কুটিৰ শিল্পৰ যন্ত্ৰশালৰ শ্ৰমিক প্ৰায় সদায়ে একমাত্ৰ গাঁৱত বাস কৰে, আৰু তেওঁৰ জমিদাৰ বা তেওঁক কৰ্মসংস্থানৰ উপায় দিওঁতাজনৰে সৈতে কম-বেছি পৰিমাণে পিতৃতান্ত্ৰিক সম্পৰ্কৰ মাজত থাকে; আনহাতে সৰ্বহাৰাসকল বাস কৰে প্ৰায়ে বৃহৎ চহৰত আৰু তেওঁক চাকৰি দিওঁতাৰে সৈতে তেওঁৰ সম্পৰ্ক সম্পূৰ্ণৰূপে ধনৰ সম্পৰ্ক। বৃহৎ আকাৰৰ উদ্যোগে কুটিৰ শিল্পৰ যন্ত্ৰশালৰ শ্ৰমিকক পিতৃতান্ত্ৰিক সম্পৰ্কৰপৰা বিচ্ছিন্ন কৰে। তেওঁ তেতিয়ালৈকে থকা

---

* পাণ্ডুলিপিত এঙ্গেলছে এই প্ৰশ্নৰ উত্তৰৰ কাৰণে খালি ঠাই এৰি গৈছিল। — সম্পাঃ

নিজ সম্পত্তি হেৰুৱায় আৰু তাৰ ফলত কেৱল তেতিয়াহে সৰ্বহাৰাত পৰিণত হয়।

**১১ নং প্ৰশ্ন:** ঔদ্যোগিক বিপ্লৱ আৰু সমাজ বুৰ্জোৱা আৰু সৰ্বহাৰালৈ বিভক্ত হোৱাৰ প্ৰত্যক্ষ ফলবোৰ কি আছিল?

**উত্তৰ:** প্ৰথমতে, যান্ত্ৰিক শ্ৰমৰ ফলস্বৰূপে ঔদ্যোগিক উৎপাদন সামগ্ৰীৰ দাম ক্ৰমাগতভাৱে হ্ৰাস পালে, সেয়ে কায়িক শ্ৰমৰ ওপৰত প্ৰতিষ্ঠিত কুটিৰ শিল্পৰ যন্ত্ৰশাল বা উদ্যোগৰ প্ৰাচীন ব্যৱস্থা পৃথিৱীৰ সকলো দেশত সম্পূৰ্ণৰূপে ধ্বংস হ'ল। ঐতিহাসিক বিকাশৰপৰা কম-বেছি পৰিমাণে সেই সময়লৈকে বিচ্ছিন্ন হৈ থকা সকলো অৰ্দ্ধ-বৰ্বৰ দেশ আৰু যিবোৰৰ উদ্যোগ তেতিয়ালৈকে কুটিৰ শিল্পৰ যন্ত্ৰশালৰ ওপৰত ভৰ কৰি আছিল, সেইবোৰক বিচ্ছিন্নতাৰপৰা বলেৰে ছিন্ন কৰি অনা হ'ল। সেইবোৰ দেশে ইংলণ্ডৰ সস্তীয়া সামগ্ৰী কিনিবলৈ ধাবিলে আৰু নিজৰ কুটিৰ শিল্পৰ যন্ত্ৰশালৰ শ্ৰমিকসকলক ধ্বংসৰ মুখলৈ ঠেলি দিলে। এনেদৰে, যিবোৰ দেশ যুগ যুগ ধৰি আগ নবঢ়াকৈ নিশ্চল হৈ আছিল, যেনে ভাৰতবৰ্ষ, সেইবোৰ ওপৰৰপৰা তললৈ বিপ্লৱমুখৰ হৈ পৰিছে আৰু আনকি চীন দেশেও এতিয়া বিপ্লৱৰ অভিমুখে গতি কৰিছে। এনেদৰে বৰ্তমান ইংলণ্ডত আৱিষ্কাৰ কৰা এটি যন্ত্ৰই এবছৰৰ ভিতৰতে চীনৰ লাখ লাখ শ্ৰমিকক কৰ্মহীন কৰি মুখৰ ভাতমুঠি কঢ়াৰ অৱস্থা পাইছেগৈ। এনে প্ৰকাৰে বৃহৎ আকাৰৰ উদ্যোগে পৃথিৱীৰ সকলো জাতিৰ মানুহৰ মাজত এটি পৰস্পৰ সম্পৰ্ক গঢ়ি তুলিছে, সকলো ক্ষুদ্ৰ স্থানীয় বজাৰক এখনি বিশ্ববজাৰত পৰিণত কৰিছে, সকলো ঠাইতে সভ্যতা আৰু প্ৰগতিৰ কাৰণে পথ উন্মোচন কৰিছে আৰু ই এনে এটি অৱস্থাত উপনীত হৈছে যে, সভ্য দেশবোৰত যেতিয়া কিবা এটি ঘটে, তেতিয়া অন্যান্য সকলো দেশতে ইয়াৰ প্ৰতিক্ৰিয়া হ'ব লাগিব। এনেদৰে এতিয়া ইংলণ্ড নতুবা ফ্ৰান্সৰ শ্ৰমিকসকলে যদি নিজকে মুক্ত কৰে, তেনেহলে ই নিশ্চয় অন্যান্য সকলো দেশত বিপ্লৱৰ সূচনা কৰিব, যি সোনকালে বা পলমকৈ হলেও সেইবোৰ ঠাইতো শ্ৰমিকসকলক মুক্তিৰ দুৱাৰদলিলৈ আগুৱাই নিব।

দ্বিতীয়তে, য'তেই বৃহৎ আকাৰৰ উদ্যোগে কুটিৰ শিল্পৰ যন্ত্ৰশালৰ স্থান অধিকাৰ কৰিছে, তাতেই ঔদ্যোগিক বিপ্লৱে সৰ্বোচ্চ মাত্ৰালৈ বুৰ্জোৱা শ্ৰেণীৰ, ইয়াৰ সম্পদ আৰু শক্তিৰ বিকাশসাধন কৰিছে আৰু তেওঁলোকক দেশত প্ৰথম শ্ৰেণী কৰি তুলিছে। ইয়াৰ ফলস্বৰূপে, য'তেই এনে ঘটিছে, তাতেই বুৰ্জোৱা শ্ৰেণীয়ে ৰাজনৈতিক ক্ষমতা নিজ হাতত তুলি লৈছে আৰু

পূৰ্বৰ শাসক শ্ৰেণী — অভিজাত শ্ৰেণী আৰু গিল্ড-গোষ্ঠীৰ আৰু দুয়োকে প্ৰতিনিধিত্ব কৰা একচ্ছত্ৰী ৰাজতন্ত্ৰক বহিষ্কাৰ কৰিছে। বুৰ্জোৱা শ্ৰেণীয়ে অভিজাত, ডা-ডাঙৰীয়াসকলৰ ক্ষমতা ধ্বংস কৰে — ভূসম্পত্তিৰ উত্তৰাধিকাৰ নতুবা ভূসম্পত্তিৰ বিক্ৰী নিষেধ কৰাৰ আৰু ডা-ডাঙৰীয়াসকলে ভোগ কৰা সমস্ত বিশেষ সা-সুবিধা বিলোপ কৰাৰ মাজেৰে। বুৰ্জোৱা শ্ৰেণীয়ে গিল্ড-নাগৰিকসকলৰ ক্ষমতা ধ্বংস কৰে, সকলো গিল্ড আৰু বৃত্তিৰ সদস্যসকলৰ বাণিজ্য সম্পৰ্কীয় বিশেষ সুবিধাবোৰ নোহোৱা কৰিলে। এই দুয়োৰে ঠাই পূৰণ কৰে মুক্ত প্ৰতিযোগিতাই অৰ্থাৎ এনে এবিধ সমাজ অৱস্থাই, য'ত প্ৰত্যেকৰে ইচ্ছানুযায়ী উদ্যোগৰ যিকোনো শাখাত নিযুক্ত হোৱাৰ অধিকাৰ আছে আৰু য'ত প্ৰয়োজনীয় পুঁজিৰ অভাৱৰ বাহিৰে অন্য একোৱে এজনক বাধা দিব নোৱাৰে। গতিকে মুক্ত প্ৰতিযোগিতাৰ প্ৰচলন এটি ৰাজহুৱা ঘোষণাৰ দৰে, অৰ্থাৎ ইয়াৰ পাছৰেপৰা সমাজৰ সদস্যসকল মাত্ৰ তেতিয়ালৈকেহে অসমান, যেতিয়ালৈকে তেওঁলোকৰ পুঁজি অসমান, সেই পুঁজিয়েই হ'ল চূড়ান্ত শক্তি আৰু সেই কাৰণেই পুঁজিপতিসকল, বুৰ্জোৱাসকল, সমাজত প্ৰথম শ্ৰেণীৰ হৈ পৰিছে। কিন্তু বৃহৎ আকাৰৰ উদ্যোগৰ আৰম্ভণিতে মুক্ত প্ৰতিযোগিতাৰ প্ৰয়োজন, কাৰণ ই হ'ল সমাজৰ একমাত্ৰ অৱস্থা, য'ত বৃহৎ আকাৰৰ উদ্যোগে মূল দাঙিব পাৰে। বুৰ্জোৱা শ্ৰেণীয়ে, এনেদৰে ডা-ডাঙৰীয়া আৰু গিল্ড-নাগৰিকসকলৰ সামাজিক ক্ষমতা ধ্বংস কৰাৰ পাছতেই তেওঁলোকৰ ৰাজনৈতিক ক্ষমতাও ধ্বংস কৰে। সমাজত প্ৰথম শ্ৰেণীৰ অধিকাৰী হৈ বুৰ্জোৱাসকলে নিজকে ৰাজনৈতিক ক্ষেত্ৰতো প্ৰথম শ্ৰেণীৰ বুলি ঘোষণা কৰে। আইনৰ চকুত বুৰ্জোৱা সমতাৰ ওপৰত প্ৰতিনিধিত্বমূলক ব্যৱস্থা স্থাপনেৰে আৰু মুক্ত প্ৰতিযোগিতাক আইনতঃ স্বীকৃতি প্ৰদানেৰে তেওঁলোকে এনে কৰে, আৰু ইয়াৰ ফলতে ইউৰোপীয় দেশবোৰত সাংবিধানিক ৰাজতন্ত্ৰৰ ৰূপ প্ৰৱৰ্তন হয়। এনেবোৰ সাংবিধানিক ৰাজতন্ত্ৰৰ অধীনত মাত্ৰ সেইসকলহে নিৰ্বাচক হয় যাৰ কিছু পৰিমাণৰ পুঁজি আছে, অৰ্থাৎ বুৰ্জোৱাসকল। এই বুৰ্জোৱা নিৰ্বাচকসকলে প্ৰতিনিধি নিৰ্বাচিত কৰে, আৰু এইবোৰ বুৰ্জোৱা প্ৰতিনিধিয়ে নিজৰ সুবিধাৰ কাৰণে কৰ কাটল অস্বীকাৰ কৰাৰ উপায়েৰে এখনি বুৰ্জোৱা চৰকাৰ নিৰ্বাচিত কৰে।

তৃতীয়তে, ঔদ্যোগিক বিপ্লৱে সৰ্বহাৰাসকলক সৃষ্টি কৰিলে ঠিক বুৰ্জোৱাসকলক সৃষ্টি কৰাৰ লেখীয়া একে মাত্ৰাত। বুৰ্জোৱাসকলৰ যি অনুপাতে ধন-সম্পদ বৃদ্ধি পালে সেই অনুপাতে সৰ্বহাৰাসকলৰ সংখ্যা

বৃদ্ধি পালে। যিহেতু সৰ্বহাৰাসকলক মাথোন ধনৰ মোনাইহে চাকৰিত নিযুক্ত কৰিব পাৰে আৰু যিহেতু বনুৱাক নিযুক্ত কৰিলেহে মাথোন ধনৰ মোনা শকত হয়, গতিকে ধনৰ মোনা বা পুঁজি বৃদ্ধিৰে সৈতে ঠিক একে গতিৰে সৰ্বহাৰা বৃদ্ধি পায়। একে সময়তে বুৰ্জোৱা আৰু সৰ্বহাৰাসকল সমবেত হয় বৃহৎ নগৰ-চহৰত, য'ত অতি লাভজনকভাৱে শিল্প-উদ্যোগ চলাব পাৰি আৰু **এডোখৰ** ঠাইতে ইমানবোৰ মানুহ একগোট হোৱাৰ ফলত সৰ্বহাৰাসকল তেওঁলোকৰ শক্তিৰ বিষয়ে সজাগ হৈ পৰে। আকৌ, যিমানে বৃহৎ আকাৰৰ উদ্যোগৰ বিকাশসাধন হয়, সিমানে অধিক যন্ত্ৰ আৱিষ্কাৰ হয়, যি কায়িক শ্ৰম স্থানচ্যুত কৰে, আমি ইতিমধ্যে কোৱাৰ লেখীয়া ব্যাপক আকাৰৰ উদ্যোগে সিমানে বেছিকৈ মজুৰিবিলাক সিবোৰৰ সৰ্বনিম্ন পৰিমাণলৈ অৱনতি ঘটায়, আৰু ইয়াৰ ফলত সৰ্বহাৰাসকলৰ দুঃখ-কষ্ট কুলাই পাচিয়ে নধৰা হয়। এনেদৰে এহাতে, সৰ্বহাৰাসকলৰ অসন্তোষ বৃদ্ধি আৰু অন্যহাতে ইয়াৰ শক্তি বৃদ্ধি পায়, যাৰ ফলস্বৰূপে ঔদ্যোগিক বিপ্লৱে সৰ্বহাৰাসকলৰ দ্বাৰা সামাজিক বিপ্লৱৰ কাৰণে পথ প্ৰস্তুত কৰে।

**১২ নং প্ৰশ্ন:** ঔদ্যোগিক বিপ্লৱৰ অন্যান্য ফলবোৰ কি?

**উত্তৰ:** বাষ্প-চালিত ইঞ্জিন আৰু অন্যান্য যন্ত্ৰেৰে বৃহৎ আকাৰৰ উদ্যোগে কম সময়ৰ ভিতৰতে আৰু সামান্য ব্যয় কৰি ঔদ্যোগিক উৎপাদন অসীমিত পৰিমাণে বৃদ্ধি কৰাৰ উপায় সৃষ্টি কৰিলে। ব্যাপক আকাৰৰ উদ্যোগৰ অপৰিহাৰ্য্য ফল — মুক্ত প্ৰতিযোগিতাই শীঘ্ৰে এটি অসম্ভৱ তীব্ৰ প্ৰকৃতিৰ উৎপাদনৰ সা-সুবিধা বাহিৰ কৰিলে; অধিক সংখ্যক পুঁজিপতিয়ে নিজকে উদ্যোগত নিয়োজিত কৰিলে আৰু অতি সোনকালে প্ৰয়োজনতকৈ উৎপাদন বেছি হ'ল। ফলস্বৰূপে উৎপাদিত সামগ্ৰীৰ বিক্ৰী নহ'ল আৰু তথাকথিত বাণিজ্য সংকট উদ্ভৱ হ'ল। কল-কাৰখানাবোৰ অচল হৈ পৰিল, কাৰখানাৰ মালিক দেউলীয়া হ'ল আৰু শ্ৰমিকৰ মুখৰ ভাতমুঠিৰ উপায় হৰিল। সকলো ঠাইতে অকথনীয় দুঃখ-কষ্টই বিৰাজ কৰিলে। কিছু বিৰতিৰ পিছত অতিৰিক্ত সামগ্ৰীবোৰ বিক্ৰী হ'ল, কল-কাৰখানাবোৰ পুনৰ গা-জোকাৰি সচল হৈ উঠিল, দৰমহা বৃদ্ধি পালে আৰু লাহে লাহে ব্যৱসায় পূৰ্বতকৈ অধিক ক্ষিপ্ৰ হৈ পৰিল। কিন্তু বেছি দিন নৌহওঁতেই পুনৰ অতিমাত্ৰাত সামগ্ৰী উৎপাদন হ'ল, আন এটি সংকট মূৰ দাঙি উঠিল আৰু পূৰ্বৰ সংকটৰ দৰে একে পথ ধৰিলে। এনেকৈয়ে এই শতিকাৰ সূচনাৰেপৰা উদ্যোগ ব্যৱস্থা সমৃদ্ধি আৰু সংকটৰ মাজত ক্ৰমাগতভাৱে উঠা-নমা কৰি আছে আৰু অনুৰূপ সংকট পাঁচৰপৰা সাত বছৰৰ প্ৰায় নিয়মিত বিৰতিৰ

মূৰে মূৰে সৃষ্টি হৈ আছে, যি প্ৰত্যেকবাৰেই শ্ৰমিকসকলৰ বাবে বহন কৰি আনিছে পূৰ্বতকৈ অধিক অসহনীয় দুঃখ-কষ্ট, সাধাৰণ বৈপ্লৱিক আলোড়ন আৰু বৰ্তমানৰ সমগ্ৰ ব্যৱস্থাৰ বাবে ঘোৰতৰ বিপদ।

**১৩ নং প্ৰশ্ন:** এইবোৰ নিয়মিত বাণিজ্য সংকটৰপৰা কি সিদ্ধান্তত উপনীত হ'ব পাৰি?

**উত্তৰ:** প্ৰথমতে, ব্যাপক আকাৰৰ উদ্যোগে নিজ বিকাশৰ প্ৰাৰম্ভিক স্তৰত যদিও নিজে মুক্ত প্ৰতিযোগিতা সৃষ্টি কৰিছিল, এতিয়া ই মুক্ত প্ৰতিযোগিতাক চেৰ পেলাই গৈছে; সেই প্ৰতিযোগিতা আৰু সাধাৰণভাৱে ব্যক্তিবিশেষে ঔদ্যোগিক উৎপাদন অব্যাহত ৰখাটো, ব্যাপক আকাৰৰ উদ্যোগৰ কাৰণে এটি প্ৰতিবন্ধক হৈ পৰিছে, যাক ই নিশ্চয় ভঙ্গ কৰিব লাগিব আৰু কৰিব; ব্যাপক আকাৰৰ উদ্যোগ যেতিয়ালৈকে বৰ্তমানৰ ধৰণে পৰিচালিত হয়, তেতিয়ালৈকে ই মাথো প্ৰতি সাত বছৰৰ অন্তৰে অন্তৰে পুনৰ সাধাৰণ বিশৃংখলতাৰ মাজেৰে বৰ্তি থাকিব পাৰিব, যি প্ৰতিবাৰে সমগ্ৰ সভ্যতাক বিপদাপন্ন কৰে — সৰ্বহাৰাসকলক দুঃখ-কষ্টৰ বোকাত নিমজ্জিত কৰিয়েই নহয়, বৰং লগতে বহুসংখ্যক বুৰ্জোৱাবো ধ্বংস মাতি আনে; গতিকে হয় বৃহৎ আকাৰৰ উদ্যোগ পৰিহাৰ কৰিব লাগিব, যিটো একেবাৰে অসম্ভৱ, নতুবা ই সম্পূৰ্ণৰূপে সমাজৰ এক নতুন সংগঠন নিশ্চিতৰূপে প্ৰয়োজনীয় কৰি তুলিছে, যি সমাজত এজনে আন এজনৰ বিৰুদ্ধে প্ৰতিযোগিতা চলাই গাইগুটীয়া কাৰখানাৰ গৰাকীবোৰৰ দ্বাৰা ঔদ্যোগিক উৎপাদন আৰু পৰিচালিত নহ'ব, বৰং সমগ্ৰ সমাজে এখনি নিৰ্দিষ্ট আঁচনি আৰু সকলোৰে প্ৰয়োজন অনুসৰি ঔদ্যোগিক উৎপাদন পৰিচালনা কৰিব।

দ্বিতীয়তে, বৃহৎ আকাৰৰ উদ্যোগ আৰু যি অসীমিত উৎপাদন সম্প্ৰসাৰণ সম্ভৱ কৰি তুলিছে তাৰ ফলত এনে এটি সামাজিক ব্যৱস্থাৰ উদ্ভৱ হ'ব পাৰে, য'ত জীৱনৰ সকলো প্ৰয়োজনীয় সামগ্ৰী ইমান উৎপাদন কৰা হ'ব যাতে সমাজৰ প্ৰত্যেক ব্যক্তিয়ে পূৰ্ণতম স্বাধীনতাৰে তেওঁৰ সকলো শক্তি আৰু সামৰ্থ্যৰ বিকাশসাধন কৰিবলৈ আৰু প্ৰয়োগ কৰিবলৈ সক্ষম হয়। এনেদৰে, ঠিক সেই ধৰণৰ ব্যাপক আকাৰৰ উদ্যোগে যি বৰ্তমান সমাজত সকলো দুঃখ-কষ্ট আৰু সকলো বাণিজ্য সংকট সৃষ্টি কৰে, সেই ঠিক একেটিয়ে আকৌ এক ভিন্ন সামাজিক সংগঠনৰ অধীনত, সেই একে দুঃখ-কষ্ট আৰু সেইবোৰ ধ্বংসাত্মক উঠা-নমা নিৰ্মূল কৰিব।

গতিকে ই স্পষ্টৰূপে প্ৰমাণিত:

১। যে এতিয়াৰেপৰা এই সকলোবোৰ ব্যাধি সম্পূৰ্ণৰূপে সামাজিক

ব্যৱস্থাৰ ওপৰত আৰোপ কৰিব পাৰি, যাৰ বৰ্তমান পৰিস্থিতিৰ লগত মিল নাই;

২। যে নতুন সামাজিক ব্যৱস্থা প্ৰতিষ্ঠাৰ মাধ্যমেদি এইবোৰ ব্যাধি সম্পূৰ্ণৰূপে নোহোৱা কৰাৰ কাৰণে উপায় হাতৰ মুঠিত আছে।

**১৪ নং প্ৰশ্ন:** কেনে প্ৰকাৰৰ এই নতুন সামাজিক ব্যৱস্থা হ'ব?

**উত্তৰ:** প্ৰথমতে, নতুন সামাজিক ব্যৱস্থাই উদ্যোগ আৰু সাধাৰণভাৱে উৎপাদনৰ সকলো শাখাৰ পৰিচালনাৰ ভাৰ নিজৰ ভিতৰত প্ৰতিযোগিতা কৰা বেলেগ ব্যক্তিৰ হাতৰপৰা নিজৰ হাতলৈ আনিব আৰু সমগ্ৰ সমাজৰ হৈ উৎপাদনৰ এই সকলো শাখাকেই পৰিচালনা কৰিব সামূহিকভাৱে, অৰ্থাৎ সামাজিক কল্যাণৰ কাৰণে এখন সামাজিক পৰিকল্পনা অনুসৰি আৰু সমাজৰ সকলো সদস্যৰ অংশ গ্ৰহণৰ দ্বাৰা। এনেদৰে ই প্ৰতিযোগিতা মষিমূৰ কৰিব আৰু তাৰ স্থান অধিকাৰ কৰিব সংঘই। যিহেতু ব্যক্তিবিশেষে উদ্যোগ পৰিচালনা কৰাৰ ফলত অপৰিহাৰ্য্যভাৱে ব্যক্তিগত মালিকানা গঢ়ি উঠে আৰু যিহেতু প্ৰতিযোগিতা ব্যক্তিগত মালিকে উদ্যোগ পৰিচালনা কৰাৰ এটা পদ্ধতিহে মাথো, গতিকে ব্যক্তিগত মালিকানাক ব্যক্তিবিশেষৰ দ্বাৰা উদ্যোগ পৰিচালনা আৰু প্ৰতিযোগিতাৰপৰা পৃথক কৰিব নোৱাৰি। সেইহেতুকে ব্যক্তিগত মালিকানা ব্যৱস্থাও নোহোৱা কৰিব লাগিব আৰু তাৰ ঠাইত উৎপাদনৰ সকলো সা-সৰঞ্জামৰ সমূহীয়া ব্যৱহাৰ আৰু উৎপাদিত সকলো সামগ্ৰী সমূহীয়া চুক্তিৰে বিতৰণৰ ব্যৱস্থা কৰিব লাগিব নতুবা তেনে ধৰণৰ সমূহীয়া সামগ্ৰীৰে। ব্যক্তিগত মালিকানা নোহোৱা কৰাটো আনকি অতি সংক্ষিপ্ত আৰু শিল্পোন্নয়নৰ পৰিণতি স্বৰূপে অপৰিহাৰ্য্যভাৱে ঘটা সমগ্ৰ সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তনৰ অতি বৈশিষ্ট্যপূৰ্ণ থূলমূল অভিব্যক্তি আৰু সেই বাবে কমিউনিষ্টসকলে ইয়াক প্ৰধান দাবী স্বৰূপে উত্থাপন কৰাটো শুদ্ধ কথা।

**১৫ নং প্ৰশ্ন:** এতেকে, পূৰ্বে ব্যক্তিগত সম্পত্তিৰ বিলোপসাধন কৰাটো সম্ভৱ নাছিল?

**উত্তৰ:** স'চা কথা। সামাজিক ব্যৱস্থাৰ প্ৰতিটো পৰিৱৰ্তন, সম্পত্তিৰ সম্বন্ধত প্ৰত্যেকটো বিপ্লৱ নতুন উৎপাদিকা শক্তি সৃষ্টিৰ অপৰিহাৰ্য্য ফল, যাৰ পুৰণি সম্পত্তি সম্বন্ধেৰে সৈতে কোনো মিল নাই। ব্যক্তিগত সম্পত্তি নিজে এই প্ৰকাৰে উদ্ভৱ হয়। কাৰণ ব্যক্তিগত সম্পত্তি সদায় নাছিল; কিন্তু মধ্য যুগৰ শেষৰ পিনে কুটিৰ শিল্পৰ যন্ত্ৰশালৰ ৰূপত উৎপাদনৰ এটি নতুন

পদ্ধতি প্ৰৱৰ্তন হ'ল, যিটো তেতিয়াৰ চলিত সামন্তীয় আৰু গিল্ড সম্পত্তিৰে সৈতে সামঞ্জস্যহীন আছিল, যি পুৰণি সম্পত্তি সম্বন্ধক চেব পেলায়, এটি নতুন প্ৰকাৰৰ স্বত্ব — ব্যক্তিগত মালিকানা স্বত্ব সৃষ্টি কৰিলে। কুটিৰ শিল্পৰ যন্ত্ৰশালৰ কালছোৱাত আৰু বৃহৎ আকাৰৰ শিল্পৰ বিকাশসাধনৰ প্ৰথম স্তৰত ব্যক্তিগত মালিকানা স্বত্বৰ পৰিৱৰ্তে অন্য প্ৰকাৰৰ সম্পত্তিব্যৱস্থা সম্ভৱ নাছিল, আৰু ব্যক্তিগত মালিকানা স্বত্বৰ ওপৰত প্ৰতিষ্ঠাৰ বাহিৰে অন্য সমাজব্যৱস্থাও সম্ভৱ নাছিল। যেতিয়ালৈকে সকলোকে যোগান ধৰাৰ যথেষ্ট উৎপাদন কৰিব নোৱাৰি, বৰং লগতে সামাজিক পুঁজি-বৃদ্ধি আৰু উৎপাদিকা শক্তিৰ অধিক বিকাশসাধনৰ অৰ্থে অতিৰিক্ত সামগ্ৰীও সৰবৰাহ কৰিব নোৱাৰি, তেতিয়ালৈকে সমাজৰ উৎপাদিকা শক্তিক শাসন কৰা এটি শাসক শ্ৰেণী আৰু এটি দৰিদ্ৰ, উৎপীড়িত শ্ৰেণী সদায় থাকিব। কি প্ৰকাৰে এইবোৰ শ্ৰেণী গঠিত হয়, সেইটো নিৰ্ভৰ কৰিব উৎপাদন ব্যৱস্থাৰ বিকাশৰ স্তৰৰ ওপৰত। মধ্য যুগত ই নিৰ্ভৰশীল আছিল কৃষিক্ষেত্ৰৰ ওপৰত — আমি তেতিয়া পাইছিলোঁ ভূস্বামী আৰু ভূমিদাস; মধ্য যুগৰ শেষৰ ফালে চহৰবোৰত আমি দেখা পালোঁ — গিল্ড-স্বামী, তেওঁৰ সহায়কাৰী কৰ্মী আৰু দিন হাজিৰা কৰা লোক; সোতৰ শতিকাত সৃষ্টি হ'ল কুটিৰ শিল্পৰ যন্ত্ৰশালৰ মালিক আৰু তেওঁৰ কৰ্মী বনুৱা; উনৈশ শতিকাত উদ্ভৱ হ'ল বৃহৎ কাৰখানাৰ মালিক আৰু সৰ্বহাৰা। এইটো স্পষ্ট যে, সেই পৰ্য্যন্ত সকলোৰে কাৰণে যথেষ্ট উৎপাদন কৰিব পৰাকৈ উৎপাদিকা শক্তি যথেষ্ট ব্যাপকভাৱে উন্নত হোৱা নাছিল কিম্বা ব্যক্তিগত সম্পত্তি এইবোৰ উৎপাদিকা শক্তিৰ পক্ষে শৃংখল, প্ৰতিবন্ধক হৈ উঠিব পৰাকৈ। এতিয়া অৱশ্যে বৃহৎ আকাৰৰ উদ্যোগৰ বিকাশসাধনে যেতিয়া **প্ৰথমতে**, পুঁজি আৰু উৎপাদনী শক্তি যেতিয়া পূৰ্বে নজনা নুশুনা আকাৰে সৃষ্টি কৰিলে আৰু কম সময়ৰ ভিতৰতে এইবোৰ উৎপাদিকা শক্তি অভাৱনীয়ভাৱে বৃদ্ধি কৰাৰ উপায় যিহেতু আছে; **দ্বিতীয়তে**, যেতিয়া এইবোৰ উৎপাদিকা শক্তি এমুঠি বুৰ্জোৱাৰ হাতত কেন্দ্ৰীভূত, আনহাতে অধিক সংখ্যক লোক সৰ্বহাৰাৰ শ্ৰেণীভুক্ত হৈছে আৰু তেওঁলোকৰ অসহ্য দুঃখ-কষ্ট সীমাহীনভাৱে ক্ৰমশঃ বৃদ্ধি পাইছে ঠিক বুৰ্জোৱাসকলৰ সম্পদ বৃদ্ধি পোৱাৰ মাত্ৰাৰে; **তৃতীয়তে**, যেতিয়া এইবোৰ শক্তিশালী আৰু সহজে বৃদ্ধি কৰিব পৰা উৎপাদিকা শক্তিয়ে ইমান বেছি পৰিমাণে ব্যক্তিগত সম্পত্তি আৰু বুৰ্জোৱাসকলক চেব পেলাই গৈছে যে, সেইবোৰে প্ৰতি মুহূৰ্ততে সমাজ ব্যৱস্থাত তীব্ৰ আলোড়ন সৃষ্টি কৰে — সেই অৱস্থাত মাথোন এতিয়া

ব্যক্তিগত **সম্পত্তিৰ** বিলোপসাধন কৰাটো কেৱল **সম্ভৱেই** যে হৈ উঠিছে এনে নহয়, বৰং লগতে অতীব প্ৰয়োজনীয়ও আনকি হৈ পৰিছে।

**১৬ নং প্ৰশ্ন**: শান্তিপূৰ্ণ পদ্ধতিৰে ব্যক্তিগত সম্পত্তিৰ বিলোপসাধন সম্ভৱ হব নে?

**উত্তৰ**: এনে কৰিব পাৰি বুলি ভবাত কোনো ভুল নাই আৰু কমিউনিষ্টসকলে নিশ্চয় কেতিয়াও ইয়াক বাধা নিদিয়ে। কমিউনিষ্টসকলে অতি ভালদৰে জানে যে, সকলো ধৰণৰ ষড়যন্ত্ৰ মাথো অনৰ্থকেই নহয় বৰং আনকি ক্ষতিকাৰকো। তেওঁলোকে মাথো অতি ভালদৰে জানে যে বিপ্লৱ ইচ্ছাকৃত আৰু মইমতীয়াভাৱে সংঘটিত নহয়, বৰং সৰ্বত্ৰ আৰু সৰ্বসময়তে বিশেষ বিশেষ পাৰ্টি আৰু সমগ্ৰ শ্ৰেণীবোৰৰ ইচ্ছা আৰু নেতৃত্বত মুঠেই নিৰ্ভৰ নকৰি পৰিস্থিতিৰ প্ৰয়োজনীয় ফলস্বৰূপেহে বিপ্লৱবোৰ সংঘটিত হৈ আহিছে। কিন্তু তেওঁলোকে আকৌ অনুভৱ কৰে যে, প্ৰায় প্ৰত্যেক সভ্য দেশতে সৰ্বহাৰাৰ বিকাশক বলপূৰ্বক দমন কৰা হয় আৰু তেনেদৰে কমিউনিষ্টৰ বিৰোধীসকলে সকলো প্ৰকাৰে সৰ্বশক্তিৰে বিপ্লৱ অভিমুখে ঠেলি পঠিয়ায়। অৱশেষত উৎপীড়িত সৰ্বহাৰাক যদি বিপ্লৱৰ মুখলৈ ঠেলি পঠিয়ায়, তেতিয়া আমি কমিউনিষ্টসকলে হাতে-কামে সৰ্বহাৰাসকলৰ উদ্দেশ্যক ৰক্ষা কৰিম — ঠিক এতিয়া কথাৰে কৰাৰ দৰেই।

**১৭ নং প্ৰশ্ন**: একে আঘাততে ব্যক্তিগত সম্পত্তিৰ বিলোপসাধন কৰাটো সম্ভৱ হ'ব নে?

**উত্তৰ**: নহয়। এইটো অসম্ভৱ কথা, যিদৰে **একে আঘাতত** সামাজিক অৰ্থনীতিৰ সম্পদ সৃষ্টিৰ কাৰণে প্ৰয়োজনীয় মাত্ৰালৈ বৰ্তমানৰ উৎপাদিকা শক্তিসমূহ বৃদ্ধি কৰিব নোৱাৰি, তেনেদৰেই সেইটোও সমানে অসম্ভৱ। গতিকে সৰ্বহাৰাৰ বিপ্লৱ, যিটো খুব সম্ভৱ ওচৰ চাপি আহিছে, সিয়েই ক্ৰমান্বয়ে মাথোন বৰ্তমানৰ সমাজ সলনি কৰিবলৈ সক্ষম হ'ব আৰু ব্যক্তিগত সম্পত্তিৰ অৱসান ঘটাব পাৰিব একমাত্ৰ যেতিয়া উৎপাদনৰ উপায়সমূহ প্ৰয়োজনীয় পৰিমাণে সৃষ্টি কৰা হ'ব।

**১৮ নং প্ৰশ্ন**: এই বিপ্লৱৰ ধাৰা কি হব?

**উত্তৰ**: সৰ্বপ্ৰথমে, ই **গণতান্ত্ৰিক ব্যৱস্থা** সৃষ্টি কৰিব আৰু অনুৰূপ প্ৰকাৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সৰ্বহাৰাৰ ৰাজনৈতিক আধিপত্য প্ৰৱৰ্তন কৰিব। প্ৰত্যক্ষভাৱে ইংলণ্ডত, য'ত সৰ্বহাৰাসকল ইতিমধ্যে সংখ্যাগৰিষ্ঠ; পৰোক্ষভাৱে ফ্ৰান্স আৰু জাৰ্মানীত, য'ত সৰ্বহাৰাৰ উপৰিও অধিকাংশ

লোক দৰিদ্ৰ কৃষক আৰু চহৰৰ পেটি-বুৰ্জোৱা, যাক এতিয়া মাথোন সৰ্বহাৰাত পৰিণত কৰা হৈছে আৰু যিসকলৰ ৰাজনৈতিক স্বাৰ্থ ক্ৰমশঃ অধিকতৰভাৱে সৰ্বহাৰাসকলৰ ওপৰত নিৰ্ভৰশীল হৈছে আৰু গতিকে শীঘ্ৰে সৰ্বহাৰাসকলৰ দাবীৰ ওচৰত সেও মানিব লাগিব। সম্ভৱ, ইয়াৰ বাবে এক দ্বিতীয় সংগ্ৰামৰ প্ৰয়োজন হ'ব, কিন্তু যাৰ অপৰিহাৰ্য্য সমাপ্তি ঘটিব সৰ্বহাৰাৰ বিজয়ত।

গণতন্ত্ৰ সৰ্বহাৰাসকলৰ বাবে সম্পূৰ্ণ অৰ্থহীন হ'ব, যদি ইয়াক ততালিকে ব্যক্তিগত মালিকানাৰ ওপৰত পোনপটীয়া আক্ৰমণ আৰু অধিক ব্যৱস্থা গ্ৰহণৰ সৰ্বহাৰাৰ অস্তিত্ব ৰক্ষাৰ উপায় নিশ্চিত কৰাৰ অৰ্থে উপায়স্বৰূপে ব্যৱহাৰ কৰা নহয়। ইতিমধ্যে এতিয়া বৰ্তমান সম্পৰ্কৰ পৰিণাম হিচাপে উদ্ভূত হোৱা এইবোৰ ব্যৱস্থাৰ ভিতৰত প্ৰধান হ'ল:

১। ব্যক্তিগত মালিকানাৰ সীমিতকৰণ: আয় বাঢ়ি যোৱাৰ লগে লগে ক্ৰমে বাঢ়ি যোৱা আয়-কৰ, উত্তৰাধিকাৰসূত্ৰে পোৱা সম্পত্তিৰ ওপৰত উচ্চ কৰ, ভাতৃ, ভাগিন ইত্যাদিয়ে উত্তৰাধিকাৰসূত্ৰে সম্পত্তি লাভ কৰা প্ৰথাৰ বিলোপসাধন, বাধ্যতামূলক ঋণ ইত্যাদি উপায়েৰে।

২। ভূস্বামী, কাৰখানাৰ মালিক, ৰেলৰে আৰু নৌপৰিবহণ ব্যৱস্থাৰ গৰাকীসকলৰ সম্পত্তি, আংশিকভাৱে ৰাষ্ট্ৰীয় উদ্যোগৰ প্ৰতিযোগিতাৰ মাধ্যমেদি আৰু অংশতঃ পোনপটীয়াভাৱে ধনৰে নিৰ্দ্ধাৰিত ক্ষতিপূৰণ দি ক্ৰমশঃ দখল কৰিব লাগিব।

৩। অধিকাংশ লোকৰ বিৰুদ্ধে বিদ্ৰোহ কৰোঁতাসকলৰ আৰু সকলো ভগনীয়া লোকৰ সম্পত্তি বাজেয়াপ্ত কৰিব লাগিব।

৪। সৰ্বহাৰাসকলৰ শ্ৰম বা কৰ্মসংস্থানক জাতীয় ভূমি-সম্পত্তিত, জাতীয় কল-কাৰখানা আৰু যন্ত্ৰশালত সংগঠিত কৰা, আৰু ইয়াৰ যোগেদি শ্ৰমিকসকলৰ নিজৰ মাজত প্ৰতিযোগিতাৰ অন্ত পেলাব লাগিব, আৰু এতিয়াও যিমান দিনলৈ আছে তেতিয়ালৈকে কাৰখানাৰ মালিকসকলক ৰাষ্ট্ৰই দিয়াৰ দৰে একে ধৰণৰ উচ্চ হাৰত মজুৰি দিবলৈ বাধ্য কৰাব লাগিব।

৫। ব্যক্তিগত মালিকানাৰ সম্পূৰ্ণ বিলোপসাধন নকৰালৈকে সমাজৰ সকলো সদস্যৰ কাম কৰাৰ সমদায়িত্ব থাকিব। ঔদ্যোগিক বিভিন্ন বাহিনী, বিশেষকৈ কৃষিৰ কাৰণে গঠন কৰিব লাগিব।

৬। ৰাষ্ট্ৰীয় পুঁজিৰে এটি জাতীয় বেংক স্থাপন কৰি, ঋণ আৰু বেংক-ব্যৱসায়ৰ ব্যৱস্থা ৰাষ্ট্ৰৰ হাতত কেন্দ্ৰীভূত কৰিব লাগিব আৰু সমস্ত ব্যক্তিগত বেংক আৰু বেংকৰ মালিকসকলক দমন কৰিব লাগিব।

৭। জাতীয় কল-কাৰখানা, যন্ত্ৰশাল, ৰে'ল আৰু নৌপৰিবহণৰ ব্যৱস্থা

প্ৰসাৰ, সকলো পতিত মাটিত খেতি বৃদ্ধি আৰু ইতিমধ্যে খেতি কৰা মাটি একে পৰিমাণে উন্নত কৰিব লাগিব, যি পৰিমাণে ৰাষ্ট্ৰৰ অধীনত পুঁজি আৰু শ্ৰমিক বৃদ্ধি পাব।

৮। জাতীয় প্ৰতিষ্ঠান আৰু জাতিৰ খৰচেৰে, মাতৃৰ সেৱা-যত্নৰ প্ৰয়োজন নোহোৱা প্ৰথম অৱস্থাৰপৰা সকলো শিশুৰ পঢ়াশুনাৰ ব্যৱস্থা কৰিব লাগিব। উৎপাদনেৰে সৈতে সাঙোৰ খোৱা শিক্ষা।

৯। উদ্যোগ তথা কৃষি ক্ষেত্ৰত নিয়োজিত নাগৰিকসকল একেলগে বাস কৰাৰ কাৰণে ৰাষ্ট্ৰীয় ভূমিত বৃহৎ ভৱন নিৰ্মাণ কৰিব লাগিব আৰু তাত চহৰীয়া তথা গ্ৰাম্যজীৱনৰ সা-সুবিধাবোৰ সমন্বয় ৰাখি প্ৰদান কৰিব লাগিব, যাতে নাগৰিকসকলে কোনোটোৰে পক্ষপাতিত্ব আৰু অসুবিধা ভোগ কৰিব নালাগে।

১০। সকলো অস্বাস্থ্যকৰ আৰু বেয়াকৈ নিৰ্মাণ কৰা ঘৰ আৰু টাউন এলেকা ভাঙি পেলাব লাগিব।

১১। বৈধ আৰু অবৈধ সকলো শিশুৰে উত্তৰাধিকাৰ হোৱাৰ সম-অধিকাৰ ভোগ কৰিব লাগিব।

১২। পৰিবহণৰ সকলো উপায়-উপকৰণ ৰাষ্ট্ৰৰ হাতত থুপ খুৱাব লাগিব।

অৱশ্যে, এই সকলোবোৰ ব্যৱস্থা একে সময়তে প্ৰৱৰ্তন কৰিব নোৱাৰি, কিন্তু এটিৰ পিছত আনটি কৰিব পৰা যাব। ব্যক্তিগত মালিকানাৰ ওপৰত এবাৰ যেতিয়া প্ৰথম মৌলিক আঘাত হনা হয়, তেতিয়া সৰ্বহাৰাসকল অধিক অগ্ৰসৰ হবলৈ বাধ্য হ'ব আৰু সকলো পুঁজি, সকলো কৃষি, সকলো উদ্যোগ, সকলো পৰিবহণ আৰু লেনদেনৰ সকলো উপায় ক্ৰমে অধিকতৰভাৱে ৰাষ্ট্ৰৰ হাতত থুপ খাবলৈ বাধ্য। এই সকলোবোৰ ব্যৱস্থাই এনে ফল লাভৰ প্ৰতি আগুৱাই নিব আৰু সেইবোৰ ব্যৱস্থা বোধগম্য হ'ব আৰু এইবোৰৰ কেন্দ্ৰীকৰণ পৰিণতিয়ে একে অনুপাতে বিকাশ লাভ কৰিব, যিদৰে দেশৰ উৎপাদনী শক্তি বৃদ্ধি পাব সৰ্বহাৰাসকলৰ শ্ৰমৰ মাধ্যমেদি। শেষত, যেতিয়া সকলো পুঁজি, সকলো উৎপাদন আৰু সকলো বিনিময় জাতিৰ হাতত থুপ খাব, তেতিয়া স্বাভাৱিকভাৱে ব্যক্তিগত মালিকানাৰ অস্তিত্ব বিলোপ হ'ব, ধনৰ উভৈনদী হ'ব আৰু উৎপদান ইমান বৃদ্ধি পাব আৰু মানুহ ইমান সলনি হ'ব যে, পুৰণি সামাজিক সম্পৰ্কৰ অৱশিষ্ট ধৰণবোৰো আঁতৰি যাবলৈ সক্ষম হ'ব।

**১৯ নং প্ৰশ্ন:** এই বিপ্লৱ মাথো এখন দেশত সংঘটিত কৰাটো সম্ভৱ নে?

**উত্তৰ:** নহয়। বৃহৎ আকাৰৰ উদ্যোগে ইতিমধ্যে বিশ্ববজাৰ সৃষ্টি কৰি পৃথিৱীৰ সকলো জাতিকে আৰু বিশেষকৈ সভ্য জাতিবোৰক ইমান জড়িত কৰি পেলাইছে যে, প্ৰত্যেকটো জাতি আন ক্ষেত্ৰত কি হৈছে নহৈছে তাৰ ওপৰত নিৰ্ভৰশীল। তদুপৰি, বৃহৎ আকাৰৰ উদ্যোগে সকলো সভ্য দেশৰ সামাজিক বিকাশ ইমান সমান কৰি পেলাইছে যে, এই সকলোবোৰ দেশত বুৰ্জোৱা আৰু সৰ্বহাৰাসকল সমাজৰ দুটি প্ৰধান শ্ৰেণীত পৰিণত হৈছে, আৰু তেওঁলোকৰ মাজৰ সংগ্ৰাম বৰ্তমানৰ প্ৰধান সংগ্ৰাম হৈ পৰিছে। গতিকে কমিউনিষ্ট বিপ্লৱ মাথো এটি জাতীয় বিপ্লৱ নহ'ব, ই সকলো সভ্য দেশত একে সময়তে সংঘটিত হ'ব, অৰ্থাৎ অন্ততঃ ইংলণ্ড, আমেৰিকা, ফ্ৰান্স আৰু জাৰ্মানীত। এইবোৰৰ প্ৰত্যেক দেশত ইয়াৰ বিকাশৰ অৰ্থে কম বা বেছি সময়ৰ প্ৰয়োজন হ'ব — কাৰ বেছি উন্নত উদ্যোগ, অধিক সম্পদ আৰু অধিক বেছি উৎপাদিকা শক্তি আছে তাৰ ওপৰত নিৰ্ভৰ কৰিব। গতিকে জাৰ্মানীত এই বিপ্লৱ অতি ধীৰ পদক্ষেপৰে আগ বাঢ়িব আৰু ইয়াক লাভ কৰাটো অতি কঠিন হ'ব, ইংলণ্ডত ইয়াক সংঘটিত কৰাটো খৰতকীয়া আৰু অতি সহজ হ'ব। ই পৃথিৱীৰ অন্যান্য দেশৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব, সেইবোৰৰ বিকাশৰ এতিয়ালৈকে চলি থকা পদ্ধতিক সম্পূৰ্ণৰূপে সলনি কৰিব আৰু ইয়াক বাৰুকৈ গতিশীল কৰি তুলিব। ই বিশ্ববিপ্লৱ হ'ব লাগিব আৰু গতিকে সমগ্ৰ পৃথিৱীয়েই ইয়াৰ ক্ষেত্ৰ হ'ব।

**২০ নং প্ৰশ্ন:** ব্যক্তিগত মালিকানাৰ চূড়ান্ত বিলোপসাধনৰ পৰিণতি কি হ'ব?

**উত্তৰ:** সকলো উৎপাদিকা শক্তি আৰু যোগাযোগৰ সকলো উপায়ৰ ব্যৱহাৰৰ লগে লগে উৎপাদিত সামগ্ৰীৰ বিনিময় আৰু বিতৰণ ব্যৱস্থা ব্যক্তিগত পুঁজিপতিৰ হাতৰপৰা সমাজৰ হাতলৈ অহাটোৰ ফলত আৰু প্ৰাপ্ত উপায়সমূহ তথা সমগ্ৰ সমাজৰ প্ৰয়োজনৰ ভেটিত ৰচিত এখনি পৰিকল্পনা অনুসৰি সমাজৰ দ্বাৰা ইবোৰৰ পৰিচালনাৰ ফলত, সৰ্বপ্ৰথমে, বৰ্তমান বৃহৎ আকাৰৰ উদ্যোগে উদ্ভৱ কৰা সকলো কু-পৰিস্থিতি নিৰ্মূল হ'ব। সংকট নোহোৱা হ'ব, বৰ্দ্ধিত উৎপাদন, যি বৰ্তমান সমাজব্যৱস্থাত অতি-উৎপাদন আৰু দুঃখ-কষ্টৰ এটি অতি প্ৰধান কাৰণ, তেতিয়া সি আনকি যথেষ্টও নহ'ব আৰু ইয়াক অধিক সম্প্ৰসাৰিত কৰিব লাগিব। ইয়াৰ জাগৰণে দুঃখ-কষ্ট বহন কৰি অনাৰ পৰিৱৰ্তে সমাজৰ বৰ্তমান প্ৰয়োজনৰ সীমা চেৰাই যোৱা অধিক উৎপাদনে সকলোৰে প্ৰয়োজন

পূৰণ কৰিব, নতুন নতুন প্ৰয়োজন সৃষ্টি কৰিব আৰু একে সময়তে তেওঁলোকৰ বাবে সন্তোষ লাভৰ কাৰণ হব। ই অধিক প্ৰগতিৰ চৰ্ত আৰু প্ৰাণদায়িনী শক্তিত পৰিণত হ'ব। ইয়াৰ পূৰ্বে সদায়ে সমাজব্যৱস্থাত বিশৃঙ্খলতা সৃষ্টি কৰাৰ পৰিৱৰ্তে ই প্ৰগতি লাভ কৰিব। ব্যক্তিগত মালিকানাৰ যুঁৱলিৰ তলৰপৰা এবাৰ মুক্তি লাভ কৰাৰ পাছত বৃহৎ আকাৰৰ উদ্যোগে এনে বিকাশ লাভ কৰিব যে, ইয়াৰ বৰ্তমান বিকাশৰ মান তেনেই নগণ্য যেন লাগিব, ঠিক বৰ্তমান কালৰ বৃহৎ আকাৰৰ উদ্যোগেৰে সৈতে কুটিৰ শিল্পৰ যন্ত্ৰশালক তুলনা কৰিলে যেনে লাগে। উদ্যোগৰ এই বিকাশে সমাজক এনে পৰিমাণৰ সামগ্ৰীৰ যোগান ধৰিব যে, সেয়া সকলোৰে প্ৰয়োজন পূৰণৰ বাবে যথেষ্ট হ'ব। এতিয়া ব্যক্তিগত মালিকৰ হেঁচাত পৰি বাধাগ্ৰস্ত হোৱা আৰু হাতৰ মুঠিত থকা উন্নত উপায় আৰু বৈজ্ঞানিক সাফল্য ব্যৱহাৰ কৰিবলৈ নিদিয়া টুকুৰা-টুকুৰ মাটিতেই কৃষিয়ে তেতিয়া নতুন উৎকৰ্ষতা লাভ কৰিব আৰু সমাজক পৰ্য্যাপ্ত পৰিমাণৰ সামগ্ৰী দিব। এনেদৰেই সমাজে উপযুক্ত বিতৰণ ব্যৱস্থাৰে যথেষ্ট সামগ্ৰী উৎপাদন কৰিব, ফলত সমাজৰ প্ৰত্যেক ব্যক্তিৰ প্ৰয়োজন পূৰণ কৰিব পাৰিব। সমাজক বিভিন্ন, বৈৰী শ্ৰেণীত বিভক্ত কৰাটো ইয়াৰ ফলত অনাৱশ্যক হৈ পৰিব। ই মাথো অনাৱশ্যকেই হৈ নপৰে, আনকি নতুন সমাজব্যৱস্থাৰে সৈতে খাপ নোখোৱা হৈও পৰিব। বিভিন্ন শ্ৰেণীৰ সৃষ্টি হয় শ্ৰম বিভাজনৰ ফলত আৰু এতিয়ালৈকে থকা শ্ৰম-বিভাজন সম্পূৰ্ণৰূপে নোহোৱা হব। যান্ত্ৰিক আৰু ৰাসায়নিক সা-সুবিধাবোৰেই কেৱল বৰ্ণিত উচ্চ পৰিমাণে ঔদ্যোগিক আৰু কৃষি উৎপন্ন বৃদ্ধিৰ পক্ষে যথেষ্ট নহয়, একে সময়তে এইবোৰ সা-সুবিধা প্ৰয়োগৰ কাৰণে অনুৰূপভাৱে মানুহৰ সামৰ্থ্যও বৃদ্ধি কৰিব লাগিব। ঠিক যেনেকৈ যোৱা শতিকাত কৃষক আৰু প্ৰাৰম্ভিক যন্ত্ৰশালৰ শ্ৰমিকসকলে তেওঁলোকৰ সম্পূৰ্ণ জীৱনধাৰা সলনি কৰিব লগা হৈছিল আৰু সম্পূৰ্ণ ভিন্ন মানুহত পৰিণত হৈছিল অৰ্থাৎ যেতিয়া তেওঁলোকক বৃহৎ আকাৰৰ উদ্যোগলৈ ঠেলি দিয়া হৈছিল, ঠিক তেতিয়াৰ দৰে সমগ্ৰ সমাজৰ দ্বাৰা উৎপাদনৰ যুটীয়া পৰিচালনা ব্যৱস্থাত আৰু তাৰ ফলস্বৰূপে উৎপাদন ব্যৱস্থাৰ নতুন বিকাশৰ পৰিবেশত সম্পূৰ্ণ ভিন্ন লোকৰ প্ৰয়োজন হ'ব আৰু তেওঁলোকক সেইদৰে গঢ় দিব লাগিব। বৰ্তমানৰ লেখীয়া মানুহৰ দ্বাৰা উৎপাদন ব্যৱস্থাৰ যুটীয়া পৰিচালনা সম্ভৱ নহয়, কাৰণ এতিয়া প্ৰত্যেক ব্যক্তি উৎপাদনৰ মাথো এটি শাখাতে নিয়োজিত, তাৰে সৈতে ওতঃপ্ৰোতভাৱে জড়িত, ইয়াৰ দ্বাৰা শোষিত, যাৰ ফলত অন্য সকলোৰে

বিনিময়ত এজনে তেওঁৰ সামৰ্থ্যৰ মাথো এটি দিশৰহে বিকাশসাধন কৰিব পাৰে, জানিব পাৰে মাত্র এটি শাখা নতুবা সামূহিক উৎপাদনৰ এটি মাথো শাখাৰো অংশক। আনকি সমসাময়িক উদ্যোগতো এনে লোকৰ প্রয়োজন কমিবলৈ ধৰিছে। সমগ্ৰ সমাজে যুটীয়াভাৱে আৰু পৰিকল্পনা অনুসৰি পৰিচালনা কৰা উদ্যোগে কিন্তু কাৰ কি সামৰ্থ্যই সৰ্বপ্ৰকাৰে বিকাশ লাভ কৰিছে, উৎপাদনৰ সমগ্ৰ ব্যৱস্থা তত্ত্বাৱধান কৰিবলৈ কোন সক্ষম, সেইটো সম্পূৰ্ণভাৱে পূৰ্বেই বিচাৰ কৰে। ফলস্বৰূপে, যান্ত্রিক ব্যৱস্থাই ইতিমধ্যে ঘূণ ঘটোৱা শ্ৰম-বিভাজন, যি এজন ব্যক্তিক কৃষক, আন এজনক মুচিয়াৰ, তৃতীয়জনক কাৰখানাৰ শ্ৰমিক, চতুৰ্থজনক মুদ্ৰা-বজাৰৰ দালাল কৰিছিল সেই অৱস্থা এনেদৰে সম্পূৰ্ণৰূপে নোহোৱা হ'ব। শিক্ষাই যুৱ সম্প্ৰদায়ক শীঘ্ৰে উৎপাদনৰ সমগ্ৰ ব্যৱস্থাৰে সৈতে নিজে পৰিচয় হ'বলৈ সক্ষম কৰিব, ই তেওঁলোকক সামাজিক প্রয়োজন বা নিজ অভিৰুচি অনুসৰি উদ্যোগৰ এটি শাখাৰপৰা আন এটিলৈ সহজে যাবলৈ সক্ষম কৰিব। গতিকে ই বৰ্তমানৰ শ্ৰমবিভাজনে বিকাশৰ ক্ষেত্ৰত জাপি দিয়া পক্ষপাতমূলকতাৰ অৱসান ঘটাব। এনেদৰে, সাম্যবাদী ধৰণে সুসংগঠিত এখনি সমাজে ইয়াৰ সকলো সদস্যক তেওঁলোকৰ বহুমুখী সামৰ্থ্য ব্যাপকভাৱে প্ৰয়োগৰ সুযোগ দান কৰিব। আনুষঙ্গিকভাৱে, বিভিন্ন শ্ৰেণীৰ প্ৰয়োজন নোহোৱা হ'ব। এনেদৰে, এহাতে সাম্যবাদী ধৰণে সংগঠিত সমাজ বিভিন্ন শ্ৰেণীৰ অস্তিত্বৰে সৈতে অসঙ্গত, আনহাতে এই সমাজৰ গঠনেই, এইবোৰ শ্ৰেণী-পাৰ্থক্য নোহোৱা কৰাৰ উপায় প্ৰদান কৰে।

এই সকলো কথাৰপৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে, চহৰ আৰু গাঁৱৰ মাজৰ বৈষম্য অনুৰূপভাৱে দূৰ হ'ব। দুটি ভিন্ন শ্ৰেণীৰ পৰিৱৰ্তে একেবোৰ মানুহেই কৃষি আৰু ঔদ্যোগিক সামগ্ৰী উৎপাদন কৰাটো আনকি সম্পূৰ্ণৰূপে বৈষয়িক কাৰণেও ই সাম্যবাদী মিলনৰ কাৰণে প্ৰয়োজনীয় চৰ্ত। কৃষিজীৱী জনসাধাৰণ সমগ্ৰ দেশত বিয়পি থকাটো, আনহাতে বৃহৎ চহৰত ঔদ্যোগিক শ্ৰমিকসকল থুপ খাই থকাটো এনে এখনি ৰাষ্ট্ৰৰ অৱস্থা যি মাথো কৃষি আৰু উদ্যোগৰ এটি অনুন্নত স্তৰৰ কাৰণেহে উপযোগী, ই সকলো প্ৰকাৰৰ বিকাশৰ বাবে এটি প্ৰতিবন্ধক, যাক আনকি এতিয়াও ভালদৰে প্ৰত্যক্ষ কৰিব পাৰি।

উৎপাদিকা শক্তিৰ সমূহীয়া আৰু পৰিকল্পিত ব্যৱহাৰৰ কাৰণে সমাজৰ সকলো লোকৰ সাধাৰণ সংগঠন; সকলোৰে প্ৰয়োজন পূৰণ কৰিব পৰাকৈ পৰ্য্যাপ্ত মাত্ৰাত উৎপাদনৰ সম্প্ৰসাৰণ; কিছুমানৰ ক্ষতি সাধন কৰি আন

কিছুমানৰ প্ৰয়োজন পূৰণৰ ব্যৱস্থা নোহোৱা কৰা; বিভিন্ন শ্ৰেণী আৰু এইবোৰৰ মাজৰ বিৰোধিতা সম্পূৰ্ণৰূপে নোহোৱা কৰা; এই পৰ্য্যন্ত থকা শ্ৰম-বিভাজনৰ অৱসান ঘটোৱাৰ মাধ্যমেদি, ঔদ্যোগিক শিক্ষাৰ মাধ্যমেদি, কাৰ্য্যকলাপ সলনি কৰাৰ মাজেদি, সকলোৰে দ্বাৰা সাধিত উপকাৰত সকলোৰে অংশগ্ৰহণৰ মাধ্যমেদি, আৰু অৱশেষত, চহৰ আৰু গাঁৱৰ একীকৰণৰ মাজেৰে সমাজৰ সকলো লোকৰ সামৰ্থ্যৰ সৰ্বপ্ৰকাৰ বিকাশসাধন — এইবোৰেই হ'ল ব্যক্তিগত সম্পত্তি নোহোৱা কৰাৰপৰা আশা কৰিব পৰা প্ৰধান ফল।

২১ নং **প্ৰশ্ন**: সাম্যবাদী সমাজব্যৱস্থাই পৰিয়ালৰ ওপৰত কি প্ৰভাৱ পেলাব?

**উত্তৰ**: ই নাৰী-পুৰুষৰ মাজৰ সম্পৰ্কক সম্পূৰ্ণৰূপে ব্যক্তিগত বিষয়ত পৰিণত কৰিব, যিসকল ইয়াৰে সৈতে জড়িত, এইটো তেওঁলোকৰেই মাথোন বিষয়, আৰু সমাজে ইয়াত কোনো হস্তক্ষেপ কৰিব নোৱাৰে। এনে কৰিবলৈ এই সমাজ সক্ষম হ'ব, কাৰণ ই ব্যক্তিগত সম্পত্তিৰ বিলোপসাধন কৰিব আৰু ল'ৰা-ছোৱালীক সমূহীয়াভাৱে শিক্ষাদান কৰিব, ইয়াৰ দ্বাৰা এই পৰ্য্যন্ত থকা বিবাহৰ দুটি আধাৰ-শিলা ধ্বংস কৰা হ'ব অৰ্থাৎ ব্যক্তিগত সম্পত্তিৰ মাজেৰে ঘটা স্বামীৰ ওপৰত পত্নীৰ আৰু পিতৃমাতৃৰ ওপৰত সন্তানৰ নিৰ্ভৰশীলতাৰ অৱস্থাটো, এয়াই হৈছে সাম্যবাদী উমৈহতীয়া পত্নী-বিষয়ক কথাটোৰ বিষয়ে নীতি-বচন আওৰোৱা কূপমণ্ডুকসকলৰ চিঞৰ-বাখৰৰ উত্তৰ। উমৈহতীয়া পত্নীৰ বিষয়টো হৈছে সম্পূৰ্ণৰূপে বুৰ্জোৱা সমাজৰ অঙ্গীভূত সম্পৰ্কৰ এটা বিষয় আৰু ই বৰ্তমানেও বৰ্তি আছে সম্পূৰ্ণভাৱে বেশ্যাবৃত্তিৰ আকাৰত। অৱশ্যে বেশ্যাবৃত্তিৰ ঘাই শিপা নিহিত আছে ব্যক্তিগত সম্পত্তিত আৰু ইয়াৰ লগতে তাৰো পতনো ঘটিব। গতিকে সাম্যবাদী সংগঠনে উমৈহতীয়া পত্নী-ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ পৰিৱৰ্তে ইয়াৰ অন্তহে পেলাব।

**২২ নং প্ৰশ্ন**: এই পৰ্য্যন্ত থকা জাতিসমূহৰ প্ৰতি সাম্যবাদী সংগঠনৰ মনোভাৱ কেনে হ'ব?

— একেই।

**২৩ নং প্ৰশ্ন**: বৰ্তমানৰ ধৰ্মবোৰৰ সম্পৰ্কে ইয়াৰ মনোভাৱ কি হব?

— একেই। [৪০]

**২৪ নং প্ৰশ্ন**: সাম্যবাদীসকল সমাজতন্ত্ৰীসকলৰপৰা কেনেদৰে পৃথক?

**উত্তৰ**: তথাকথিত সমাজতন্ত্ৰীসকলক তিনিটা গোটত বিভক্ত কৰিব পাৰি। প্ৰথম গোটটো হ'ল সামন্তীয় আৰু পিতৃপ্ৰধান সেই সমাজৰ সমৰ্থকসকলক

লৈ গঠিত, যাক ইতিমধ্যে নতুবা এতিয়াও প্ৰতিদিনে বৃহৎ আকাৰৰ উদ্যোগ আৰু বিশ্ব-বাণিজ্য আৰু উক্ত উভয় সমাজৰ সৃষ্ট বুৰ্জোৱা সমাজে ধ্বংস কৰিছে বা কৰি আছে। বৰ্তমান সমাজৰ আৱৰ্জনাৰপৰা এই গোটটি এই সিদ্ধান্তত উপনীত হয় যে, সামন্তীয় আৰু পিতৃপ্ৰধান সমাজক পুনৰপ্ৰতিষ্ঠা কৰিব লাগিব কাৰণ ই এইবোৰ ব্যাধিৰপৰা মুক্ত আছিল। তেওঁলোকৰ সকলো প্ৰস্তাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে এই লক্ষ্যৰ প্ৰতি পোনোৱা। **প্ৰতিক্ৰিয়াশীল** সমাজতন্ত্ৰীসকলৰ এই গোটটিক, তেওঁলোকে সৰ্বহাৰাসকলৰ দুঃখ-কষ্টৰ কাৰণে তথাকথিত সহানুভূতি প্ৰদৰ্শন আৰু তপত চকুলো বোওৱা সত্ত্বেও, কমিউনিষ্টসকলে তীব্ৰ বিৰোধিতা কৰিব। কাৰণ:

১। তেওঁলোকে সম্পূৰ্ণৰূপে অসম্ভৱ কিবা এটি বিচাৰে;

২। তেওঁলোকে অভিজাত সম্প্ৰদায়, গিল্ড-বেপাৰী আৰু কুটিৰ শিল্প যন্ত্ৰশালৰ মালিকৰ শাসন পুনৰ প্ৰতিষ্ঠা কৰিববলৈ চেষ্টা কৰে, এওঁলোকৰ লগতে একচ্ছত্ৰী বা সামন্তীয় ৰজা, বিষয়া, সৈন্যদল আৰু ধৰ্মগুৰুৰ অনুচৰবৃন্দকো ধৰি; এনে এখনি সমাজ যদিও ই বৰ্তমান সমাজৰ দোষ-ত্ৰুটিমুক্ত, তথাপি ই আছিল অন্ততঃ সমানেই নিজস্ব দোষ-ত্ৰুটিৰে পূৰ্ণ, আৰু আনকি ইয়াত সাম্যবাদী ধাৰাৰ সংগঠনৰ যোগে উৎপীড়িত শ্ৰমিকৰ মুক্তি লাভৰ সম্ভাৱনাও শূন্য;

৩। তেওঁলোকে সদায় তেওঁলোকৰ প্ৰকৃত উদ্দেশ্য প্ৰত্যেক ক্ষেত্ৰতে প্ৰকাশ কৰে যেতিয়াই সৰ্বহাৰাসকল বৈপ্লৱিক আৰু সাম্যবাদী ধাৰাত অগ্ৰসৰ হয় আৰু এনে ক্ষেত্ৰতে তেওঁলোকে ততালিকে সৰ্বহাৰাসকলৰ বিৰুদ্ধে বুৰ্জোৱা শ্ৰেণীৰে সৈতে লগ লাগে।

দ্বিতীয় গোটটি গঠিত হয় বৰ্তমান দিনৰ সমাজৰ অনুগামীসকলক লৈ, যাৰ মাজত ইয়াৰ অৱশ্যম্ভাৱী দোষ-ত্ৰুটিবোৰে সমাজৰ অস্তিত্ব সম্বন্ধে তেওঁলোকৰ মনত উদ্বিগ্নতা সৃষ্টি কৰে। গতিকে তেওঁলোকে বৰ্তমান সমাজক অক্ষত কৰি ৰাখিব বিচাৰে, অৱশ্যে ইয়াৰে সৈতে জড়িত দোষ-ত্ৰুটিবোৰ দূৰ কৰি। এই লক্ষ্য সম্মুখত ৰাখি তেওঁলোকৰ কিছুমানে কেৱল বিভিন্ন জনকল্যাণমূলক ব্যৱস্থাৰ প্ৰস্তাৱ কৰে, আনহাতে অন্যবোৰে সমাজক পুনৰ সংগঠন কৰাৰ অজুহাতত জকমকীয়া সংস্কাৰ ব্যৱস্থাৰ বাবে ওকালতি কৰে, যি বৰ্তমান সমাজৰ ভেটি ৰক্ষা কৰিব আৰু তেনেদৰেই বৰ্তমানৰ সমাজকো। এই **বুৰ্জোৱা সমাজতন্ত্ৰীসকলকো** অনুৰূপভাৱে কমিউনিষ্টসকলে অবিচলিতভাৱে বিৰোধিতা কৰিব লাগিব, কাৰণ তেওঁলোকে

কমিউনিষ্টসকলৰ শত্ৰুৰ পক্ষে কাম কৰে আৰু কমিউনিষ্টসকলে ধ্বংস কৰিব বিচৰা সমাজখনক ৰক্ষা কৰে।

সৰ্বশেষত, তৃতীয় গোটটি গঠিত হয় গণতান্ত্ৰিক সমাজতন্ত্ৰীসকলক লৈ, যি কমিউনিষ্টসকলে বিচৰাৰ লেখীয়া একে প্ৰকাৰে, ...নং প্ৰশ্নত* উত্থাপিত আংশিক ব্যৱস্থা বিচাৰে, কিন্তু সেয়া সাম্যবাদলৈ গতি কৰাৰ উপায় স্বৰূপে নহয়, বৰং বৰ্তমান সমাজৰ দুঃখ-কষ্ট আৰু দোষ-ত্ৰুটিবোৰ নোহোৱা কৰাৰ কাৰণে উপযোগী ব্যৱস্থা স্বৰূপেহে। এইবোৰ **গণতান্ত্ৰিক সমাজতন্ত্ৰী** দুই ধৰণৰ: হয় এনে সৰ্বহাৰা, যি তেওঁলোকৰ শ্ৰেণীৰ মুক্তিৰ পৰিবেশ সম্বন্ধে এতিয়াও যথেষ্ট সজাগ নহয়, নতুবা তেওঁলোক পেটি-বুৰ্জোৱা শ্ৰেণীভুক্ত, যি শ্ৰেণীৰ গণতন্ত্ৰ লাভ নকৰালৈকে আৰু যাৰ নিশ্চিত পৰিণতিৰূপে সমাজান্ত্ৰিক ব্যৱস্থাৱলী ৰূপদান নকৰালৈকে বহু ক্ষেত্ৰত সৰ্বহাৰাসকলৰ স্বাৰ্থেৰে সৈতে মিল আছে। গতিকে সংগ্ৰামৰ মুহূৰ্তত কমিউনিষ্টসকল গণতান্ত্ৰিক সমাজতন্ত্ৰীসকলেৰে সৈতে এটি সমিল-মিলত উপনীত হ'ব লাগিব আৰু অন্ততঃ সেই মুহূৰ্তৰ কাৰণে যেতিয়া সাধাৰণভাৱে তেওঁলোকেৰে সৈতে যথাসম্ভৱ এটি উমৈহতীয়া নীতি অনুসৰণ কৰিব লাগিব, যেতিয়ালৈকে এইবোৰ গণতান্ত্ৰিক সমাজতন্ত্ৰীয়ে শাসক বুৰ্জোৱা শ্ৰেণীৰ সেৱাত কাম নকৰি কমিউনিষ্টসকলক আক্ৰমণ নকৰে। এইটো স্পষ্ট যে, এই উমৈহতীয়া সংগ্ৰামে তেওঁলোকেৰে সৈতে পাৰ্থক্যৰ বিষয়ে আলোচনা কৰাটো বহিৰ্ভুক্ত নকৰে।

**২৫ নং প্ৰশ্ন:** বৰ্তমান কালৰ অন্যান্য ৰাজনৈতিক পাৰ্টিৰ প্ৰতি কমিউনিষ্টসকলৰ মনোভাৱ কি?

**উত্তৰ:** এই মনোভাৱ ভিন ভিন দেশত ভিন ভিন। ইংলণ্ড, ফ্ৰান্স আৰু বেলজিয়ামত, য'ত বুৰ্জোৱা শ্ৰেণীয়ে শাসন কৰি আছে, তাত কমিউনিষ্টসকলৰ বৰ্তমান সময়ৰ কাৰণে এতিয়াও বিভিন্ন গণতান্ত্ৰিক পাৰ্টিৰে সৈতে সমূহীয়া স্বাৰ্থ আছে আৰু এই সমূহীয়া স্বাৰ্থ সিমানে বেছি হয়, যিমানে গণতন্ত্ৰীসকল সমাজতান্ত্ৰিক ব্যৱস্থাৱলীৰ নিকটৱৰ্তী হয়, যাৰ বাবে এতিয়া সৰ্বত্ৰ তেওঁলোকে ওকালতি কৰি আছে, সেইবিলাক কমিউনিষ্টসকলৰ লক্ষ্যসমূহৰ বেছি ওচৰা-উচৰি হয়, অৰ্থাৎ, তেওঁলোকে সৰ্বহাৰাসকলৰ স্বাৰ্থ যিমানে বেছি পৰিষ্কাৰকৈ আৰু অধিক নিৰ্দিষ্টভাৱে দাঙি ধৰে

---

* পাণ্ডুলিপিত এই ঠাইডোখৰ খালি আছিল; ১৮ নং **প্ৰশ্নৰ উত্তৰ** চাওক। — **সম্পাঃ**

আৰু তেওঁলোকে সৰ্বহাৰাসকলৰ ওপৰত যিমানে অধিক নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে, ইংলণ্ডত চাৰ্টিষ্টসকল, তেওঁলোক সকলো শ্ৰমিক গণতান্ত্ৰিক পেটি-বুৰ্জোৱা বা তথাকথিত ৰেডিকালসকলতকৈ ধাৰণাতীতৰূপে কমিউনিষ্টসকলৰ নিকটৱৰ্তী।

**আমেৰিকাত** গণতান্ত্ৰিক সংবিধান প্ৰৱৰ্তন কৰা হৈছে, তাত কমিউনিষ্টসকলে, এই সংবিধানক যি পাৰ্টিয়ে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে প্ৰয়োগ কৰিব আৰু সৰ্বহাৰাৰ স্বাৰ্থৰ কাৰণে ইয়াক ব্যৱহাৰ কৰিব তাৰ লগত, অৰ্থাৎ জাতীয় কৃষিসংস্কাৰকসকলৰ লগত অভিন্ন লক্ষ্যত কাম কৰিব লাগিব।

**চুইজাৰলেণ্ডত** আমূল সংস্কাৰকামীসকল যদিও এতিয়াও এটা অতি মিশ্ৰিত পাৰ্টি, তথাপি তেওঁলোকেই হ'ল একমাত্ৰ লোক যাৰে সৈতে কমিউনিষ্টসকলে যিকোনো কামত সম্পৰ্ক ৰাখিব পাৰে আৰু এইবোৰ ৰেডিকালৰ ভিতৰত আকৌ ভাউদ আৰু জেনেভাৰ ৰেডিকালসকল সবাতোকৈ প্ৰগতিশীল।

অৱশেষত, জাৰ্মানীত বুৰ্জোৱা শ্ৰেণী আৰু একচ্ছত্ৰী ৰাজতন্ত্ৰৰ মাজত চূড়ান্ত সংগ্ৰাম এতিয়াও নিচেই সামান্যভাৱেহে চলি আছে। কিন্তু, যিহেতু কমিউনিষ্টসকলে বুৰ্জোৱাসকল শাসক নোহোৱালৈকে সেই শ্ৰেণীৰ বিৰুদ্ধে চূড়ান্ত সংগ্ৰাম চলাব নোৱাৰে, সেইহেতুকে যিমান সম্ভৱ সিমান সোনকালে বুৰ্জোৱাক পাছত ওফৰাই পেলোৱাৰ বাবে যথাসম্ভৱ দ্ৰুতভাৱে তেওঁলোকৰ শাসন-ক্ষমতা লাভ কৰাত বুৰ্জোৱা শ্ৰেণীক সহায় কৰাটো কমিউনিষ্টসকলৰ স্বাৰ্থসাপেক্ষ। গতিকে কমিউনিষ্টসকলে নিশ্চয় সদায় চৰকাৰৰ বিৰুদ্ধে উদাৰনৈতিক বুৰ্জোৱাসকলৰ পক্ষ গ্ৰহণ কৰিব লাগিব, কিন্তু এই কথাৰ প্ৰতি অৱশ্যেই সদায় সজাগ থাকিব লাগিব যে তেওঁলোক যাতে বুৰ্জোৱাসকলৰ আত্মপ্ৰৱঞ্চনাৰ প্ৰভাৱাধীন হৈ নপৰে, নতুবা বুৰ্জোৱা শ্ৰেণীৰ এনেবোৰ লোভনীয় ঘোষণাক কমিউনিষ্টসকলে বিশ্বাস নকৰে যে, বুৰ্জোৱাৰ বিজয়ৰ ফলত সৰ্বহাৰাসকলৰ উপকাৰ হ'ব। বুৰ্জোৱাৰ বিজয়ে কমিউনিষ্টসকলক দিব পৰা একমাত্ৰ সুবিধা হব: ১। বিভিন্ন এনেবোৰ সা-সুবিধা যি কমিউনিষ্টসকলৰ কাৰণে নিজৰ মূল নীতিৰ ৰক্ষা, আলোচনা-বিলোচনা আৰু তেওঁলোকৰ মতবাদৰ প্ৰচাৰ বেছি সহজ কৰি তুলিব আৰু ইয়াৰ দ্বাৰা সৰ্বহাৰাসকলক এটি আটিল, সংগ্ৰামশীল আৰু সুসংগঠিত শ্ৰেণীত মিলিত সুসংহত কৰিব পাৰিব, আৰু ২। এই কথা নিশ্চিত যে, একচ্ছত্ৰী চৰকাৰ ওফৰোৱাৰ দিনৰেপৰা বুৰ্জোৱা আৰু সৰ্বহাৰাসকলৰ

মাজত সংগ্ৰামৰ সোঁত সলনি হ'ব। সেই দিনৰেপৰা ভৱিষ্যতলৈ কমিউনিষ্টসকলৰ পাৰ্টিৰ কৰ্মনীতি হ'ব ইতিমধ্যে বুৰ্জোৱাই য'ত শাসন কৰিছে, সেইবোৰ দেশত চলাৰ দৰে একেই।

১৮৪৭ চনৰ অক্টোবৰৰ শেষত এঙ্গেলছৰ দ্বাৰা লিখিত
পৃথক তাঙৰণত ১৯১৪ চনত প্ৰথম প্ৰকাশিত

জাৰ্মান ভাষাৰপৰা অনূদিত
পাণ্ডুলিপি অনুসৰি
ছপা কৰা

## টীকা

(১) ১৮৪৮ চনত ফ্ৰান্সৰ ফেব্ৰুৱাৰী বিপ্লৱৰ কথা উল্লেখ কৰা হৈছে। পৃঃ ৭

(২) ১৮৪৮ চনত ২৩-২৪ জুনত পেৰিচৰ প্ৰলেতাৰিয়েতসকলৰ বিদ্ৰোহৰ কথা উল্লেখ কৰা হৈছে। এই বিদ্ৰোহ আছিল ১৮৪৮ আৰু ১৮৪৯ চনত সমগ্ৰ ইউৰোপক গ্ৰাস কৰা বিপ্লৱৰ সৰ্বোচ্চ প্ৰকাশ। পৃঃ ৭

(৩) **১৮৭১ চনৰ পেৰিছ কমিউন** — পেৰিছত প্ৰলেতাৰিয়েত বিপ্লৱৰ দ্বাৰা প্ৰতিষ্ঠিত শ্ৰমিক শ্ৰেণীৰ বৈপ্লৱিক চৰকাৰ। ই আছিল পৃথিৱীৰ প্ৰথম প্ৰলেতাৰিয়েত একনায়কত্বৰ চৰকাৰ আৰু ই ৭২ দিন (১৮ মাৰ্চৰপৰা ২৮ মে'লৈ) বৰ্তি থাকে। পৃঃ ৮

(৪) এই সংস্কৰণ প্ৰকাশ হৈছিল ১৮৬৯ চনত। 'কমিউনিষ্ট ইস্তাহাৰ'ৰ ৰুছ অনুবাদ প্ৰকাশৰ তাৰিখো ১৮৮৮ চনৰ ইংৰাজী সংস্কৰণৰ কাৰণে এঙ্গেলছৰ ভূমিকাত ভুলকৈ দিয়া হৈছে। পৃঃ ৯

(৫) **কলোকোল** (ঘণ্টা) — ১৮৫৭ চনৰপৰা ১৮৬৭ চনলৈ আ. ই. গেৰ্ৎছেন আৰু ন. প. ওগাৰিওভ প্ৰকাশিত ৰুছ বৈপ্লৱিক গণতান্ত্ৰিক সংবাদপত্ৰ। ইয়াক ১৮৬৫ চনলৈ লণ্ডনত আৰু তাৰ পাছত জেনেভাত প্ৰকাশ কৰা হৈছিল। পৃঃ ৯

(৬) নাৰ'দ্নায়া ভ'লিয়াৰ সদস্যসকলে ১৮৮১ চনৰ পহিলা মাৰ্চত দ্বিতীয় আলেক্সান্দ্ৰক হত্যা কৰাৰ পাছত ৰাছিয়াৰ পৰিস্থিতিৰ কথা উল্লেখ কৰা হৈছে। বৈপ্লৱিক অশান্তিৰ ভয় আৰু নাৰ'দ্নায়া ভ'লিয়া সন্থাৰ (সন্ত্ৰাসবাদী নাৰদ্নিকসকলৰ এটি গুপ্ত ৰাজনৈতিক সন্থা) অধিক সন্ত্ৰাসমূলক কাৰ্য্যকলাপৰ ফলত তেওঁৰ উত্তৰাধিকাৰী তৃতীয় আলেক্সান্দ্ৰ গাৎচিনালৈ পলাই যায়।
পৃঃ ১০

(৭) **ডাৰউইন, চাল্‌ৰ্চ-ৰবাৰ্ট** (১৮০৯-১৮৮২) — ব্ৰিটিছ প্ৰকৃতিবিজ্ঞানী, জড়বাদী জীৱবিদ্যাৰ প্ৰতিষ্ঠাপক। বহুসংখ্যক জৈৱিক তথ্যৰ ভেটিত তেওঁ জীৱন্ত প্ৰকৃতিৰ ক্ৰমবিকাশৰ সূত্ৰ সৃষ্টি কৰে। তেওঁ প্ৰমাণ কৰে যে, জৈৱিক বিশ্ব সৃষ্টি হয় সৰলাকৃতিৰপৰা জটিলাকৃতিলৈ, অৰ্থাৎ নতুনৰ উদ্ভৱ আৰু পুৰণি প্ৰকৃতি নিঃশেষ হোৱাটো প্ৰাকৃতিক (ঐতিহাসিক) বিকাশৰ ফল মাত্ৰ।

ডাৰউইনৰ ক্ৰমবিকাশৰ সূত্ৰৰ সাৰমৰ্ম হ'ল এয়ে যে, প্ৰজাতিৰ উৎপত্তি হয় প্ৰাকৃতিক আৰু কৃত্ৰিম নিৰ্বাচনৰ ফলত। তেওঁৰ মত হ'ল এয়ে যে, জৈৱ পদাৰ্থৰ ক্ৰমবিকাশৰ প্ৰধান উপাদান হ'ল পৰিৱৰ্তনশীলতা আৰু বংশগতি আৰু জীয়াই থকাৰ সংগ্ৰামৰ ক্ষেত্ৰত উদ্ভিদ আৰু জীৱজন্তুৰ গাত দেখা দিয়া পৰিৱৰ্তনৰ কাৰণ হ'ল নতুন উদ্ভিদ আৰু জীৱ-জন্তু উদ্ভৱ হোৱাটো। ডাৰউইনে 'প্ৰজাতি উৎপত্তি'ত এই সূত্ৰ ব্যাখ্যা কৰে (১৮৫৯)। পৃঃ ১১

(৮) ১ নং টীকাচাওক। পৃঃ ১৩

(৯) **প্ৰুধোঁ, পিয়েৰ জোচেফ** (১৮০৯-১৮৬৫) — ফৰাচী প্ৰাবন্ধিক, অৰ্থনীতিবিদ ও সমাজতাত্ত্বিক; পেটি-বুৰ্জোৱাৰ তত্ত্ব প্ৰবক্তা, অৰাজকতাবাদৰ স্ৰষ্টা। পেটি-বুৰ্জোৱা দৃষ্টিকোণৰপৰা বৃহৎ পুঁজিবাদী মালিকানাক সমালোচনা কৰি তেওঁ ক্ষুদ্ৰ মালিকানাৰ ব্যৱস্থা চিৰস্থায়ী কৰিব বিচাৰিছিল। তেওঁ 'গণ-বেংক' স্থাপনৰ প্ৰস্তাৱ কৰিছিল, যি সুদহীন ঋণেৰে শ্ৰমিকসকলক নিজৰ উৎপাদনৰ উপায় আহৰণত সহায় কৰিব আৰু তেওঁলোক কাৰিকৰত পৰিণত হ'ব। প্ৰুধোঁৰ আন এটি প্ৰতিক্ৰিয়াশীল, কাল্পনিক আদৰ্শ আছিল বিশেষ 'বিনিময় বেংকৰ' প্ৰতিষ্ঠা, যাৰ সাহায্যত শ্ৰমজীৱী লোকে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ কাৰণে 'ন্যায্য' বজাৰ লাভ কৰিব পাৰিব আৰু ই সা-সৰঞ্জামৰ পুঁজিবাদী মালিকানা আৰু উৎপাদনৰ 'উপায়সমূহৰ ওপৰত কোনো প্ৰভাৱ নেপেলাব। প্ৰুধোঁৱে প্ৰলেতাৰিয়েতসকলৰ ঐতিহাসিক ভূমিকা হৃদয়ঙ্গম কৰা নাছিল আৰু শ্ৰেণী-সংগ্ৰাম, প্ৰলেতাৰীয় বিপ্লৱ আৰু প্ৰলেতাৰীয় একনায়কত্বৰ প্ৰতি এটি বিৰূপ মনোভাৱ পোষণ কৰিছিল। অৰাজকতাবাদী দৃষ্টিকোণৰপৰা তেওঁ ৰাষ্ট্ৰৰ প্ৰয়োজন অস্বীকাৰ কৰিছিল। প্ৰথম আন্তৰ্জাতিকত প্ৰুধোঁ-পন্থীসকলে নিজ দৃষ্টিভঙ্গী জাপি দিবলৈ চেষ্টা কৰাত কাৰ্ল মাৰ্ক্স আৰু ফ্ৰিডৰিখ এঙ্গেলছে ইয়াৰ প্ৰণালীবদ্ধ বিৰোধিতা কৰে। মাৰ্ক্সে তেওঁৰ 'দৰ্শনৰ দাৰিদ্ৰতা' নামৰ পুথিত প্ৰুধোঁবাদক তীব্ৰ সমালোচনা কৰে। পৃঃ ১৪

(১০) **লাছাল-পন্থী** — এওঁলোক হ'ল জাৰ্মান পেটি-বুৰ্জোৱা সমাজতন্ত্ৰী ফেৰ্ডিনাণ্ড লাছালৰ সমৰ্থক আৰু অনুগামী, ১৮৬৩ চনত লাইপজিগত অনুষ্ঠিত শ্ৰমিক সংঘৰ কংগ্ৰেছত প্ৰতিষ্ঠিত জাৰ্মান শ্ৰমিকৰ সাধাৰণ সংঘৰ সদস্য। এই সংঘৰ প্ৰথম সভাপতি লাছালেই ইয়াৰ কাৰ্য্যসূচী ৰচনা আৰু ইয়াৰ কৰ্মপদ্ধতি নিৰ্ধাৰণ কৰে। শ্ৰমিক শ্ৰেণীৰ এটি ব্যাপক ৰাজনৈতিক পাৰ্টিৰ প্ৰতিষ্ঠা জাৰ্মানীত শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ বিকাশসাধনৰ অৰ্থে এটি পদক্ষেপ

আছিল। যিয়েই নহওক কিয়, লাছালে আৰু তেওঁৰ অনুগামীসকলে প্ৰধান সূত্ৰগত আৰু ৰাজনৈতিক প্ৰশ্নৰ ক্ষেত্ৰত এটি সুবিধাবাদী মত গ্ৰহণ কৰে। তেওঁলোকে সামাজিক সমস্যা মীমাংসা কৰাৰ কাৰণে প্ৰচীয় ৰাজ্যৰ সহায় লোৱাটো সম্ভৱ বুলি বিবেচনা কৰিলে আৰু প্ৰাচিয়াত বিছমাৰ্কৰ চৰকাৰেৰে সৈতে আলাপ আলোচনা আৰম্ভ কৰিলে। কে. মাৰ্ক্স আৰু এফ. এঙ্গেলছে, জাৰ্মান শ্ৰমিক শ্ৰেণীৰ আন্দোলনত এটি সুবিধাবাদী ধাৰাস্বৰূপে লাছাল পন্থীসকলৰ সূত্ৰ, কৌশল আৰু সাংগঠনিক আদৰ্শক তীব্ৰ সমালোচনা কৰিলে।

পৃঃ ১৪

(১১) **ওৱেন-পন্থী** — বৃটিছ কল্পনাবিলাসী ছচিয়েলিষ্ট ৰবাৰ্ট ওৱেনৰ (১৭৭১-১৮৫৮) সমৰ্থক আৰু অনুগামীসকল।

ৰবাৰ্ট ওৱেনে পুঁজিবাদী ব্যৱস্থাক তীব্ৰ সমালোচনা কৰিছিল কিন্তু পুঁজিৱাদী বিৰোধৰ প্ৰকৃত কাৰণ প্ৰকাশ কৰিবলৈ অপাৰগ আছিল। তেওঁ ভাবিছিল যে, সামাজিক অসমতাৰ মূল কাৰণ পুঁজিবাদী উৎপাদন ব্যৱস্থা নহয়, বৰং পৰ্য্যাপ্ত পৰিমাণৰ জ্ঞানৰ অভাৱ। তেওঁ ভাবিছিল যে, সামাজিক অসমতা দূৰ কৰিব পৰা যাব শিক্ষা আৰু সামাজিক সংস্কাৰৰ দ্বাৰা আৰু এনে সংস্কাৰৰ কাৰণে এখনি ব্যাপক কাৰ্য্যসূচীৰ প্ৰস্তাৱ কৰিছিল। তেওঁ মুক্ত ফেডাৰেছনৰ স্বশাসিত ক্ষুদ্ৰ ক্ষুদ্ৰ গোষ্ঠী স্বৰূপে ভৱিষ্যত 'যুক্তিসঙ্গত' সমাজৰ ছবি আঁকিছিল। অৱশ্যে নিজ আদৰ্শ বাস্তৱত ৰূপ দিয়াৰ বাবে তেওঁ চলোৱা চেষ্টা ব্যৰ্থতাৰ মাজত সমাপ্ত হয়। পৃঃ ১৬

(১২) **ফুৰিয়ে-পন্থী** — ফৰাচী কল্পনাবিলাসী ছচিয়েলিষ্ট চাৰ্ল ফুৰিয়েৰ সমৰ্থকসকল।

ফুৰিয়েই বুৰ্জোৱা সমাজক তীব্ৰ সমালোচনা কৰিছিল আৰু মানৱীয় বাসনাৰ মানবোধৰ আধৰত ভৱিষ্যত 'সমন্বয়পূৰ্ণ' সমাজৰ ছবি দাঙি ধৰে। তেওঁ প্ৰচণ্ড বিপ্লৱৰ আদৰ্শক বিৰোধিতা কৰিছিল আৰু কৈছিল যে, ভৱিষ্যৎ সমাজতান্ত্ৰিক সমাজলৈ গতি কৰিব পৰা যাব মাথোন শান্তিপূৰ্ণভাৱে শ্ৰমৰ গোষ্ঠী ৰচনাৰ মাধ্যমেদি, য'ত মানুহে নিজ শ্ৰমৰপৰা সন্তোষ লভিব। অৱশ্যে ফুৰিয়েই ব্যক্তিগত মালিকানাৰ অৱসান ঘটোৱাৰ কথা কোৱা নাছিল আৰু তেওঁৰ শ্ৰমৰ গোষ্ঠীত চহকী আৰু দৰিদ্ৰ দুয়ো শ্ৰেণীক অন্তৰ্ভুক্ত কৰিছিল।

পৃঃ ১৬

(১৩) **কাবে, এটিয়েন** (১৭৮৮-১৮৫৬) ফৰাচী পেটি-বুৰ্জোৱা প্ৰাৰম্ভিক, কাল্পনিক সাম্যবাদৰ প্ৰখ্যাত পথ-প্ৰদৰ্শক। তেওঁ বিশ্বাস কৰিছিল যে, শান্তিপূৰ্ণভাৱে সমাজ পুনৰ্সংগঠনৰ দ্বাৰা পুঁজিবাদী সমাজৰ দোষ-ত্ৰুটি নোহোৱা কৰিব পৰা যাব। তেওঁ 'আইকেৰিয়াত ভ্ৰমণ'ত (১৮৪০) তেওঁৰ আদৰ্শ ব্যাখ্যা কৰে আৰু আমেৰিকাত সাম্যবাদী গোষ্ঠী স্থাপন কৰি তাক কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰে। অৱশ্যে তেওঁৰ পৰীক্ষা ব্যৰ্থ হয়।

**ভাইটলিঙ, উইলহেল্ম** (১৮০৮-১৮৭১) — জাৰ্মান শ্ৰমিক শ্ৰেণীৰ

আন্দোলনৰ প্ৰথম ভাগৰ প্ৰখ্যাত নেতা; কাল্পনিক সুষম 'ইকুৰেলিটাৰীয়েন' সামবাদৰ সূত্ৰকাৰ। এঙ্গেলছে লিখিছিল যে, ভামৰ্টলিঙৰ মতবাদে 'জাৰ্মান প্ৰলেতাৰীয়েতসকলৰ প্ৰথম স্বতন্ত্ৰ তত্ত্বগত আন্দোলনত' এটি স্পষ্ট ভূমিকা গ্ৰহণ কৰিছিল। পৃঃ ১৬

(১৪) ৭ নং টীকা চাওক। পৃঃ ১৭

(১৫) ৩ নং টীকা চাওক। পৃঃ ১৮

(১৬) ২ নং টীকা চাওক। পৃঃ ২৩

(১৭) প্ৰাচিয়াত (১৮৫২ চনৰ ৪ অক্টোবৰৰপৰা ১২ নৱেম্বৰলৈ) কমিউনিষ্ট লীগৰ আন্তৰ্জাতিক সন্থাৰ (১৮৪৭-১৮৫২) ১১ জন সদস্যৰ ওপৰত চলা বিচাৰৰ কথা উল্লেখ কৰা হৈছে। তীব্ৰ ৰাষ্ট্ৰদ্ৰোহিতাৰ মিছা অভিযোগ তুলি কৰা বিচাৰত সাতজনক তিনিৰপৰা ছয় বছৰলৈ কাৰাদণ্ড বিহে। পৃঃ ২৩

(১৮) কাৰ্ল মাৰ্ক্সৰ 'আন্তৰ্জাতিক শ্ৰমিক এছোছিয়েচনৰ সাধাৰণ নিয়মাৱলী' দ্রঃ। পৃঃ ২৩

(১৯) ১৩ নং টীকা চাওক। পৃঃ ২৫

(২০) **কংগ্ৰেছী পোলেণ্ড** — পোলেণ্ডৰ এটি অংশক চৰকাৰীভাৱে পোলেণ্ড ৰাজ্য বোলা হৈছিল, যি অংশক ১৮১৪-১৮১৫ চনৰ ভিয়েনা কংগ্ৰেছৰ সিদ্ধান্ত অনুসৰি ৰাছিয়াই গ্ৰাস কৰে। পৃঃ ২৭

(২১) **নেপোলিয়ন তৃতীয় (লুই বোনাপাৰ্ট)** — (১৮০৮-১৮৭৩) — প্ৰথম নেপোলিয়নৰ ভাগিনীয়েক; দ্বিতীয় প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি (১৮৪৮-১৮৫১), ফ্ৰান্সৰ সম্ৰাট (১৮৫২-১৮৭০)।

**বিছমাৰ্ক, অট্টো এডুৱাৰ্ড লিওপল্ড** (১৮১৫-১৮৯৮) — প্ৰাচিয়া আৰু জাৰ্মানীৰ ৰাজনীতিবিদ আৰু কূটনীতিবিদ। তেওঁ স্বৰাষ্ট্ৰ আৰু পৰৰাষ্ট্ৰ নীতিক প্ৰাচিয়াৰ অভিজাত ভূস্বামী (ইয়ুঙ্কাৰ) আৰু বৃহৎ বুৰ্জোৱাসকলৰ স্বাৰ্থৰ পক্ষে অনুসৰণ কৰিছিল। তেওঁ লুণ্ঠনকাৰী যুদ্ধ আৰু কূটনৈতিক কৌশলেৰে ১৮৭১ চনত প্ৰাচিয়াৰ কৰ্তৃত্বৰ অধীনত জাৰ্মানীক ঐক্যবদ্ধ কৰে। ১৮৭১-ৰপৰা ১৮৯০ চনলৈ তেওঁ জাৰ্মান সাম্ৰাজ্যৰ চেন্সেলাৰ আছিল।

'১৮৪৮ চনৰ বিপ্লৱত ইয়াৰ পূৰ্বৰ বহুতৰে লেখীয়া আচৰিত সহযাত্ৰী আৰু উত্তৰাধিকাৰী আছিল। কাৰ্ল মাৰ্ক্সে কোৱাৰ দৰে, ইয়াক বিফল কৰা সেইসকল লোকেই ইয়াৰ সাক্ষ্যস্বৰূপ তত্ত্বাৰধায়ক হ'ল। লুই নেপোলিয়নে

এখনি স্বাধীন আৰু ঐক্যবদ্ধ ইটালী সৃষ্টি কৰিছিল, বিছমাৰ্কে জাৰ্মানীত আমূল পৰিবৰ্তনসাধন কৰিছিল আৰু স্বাধীন হাঙ্গেৰী পুনৰ স্থাপন কৰিছিল।' ('ইংলণ্ডত শ্ৰমিক শ্ৰেণীৰ অৱস্থা' পুথিৰ কাৰণে এঙ্গেলছে লিখা পাতনিৰ-পৰা।) পৃঃ ২৮

(২২) ৰুছ সাম্ৰাজ্যই গ্ৰাস কৰা পোলেণ্ডৰ ভূখণ্ডত ১৮৬৩ চনত আৰম্ভ হোৱা জাতীয় মুক্তি আন্দোলনৰ কথা কোৱা হৈছে। জাৰৰ সৈন্যই এই আন্দোলন নিষ্ঠুৰভাৱে দমন কৰিছিল। এই আন্দোলন বা বিদ্ৰোহৰ নেতাসকলে পশ্চিম ইউৰোপৰ চৰকাৰসমূহে হস্তক্ষেপ কৰিব বুলি আশা কৰিছিল, কিন্তু সেই চৰকাৰসমূহে নিজকে কূটনৈতিক পাশাখেলত আৱদ্ধ ৰাখিছিল আৰু কাৰ্য্যতঃ বিদ্ৰোহীসকলক প্ৰতাৰণা কৰিছিল। পৃঃ ২৮

(২৩) **পোপ পাইয়াছ নৱম,** ১৮৪৬ চনত নিৰ্বাচিত হয়, 'উদাৰনীতিক' ৰূপে গণ্য কৰা হৈছিল, কিন্তু প্ৰথম নিকোলাছৰ দৰেই সমাজতন্ত্ৰবিৰোধী আছিল, যি আনকি ১৮৪৮ চনৰ বিপ্লৱৰ পূৰ্বেই ইউৰোপীয় প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰিছিল। **মেট্টেৰনিখ** — অষ্ট্ৰীয় সাম্ৰাজ্যৰ চেন্সেলাৰ আৰু ইউৰোপীয় প্ৰতিক্ৰিয়াৰ বিখ্যাত নেতা। এজন প্ৰখ্যাত ফৰাচী বুৰঞ্জীবিদ আৰু মন্ত্ৰী, বিপুল অৰ্থ আৰু ঔদ্যোগিক পুঁজিৰ তত্ত্ববিদ আৰু প্ৰলেতাৰিয়েতসকলৰ অনমনীয় শত্ৰু **গিজোৰে** সৈতে এওঁৰ সম্পৰ্ক বিশেষ ধৰণে ভাল আছিল। প্ৰাচিয়াৰ চৰকাৰৰ সনিৰ্বন্ধ অনুৰোধত কাৰ্ল মাৰ্ক্সক পেৰিছৰপৰা বহিষ্কাৰ কৰিছিল। জাৰ্মান পুলিছে মাথো জাৰ্মানীতেই নহয় বৰং ফ্ৰান্স, বেলজীয়াম আৰু চুইজাৰলেণ্ডতো কমিউনিষ্টসকলক শাস্তি বিহিছিল আৰু প্ৰচাৰকাৰ্য্য চলোৱাত তেওঁলোকক বাধা দিবলৈ সকলো উপায় প্ৰয়োগ কৰিছিল। পৃঃ ৩১

(২৪) **হাক্‌ষ্টহাউজেন অ'গষ্ট** (১৭৯২-১৮৬৬) — প্ৰাচিয়াৰ বেৰন; তেওঁক প্ৰথম নিকোলাছে ৰাছিয়ালৈ আহিবলৈ আৰু দেশৰ কৃষিব্যৱস্থা তথা ৰুছ কৃষকৰ জীৱনপ্ৰণালী অধ্যয়ন কৰিবলৈ অনুমতি দিছিল (১৮৪৩-১৮৪৪); ৰাছিয়াত ভূমি-সম্পৰ্কৰ ক্ষেত্ৰত গোষ্ঠী প্ৰথাৰ অৱশিষ্ট সম্বন্ধে তেওঁ পুথি লিখে। পৃঃ ৩২

(২৫) **মাউৰেৰ, গীয়ৰ্গ লুড্‌ভিগ** (১৭৯০-১৮৭২) — জাৰ্মান বুৰঞ্জীবিদ, প্ৰাচীন আৰু মধ্যযুগীয় জাৰ্মানীৰ সমাজব্যৱস্থা সম্বন্ধে অনুসন্ধান কৰে; মধ্যযুগীয় মাৰ্ক-গোষ্ঠীৰ বুৰঞ্জী অধ্যয়নৰ প্ৰতি অশেষ বৰঙণি যোগায়। পৃঃ ৩২

(২৬) **মৰ্গান, লিউইছ-হেনৰী** (১৮১৮-১৮৮১) — আমেৰিকাৰ নৃকুলবিদ, প্ৰত্নতত্ত্ববিদ আৰু বুৰঞ্জীবিদ। আমেৰিকাৰ আদিম অধিবাসী ৰেড ইণ্ডিয়ানসকলৰ জীৱন আৰু সামাজিক ব্যৱস্থা অধ্যয়ন কৰাৰ সময়ত সংগ্ৰহ কৰা ব্যাপক জাতিতাত্ত্বিক

তথ্যপাতিৰ ওপৰত, আদিম গোষ্ঠী ব্যৱস্থা পৰিয়ালৰ ক্ৰমবিকাশৰ মূল আশ্ৰয় বুলি তেওঁ তত্ত্ব দাঙি ধৰিছিল। তদুপৰি তেওঁ কালক্ৰমানুসাৰি শ্ৰেণী গঠন পূৰ্বৰ সমাজৰ বুৰঞ্জী নিৰ্ধাৰণ কৰিবলৈ চেষ্টা কৰিছিল। এওঁৰ সম্বন্ধে কাৰ্ল মাৰ্ক্স আৰু ফ্ৰিডৰিখ এঙ্গেলছে উচ্চ মত পোষণ কৰিছিল। মাৰ্ক্সে তেওঁৰ 'প্ৰাচীন সমাজ' পুথিৰ (১৮৭৭) বিতং সাৰাংশ আৰু এঙ্গেলছে 'পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি' নামৰ পুথিত মৰ্গানে সংগ্ৰহ কৰা বাস্তৱ তথ্যৰ কথা উল্লেখ কৰিছিল। পৃঃ ৩২

(২৭) **ক্ৰুছেড** (ধৰ্মযুদ্ধ) — জেৰুজালেম আৰু অন্যান্য 'পৱিত্ৰ স্থানৰ' মুছলমানসকলৰপৰা খৃষ্ট ধৰ্মৰ মন্দিৰ আদি উদ্ধাৰৰ অজুহাতত একাদশ-ত্ৰয়োদশ শতিকাত পশ্চিম ইউৰোপীয় নাইট আৰু সামন্ত প্ৰভুসকলে প্ৰাচ্যত চলোৱা সামৰিক উপনিৱেশবাদী অভিযান। পৃঃ ৩৬

(২৮) মাৰ্ক্স আৰু এঙ্গেলছে তেওঁলোকৰ পৰৱৰ্তী ৰচনাসমূহত 'শ্ৰমৰ মূল্য' আৰু 'শ্ৰমৰ দামৰ' পৰিৱৰ্তে মাৰ্ক্সৰ প্ৰৱৰ্তিত অধিক সঠিক কথাষাৰ 'শ্ৰমশক্তিৰ মূল্য' আৰু 'শ্ৰমশক্তিৰ দাম' ব্যৱহাৰ কৰে। পৃঃ ৪১

(২৯) নিৰ্বাচনী সংস্কাৰৰ কথা কোৱা হৈছে। ১৮৩১ চনত কমন্স সভাত যথোচিতভাৱে এই সম্বন্ধীয় বিল গৃহীত হয় আৰু ১৮৩২ চনৰ জুন মাহত লৰ্ডছ সভাই অৱশেষত ইয়াক অনুমোদন কৰে। জমিদাৰ আৰু বিত্তশালী ডা-ডাঙৰীয়াসকলৰ একচেটিয়া ৰাজনৈতিক অধিকাৰ খণ্ডন কৰা আৰু উদ্যোগপতি বুৰ্জোৱাসকলক সংসদৰ অধীন কৰাটো এই সংস্কাৰৰ উদ্দেশ্য আছিল। এই সংস্কাৰৰ কাৰণে চলোৱা সংগ্ৰামৰ প্ৰাণশক্তি প্ৰলেতাৰিয়েত আৰু পেটি-বুৰ্জোৱাসকলক উদাৰনৈতিক বুৰ্জোৱাসকলে প্ৰতাৰণা কৰিছিল আৰু নিৰ্বাচনী অধিকাৰৰপৰা বঞ্চিত কৰিছিল। পৃঃ ৬১

(৩০) **ফৰাচী লেজিটিমিষ্ট** — ১৮৩০ চনত পতন ঘটা বুৰবোঁ ৰাজবংশৰ সমৰ্থক, অভিজাত ভূস্বামীসকলৰ স্বাৰ্থৰ প্ৰতিনিধি। ধনী অভিজাত আৰু বৃহৎ বুৰ্জোৱসকলৰ ওচৰত নিৰ্ভৰশীল অৰলিয়োঁ ৰাজবংশৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত কিছুমান লেজিটিমিষ্টে সামাজিক বাগাড়ম্বৰৰ আশ্ৰয় লয় আৰু বুৰ্জোৱা শোষণৰ বিৰুদ্ধে শ্ৰমজীৱী ৰাইজৰ স্বাৰ্থৰ ৰক্ষক বুলি নিজকে দাবী কৰে। **'নবীন ইংলণ্ড'** — ১৮৪০-ৰ দশকৰ আগভাগত গঠিত টৰি পাৰ্টিৰ ৰাজনীতিবিদ আৰু সাহিত্যিকসকলে গঠন কৰা এটি দল। বুৰ্জোৱাসকলৰ ক্ৰমবৰ্ধমান অৰ্থনৈতিক আৰু ৰাজনৈতিক শক্তিৰ বাবে ভূস্বামী অভিজাত সম্প্ৰদায়ৰ অসন্তোষ এওঁলোকৰ মাজত প্ৰকাশ পায়; 'নবীন ইংলণ্ড'ৰ নেতাসকলে শ্ৰমিক শ্ৰেণীৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ বিস্তাৰ কৰি বুৰ্জোৱাসকলৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীয়ে চলোৱা সংগ্ৰামৰ সহায় লোৱাৰ অৰ্থে জননেতাৰ মুখা পিন্ধে। পৃঃ ৬২

(৩১) **চিচ্‌মণ্ডি, জাঁ চার্ল লিওনার্ড চিমোঁদ** (১৭৭৩-১৮৪২) — চুইজাৰলেণ্ডৰ অৰ্থনীতিবিদ আৰু বুৰঞ্জীবিদ, পেটি-বুৰ্জোৱা সমাজতন্ত্ৰৰ প্ৰবক্তা। চিচ্‌মণ্ডিয়ে বৃহৎ ধনতান্ত্ৰিক উৎপাদন ব্যৱস্থাত প্ৰগতিশীল ধাৰা প্ৰত্যক্ষ কৰা নাছিল আৰু পুৰণি ব্যৱস্থা আৰু ঐতিহ্যৰ মাজত ঔদ্যোগিক গিল্ড আৰু পিতৃপ্ৰধান কৃষিব্যৱস্থাৰ মাজত আহিৰ অনুসন্ধান কৰিছিল, যিটো নতুন অৰ্থনৈতিক পৰিস্থিতিৰে সৈতে সঙ্গতিহীন। পৃঃ ৬৪

(৩২) **গ্ৰুন, কাৰ্ল** (১৮১৭-১৮৮৭) — জাৰ্মান পেটি-বুৰ্জোৱা প্ৰৱন্ধকাৰ। পৃঃ ৬৮

(৩৩) **বাবিওফ গাছ্‌চ, ফ্ৰাঁচুৱা নে'য়েল** (১৭৬০-১৭৯৭) — ফৰাচী বিপ্লৱী, কাল্পনিক সাম্যবাদৰ প্ৰখ্যাত প্ৰবক্তা। বৈপ্লৱিক একনায়কত্ব প্ৰতিষ্ঠা আৰু জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা হেতু সশস্ত্ৰ বিদ্ৰোহৰ অৰ্থে তেওঁ এটি গোপন সংস্থা গঠন কৰিছিল। অৱশ্যে এই ষড়যন্ত্ৰ ধৰা পৰে আৰু ১৭৯৭ চনৰ ২৭ মে'ত বাবিওফক প্ৰাণদণ্ড দিয়ে। পৃঃ ৭০

(৩৪) **চাঁ-চিমোঁ, আঁৰী ক্লদ** (১৭৬০-১৮২৫) ফৰাচী কাল্পনিক সমাজতন্ত্ৰী। তেওঁ ধনতান্ত্ৰিক ব্যৱস্থাক সমালোচনা কৰে আৰু গিল্ডৰ আদৰ্শৰ ভেটিত সমাজ ৰচনাৰ কাৰণে আহ্বান জনাই এখনি কাৰ্য্যসূচী দাঙি ধৰে। চাঁ-চিমোঁৰ মতে, ভৱিষ্যৎ সমাজত সকলোৰে নিশ্চয় কাম কৰিব লাগিব আৰু ব্যক্তিগত শ্ৰমসাফল্যৰ ওপৰত সমাজত এজনৰ স্থান নিৰ্ধাৰিত হ'ব। তেওঁ উদ্যোগেৰে সৈতে বিজ্ঞানক জড়িত কৰা, কেন্দ্ৰীয়কৰণ আৰু পৰিকল্পিত উৎপাদনৰ আদৰ্শ আগ বঢ়ায়। অৱশ্যে চাঁ-চিমোঁৱে ব্যক্তিগত মালিকানা আৰু পুঁজিৰপৰা লাভবান হোৱা ব্যৱস্থাক আক্ৰমণ কৰা নাছিল। ৰাজনৈতিক সংগ্ৰাম আৰু বিপ্লৱৰ প্ৰতি তেওঁ এটি নেতিবাচক মনোভাৱ গ্ৰহণ কৰিছিল; প্ৰলেতাৰিয়েতসকলৰ ইতিহাস-সৃষ্টি উদ্দেশ্য প্ৰত্যক্ষ কৰিবলৈ অপাৰগ আছিল আৰু বিশ্বাস কৰিছিল যে, চৰকাৰী সংস্কাৰ আৰু নতুন ধৰ্মৰ উদ্দীপনাৰে সমাজৰ নৈতিক শিক্ষাই শ্ৰেণী-বিৰোধৰ অৱসান ঘটাব। [ফুৰিয়ে আৰু ওৱেন সম্বন্ধীয় ১১ আৰু ১২ নং টোকা দ্ৰঃ] পৃঃ ৭০

(৩৫) **চাৰ্টিজম** — দুৰূহ অৰ্থনৈতিক পৰিস্থিতি আৰু একপক্ষীয় শাসনৰ ফলত ব্ৰিটিছ শ্ৰমিকসকলে আৰম্ভ কৰা গণ-বৈপ্লৱিক আন্দোলন। ১৮৩০ চনত জন-শোভাযাত্ৰাৰে এই আন্দোলন আৰম্ভ হয় আৰু এৰাধৰাকৈ ১৮৫০ চনলৈ এই আন্দোলন অব্যাহত আছিল। পৃঃ ৭৩

(৩৬) ১৮৪৩-ৰপৰা ১৮৫০ চনলৈ পেৰিছৰপৰা প্ৰকাশিত **'লা ৰিফৰ্ম'** সংবাদপত্ৰৰ সমৰ্থকসকলৰ কথা উল্লেখ কৰা হৈছে। এওঁলোক এখনি প্ৰজাতন্ত্ৰ আৰু গণতান্ত্ৰিক তথা সামাজিক সংস্কাৰত বিশ্বাসী আছিল। পৃঃ ৭৩

(৩৭) **লেড্ৰু-ৰলাঁ, আলেক্সান্দৰ অগিউষ্ট** (১৮০৭-১৮৭৪) — ফৰাচী প্ৰৱন্ধকাৰ, ৰাজনীতিবিদ, পেটি-বুৰ্জোৱা গণতন্ত্ৰীসকলৰ নেতা, 'লা ৰিফৰ্ম' কাকতৰ প্ৰধান সম্পাদক, ১৮৪৮ চনত অস্থায়ী চৰকাৰৰ সদস্য।

**ব্লাঁ, লুই** (১৮১১-১৮৮২) — ফৰাচী পেটি-বুৰ্জোৱা সমাজতন্ত্ৰী, বুৰঞ্জীবিদ, ১৮৪৮-১৮৪৯ চনৰ বিপ্লৱৰ নেতা; তেওঁ বুৰ্জোৱাসকলেৰে সৈতে আপোচ মীমাংসা কৰিবলৈ বিচাৰিছিল। পৃঃ ৭৪

(৩৮) ১৮৪৬ চনৰ ফেব্ৰুৱাৰী মাহত জাতীয় স্বাধীনতা লাভৰ লক্ষ্যেৰে পোলেণ্ডৰ ভূখণ্ডত বিদ্ৰোহৰ প্ৰস্তুতি চলোৱা হৈছিল। এই বিদ্ৰোহৰ প্ৰধান সংগঠক আছিল পোলেণ্ডৰ বিপ্লৱী গণতন্ত্ৰীসকল। পৃঃ ৭৫

(৩৯) ফ্ৰিডৰিখ এঙ্গেলছৰ 'সাম্যবাদৰ সূত্ৰ' ৰচনা কমিউনিষ্ট লীগৰ প্ৰাথমিক খচৰা কাৰ্য্যসূচী আছিল। কমিউনিষ্ট লীগৰ দ্বিতীয় কংগ্ৰেছত (১৮৪৭ চনৰ ২৯ নৱেম্বৰৰপৰা ৮ ডিচেম্বৰলৈ) মাৰ্ক্স আৰু এঙ্গেলছক ইস্তাহাৰ ৰূপে কাৰ্য্যসূচীৰ খচৰা প্ৰস্তুত কৰিবলৈ কোৱা হৈছিল। 'কমিউনিষ্ট ইস্তাহাৰ' প্ৰস্তুত কৰাৰ সময়ত, মাৰ্ক্সবাদৰ প্ৰতিষ্ঠাতাসকলে, 'সাম্যবাদৰ সূত্ৰ'ত আগবঢ়োৱা প্ৰস্তাৱ ব্যৱহাৰ কৰিছিল। পৃঃ ৭৭

(৪০) ২২ আৰু ২৩ নং প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰিৱৰ্তে, পাণ্ডুলিপিত 'একেই' কথাষাৰ কোৱা হৈছে, যাৰ অৰ্থ হ'ল এয়ে যে, কমিউনিষ্ট লীগৰ প্ৰাথমিক খচৰা কাৰ্য্যসূচীত কোৱাৰ দৰে উত্তৰ অপৰিৱৰ্তনীয়ভাৱে আছে। পৃঃ ৯৪

## পাঠকবৰ্গৰ প্ৰতি

এই কিতাপখনৰ অনুবাদ আৰু অঙ্গসজ্জাৰ বিষয়ে আপোনালোকৰ মতামত পালে বাধিত হ'ম।

আমাৰ ঠিকনা:
প্ৰগতি প্ৰকাশন
১৭, জুবোভ্স্কি বুলভাৰ,
মস্কো, ছোভিয়েত ইউনিয়ন

Progress Publishers
17, Zubovsky Boulevard
Moscow, Soviet Union

ИБ № 14253

Редактор русского текста *Т. И. Бородулина*
Контрольный редактор *В. Ф. Объедков*
Художественный редактор *Е. В. Ящук*
Технический редактор *Т. И. Юрова*
Корректор *М. П. Грачёва*

Сдано в набор 8.10.85. Подписано в печать 4.03.86.
Формат $84 \times 108^1/_{32}$. Бумага типограф. № 1. Гарнитура ассами.
Печать высокая. Условн. печ. л. 5,67+0,21 печ. л. вклеек.
Усл. кр.-отт. 7,77. Уч.-изд. л. 6,87. Тираж 11140 экз. Заказ № 1331.
Цена 24 к. Изд. № 40831.

Ордена Трудового Красного Знамени
издательство «Прогресс»
Государственного комитета СССР по делам издательств,
полиграфии и книжной торговли.
119841, ГСП, Москва, Г-21, Зубовский бульвар, 17.

Ордена Трудового Красного Знамени
Московская типография № 7 «Искра революции»
«Союзполиграфпрома» Государственного комитета СССР
по делам издательств, полиграфии
и книжной торговли.
Москва, 121019, пер. Аксакова, 13.

К. Маркс, Ф. Энгельс

МАНИФЕСТ КОММУНИСТИЧЕСКОЙ ПАРТИИ

*На языке ассами*

**K. Marx, F. Engels**

MANIFESTO OF THE COMMUNIST PARTY

*In Assamese*